# কবিতাৰ ৰূপ-ছায়া

ড° কৰবী ডেকা হাজৰিকা

বনলতা

নতুন বজাৰ
ডিব্রুগড়

পাণ বজাৰ
গুৱাহাটী

**Kabitar Rup-Chaya :** *A critical account on Poetry Written in Assamese by Dr Karabi Deka Hazarika Reader Department of Assamese Dibrugarh University Dibrugarh and Published by Sri Makhan Hazarika Banalata, Dibrugarh First Edition 1991 Price Rupees Thirty only*

প্ৰকাশক

শ্ৰীমাখন হাজৰিকা

বনলতা

ডিব্ৰুগড়

শাখা

পাণবজাৰ

গুৱাহাটী—১

প্ৰথম প্ৰকাশ : জানুৱাৰী ১৯৯১ চন

মূল্য : ৩০ ০০ টকা

মুদ্ৰাকৰ :

শ্ৰীতুলসীচৰণ বকসী

নেছনেল প্ৰিণ্টিং ৱাৰ্কছ

৩৩ডি মদন মিত্ৰ লেন

কলিকতা ৬

# ব্যক্তিগত অলপ কথা

কবিতাৰ বিষয়ে কিছু কথা লিখাৰ ইচ্ছা বহুতদিনৰ পৰাই আছিল। ভাবিছিলোঁ অসমীয়া পাঠকক এনে এখন কিতাপ লাগে য'ত কবিতাৰ সকলো দিশৰ চিন্তা একে ঠাইতে পোৱা যায়। কামটোৰ বাবে সময় বহুত লাগে কিন্তু মোৰ আজৰি বৰ কম। তাৰ মাজতে সীমিত ক্ষমতাৰে কবিতাৰ ৰূপ ছায়া ৰচনা কৰি উলিয়ালোঁ। কবিতা ভাল পোৱা আৰু নোপোৱা দুয়োশ্ৰেণীৰ পাঠকৰ বাবে ইয়াত কিছু কথা আছে।

শলাগ লব লাগে কেইবাজনৰো। মোৰ মাৰ কবিতা প্ৰীতি আৰু স্মৃতিশক্তিয়ে বহুতো চিন্তাৰ আউল ভাঙি দিছে। সেই বাবে মই কৃতজ্ঞ। বহুতো সময় খৰছ কৰি পাণ্ডুলিপি সাজু কৰি দিছে মোৰ সাহিত্যপ্ৰেমী ছাত্ৰ মুখলেছুৰ ৰহমানে। দুখনমান দুষ্প্ৰাপ্য পুথিৰ যোগান ধৰিছে বনলতাৰ ভাইটি অনন্ত হাজৰিকাই। সকলোক্ষেত্ৰতে সহযোগিতা আৰু প্ৰেৰণা যোগাইছে ড° কন্দৰ্পকুমাৰ ডেকাই। এই সকলোলৈকে হিয়াভৰা শলাগ জনালোঁ।

আলোচনাৰ মাজে মাজে পুথিখনত বহুতো কবিৰ কবিতাৰ টুকুৰা ব্যৱহাৰ কৰা হৈছে। জনপ্ৰিয় কবিতা বাবেই সেইবোৰত সকলো ক্ষেত্ৰতে কবিৰ নাম আহি পৰা নাই। সহৃদয় কবিসকলে কথাষাৰ বুজি পাব নিশ্চয়।

শেষত ক'বলৈ মন গৈছে এনে এখন গ্ৰন্থত বহুতো আসোঁৱাহ ৰৈ যোৱাটো স্বাভাৱিক। সহৃদয় পাঠকে সেইবোৰ যদি আঙুলিয়াই দিয়ে কৃতাৰ্থ হ'ম। ইয়াত প্ৰতিভা আৰু পাণ্ডিত্য এটাৰো জিলিকনি নাই আছে কেৱল আন্তৰিকতা।

১ জানুৱাৰী ১৯৯১ — কৰবী ডেকা হাজৰিকা
ডিব্ৰুগড় বিশ্ববিদ্যালয়

# সুচীপত্ৰ


১ কবিতা কেৱল কবিতা ১—৬

০১ ০১ কবিতা নানা মত / ১

০১ ০২ কবিতা হৃদয় আৰু চিন্তাবৃত্তি / ৮

০১ ০৩ কবিতাই কি ক ব / ১৪

০১ ০৪ কবিতাৰ উদ্দেশ্য / ১৭

০১ ০৫ কবিতাৰ ভাব আৰু ভাষা / ২৩

০১ ০৬ কবিতাৰ ভাষাৰ নানা ৰূপ / ২৭

০১ ০৭ ভাববস্তু আৰু কল্পনাৰ সংযোগ / ৩২

০১ ০৮ ছন্দ লয় ইত্যাদি / ৩৫

০১ ০৯ প্ৰতীক আৰু চিত্ৰকল্প / ৩৯

০১ ১০ কবিতা কাৰ বাবে / ৪৪

০১ ১১ কবিতাৰ দুৰ্বোধ্যতা আৰু তাৰ সম্ভাব্য কাৰণসমূহ / ৪৮

০১ ১২ কবি পাঠক আৰু সমালোচক / ৫৬

২ কবিতাৰ নানাৰূপ ৬১—৮

০২ ০১ মহাকাব্য / ৬৩

০২ ০২ মালিতা / ৬৬

০২ ০৩ গীতি-কবিতা / ৬৮

০২ ০৪ চনেট / ৭১

০২ ০৫ ইলিজী শোকৰ কবিতা / ৭৪

০২ ০৬ পেৰডী লিমাৰিক আদি / ৭৭

০২ ০৭ কথা-কবিতা / ৭৮

৩ কবিতা আৰু জীৱনৰ নানা দিশ ৮১—৯৭

৪ কবিতাৰ বাদ বৈচিত্ৰ্য ৯৮—১২৩

০৪ ০১ ধ্ৰুববাদ / ৯৮

০৪ ০২ ৰমন্যাসবাদ / ১০০

০৪ ০৩ কান্তিবাদ / ১০৫

০৪ ০৪ ৰহস্যবাদ / ১০৮

বিষয় পৃষ্ঠা

০৪ ০৫ প্ৰতীকবাদ / ১১৫
০৪ ০৬ চিত্ৰকল্পবাদ / ১১৮
০৪ ০৭ অন্যান্য মতবাদসমূহ এটি আভাস / ১২১

৫ ছন্দ—কবিতাৰ পুৰণি বান্ধৱা ১২৪—১৪৬

০৫ ০১ মাত্ৰাবৃত্ত ছন্দ / ১২৯
০৫ ০২ যৌগিক ছন্দৰীতি / ১৩৩
০৫ ০৩ স্বৰবৃত্ত ছন্দৰীতি / ১৩৭
০৫ ০৪ অমিতাক্ষৰ ছন্দ / ১৪০
০৫ ০৫ মুক্তক ছন্দ / ১৪৩

৬ কবিতাৰ দেহ আৰু মনৰ বাতৰি ১৪৭—১৭৮

০৬ ০১ কবিতা আৰু অলংকাৰ / ১৪৭
০৬ ০২ কবিৰ নিজা জগতখনৰ কথা—কবি প্ৰসিদ্ধি / ১৫৩
০৬ ০৩ কবিতাত ৰস / ১৫৬
০৬ ০৪ কবিতাৰ ধ্বনি / ১৬৫
০৬ ০৫ বক্ৰোক্তি / ১৬৯
০৬ ০৬ কবিতাৰ ৰীতি আৰু গুণ / ১৭২

৭ যুগ প্ৰবাহত কবিতা ১৮০—১৯৭

০৭ ০১ কবিতা আৰু আধুনিক মন / ১৮০
০৭ ০২ আধুনিক অসমীয়া কবিতা / ১৮৫

৮ সংযোজন ১৯৮

০৮ ০১ কবিতাৰ বিষয়ে দুটিমান উক্তি / ১৯৮

৯ গ্ৰন্থপঞ্জী ১৯৯—২০২

# কবিতার রূপ-ছায়া

## ০১.০০ কবিতা কেৱল কবিতা

### ০১.১ কবিতা — নানা মত, নানা কথা

কবিতাক কোনো সংজ্ঞাৰে বান্ধি পেলোৱা সহজ নহয়। কাৰণ কবিতা বুলিলেই মনলৈ আহে এক ছাঁ পোহৰৰ মায়াভৰা ৰূপছবি কোনো ৰীতি অথবা সীমাৰ দ্বাৰা সি আৱদ্ধ নহয়। এই ৰূপছবিত সপোন অৰ্থ দিঠকৰ কল্পনা আৰু অভিজ্ঞতাৰ মিশ্ৰিত জিলিকনি থাকে। এই গোটেইখিনিৰ প্ৰভা একেটি মাথোন সংজ্ঞাৰে দাঙি ধৰিব নোৱাৰি। কবিতাৰ বিষয়ে আজিলৈকে যিমানবোৰ সংজ্ঞা পোৱা গৈছে সেইবোৰৰ এটাও সৰ্বাংগসম্পূৰ্ণ বুলি কব নোৱাৰি। কোনোটোৱে গুৰুত্ব দিছে শব্দ বিন্যাসৰ ওপৰত কোনোটোৱে হয়তো দিছে অনুভূতি প্ৰৱাহৰ ওপৰত। কোনোটোৰ ভিতৰত যদি ছন্দ ৰীতিৰ কথা আছে অন্য এটাত হয়তো আছে সাংগীতিক লয়ৰ কথা। মূঠতে কবিতা সম্পৰ্কে কবি আৰু সমালোচকসকলৰ মনোভাব বিচিত্ৰ। এই সংজ্ঞাবোৰৰ বিষয়ে ইতিমধ্যেই বিস্তৃত আলোচনা হৈছে।[১] কবিতা সম্পৰ্কে থকা এই মতবাদসমূহৰ আধাৰত এটি স্বয়ংসম্পূৰ্ণ ধাৰণাৰে পাঠকে নিজেই কবিতা সম্পৰ্কে এখন মানস ছবি আঁকি লব পাৰে।

খুব সহজ ভাষাৰে কবলৈ গলে কবিৰ হৃদয়ত দোলা দিয়া বিশেষ অনুভূতিয়ে যেতিয়া ছন্দৰীতিৰে সজ্জিত হৈ প্ৰকাশৰ বাট বিচাৰে তেতিয়াই কবিতাৰ জন্ম হয়। ইয়াত থাকিব লাগিব উৎকৃষ্ট শব্দৰ উপযুক্ত বিন্যাস শব্দবোৰে দিব লাগিব শ্ৰৱণৰ তৃপ্তি প্ৰতিটো শব্দৰ আঁৰত থাকিব লাগিব কল্পনা আৰু আবেগৰ উম। ইয়াৰ বক্তব্য একান্ত ব্যক্তিগত হব পাৰে—তাত থাকিব লাগিব আনৰো হৃদয় চুব পৰা আবেদন। দিঠকৰ কঠোৰতা বৰ্ণনা লৈও কবিতা হব পাৰে—যদি তাত থাকে আনন্দময় ৰসৰ আস্বাদ। কবিতা হল সেইবিধ কলা—য'ত কল্পনা আৰু দিঠক একাকাৰ হৈ পৰে সুৰ আৰু ছন্দই হাতত ধৰি বাট বুলে একোটা উচ্চাৰিত শব্দই য'ত অলেখ অনুচ্চাৰিত শব্দৰ অৰ্থ বহন কৰে।

কলৰিজ ৱৰ্ডচৱৰ্থ অডেন কাৰ্লাইল মেথিউ আৰ্নল্ড ড জনচন আদি প্ৰসিদ্ধ গুণীজনে দিয়া কবিতাৰ সংজ্ঞাসমূহ বিচাৰ কৰিলে দেখা

---

১। দ্ৰষ্টব্য মহেন্দ্ৰ বৰা সাহিত্য উপক্ৰমণিকা পৃঃ ১২—১৫

খায় যে একোডাল অদৃশ্য শিকলিয়ে যেন ইটোৰ লগত সিটো সংলগ্নক সাঙুৰি থৈছে। কলৰিজে কৈছে সুবিন্যস্ত শব্দ সম্ভাৰৰ কথা। সুবিন্যাসে সচায় ছন্দৰ প্ৰয়োজনীয়তা যিটো কৈ গৈছে ড জনছনে। মেথিউ আৰ্নল্ডে কোৱা কবিতা হল জীবন কথা কথাষাৰে জীৱনৰ লগত কবিতাৰ সম্পৰ্কৰ কথা দোহাৰে। ৱৰ্ডচৱৰ্থৰ নিৰলাত সোৱ ৰা হিয়াৰ আবেগেই কবিতা এইষাৰ উক্তিৰ আঁৰত জীৱনৰ অন্য এটি দিশ জড়িত আছে। আবেগ ওলাই আহে জীৱনৰ একান্ত আপোন অনুভূতি সমূহৰ পৰা। কবিসকলে জীৱন আৰু জগতক যেনে চকুৰে চায়—তাৰ প্ৰতিক্ৰিয়াতে তেওঁলোকৰ হৃদয় মন্থন কৰা অনুভূতিসমূহে প্ৰকাশৰ বাট বিচাৰে। একেবাৰে আলসুবা এটি বিশ্বাস মতে কবিৰ বেদনা বিধূৰ অন্তৰেই হল কবিতাৰ জন্মভূমি। এই বেদনা কিন্তু লৌকিক প্ৰাণৰ সাধাৰণ বিষাদ নহয়। ই হল এক অলৌকিক আৰু অপাৰ্থিব জগতত বিচৰণ কৰাৰ মুহূৰ্তত কবিৰ প্ৰাণত সৃষ্টি হোৱা আত্মপ্ৰকাশৰ বাসনাৰ সৃষ্টি। এটি ক্ৰৌঞ্চ পখীৰ মৃত্যুবেও এই বেদনাৰ সৃষ্টি কৰিব পাৰে অথবা সৃষ্টি কৰিব পাৰে প্ৰেমৰ অপূৰ্ণতাই। এপাহি ফুলৰ ৰূপৰ ৰাগীত মতলীয়া কবিৰ মনতো এই বেদনাৰ জন্ম হব পাৰে নাইবা হব পাৰে বিশ্বৰ অসীম ৰহস্যৰ আগত নিজৰ ক্ষুদ্ৰতা অনুভব কৰা অসহায় হৃদয়ত। এই বেদনা সকলো সৃষ্টিকামী হৃদয়তে থাকে। কিবা এটা কবলৈ আৰু প্ৰকাশ কৰিবলৈ কবিৰ অন্তৰত অলেখ অনুভবৰ হেন্দোলনি উঠে। কিন্ত সেইবোৰ গতানুগতিক জগতৰ যান্ত্ৰিক অনুভৱ নহয় তাত থাকে কবি প্ৰাণৰ কল্পনাৰ উম। তদুপৰি সেইবোৰ প্ৰকাশ কৰিবলৈ মনে বিচৰা শব্দ এটি বিচাৰিও কবিযে কেতিয়াবা হাবাথুৰি খায়। সিও এক অন্য যন্ত্ৰণা। কবিৰ হৃদযৰ ভাষা—

এটি সৰু কথা কবলৈ
হাজাৰটা শব্দ ব্যয় কৰিলোঁ
মন্থন কৰিলো
আকাশ মাটি
আৰু
হৃদয়
মোৰ কলম যেন
এটা নীলা জিঞ্জা

কলমোফ লীয়া শব্দৰ শোভাত
অ ৰ পৰা ত ত পৰেগৈ
এটি সৰ শব্দৰ সন্ধানত
এই দৰেই মই ভ্ৰমি ফৰো
গ্ৰহৰ পৰা গ্ৰহান্তৰ

সচাঁকৈয়ে কবিৰ হৃদয়ে যেন বি ব ব্ৰহ্মাণ্ড ভ্ৰমণ কৰে। তেওঁলোকৰ অন ভৱে অসীম জগতৰ বিশাল ব কৃত অবাধে বিচৰণ কৰে।

বহ তে কবলৈ বিচাৰে যে স সাৰৰ এখন স্বাভাৱিক চিত্ৰপট বিজনে স যমামণ্ডিত শব্দ আৰু ছন্দৰ উপচাৰেৰে আঁকি উলিয়াব পাৰে তেঁৱেই কবি। কিন্তু স্বাভাৱিকতাৰ লগতে ইযাত থাকিব লাগিব কবি মানসৰ চকুত ধৰা পৰা কিবা এটি বিশেষ ৰ প—যিটো সৰ্বসাধাৰণৰ চকুত ইমানদিনে ধৰা পৰা নাছিল। কবিৰ হৃদযৰ ভাবৰাশি মিশ্ৰিত হব লাগিব তেওঁৰ স্ব সৃষ্ট শব্দশৈলী আৰু উপযুক্ত কল্পণাৰ লগত। হৃদয়ৰ অশৰীৰি অন ভৱক স গঠিত শৰীৰেৰে পাঠকৰ আগলৈ আনিবলৈ সকলো কবিযেই ইচ্ছা কৰে। অশৰীৰি অন ভৱখিনি কবিৰ নিজা কিন্তু শৰীৰি ৰ পটো হৈ পৰে সকলোৰে স পত্তি।

নিজৰ বক্তব্যখিনিক পোহৰলৈ আনিবলৈ কবিয়ে বিচিত্ৰ কল্পনাসম্ভাৰৰ সহায কৌতিয়াবা লব লগীযা হয়। কল্পনা হল কবি সকলৰ হৃদয়ৰ এক বিশেষ সম্পদ যাৰ সহাযত নিচেই সাধাৰণ এটি বক্তব্যক অসাধাৰণ ৰ প দি তেওঁলোকে পাঠকৰ হৃদয় স্পন্দিত কৰিব পাৰে। এই কল্পনাত ৰমন্যাসিক কবি সকলে এটোপাল নিযৰ দেখিলে—"ফুলনিত কোনে নিশা নাচিছিল ছিগি বৈ গ ল মণি ব লি ন ত্যৰতা অ সৰীৰ কল্পনা কৰিব পাৰে। কবিসকলে মন আৰু দ্ৰব্যৰ মাজত থকা দ্বৈতভাবৰ নিৰসন কৰে কল্পনা নামৰ মানসিক শক্তিবিধৰ সহায়ত। এই কল্পনা হ ল স জনীশক্তিৰে অন্য এক নাম। ই হ ল কবিসকলৰ আলফ লীয়া ভাবধাৰা এক গতানুগতিকতাত আৰোপ কৰি তাক সীমাৰ পৰা অসীমলৈ নিয়াৰ আহিলা। ৱৰ্ডছৱৰ্থ, শ্যেলী কীটছ আদি কবিসকলৰ কবিতা স জনি কল্পনাৰ মহিমাৰে উপচি আছিল। আমাৰো জোনাকী যুগৰ কবিসকল কল্পনাৰ সাগৰত উটি ভাঁহি ফুৰিছিল। এই কল্পনাই মনোৰম এখন জগত স ষ্টি কৰি সকলো সুন্দৰতাক তাৰ ভিতৰত ভৰাই থৈছিল। কিন্তু আধুনিক কাবতাৰ কবি-কল্পনা সিমান কোমল আৰু

থকা নহয়। ই ৰূপ-সাগৰত উটিফুৰা কল্পনা নহয় ই হ'ল দিঠকৰ ধূলি গাত লৈ ধূসৰ ৰঙীন হোৱা সবল কল্পনা। ক্ষোভ প্ৰতিবাদ আদি অকবিসুলভ মনোভাৱসমূহেও এই কল্পনাৰ গাত আশ্ৰয় লয়।

এই কল্পনাৰ সহায়তেই কবিসকলৰ ব্যক্তিগত ধাৰণা পাঠকৰ আগত উপস্থাপিত হয়। মানুহে নেদেখা বস্তু এইদৰেই তেওঁলোকে দেখুৱাই দিযে চকুত অঞ্জন সানি তাৰ দৃষ্টিশক্তি উজ্জ্বল কৰি তোলে। কলৰিজৰ মতে কবিৰ সজ্ঞান চিন্ময়াৰ হাই (Consciousness) ওচৰৰ আৰু দূৰৰ নিত্য আৰু অনিত্যৰ বিশেষ আৰু নিৰ্বিশেষৰ বাস্তৱ আৰু অবাস্তৱৰ ইন্দ্ৰিয়গ্ৰাহ্য আৰু অতীন্দ্ৰিয়ৰ বিশ্বাস্য আৰু অবিশ্বাস্যৰ তথ্য আৰু সত্যৰ ক্ষণকাল আৰু চিৰকালৰ বাস্তৱ আদৰ্শৰ ভাব আৰু বস্তুসত্তাক চাক্ষুস কৰি ৰূপৰ সহায়ত পাঠকৰ মনত তাৰ অনুৰূপ ভাব-ব্যঞ্জনা সঞ্চাৰ কৰিব পাৰে।[২] গতিকে কবিসকল হ'ল মানৱ জগতত সুন্দৰতা আৰু অপাৰ্থিবতাৰ বাৰ্তাবাহক। সুন্দৰতা এই অৰ্থতেই তেওঁলোকে অসুন্দৰৰ বাৰ্তা আনিলেও তাৰ স্পন্দনে হৃদয়ৰ অলৌকিক অনুভৱখিনি জগাই তোলে। এই অনুভৱ সাধাৰণ দৈনন্দিন জীৱনৰ অনুভৱতকৈ বেলেগ সেয়েহে সি সুন্দৰ।

কবিতাৰ বিষয়ে কবিতাৰে কৈছে গোহাঁঞিবৰুৱাই

ৰূপহী জোনাযে দেহি কত প্ৰেম ভাব
সংকেতে বুজাই ভাবে—কথাৰ অভাব।
সন্ধিয়াৰ ৰঙা ৰেলি আপুনি তপত
বিচ্ছেদ পোৰাণি ভাব নহয বেকত

নসহি কবিতা ৰাণী জড় জগতত
দিলেহি বুজনি সুৰ অব্যক্ত ভাবত।

বুকুত গুমৰি থকা অস্ফুট অনুভৱে কবিতাত যি সৌন্দৰ্যপূৰ্ণ প্ৰকাশ লাভ কৰে তাকে ইয়াত কোৱা হৈছে। কবিৰ সৌন্দৰ্য নিৰ্মাণৰ ক্ষমতা সম্পৰ্কে হিতেশ্বৰ বৰবৰুৱাৰ কবি কবিতাত আছে—

কি স্বৰ্গ কি মৰত কি পাতালপুৰী
কি নগৰ কি অৰণ্য তীৰ সাগৰৰ

২। সাহিত্য-সন্দৰ্শন পৃঃ ৩৬

সকলোকে দেখা তুমি সকলোতে ফুৰি
আঁকা ছবি সকলোৰে তুমি চিত্ৰকৰ।

এইদৰে দেখা যায় যে বিশ্বাসমতে কবিতা হ'ল অনিবাৰ্যভাবে কল্পনাৰ লগৰী। কিন্তু উকা কল্পনাৰে জানো কবিতা হব পাৰে? নিশ্চয় নোৱাৰে। তাৰ লগত কবিৰ জীৱনবোধ আৰু অভিজ্ঞতাৰ মিশ্ৰণ থাকিলেহে কবিতা সাৰ্থক হৈ উঠে। জীৱনবোধে সচায় জীৱনৰ প্ৰতি থকা কবিৰ ধাৰণাৰ কথা। তেওঁ আশা আৰু প্ৰাণ প্ৰাচুৰ্যৰে ভৰপূৰ হব পাৰে অথবা দিঠকৰ কঠোৰতা দেখি আত্মগোপনৰ প্ৰয়াসীও হব পাৰে। তেওঁ কোমল অন্তৰৰ অভিমানী কবি হ'ব পাৰে অথবা অবিচাৰৰ বিৰুদ্ধে পুঞ্জীভূত ক্ষোভৰ উদগীৰণ কৰা খঙাল কবিও হব পাৰে। তেওঁৰ জীবনবোধৰ এই স্বৰূপ প্ৰকাশেই হ'ল কবিতাৰ মূল আকৰ্ষণ।

কবিৰ অন্তৰৰ অনুভূতিখিনি কথাৰে প্ৰকাশ কৰিবলৈ খাপখোৱা শব্দৰ প্ৰযোজন কিমান সেইকথা ইতিমধ্যে উল্লেখ কৰা হৈছে। কবিতাৰ ক্ষেত্ৰত উৎকৃষ্ট শব্দ বুলি এটা শব্দ প্ৰযোগ কৰা হয়। এই উৎকৃষ্ট শব্দ বুলি বহুতে জটিল আৰু আলংকাৰিক শব্দকে বুজে যদিও সেয়া তাৰ আচল অৰ্থ নহয। কবিৰ বক্তব্য বুজাবৰ বাবে আটাইতকৈ খাপ খোৱা যিটো শব্দ তেওঁ অজস্ৰ শব্দৰ মাজৰ পৰা বাছনি লয় সেয়াই হৈছে উৎকৃষ্ট শব্দ। উৎকৃষ্ট শব্দৰ সুপ্ৰযোগৰ বাবে দূৰলৈ চাব নেলাগে আমাৰে বিহগী কবি ৰঘুনাথ চৌধাৰীৰ কবিতাসমূহ উৎকৃষ্ট শব্দ-প্ৰযোগৰ সাৰ্থক উদাহৰণ।

গিৰিমল্লিকা কবিতাত স্বৰ্গ দেবকন্যা আশ্ৰম আদিৰ পৌৰাণিক পৰিবেশ অংকন কৰি তেওঁ কৈছে

অযি অনবগুণ্ঠিতা ফুল্ল শিখৰিনী
ৰঞ্জি মণিকণি কাৰ হৰিৎ মেখলা
আছা শোভি শুভ্ৰবেশে
কৰি সুৰভীত
লোহিত্যৰ তীৰভূমি শ্যামল বননি

গোলাপ কবিতাত আৰবৰ ছবি অঁকা তেওঁৰ শব্দ-সম্ভাৰ এনে ধৰণৰ—

ৰূপ ৰস গন্ধ পৰশ প্ৰেমত
জিনিলি পিয়াৰা হিন্দুস্থান

বাদছা হেৰেম কীৰ গুলজাৰ
দিল দৰিয়াত তুলিলি বান।

কেতেকীৰ মাজত অসমীয়া জীৱনৰ চিনাকি ছবি ফুটাবলৈ প্ৰয়োগ কৰা শব্দ সমূহ কিন্তু তেনেই সহজ সৰল —

তোৰ মাত শুনি জীযাৰি ছোৱালী
বৰলৈ এৰে তাত
হাতৰ মাকোটি হাততে থাকে
মুখেৰে নোলায় মাত।

এইবোৰ শব্দই হল একো একোটা কবিতাৰ বাবে উৎকৃষ্ট শব্দ। ওপৰৰ তিনিওটা কবিতাতে শব্দ প্ৰযোগৰ ৰীতিটো সলাই পেলালে কবিতা কেইটায়ো মহত্ত্ব হেৰুবাব।

এইদৰেই কবিৰ আপোন অনুভূতিত মিশ্ৰণ হয কল্পনাৰ এইবোৰে ৰূপ পায় উপযুক্ত শব্দ সম্ভাৰৰ মাজেদি। ইহতৰ মাজত ফুটি উঠে কবিৰ জীৱন বোধৰ চিনাকি। এই আটাইবোৰৰ সংমিশ্ৰণ নিজে নিজে হয় নে কবিয়ে সযত্ন প্ৰচেষ্টাৰে ইহতক মিশ্ৰিত কৰে ইও এটা প্ৰশ্ন। তাৰ লগতে জড়িত হৈ আছে সেই পুৰণি প্ৰশ্নটো—কবিতাৰ জন্ম আপোনা আপুনি হয নে কবিযে কবিতা নিৰ্মাণ কৰে। উত্তৰটো সহজ নহয। কবিতাৰ প্ৰথমটো প্ৰেৰণা নিশ্চয কোনোবা অপাৰ্থিৱ এখন জগতৰ পৰাই আহে। কাৰণ সকলো সমযতে সকলো অনুভূতিয়ে কবিতাৰ জন্ম নিদিযে। সেই প্ৰেৰণা আহে হঠাৎ। সকলো ৰাতিতে আন মানুহৰ দৰে কবিয়ে শেতেলী লয কিন্তু তাৰে একো ৰাতি হঠাৎ তেওঁ আৱিষ্কাৰ কৰে যে এইটো ৰাতি শুবৰ বাবে নহয। এই ৰাতিটোৰ জোন তৰাৰ ভাষা আছে আন্ধাৰৰো ভাষা আছে। সেই ভাষা কলমৰ আগেদি ওলাই নহালৈকে কবিযে পাৰ কৰে যন্ত্ৰণাময সময। পিছে শব্দবোৰ ওলাই আহিলেও তাক মনে বিচৰা ধৰণে সজোৱা আৰু কেতিযাবা উপযুক্ত শব্দ একোটা বুটলি লোৱাটো বৰ সহজকাম নহবও পাৰে। তেনে ক্ষেত্ৰত কবিৰ যত্ন আৰু অধ্যবসায় অপৰিহাৰ্য।

কবিতাৰ ৰূপ যিদৰে দিনে দিনে সলনি হৈছে কবিতাৰ প্ৰতি থকা ধাৰণাসমূহো সেইদৰে দিনে দিনে সলনি হৈছে। হঠাৎ অহা অনুভৱে কবিতা সৃষ্টিৰ প্ৰেৰণা যোগোৱা কবিৰ সংখ্যাও বোধকৰো আজিকালি বহুত কম। আজিৰ কবিয়ে কবিতাৰ মাজত বিভিন্ন ধাৰা প্ৰচাৰ

কবিবলৈ বিচাৰে। তদুপৰি আংগিকৰ পৰীক্ষা নিৰীক্ষাও আছেই। এনেবোৰ ক্ষেত্ৰত কবিতা দৈবিক প্ৰেৰণাই জন্ম দিয়া বুলি কোৱা নাযায় ই হ'ল নিৰন্তৰ অনুশীলনৰ ফলশ্ৰুতি। এইদৰে কোৱাই ভাল হব যে কবিৰ ভিতৰত থাকে দুটা ব্যক্তিত্ব এজন মানুহৰূপে আৰু এজন কলাকাৰৰূপে। কবিতাৰো জন্ম হয় দুটা উৎসৰ পৰা এখন ৰহস্যময় অন্তৰ্জগতৰ তাগিদাৰ পৰা আৰু এক কাৰিকৰি পাৰিপাট্যৰ পৰা। কবিজন হ'ল "ভাষাই ধাৰণ কৰা কবিতাৰ জন্মদাতা পিতৃ"।[৩] এলিয়টৰ মতে কবিৰ প্ৰথম কৰ্তব্য হ'ল অতীতৰ পৰা পৰম্পৰাগতভাবে তেওঁ লাভ কৰা ভাষাটোৰ ৰক্ষণ আৰু শ্ৰীবৃদ্ধি কৰি তাক গ্ৰহণ কৰা।[৪] অন্তৰৰ প্ৰেৰণাত ৰচনা কৰা এটা চৰণেৰে আনৰো অন্তৰত স্পন্দন তুলিবলৈ কবিৰ মন যোৱা স্বাভাৱিক। কিন্তু তাৰ বাবে লাগিব উপযুক্ত ভাষা শৈলী। ওজ হওক বা ললিত হওক ই হব লাগিব খাপখোৱা ভাষা। গতিকে পৰম্পৰাৰ ঐতিহ্যবহনকাৰী ভাষাটোক প্ৰয়োজন মতে হাত ফুৰাই কবিৰ মনে বিচৰা ৰূপ দিব পাৰি। অজস্ৰ শব্দৰ মাজৰ পৰা মনেখোৱা শব্দটো বুটলি আনি তাক নিৰ্ধাৰিত ঠাইত খাপ খুৱাই থাজিব লাগিব তাকো নিৰ্দিষ্ট মুহূৰ্তত। এইবোৰ কাম কেতিয়াবা স্বাভাৱিকভাবে অপ্ৰয়াসে সম্পন্ন হয়। কেতিয়াবা আকৌ এইখিনি কামৰ বাবেই একোজন কবিয়ে দিনৰ পিছত দিন যন্ত্ৰণাকাতৰ সময় পাৰ কৰে। গতিকে সংবেদনশীল হৃদয় এখনৰ যিমান প্ৰয়োজন কবি হবৰ বাবে কবিতাৰ কাৰিকৰি জ্ঞানৰো সিমানেই প্ৰয়োজন।

এলিয়টে কবিতাক বুলিছে তেজক চিয়াহীলৈ পৰিণত কৰাৰ যন্ত্ৰণা। এই উক্তিয়ে কবিতাৰ আত্মপ্ৰকাশৰ তাগিদাৰ কথা স্মৰণ কৰায়।

কবি হৃদয়ৰ চিৰন্তন আকুতিয়ে প্ৰকাশৰ বাট বিচাৰে নানা যন্ত্ৰণাৰ মাজেদি। একোটি সুগঠিত আকাৰত অনুভূতিখিনি সজাই পেলোৱাটো প্ৰকৃততেই টান কাম। কিন্তু এই টান কামটোৰ ওপৰতে নিৰ্ভৰ কৰে একোটি কবিতাৰ সফলতা। প্ৰকৃতত ভাব ভাষা চৰণ বিন্যাস আৰু

---

৩। The poet s the father who bege s the poem which the languag bears — Auden.

৪। Poetry A Modern Guid to its unde standing and enjoyment—P 20

৫। —P 22

ছন্দ-যতিৰ সংঘবন্ধ প্ৰচেষ্টাতহে কবিতাই ৰূপ লয়। অনুভূতি আৰু ভাষাৰ নিবিড় মিলনতহে সাৰ্থক কবিতাৰ জন্ম হ'ব পাৰে। ৰবীন্দ্ৰনাথে কৈছে—"বাহিৰৰ তথ্য আৰু সাধনা যেতিয়া ভাবৰ সামগ্ৰী হৈ আমাৰ মনৰ লগত ৰসৰ প্ৰভাবত মিলি যায় তেতিয়া মানুহে স্বাভাৱিকতেই ইচ্ছা কৰে সেই মিলক সৰ্বকালৰ সৰ্বজনৰ অংগীকাৰভুক্ত কৰিবলৈ তেতিয়া তাক প্ৰকাশ কৰিবলৈ বিচাৰে নিত্যকালৰ ভাষাত। কবিয়ে সেই ভাষাক মানুহৰ অনুভূতিৰ ভাষা কৰি তোলে অৰ্থাৎ জ্ঞানৰ ভাষা নহয় হৃদয়ৰ ভাষা কল্পনাৰ ভাষা।[৬] সেইখিনিতেই কবিতাৰ লগত গদ্যৰ প্ৰধান পাৰ্থক্য। সুকুমাৰ ভাষা আৰু তাৰ স্পন্দিত ৰূপ কবিতাৰ প্ৰধান সম্পদ তাৰ লগে লগে থাকিব পাৰে বিবিধ অলংকাৰৰ প্ৰয়োগ। অনুভূতি শব্দচয়ন ছন্দ বিন্যাস কল্পনাৰ ৰহণা জীবন বোধৰ ধাৰণা— এইবোৰ মিলিযেই সৃষ্টি হয় একোটা কবিতাৰ। দোহাৰি কোৱাৰ প্ৰয়োজন নাই, কবিতাৰ ৰূপ কথা আৰু আলোচনাৰে জুখি কোৱা সম্ভৱ নহয—যিহেতু বুধিতকৈ ই অনুভূতিৰ বেছি ওচৰৰ বস্তু।

## ১ ২ কবিতা হৃদয আৰু চিন্তাবৃত্তি

কবিতা হৃদযৰ নে বুদ্ধিৰ সম্পদ সেই কথা লৈ যুগে যুগে নানা আলোচনা চলি আহিছে। ৰসজ্ঞ আৰু পণ্ডিতসকলে অনুভূতি আৰু যুক্তিৰ ভিতৰত কোনটোৰ মহত্ত্ব বেছি সেই বিষযে নানা সময়ত নানা মন্তব্য আগবঢ়াইছে। এই কথা বোধকৰো সঁচা যে কবিতাই আলোড়ন তোলে হৃদযতে বেছিকৈ। কাৰণ কবিতাত আছে সেই কমনীযতা—যি থাকে আকাশৰ নীলাত ফুলৰ কোমলতাত আৰু অশ্ৰুৰ গভীৰতাত। এইবোৰে বুদ্ধিক আলোড়িত নকৰে কৰে হৃদযক। কি ফুল ফুলিছে উমান নাপালেও তাৰ সুবাসে এনেযে যি দৰে মন ভৰাই তোলে সেইদৰে একোটা কবিতাৰ বক্তব্যৰ গভীৰতালৈ নোযোৱাকৈও তাৰ সুকুমাৰ আবেদনে হৃদয শিহৰিত কৰিব পাৰে। কিন্তু এই কথাও পাহৰা উচিত নহব যে হৃদয় সম্পৰ্কে এইবোৰ একপক্ষীয যুক্তি এচাম পাঠকে মানি নলয। তেওঁলোকৰ মতে ফুল তৰা গানৰ কবিতাই চিন্তাশক্তিৰ দাবী নকৰে সঁচা কিন্তু আজিৰ কবিতাত দেশ আৰু সমাজ নাইবা ব্যক্তি আৰু

৬। ৰবীন্দ্ৰনাথেৰ জীবনাদৰ্শ ও অন্যানাদৰ্শ ও অন্যান্য প্ৰসংগ, পৃঃ ৪৮

পৰিস্থিতিৰ বিষয়ে কবিসকলৰ যি যান্ত্ৰিকবাদী ধাৰণা প্ৰকাশ পায় সেইবোৰে প্ৰথমে টানুৰিয়াব লাগিব পাঠকৰ চিন্তাশক্তিৰ দুৱাৰতহে। কবিতা এওঁলোকৰ মতে কোমল অনুভূতিৰ থুনুকা মিশ্ৰণ নহয়। কবিতাৰ মাজত পাঠকক ভবাই তুলিব পৰা শক্তিও থকা আৱশ্যক।

কবিতাৰ বাহ্যিক ৰূপ সময়ে সময়ে সলনি হৈ থাকে। প্ৰকাশৰীতি আৰু বক্তব্যৰ বৈচিত্ৰ্যৰ বাবে একালৰ কবিতা অন্য একালত পুৰণি হৈ পৰে। ধ্ৰুপদী কবিতাই পাঠকৰ হৃদয় অথবা বুদ্ধি স্পৰ্শ কৰা নাছিল এইবোৰত আছিল কাহিনী পঢ়াৰ আমেজ। ৰমন্যাসিক যুগত কবিতা হৈ পৰিছিল হৃদয়ক আলোড়িত কৰি তোলা কোমল আৰু মনোৰম অনুভৱ। একোটি বিষয়ক আশ্ৰয় কৰি কবিসকল উৰা মাৰিছিল কল্পনাৰ অন্য এখন জগতলৈ। সেই জগতত আধাফুলা ফুলৰ দৰে ৰূপহী প্ৰিয়াৰ ৰূপ—ধ্যান কৰিব পাৰি অকলশৰীয়া দাৰুনীজনীক দেখিও বহুত কথা কল্পনা কৰি লব পাৰি। সেই জগতত অশৰীৰি প্ৰাণীযেও কথা কয়। পিছে এই আটাইবোৰে হৃদয়কহে খুন্দিয়াই যায় মগজুক নহয়। মগজুক স্পন্দিত কৰা কবিতা তাৰ পিছৰ কালৰ অবদান।

আধুনিক কবিতা বুজি নোপোৱাৰ অভিযোগ এটা বহুতো পাঠকেই কৰে। পিছে কবিতাৰ প্ৰতিটো শব্দ বুজি পোৱাৰো প্ৰয়োজন নাই। সামগ্ৰিকভাবে কবিতাৰ আবেদনে যদি হৃদয় চুব পাৰে—তাতে কবিতা পঢ়াৰ সাথকতা। যত কেৱল চিন্তাশক্তি উদ্বুদ্ধ কৰা স্পষ্ট ভাষাৰ বক্তব্য পোৱা যায় সি কবিতাসুলভ মাধুৰ্যৰ পৰা বহু আঁতৰত। কিন্তু—

> বাৰিষাৰ ৰাতি
> তোমাৰ কবিক
> মনত পৰেনে অৰুন্ধতী
> গধূলি বতাহে সেমেকাই তোলা
> তোমাৰ খোপাৰ
> আবেলি আবেলি গোন্ধ

অথবা—

> মৃত্যুওটো এটা শিল্প
> জীৱনৰ শিলত কটা
> নিৰ্লোভ ভাষ্কৰ্য

এনেবোৰ স্তৰকে অৰ্থৰ গভীৰতালৈ নোযোৱাকৈও কাণৰ মাজেদি গৈ মৰম পৰশিব পাৰে। কবিতাই তৃপ্তি দিযে হৃদযত আৰু তাৰ লগে লগে শ্ৰৱণক। তাৰ পিছতো চিন্তাশক্তিক জগাই তুলিব পৰা গুণ এটি ভাল কবিতাৰ থাকে। পিছে এই গুণটি যে থাকিবই লাগিব সি ধৰাবন্ধা কথা নহয়। নাইবা গুণটি থাকিলেও সকলো পাঠককে যে সি স্পৰ্শ কৰিবই লাগিব সিও অপৰিহাৰ্য নহয়। সাধাৰণ পাঠকে কবিতা জগতৰ শেহতীয়া পৰীক্ষা নিৰীক্ষাসমূহৰ উমান নাপাবও পাৰে। চিত্ৰকল্প নামৰ বস্তু এটা চিনি নাপাবও পাৰে। একোটি চিত্ৰকল্পই প্ৰকৃততে কি বুজাব খুজিছে সেই কথা চিন্তা কৰিবলৈ তেওঁলোকৰ অৱকাশ নাথাকিবও পাৰে। কিন্তু তেওঁলোকৰ একোখন হৃদয থাকে, যি হৃদয়ে কবিতাৰ সুচা সোৱাদ লবলৈ জানে। সেই হৃদযক চুই যোৱা কবিতাবোৰেই হ'ল ভাল কবিতা।

কবিতাৰ আস্বাদন দুই ধৰণৰ হব পাৰে। তাৰ বাহ্যিক স্পৰ্শৰ হৃদয পৰশা আবেদন আৰু অন্তৰৰ তাৎপৰ্যই চিন্তা-জগত আলোড়িত কৰা আবেদন। যি দৰে এপাহ ফুলৰ ৰূপ আৰু সুবাসে মনটো ভৰাই তোলে অথচ ফুলপাহ ছিঙি আনি তাৰ পাপৰি ফালি ছিৰি ৰূপ সুবাসৰ উৎসৰ সন্ধান কৰিলে মূল সৌন্দৰ্যই নোহোৱা হয সেইদৰে একোটা কবিতা ভাল লাগিলে সকলো মিলাইহে ভাল লাগে। কবিযে কি বাদ প্ৰচাৰ কৰিছে কেনে ছন্দ কেনে চিত্ৰকল্প প্ৰয়োগ কৰিছে তেওঁ কাৰ দ্বাৰা প্ৰভাৱিত হৈছে ইত্যাদি বিচাৰৰ দ্বাৰা পৰীক্ষাৰ প্ৰশ্নৰ উত্তৰ দিব পাৰি কিন্তু কাব্যপিপাসুৰ সৌন্দৰ্যতৃষ্ণা নিবাৰণ কৰিব নোৱাৰি।

এই কথা সঁচা যে কলা হিচাপে কবিতাৰ দায়বন্ধতা আছে। যুগে যুগে কবিসকলে কবিতাক নিজস্ব ধ্যান ধাৰণা প্ৰচাৰৰ মাধ্যম কৰি আহিছে। ৰমন্যাসিক কবিতাই প্ৰচাৰ কৰা মানব প্ৰাণৰ মুক্তিৰ আকাঙ্খা বোধকৰো কবিতাৰ শ্ৰেষ্ঠতম প্ৰচাৰ বাণী। আমাৰো নববৈষ্ণব যুগত শংকৰদেৱৰ কবিতাসমূহৰ মাজেদি ধৰ্মীয় ধাৰণাৰ হলেও সাম্য মৈত্ৰীৰ বাণী প্ৰচাৰিত হৈছিল। ৰমন্যাসিক কবিতাত কলাসুলভতাই আছিল প্ৰাণ। শংকৰী সাহিত্যত যতেই কলাসুলভতা কমিছে ততেই ই কবিতাৰ পৰা প্ৰচাৰমূলক বক্তব্যলৈ ফালৰি কাটিছে। আধুনিক কবিতাতো একেই কথা। চিন্তাশক্তি জগাবলৈ যোৱা বহুতো কবিতা শ্লগানত পৰিণত হৈছে। সেয়েহে এচাম পাঠকৰ বক্তব্য আদৰ্শ প্ৰচাৰৰ

বাবে থাকক প্ৰবন্ধ আদি গদ্য সাহিত্যসমূহ। কবিতাত থাকক কেৱল কবিতাসুলভ আমেজ।

দুৰ্লভ প্ৰতিভাৰ কবিয়ে একে সময়তে চিন্তা আৰু হৃদয় দুই জগততে আলোড়ন তুলিব পাৰে। পাৱলো নেৰুদাৰ কবিতাই কেৱল হৃদয় স্পন্দিত কৰিয়েই এৰা নাই মানুহক ভবাই তুলিছে। হুইটমেনৰ কবিতাই একে সময়তে জগাই তুলিছে সচেতন পাঠকৰ হৃদয় আৰু চিন্তাবৃত্তি। ইয়াৰ কাৰণ এইবোৰ কবিতাৰ সুচিন্তিত সুলিখিত ৰূপৰ মাজত নিগৰি ওলাইছে এনে জ্যোতি—যি একান্তভাৱেই কবিতাৰ নিজা সম্পদ। এনে দীপ্তি সাহিত্যৰ অন্যবোৰ অংগত পাবলৈ নাই। এইবোৰ থকা বাবেহে কবিতা হৈ আছে কবিতা। প্ৰখৰ প্ৰতিবাদযুক্ত একোটি কবিতাই পাঠকৰ মগজু উতলাই তুলিব পাৰে। কিন্তু লগে লগে যদি হৃদযত কবিতা পঢ়াৰ স্নিগ্ধ আমেজ দিব নোৱাৰে সি সাৰ্থক কবিতা নহয। অৰ্থাৎ হৃদয বাদ দি কবিতা সম্ভৱ নহয। কবিৰ হৃদয়ৰ পৰা পাঠকৰ হৃদযলৈ কবিতা এডাল সাঁকোৰ দৰে। এই সাঁকোৰে পাৰ হৈ যায কবিৰ সমস্ত অনুভৱ আৰু চিন্তাধাৰা পাঠকৰ অনুভৱ আৰু চিন্তা ধাৰাত মিলি পৰিবলৈ অথবা উদ্দীপ্ত কৰিবলৈ। কেৱল মগজু স্পৰ্শ কৰা কবিতা স্মৰণীয় বাক্য হব নোৱাৰে। সেইবোৰ কবিতাৰ প্ৰভাৱ থাকে কম দিনৰ বাবে। কিন্তু হৃদয পৰশিব পৰা একোটি কবিতা গোটেই জীৱনেই পাহৰিব পৰা নাযায়।

কবিতাৰ প্ৰকৃতি ইমানেই বিচিত্ৰ যে ওপৰৰ আলোচনাখিনি এক পক্ষীয বুলি কোৱাৰ সপক্ষেও যুক্তি নোহোৱা নহয। অৰ্থাৎ কবিতাৰ লগত চিন্তাবৃত্তিৰ সম্পৰ্কৰ বিষয়েও বহুতো যুক্তিপূৰ্ণ বাক্য উচ্চাৰণ কৰিব পাৰি। আধুনিক মনে হৃদয়ক বেছি গুৰুত্ব দিবলৈ নিবিচাৰে। এই মন অস্থিৰ ব্যস্ত আৰু চলমান জগতত খাপ খাই পৰাকৈ পৰিবৰ্তনশীল। আধুনিক পাঠকৰ চিন্তাবৃত্তিক ৰুচিবোধৰ অন্যনাম বুলি কব পাৰি। তেওঁলোকৰ ৰুচিবোধক বহুদূৰ নিয়ন্ত্ৰণ কৰে বুদ্ধিদীপ্ত চিন্তাবৃত্তিয়ে। গতিকে কবিতাৰ বৌদ্ধিক আবেদনৰ কিছু কথাও আলোচনা কৰা নিতান্ত প্ৰয়োজন।

কবিতাৰ এটা ভাষা থাকে বিশেষ ভাষা। সেই ভাষাই এফালে হৃদয় খুন্দিয়াই যায়, আনফালে বুদ্ধিক আলোড়িত কৰে। কিছুদিন আগলৈকে কবিতাৰ কোমল কোমল ভাষাই হৃদয়তে সপোন সপোন

আমেজ দিছিল। সেইবোৰ কবিতা আছিল শৰৎকালৰ ফটিক জলেৰে ভৰা পুখুৰীৰ দৰে পাৰত থিয় দিলেই তললৈকে দেখা যায়। কিন্তু আজিৰ কবিতা যেন খৰস্রোতা নদী সোঁতৰ তলত কি আছে আৰু সোঁতৰ বুকুৰে কি ভাঁহি গৈছে বুজাই টান। নতুন কবিতাৰ এনে ভাষা বুজি পাবৰ বাবে পাঠকৰ বুদ্ধিবৃত্তি নিতান্ত নাথাকিলে নচলে। এই প্রসংগতে মুখ বাগৰা কাহিনী এটা মনত পৰে। নতুনকৈ অসমীয়া শিকা এজন পাদ্রী চাহেবে এখন নদী পাৰ হবৰ সময়ত নাৱৰীয়াক কলে "হে কৰ্ণধাৰ তোমাৰ তৰণীখনি দ্রুত তীৰভূমিলৈ আনয়ন কৰা। স্রোতস্বিনী অতিক্রম কৰাত মোৰ বিলম্ব ঘটিছে। নাৱৰীযাই হতবাক হৈ চাহাবৰ মুখলৈ চাই থকা দেখি অন্য এজনে জনালে যে নাবৰীযাই তেওঁৰ ভাষা বুজি পোৱা নাই। এইবাৰ চাহাবৰ অবাক হোৱাৰ পাল। তেওঁতো কিতাপত থকা শুদ্ধ অসমীযাই কৈছে নাবৰীযাও অসমীযা তেন্তে নুবুজাৰ কাৰণ? কবিতাৰ ক্ষেত্রতো একেই কথা। কবিয়ে যি কয মানুহৰ মনজগতে ঢুকি পোৱা কথাকে কয। তথাপি কিছুমান কবিতা মানুহে নুবুজে কয? নুবুজাৰ কাৰণ হযতো এইটোৱে যে কবিৰ বৌদ্ধিক জগতখন আৰু পাঠকৰ বৌদ্ধিক জগতখনৰ মাজত কেতিযাবা এটা পাৰ্থক্য থাকে। যি ধৰণৰ মানসিক অৱস্থাৰ মাজত কবিযে তেওঁৰ কবিতা ৰচনা কৰে সেইটো বুজি নাপালে কবিতাৰ ৰস গ্ৰহণ সম্ভৱপৰ নহয। যিহেতু নতুন কবিৰ মন প্রেম প্রিযা প্রকৃতিক লৈয়েই কেৱল ব্যস্ত নহয় তাতোকৈও সুক্ষ্ম আৰু জটিল বহুতো চিন্তা আৰু ধাৰণা তেওঁলোকে মনত লৈ ফুৰে—সেই মনৰ উমান পাবলৈ পাঠকৰ বুদ্ধিৰ বিস্তৃতি আৰু চিন্তাৰ গভীৰতাও থাকিব লাগিব।

শব্দৰ দুৰুহতাযে কেতিযাবা পাঠকক বিভ্রান্তিত পেলায়। বংগৰ কবি সুধীন্দ্রনাথ দত্তই এসময়ত কৈছিল যে কবিতাৰ দুৰুহতাৰ মুলতে আছে পাঠকৰ আলস্য। কথাষাৰ মিছাও নহয। কেতিযাবা একোটা শব্দৰ অৰ্থ আৰু আঁতিগুৰি বিচাৰি অভিধান আৰু শব্দকোষ মেলিবলগীযা হয। তেনে হলেই কিন্তু পাঠকৰ খং উঠে আৰু কবিতা টোৰ সমালোচনা কৰাত লাগি যায়। ঠিক এনে সমযতে পাঠকৰ অলপ সহনশীলতাৰ প্রযোজন। বিশেষ স্হানত বিশেষ একোটা শব্দৰ প্রয়োগৰ কাৰণ বিচাৰি তেতিযা মগজু খটুৱাব লগা হয। তেতিয়াই অনুভৱ কৰা যায যে কবিতাত কেতিয়াবা হৃদয়তকৈ চিন্তাবৃত্তিৰ প্রয়োজনো বেছি

হ'ব পাৰে। কিছুমান প্ৰতীকি শব্দৰ ৰস গ্ৰহণত বুদ্ধিৰ সহায় নললে হৃদয়ে কোনো ভূমিকা লব নোখোজে। মহেন্দ্ৰ বৰাৰ "চামৰাই পড়াৰ পিছত নামকৰণৰ বৈশিষ্ট্য বা কাৰণ বুজি নাপালে কবিতাটো উপলব্ধি কৰা নাযায়। বিষ্ণু দেৰ কবিতাত কথা বলো কাসান্দ্ৰা এতো দুৰ্যোগ ছিল কোথায় শাৰীটোৰ অৰ্থ বুজিবলৈ হ'লে এপলোৰ প্ৰণয়িনী কাসান্দ্ৰাক জানিবলৈ পৌৰাণিক অভিধানৰ পাত নলুটিয়ালে নচলে। গতিকে কিছুমান কবিতাত বুদ্ধি আৰু চিন্তাবৃত্তিৰ দুৱাৰেদি গৈহে হৃদয়ক লগ পোৱা যায়।

বৰ্তমানৰ অসমীয়া নতুন কবিতাত এচাম বুদ্ধিদীপ্ত মনৰ তৰুণ কবিৰ আবিৰ্ভাৱ ঘটিছে। এওঁলোকৰ কবিতাই শব্দকোষ বা অভিধান মেলাৰ দাবী নকৰে যদিও পাঠকে চকু কাণ সজাগ কৰি দেশৰ আৰু পৃথিবীৰ বাতৰি ৰখাটো বিচাৰে। কবিতাপ্ৰেমী পাঠকৰ কিছু পৰিমাণে ইতিহাস জ্ঞানো থকা প্ৰয়োজন। আশীৰ দশকৰ তৰুণ কবিয়ে নহ'লে বুজিয়ে নাপাব কেশৱ মহন্তৰ "সোনজীৰা মাহী যে পেট্ৰিছ লুমুম্বাৰ পৰিয়ালৰ বাবে কান্দে কিয়? কোনো এটি কবিতাৰ জন্মৰ সময়ত দেশ আৰু সমাজৰ কেনে ৰাজনৈতিক অথবা সামাজিক আদৰ্শৰ প্ৰচাৰ হৈছিল নাইবা কোনো ধৰণৰ আন্দোলনে জন মানসত প্ৰভাৱ পেলাইছিল নেকি সেইবোৰ কথাও কবিতাৰ ৰসগ্ৰহণৰ বাবে প্ৰয়োজন। স্বাভাৱিকতে ইয়াত হৃদয়বৃত্তিতকৈ চিন্তা আৰু সচেতনতাৰ প্ৰয়োজন বেছি।

গতিকে দেখা যায় যে কবিতা সম্পৰ্কে থকা চিৰকালৰ দ্বিধা আৰু তৰ্কবোৰৰ অৱসান ঘটোৱাটো বৰ সহজ কথা নহয়। কবিতাৰ ভূমিকা আৰু দায়বদ্ধতাৰ লগত এইবোৰৰ নিবিড় সম্পৰ্ক আছে। কবিতা যদি কেৱল স্ফূৰ্তি আৰু আনন্দৰ বাবেই পঢ়া যায় কবিয়ে যদি কেৱল হৃদয়ানুভূতি নিষ্কাশণৰ আনন্দৰ বাবেই কবিতা ৰচনা কৰে—তেনে ক্ষেত্ৰত ঘাই ভূমিকা লব হৃদয়ে চিন্তাবৃত্তি তাত গৌণ। কিন্তু বৰ্তমানৰ পৃথিৱীত কবি কেৱল নীৰৱ সৃষ্টিকাৰ আৰু নিৰ্জন দ্বীপৰ অধিবাসী হৈ থকাৰ দিন নাই। কবিৰ চাৰিওফালৰ পৃথিৱীত সেউজী অৰণ্যৰ কাষে কাষে ৰুক্ষ মৰুভূমিও আছে তাত কেৱল প্ৰিয়াৰ নীল নয়নৰ চকুপানীয়েই নাই—লগে লগে আছে দলগত গোষ্ঠীগত আৰু জাতিগত নিপীড়নৰ হতাশাৰ অশ্ৰু। এনেখন পৃথিৱীৰ মাজত কবিৰ কলমে পাঠকৰ চিন্তাধাৰাত নানা প্ৰশ্নৰ অৱতাৰণা কৰে নানা সংশয় আৰু আস্থাৰ সৃষ্টি কৰে। তথাপি কিছুমান

কবিতাই পাঠকক বিভিন্ন ধৰণে ভবাই তোলে। চিন্তাৰ শেষত বিজুলী চমকৰ দৰে কিবা এক অনুভূতিয়ে যদি পাঠকৰ হৃদয়ত খুন্দা মাৰেগৈ তেন্তে সেই কবিতাৰ সেই অনুভূতিৰ মৰণ নাই। কাৰণ বিবেচনাৰ কষটি শিলত ঘহাই পৰীক্ষা কৰিহে পাঠকে সেই কবিতাৰ নিহিত তাৎপৰ্যখিনি গ্ৰহণ কৰিছে তাক তেওঁ কোনো কালে এৰি নিদিয়ে। আনহাতে উচ্ছ্বাসত ভাল লগা বহুতো কথা পিছত হয়তো ম্লান পৰি যায়—যদিহে তাক চালি জাৰি নোচোৱাকৈয়ে হৃদয়ত ঠাই দিয়া যায়।

এইখিনি হ'ল চিন্তাবৃত্তিৰ সপক্ষে কথা। শেষ কথা বোধকৰো এয়ে হ'ব যে কবিতাৰ ৰস গ্ৰহণত হৃদয় আৰু চিন্তাবৃত্তি কোনো টাৰেই উপেক্ষণীয় নহয়। চিন্তাবৃত্তিৰ দুৱাৰেদি আহিও কবিতাই হৃদয়ৰ কক্ষ পাবহি লাগিব। দুয়োটোৰে সাৰ্থক মিলনতহে সফল কবিতা এটি তিষ্ঠি থকা সম্ভৱপৰ। হৃদয়ক প্ৰাধান্য দিয়া কবিতাৰ বাবে সকলোৱে পাঠক হ'ব পাৰে। কিন্তু চিন্তাবৃত্তিক প্ৰাধান্য দিয়া কবিতাই যিহেতু অধ্যয়ন আৰু সচেতনতাৰ দাবী কৰে এইবোৰৰ পাঠকৰ সংখ্যা স্বাভাৱিকতে কম। ইয়াৰ লগতে জড়িত হৈ আছে আধুনিক কবিতা দুৰ্বোধ্য বুলি থকা বদনাম টোৰ আতিগুৰি। অচলতে এই আটাইবোৰ কথাই সঁচায় কবিতাৰ বিচিত্ৰ প্ৰকৃতিৰ কথা। কবিতাই যে কেতিয়া পাঠকৰ হৃদয় বিচাৰে কেতিয়া দাবী কৰে অলপ বৌদ্ধিক সচেতনতা সেই কথা কবি আৰু পাঠক কাৰো আগধৰি জনাৰ উপায় নাই। কবিতাভেদেহে ই নিৰ্ণীত হয়।

## ১৩ কবিতাই কি কব

কবিতাই কি ক'ব। অৰ্থাৎ কবিতা কেনে বিষয়বস্তুৰ ওপৰত আধাৰিত হোৱা উচিত সেয়া এটি অন্য প্ৰশ্ন। তাৰ আগতে আছে অন্য এটি প্ৰশ্ন কবিতাত বিষয়বস্তুৰ গুৰুত্ব কিমান? গল্পত যি দৰে নিৰ্দিষ্ট কাহিনী থাকে, প্ৰবন্ধত যি দৰে নিৰ্দিষ্ট বিষয় থাকে কবিতাত সেইদৰে ধৰাবন্ধা বিষয়বস্তুৰ কোনো সীমাৰেখা নাই। কবিতাই সামৰি ল'ব পাৰে সৰগৰ তৰাৰ পৰা মাটিৰ ধূলিলৈ সকলো বস্তু অশ্ৰুৰ পৰা ক্ষোভলৈকে সকলো অনুভৱ। এটা দিন আছিল, যেতিয়া কবিতাই সকলো সুন্দৰ আৰু শুভ বস্তুৰ কথাহে

কৈছিল। কল্পনাৰ ডেউকাৰে উৰা কবি সকলে বিচাৰি লৈছিল সকলো আনন্দদায়ক তৃপ্তিৰ উপচাৰ। কিন্তু আজিৰ কবিৰ দৃষ্টিভংগি বেলেগ। এজনী ৰূপহীৰ হাঁহিৰ জিলিকনিতকৈ এজনী অসুন্দৰী নাৰীৰ মনোবেদনাৰ মাজত তেওঁলোকে বেছি সৌন্দৰ্য বিচাৰি পায়। বাটৰ দাঁতিত পৰি থকা কুষ্ঠৰোগীটোৰ কথাও আজিৰ কবিতাই সামৰি লয়। কবিতা যেন এখন বিশাল চিত্ৰপট। কবিৰ মনে তাত তুলিকা বুলাই বিবিধ অনুভৱৰ ৰহণ সানে।

কবিতাৰ চুম্বকত্ব কিন্তু তাৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ নকৰে। কৰে কৰে তাৰ উপস্থাপনৰ কৌশলৰ ওপৰতহে। এটি ক্ষণ অথবা এটি মুহূৰ্ত যেতিয়া প্ৰতিভাত হৈ উঠে এটি সুদীৰ্ঘ কবিতাৰ ভিতৰত তেতিয়া তাত আৰু বিষয়বস্তু বুলি বেলেগ এটা বস্তুৰ অস্তিত্ব অনুভৱ নহয়। যি হয় সেয়া এক সুগভীৰ আৰু বিস্তৃত অনুভূতি। কবিতাই কি ক'ব আৰু কি নক'ব তাৰ কোনো সীমাৰেখা নাই। কোনো কবিকে আগতে বিষয়বস্তু নিৰ্ধাৰণ কৰি তাৰ ওপৰত কবিতা লিখিবলৈ ক'ব নোৱাৰি। সেইদৰে কোনো কবিকে সতৰ্ক কৰি ক'ব নোৱাৰি তেওঁ কি কি বিষয়ে লিখিব নালাগিব। তদুপৰি বিষয় বুলি কথা এষাৰো কেতিয়াবা নাথাকিব পাৰে। আখৰৰ খেলা কৰা কোনো কবিয়ে এচমকা অনুভৱৰ ওপৰত ভিত্তি কৰিয়েই কবিতা লিখিব পাৰে।

প্ৰকৃততে কবিতা কেৱল কবিসকলৰহে ব্যক্তিগত সম্পত্তি নহয়। সকলো মানুহৰ বুকুতে কবিত্বৰ বীজ এটি নিৰলে শুই থাকে। কবি সকলৰ ক্ষেত্ৰত সেই বীজে ঠন ধৰি উঠে কিন্তু অন্যসকলৰ ক্ষেত্ৰত সি থাকে অৱচেতন মনৰ কোণত। সেয়েহে একোটি ভাল কবিতাৰ মাজত সকলো মানুহৰে মনৰ ভাবে প্ৰকাশৰবাট বিচাৰে। সেয়ে হ'ল কবিতাৰ সাৰ্বজনীন আবেদন। ব্যক্তিগত এটি অনুভৱ কবিতাৰ আধাৰত প্ৰস্ফুটিত হ'ব পাৰে আৰু তাৰ হৃদয় পৰশা প্ৰকাশে পাঠকৰ প্ৰাণ ক'প্পাই যাব পাৰে। কবি যতীন দুৱৰাৰ কবিতাসমূহত এনে কোমল কৰুণ এটি সুৰে পাঠকক অভিভূত কৰে। তেওঁ যেতিয়া কয়

মোৰ এই হিয়াখনি জেতুকাপাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা
অন্তৰ জুৰলোৱা ছবি অতীতৰ স্মৃতি লৈ
বুকুৰ তেজেৰে আছে অন্তৰতে অকা।

তেতিয়া একান্ত ব্যক্তিগত সেই বিননিয়ে পাঠকক অভিভূত কৰে কাৰণ বেদনাৰ সুৰ সকলোৰে চিনাকি। সেয়ে আপোন। কেতিয়াবা সমূহীয়া কণ্ঠৰ এটি সুৰ ধ্বনিত হয় কবিৰ একক কলমত। যেনে—

দেশ বুলি কলে
আদেশ নালাগে
মোৰ তেজত দেও দি উঠে
এহেজাৰ এটা ৰণুবা ঘোৰা।

কবিয়ে কেতিয়াবা নিজৰ কথা কয় কেতিয়াবা কয় আনৰ কথা কেতিয়াবা একোটি সমস্যাৰ গভীৰত বুৰ গৈ তেওঁ তাৰ সমাধানৰ পথ বিচাৰে। কেতিয়াবা সমাধানৰ বাবে ধৈৰ্য হেৰুৱাই প্ৰতিবাদৰ কণ্ঠত চিঞৰি উঠে। ভাল কবিতাৰ ক্ষেত্ৰত সকলো স্বাভাৱিক। কবিতাৰ বিষয়ে কাব্যিক ভাষাৰে কব পাৰি— কবিতা বকুলৰ ছাঁ বিয়পি পৰে বকুলৰ পৰা বকুলৈ। আৰু—

কলম কবিৰ নিশাৰ লগৰী
তেজৰ খবৰ বকুৰ বাতৰি
ঘামৰ গোন্ধ উশাহৰ স্পন্দন
বেচুবাৰ কান্দোন প্ৰেমিকৰ চুম্বন
মৃত্যুৰ বিলাপ
সকলোৰেই সোমাই থাকে
কলমৰ মাজেদি কবিৰ বুকুত
কবিৰ মাজেদি কলমৰ বুকুত
বুকুৰ পৰা বুকুলৈ
কবিতা এখন সাঁকো
কবিতা এটি নিজৰা স্বচ্ছন্দ প্ৰবাহী
শিলৰ গুহাত ভৰাই থলেও
ওলাই সি আহিবই
যি দৰে ওলায
দুখৰ দিনত বন্ধুৰ মুখত
সৰল দীৰ্ঘশ্বাস
প্ৰতিখন হিয়াৰ আন্ধাৰ গহ্বৰত
কবিতাৰ জুপৰী ঘৰ।

গতিকে কবিতাৰ অন্তৰালত যি ভাব থাকে সি স্বচ্ছন্দপ্ৰবাহী নদীৰ দৰেই ওলাই আহে। কবিতাৰ বাবে বাট চাই থকা প্ৰতিখন তৃষিত হিয়াই তাক গ্ৰহণ কৰে। কবিতাৰ বিষয়বস্তুৰ শোভাময়তা নিৰ্ভৰ কৰে তাৰ স্বাভাৱিকতাৰ ওপৰত। কবি মানসৰ ওপৰত যিবোৰ বস্তু অথবা ঘটনা অথবা পাৰিপাৰ্শ্বিকতাৰ ছাঁ পৰে—সেইবোৰ কলাসুলভতাৰে ফুটাই তুলিব পৰাতেই কবিৰ দক্ষতা নিৰ্ভৰ কৰে।

## ১ ৪ কবিতাৰ উদ্দেশ্য

সকলো কলাৰ ভিতৰত সূক্ষ্ম আৰু মনোৰম কলা হ'ল কবিতা। এই কলাৰ উদ্দেশ্য কি হোৱা উচিত সেই সম্পৰ্কে এটি আলোচনা হ'ব পাৰে। কবিতা হ'ল মনোৰমা নাৰীৰ দৰে যাৰ ওৰণিৰ তলতে অসীম ৰহস্য এটি কটাক্ষতে অলেখ অৰ্থ। অলংকাৰ আৰু সৌষ্ঠৱপূৰ্ণ গঠনেৰে কবিতাই নিজকে সজাই পৰাই পাঠকৰ আগত দাঙি ধৰে। এই শুভ দৰ্শনে পাঠকক তৃপ্তি আৰু আনন্দেৰে ভৰাই তোলে। কিন্তু এই মনোমোহা আত্মপ্ৰকাশেই কবিতাৰ লক্ষ্য জানো।

প্ৰাচীন ভাৰতীয় আলংকাৰিক সকলৰ মতে কাব্যই দিয়া উচিত ধৰ্ম অৰ্থ কাম মোক্ষৰ জ্ঞান। কাব্যৰ মাজত ইহঁতৰ এটাৰ বা এটাতকৈ অধিকতৰ অথবা চাৰিওটাৰে জ্ঞান বিচৰা হৈছিল কিন্তু এইবোৰ থাকিলেও কবিতাৰ দৈহিক সৌষ্ঠৱহে পূৰ্ণ হয় আত্মাৰ প্ৰকাশ নঘটে। কবিতাই বিচাৰে তাতোকৈও অতিৰিক্ত কিবা এটা।

শ্ৰেষ্ঠ কবিতা এটি পাঠ কৰিলে হৃদয় মোহিত হয় এটি আনন্দৰ দ্বাৰা। মেথিউ আৰ্নল্ডৰ মতে এই আনন্দতকৈও গ্ৰহণীয় হ'ল কবিতাই দিয়া জীৱন জিজ্ঞাসাৰ উত্তৰ। কবিয়ে বাস্তৱ জীৱন আৰু আদৰ্শগত জীৱনৰ মাজত তুলনামূলক আলোচনা কৰি কবিতাৰ মাজেৰে পাঠকক এনে ইংগিত দিব লাগে যাৰ দ্বাৰা তেওঁলোকে প্ৰকৃত জীৱন যাত্ৰাৰ এটি বাছনি কৰি লব পাৰে। "শ্ৰেষ্ঠ কবিয়ে জীৱনৰ আদৰ্শগত চিত্ৰাংকনৰ সহায়ত এফালে যেনেকৈ পাঠকৰ মনত জীৱন-ৰহস্য আলোকিত কৰি তোলে সেইদৰে আকৌ কি ভাৱে জীৱন যাপন কৰিব লাগিব সেই প্ৰশ্নৰ উত্তৰ দানতো

সাহায্য কৰে। [৭] এই কথা কিন্তু আজিৰ কবিতাৰ বাবে নাখাটে। পুৰণি কবিতাৰ ক্ষেত্ৰতো কাব্যই নীতি শিক্ষা দিয়াৰ নিয়ম ধ্ৰুপদী যুগতে শেষ হল। কবিতাই যে কিবা এটা শিক্ষা দিব লাগে সেই কথা মানি ললে কবিতাৰ মাধুৰ্যক অস্বীকাৰ কৰা হয। নীতি শিক্ষা দিয়া পদ্য সমূহত উপদেশবাণীৰ প্ৰাচুৰ্য লক্ষ্য কৰা যায়। সেয়ে এইবোৰ কেতিয়াও কবিতাত পৰিণত নহয। শিক্ষাৰ বাবে ব্যৱহাৰ কৰা কবিতাসমূহো সৰু ল বা ছোৱালীৰ মনৰ বাবে খাপ খোৱাকৈ ৰচনা কৰিলেহে শুবলা হয। অৱশ্যে সেইবোৰো ঠিক কবিতা নহয—গীত আৰু পদ্যৰ দোমোজাৰ বস্তু। কবিতাত কবিৰ প্ৰাণে কথা কয। গতিকে ৰাজনীতি বা সমাজনীতিৰ কথা কবিতাত কবলৈ য'ও'ত একোজন কবি যথেষ্ট সতৰ্ক হোৱা উচিত। কাৰণ এনে ক্ষেত্ৰত তেওঁ এজন প্ৰচাৰকলৈ পৰিণত হোৱাৰ ভয় প্ৰতি পদে পদে।

ভাল কৰিতাৰ মাজত জীবনৰ যি কোনো সমস্যা আৰু সমাধান উত্থাপিত হ ব পাৰে। সামাজিক অৰ্থ নৈতিক নৈতিক আদি যি কোনো বিষযেই কবিতাই কিছু কথা কব পাৰে কিন্তু তাকো গৌণভাৱেহে। যদি এই বক্তব্য মুখ্য হৈ পৰে তেন্তে কবিতাই আকৰ্ষণ হেৰুবাৰ। সমস্যাৰ সমাধান কৰাটো ভাল কবিতাৰ একমাত্ৰ উদ্দেশ্য নহয।

কবিতাৰ আটাইতকৈ প্ৰধান লক্ষ্য হ ল এক অপাৰ্থিব আনন্দলোকৰ সন্ধান দিয়া। কাব্যৰ উদ্দেশ্য জগত আৰু জীবনৰ ৰহস্যক সুন্দৰ কৰি ৰসস্নিগ্ধ কৰি উপস্থাপিত কৰা। সেযেহে কবিৰ বাবে সৌন্দৰ্যই পৰম সত্য ৰূপে পৰিগণিত আৰু যিটোকে তেওঁ কল্পনাত সত্য বুলি প্ৰত্যক্ষ কৰে সেযে হ ল সুন্দৰ। এই সৌন্দৰ্য সৃষ্টিয়েই কাব্যৰ উদ্দেশ্য। [৮]

কবিসকল হ ল সংসাৰৰ মাজত আনন্দময জগত এখনৰ নিৰ্মাণ কৰোতা। দুখ তাপক্লিষ্ট আৰু কৰ্মব্যস্ততাত অতীষ্ঠ প্ৰাণে এইখন জগতত এপলক জিৰণি লবলৈ পালে অসীম শান্তি লাভ কৰে। এই শান্তি হ ল তৃপ্তি আৰু আনন্দৰ অন্য নাম। সাহিত্যৰ জগতত আনন্দৰ অৰ্থ ব্যপক। ইযাত গভীৰ দুখেও অসীম আনন্দ দিব পাৰে। ব্যৰ্থতা আৰু বিৰহৰ সুৰ যদি মন-পৰশা হয় তেন্তে সি ক পাই তোলে

৭। সাহিত্য সন্দৰ্শন পৃঃ ৩৭
৮। সাহিত্য সন্দৰ্শন পৃঃ ৩৭

পাঠকৰো হৃদয়। নিৰাশা আৰু যন্ত্ৰণাৰ কিছুমান অনুভৱ যেতিয়া পাঠকৰ নিজৰ অনুভৱ যেন লাগি যায় তেতিয়া সমবেদনাৰ মনোভাৱ এটাই কবিতাবোৰ পাঠকৰ নিজা সম্পত্তি কৰি তোলে। এনে মুহূৰ্তত সেইবোৰৰ পঠনে হৃদয়ত যি আনন্দৰ সৃষ্টি কৰে তাৰ তুলনা অন্যত নাই। কবিতা পঢ়াৰ মুহূৰ্তবোৰত পাঠকে বিচৰণ কৰে অন্য এখন জগতত। সেইখন জগতত দৈনন্দিন জীৱনৰ গতানুগতিকতা নাই আছে চিনাকি কথাৰে নতুন অৰ্থ। এই অৰ্থৰ তাৎপৰ্যই হৃদয়ত খুন্দিয়াব পৰাতেই কবিতাৰ সাৰ্থকতা।

কবিতাই জীৱনৰ সত্যৰ উপাসনা কৰে। কিন্তু এই উপাসনা বিজ্ঞানীৰ সত্য সন্ধানৰ লগত একে নহয়। সংসাৰৰ প্ৰতিটো বস্তুৰ মাজতে ৰহস্য আছে। এই ৰহস্যৰ আঁৰকাপোৰ উন্মোচনৰ বাবে বিজ্ঞানী সকলে যুক্তি আৰু বুদ্ধিৰ আশ্ৰয় লয়। তেওঁলোকে সকলো বিশ্লেষণাত্মক পৰীক্ষাৰ দ্বাৰা সত্যৰ সন্ধান কৰে। কবিৰ কিন্তু সত্য সন্ধানৰ পথ হ'ল অনুভূতি আৰু কল্পনাৰ মাজেদি। কবিয়ে যি দেখে তাৰ বাকীখিনি কল্পনা কৰি লয়। যিটো বস্তুৰ বাস্তৱত কোনো সত্যতা নাই কবিয়ে কল্পনাৰ জগতত তাকো সত্য বুলি প্ৰতিষ্ঠা কৰে। কবিৰ বিশ্বাসৰ জগতত বহুতো অবাস্তৱ কথাই সত্য হৈ পৰে। অনুসন্ধানৰ শেষত সত্যৰ যিটো ৰূপেই চকুত পৰে, সেইটোকে নিৰ্বিকাৰ ভাৱে গ্ৰহণ কৰিবলৈ বিজ্ঞানীসকল যথেষ্ট দৃঢ় মনৰ গৰাকী। কিন্তু কবিসকলৰ হৃদয় আলসুৱা। তেওঁলোকে সত্যক সুন্দৰ কৰিহে গ্ৰহণ কৰে। তেওঁলোকৰ কল্পনাৰ সোণৰ কাঠিৰ পৰশত প্ৰতিটো বস্তুতে পৰে সৌন্দৰ্যৰ ছাঁ।

আকৌ আগৰদৰেই ক'ব লাগিব এইখিনি যুক্তিও কবিতাৰ কোমল ৰূপটোৰ সপক্ষেহে। এতিয়াৰ কবিতাত সত্যৰ নামত সৌন্দৰ্যৰ সন্ধান কৰা কথাটো পুৰণি মনৰ যুক্তি। সত্য সত্যই। সি সুন্দৰ হ'ব পাৰে। সেই সত্যকে কবিতাই দাঙি ধৰে। এই দাঙিধৰা কাৰ্য স্বাভাৱিক আৰু কলাসুলভ হ'ব লাগিব। কবিতাৰ সৌন্দৰ্যই এই কলা সুলভতাকে বুজায়।

বৈজ্ঞানিক সত্য আৰু কাব্যিক সত্যৰ তুলনা এটা বুজাবলৈ ক'ব পাৰি—বিজ্ঞানীৰ মতে যৌৱন হ'ল মানুহৰ দৈহিক আৰু মানসিক বিকাশ পদ্ধতিটোৰ ভিতৰৰ এটুকুৰা প্ৰাণ প্ৰাচুৰ্যৰে ভৰা সময়। কবিৰ মতে কিন্তু যৌৱন হ'ল পূৰ্ণতা কামনা আৰু অৰ্থহীন বিষাদে ভৰা এক

সুকোমল চেতনাময় কাল। বিজ্ঞানীৰ দৃষ্টিত মানুহ এবিধ শ্ৰেষ্ঠ প্ৰাণী। কবিৰ দৃষ্টিত মানুহৰ মাজেদি প্ৰকাশ পায ভগৱানৰে মহত্ত্ব। বিজ্ঞানীয়ে আৱিষ্কাৰ কৰা পৰম সত্যৰ লগত যেতিয়াই মিলি যায় কবিৰ চেতনাৰ নানা ৰহণ—তেতিয়াই সৃষ্টি হয কাব্যিক সত্যৰ। ৱৰ্ডছৱৰ্থৰ মতে—Poetry is the impassioned expression which is in the countenance of all science সত্যৰ লগত যুক্তিৰ মিশ্ৰণত জন্ম হয় বিজ্ঞানৰ সত্যৰ। সত্যৰ লগত আৱেগৰ মিশ্ৰণত জন্ম হয কবিতাৰ সত্যৰ।

বিজ্ঞানৰ দৰে দৰ্শনেও সত্যৰ সন্ধান কৰে। এই সন্ধানৰ লগত থাকে ৰহস্যৰ আঁৰ কাপোৰৰ সিপাৰে কি আছে তাক চোৱাৰ প্ৰয়াস। কবিতা আৰু দৰ্শন দুয়োটাই দেখা পায বিশ্বজগতৰ সকলো বস্তুৰ মাজতে অসীম ৰহস্য। তাকে উদ্ঘাটন কৰিবলৈ কবিযে সহায লয় বিচাৰমূলক বিশ্লেষণৰ। দৰ্শনৰ ঘাই আহিলা হ'ল চিন্তা। কিন্তু কবিতাৰ ঘাই আহিলা হ'ল অনুভূতি। কোনো কোনো কবিতাত দৰ্শনৰ গোন্ধ থাকিব পাৰে। দৰ্শনৰ আলোচনাৰ জটিলতা যদি তাত নাথাকে উপস্থাপনো যদি কলাসুলভ হয তেন্তে সেই কবিতা ভাল কবিতাত পৰিণত হব। এজন কবিও দাশনিক হ'ব পাৰে। অথবা কব পাৰি এজন দাৰ্শনিকৰ মাজতো এজন কবি থাকিব পাৰে। তেওঁৰ ৰচনাৰ গুণগত মানদণ্ড নিৰ্ণয কৰিব চিন্তা আৰু অনুভূতিৰ আপেক্ষিক প্ৰকাশে। কবিৰ বাবে হৃদয় বৃত্তি প্ৰথম কথা। হৃদযৰ বিচিত্ৰ অনুভৱ সমূহেৰে তেওঁ কবিতা ৰচনা কৰে। কিন্তু দাৰ্শনিকৰ বাবে চিন্তা বৃত্তিহে প্ৰধান কথা। চিন্তা আৰু যুক্তিৰ সাগৰত বুৰ দি তেওঁলোকে সন্ধান কৰে প্ৰকৃত সত্যৰ। এই সত্য কবিতাৰ সত্যৰ দৰে মনোৰম নহবও পাৰে। দাৰ্শনিকৰ অমূৰ্ত চিন্তা ধাৰাই কাৰণ নিৰ্ণয় কৰি কোনো এটি সত্যৰ প্ৰতিষ্ঠা কৰে। লেখকৰ ভাৱকল্পনাই যুত অৰূপ আৰু অমূৰ্ত সত্যৰ নিৰ্দেশ কৰে তাত তেওঁ দাৰ্শনিক আৰু সেইখিনিয়েই যেতিয়া সীমায়িত ৰূপ ৰসেৰে নিবেদিত হয তেতিয়া তেওঁ কবি। লেখকৰ ভাবনা-কল্পনাৰ ধূপ যেতিয়া গন্ধ হৈ অদেহীৰূপে ব্যাপ্তিত হৈ উঠে, তাত তেওঁ দাৰ্শনিক। আকৌ ধূপ-সুৰভি যেতিয়া গোট মাৰি বস্তুপুঞ্জৰূপে ইন্দ্ৰিয়গ্ৰাহ্যৰূপে ৰূপময় হৈ উঠে তেতিয়া তেওঁ কবি।[১]

১। সাহিত্য সন্দৰ্শন পৃঃ ৪৬

আধুনিক আলংকাৰিক সকলে এটি প্ৰশ্নৰ অৱতাৰণা কৰে। সেই প্ৰশ্নটো হ'ল কবিতা যদি ভাব প্ৰকাশৰহে কেৱল মাধ্যম হয় তেন্তে সত্যাসত্যৰ প্ৰশ্ন তাত আহে কেনেকৈ! কবিৰ মনত সত্য অসত্য উক্ত সত্য কল্পনামিশ্ৰিত সত্য আদি নানা ভাবে ভুমুকি মাৰিব পাৰে। কবিয়ে আপোন মনৰ মাধুৰি মিলাই তাক কবিতাত প্ৰকাশ কৰে। কাব্যিক সত্য এটি বিশেষ বস্তু। কোনো একেজাতীয় সত্যৰ লগত তাৰ তুলনা নহয়। ই দিঠকৰ চকুৰে ভ্ৰম বা মিছা বুলি পৰিগণিত হ'ব পাৰে। কবিতাৰ জগতত সেয়ে সঁচা। কবিৰ মনৰ সূক্ষ্ম অনুভূতিসমূহ হ'ল সমগ্ৰ মানৱৰে প্ৰাণৰ অনুভূতি। মানৱে নিজস্ব অনুভূতিৰ দ্বাৰা বিশ্বপ্ৰকৃতিৰ আস্বাদন কৰে। অনুভূতিৰ গভীৰতা আৰু নিবিড়তাৰ দ্বাৰাই এই অনুভূতিৰ সত্যতা নিৰূপিত হয়। এই সত্য কেতিয়াবা বিজ্ঞানৰ সত্যতকৈও মহান হৈ পৰে। জোনটো যদিও চন্দ্ৰ নামৰ এটা উপগ্ৰহহে জোনবাই নামৰ মনোৰম নামেৰেহে সি আমাৰ বেছি চিনাকি। গতিকে কবিতাৰ ৰসভিত্তিক সত্যক বৈজ্ঞানিক বা তথ্যমূলক সত্যৰ ওপৰত স্থান দিব পাৰি। বিজ্ঞানে বাহিৰৰ বা শাৰীৰিক অৱয়বৰ খবৰ ৰাখে, মনৰ বাতৰি কিন্তু নাৰাখে। মানুহৰ মনেই হ'ল শ্ৰেষ্ঠতম সম্পদ। এই সম্পদৰ উমান পায় কবিতাইহে। গতিকে কবিতাৰ এক প্ৰধান উদ্দেশ্য হ'ল সৌন্দৰ্যমণ্ডিত সত্যৰ প্ৰকাশ কৰা।

সাহিত্যৰ এই সত্যক ৰবীন্দ্ৰনাথ ঠাকুৰে সৌন্দৰ্যৰ লগত একীভূত কৰিছে। কাৰণ তেওঁৰ মতে সৌন্দৰ্য হ'ল ভাব আৰু অনুভূতিৰ অখণ্ডতা আৰু নিবিড়তা। জ্ঞানে যিদৰে ক্ৰমে ক্ৰমে সমস্ত সত্যকেই আমাৰ বুদ্ধিশক্তিৰ আয়ত্বৰ মাজলৈ আনিবৰ বাবে সকলো সময়তে নিযুক্ত হৈ আছে সেইদৰে সৌন্দৰ্য বোধেও ক্ৰমে ক্ৰমে সকলো সত্যকেই আমাৰ আনন্দৰ অধিকাৰলৈ আনিব এয়ে হ'ল তাৰ একমাত্ৰ সাৰ্থকতা।[১০] সৌন্দৰ্যবোধত থাকে এক অখণ্ডতা আৰু অসীমতা, যাৰ আবেদন অতিশয় উচ্চ স্তৰৰ। এই সৌন্দৰ্য মঙ্গলময়—যিহেতু ই মানুহৰ মনৰ মাজত অনিৰ্বচনীয় তৃপ্তি আৰু শান্তিৰ সন্ধান দিয়ে।

কবিতাৰ উদ্দেশ্যৰ মাজত আজিৰ চাম কবিয়ে মানি লোৱা এটি তত্ত্ব হ'ল মানুহ হ'ব পাৰে কবিতাৰ মনোৰম বিষয়। মানুহৰ বিভিন্ন ৰূপ হৃদয় বৃত্তিৰ মাজত প্ৰকৃতি-জগততকৈ বেছি চমক আছে। সাহিত্য তথা

১০। ৰবীন্দ্ৰনাথেৰ সাহিত্যাদৰ্শ ও অন্যান্য প্ৰসঙ্গ পৃ ৬৮

কবিতাৰ মাজত আনন্দ আৰু সৌন্দৰ্যৰ যোগেদি জীৱনৰ গতি বিধি সম্পৰ্কীয় জ্ঞান আৰু মনোৰম জীৱনৰ প্ৰস্তুতিৰ আভাস থাকিব লাগে। এইবোৰৰ মাজেদি প্ৰকাশ পায় কবি অথবা সাহিত্যিকৰ ব্যক্তি মানস। এই ব্যক্তি মানস বিশ্বমানসৰ প্ৰতিৰূপ। কবিকল্পনাত সুন্দৰৰূপে যি ধৰা পৰে সেয়ে সত্য। ( What imagination seizes as beauty is true whether it existed before or not )।[১১] এই সত্যই প্ৰকাশ পায মনোৰম কবিতাত।

কীটছে কৈছিল যে কবি মানসৰ উচ্চতম চিন্তাধাৰাৰ পৰা উদ্ভূত শব্দ সম্ভাৰে পাঠকক স্পৰ্শ কৰি এক স্মৰণীয অভিজ্ঞতাৰূপে প্ৰকাশ পাব লাগে।[১২] এযে হ'ব সফল আৰু ভাল কবিতা। হোৱাইটহেডৰ মতে কবিতাৰ লক্ষ্য হোৱা উচিত নতুন নতুন অন্তৰ্দৃষ্টিৰ দ্বাৰা আমাক সঞ্জীৱিত কৰা। এই অন্তৰ্দৃষ্টি বহুপৰিমানে নিৰ্ভৰ কৰে কবিৰ কল্পনাশক্তিৰ তীব্ৰতা আৰু গভীৰতাৰ ওপৰত। এই কল্পনাশক্তিৰ সহাযত কবিযে অভিজ্ঞতাৰ তথ্যবোৰৰ মাজত ঐক্য স্থাপন কৰে। কলৰিজৰ মতে সকলো কবিতাৰে সাধাৰণ পৰিণতি হ'ল এলানি অভিজ্ঞতাক সামগ্ৰিক ৰূপদান কৰা নাইবা যিবোৰ ঘটনা এটাৰ পিছত এটাকৈ এটা সৰলৰেখাৰ দৰে সময়ৰ বুকুত ঘটে বুদ্ধি শক্তিৰ আগত সেইবোৰ ঘটনাকে বৰ্তুল ৰূপত উপস্থাপন কৰা।[১৩] অৰ্থাৎ তেওঁ কলাকৃতিৰ ঐক্য অক্ষুণ্ণ ৰখাটোৱেই কবিতাৰ উদ্দেশ্য হোৱা উচিত বুলি ভাবিছিল।

কবিতাৰ শাৰীৰিক গঠন নিখুঁত কৰি ৰাখিবলৈ কবি সকলে এক প্ৰকাৰ পৰিশ্ৰম কৰিব লাগে। একোটা কবিতাৰ সফলতাৰ ক্ষেত্ৰত তাৰ ৰচনাৰ শৈলীও বিশেষভাৱে দাযবদ্ধ। কিন্তু কেৱল দৈহিক লাৱণ্যৰ ওপৰত জোৰ দিযাটোৱেই কবিৰ একমাত্ৰ উদ্দেশ্য নিশ্চয নহয়। ভাব আৰু ভাষাৰ মণি কাঞ্চন সংযোগত যি অলৌকিক সৌন্দৰ্যৰ সৃষ্টি হয় সেই সৌন্দৰ্য সৃষ্টিহে কবিৰ উদ্দেশ্য হোৱা উচিত। কবিৰ অন্তৰৰ বাণী একান্তভাবেই কবিৰ হৃদয়ৰ সংগোপনৰ সম্পদ। তাকে তেওঁ

১১) ৰবীন্দ্ৰনাথের সাহিত্যাদৰ্শ ও অন্যান্য প্ৰসঙ্গ পৃঃ ৬৯

১২। Poetry should strike a reader as a wording of his own highest thoughts and appear almost remembrance

১৩। নন্দন তত্ব ঃ প্ৰাচ্য আৰ পাশ্চাত্য পৃঃ ১৭৯

আনৰ আগত দাঙি ধৰে সৌন্দৰ্য্যৰ উপচাৰেৰে সজাই। "কবি হ'ল নিশাৰ অন্ধকাৰত নিজৰ নিসংগতাৰ গান মধুৰ কণ্ঠেৰে আনক গাই শুনোৱা নাইটিংগেল পখী।[১৪] তেওঁৰ উদ্দেশ্য হ'ল জগতত বিশ্বমানৱৰ প্ৰাণৰ সুৰ প্ৰচাৰ কৰা যি সুৰৰ প্ৰথম জাগৰণ হয় তেওঁৰ হিয়াত আৰু পিছত যি স্পন্দিত কৰে আনৰ হৃদয়।

নীতি শিক্ষা দিয়া কবিতাত কবি পৰিণত হৈ পৰে এজন শিক্ষকত। গতিকে নান্দনিক দৃষ্টিৰে চাবলৈ গলে নীতি শিক্ষা দৰ্শন, ধৰ্ম ৰাজনীতি, সমাজনীতি আদি আদৰ্শ সমূহ কবিতাৰ প্ৰথমটো ঝিলিকনিত থকা উচিত নহয়। কবিতাৰ মাজত থকা উচিত কলাসুলভ সৌন্দৰ্য। কবিয়ে প্ৰচাৰ কৰা সকলো আদৰ্শ এই সৌন্দৰ্য্যৰ দ্বাৰা প্ৰতিভাত হ'ব লাগিব। সৌন্দৰ্য অনুভৱৰ সম্পদ। পাঠকে হৃদয়েৰে অনুভৱ কৰিব পৰা সৌন্দৰ্য সৃষ্টি কৰাটোৱেই কবিতাৰ উদ্দেশ্য হোৱা উচিত। ভাল কবিতাই তাৰ লগে লগেই ব্যক্তি জীৱন আৰু সমাজ জীৱনৰ শুধৰণিৰ কামো কৰিব পাৰিব।

সামৰণিত কব পাৰি কবিতাৰ লক্ষ্য বস্তু হ'ল আনন্দৰ উপলব্ধি সৌন্দৰ্য্যৰ উপভোগ আৰু নীতিৰ চেতনা। কবিতাৰ লক্ষ্যবস্তু অকল শৰীযাকৈ এটাও নহয়। তিনিওটাৰে সুষম সমন্বয়তেই কবিতাৰ সাৰ্থকতা। তদুপৰি সৌন্দৰ্য সৃষ্টিৰ যোগেদি আনন্দ প্ৰদান কৰাটোৱেই কবিতাৰ আচল লক্ষ্যবস্তু। মহত্তম কবিতাত তাৰ লগতে যোগ হয় মানুহৰ কল্যাণ কামনাৰ এক শুভবুদ্ধি। কবিতাৰ ৰসতীৰ্থ তিনিওটা প্ৰবাহৰে ত্ৰিবেণী সংগম।[১৫]

## ১.৫ কবিতাৰ ভাব আৰু ভাষা

কবিতা বুলিলেই এটা কোমল আৰু মনোৰম বস্তুৰ কথা মনলৈ আহে। এনে লাগে ইয়াৰ যেন কতো কোনো জটিলতা নাই মেৰপেচ নাই। ইয়াৰ জন্ম প্ৰক্ৰিয়াও যেন সৰল আৰু অনায়াস। প্ৰকৃততে কিন্তু কথাটো ইমান সহজ নহয়। কবিতাও ৰীতিৰ বান্ধোনেৰে আবদ্ধ। কবি-

১৪। A Poet is nighti gale who s its in da kness and sings to other its own ol ade w th sweet sound—Defennce of of Poetry

১৫। সাহিত্য উপক্ৰমণিকা পৃঃ ৭৯

মনৰ স্বৰ্গীয় প্ৰেৰণাই স্বচ্ছন্দ প্ৰবাহেৰে কবিতা ৰচনা কৰিবলৈ বিচাৰে। কিন্তু তাতো আহি পৰে নানা নিয়মৰ কথা। এই নিয়ম বা ৰীতিবোৰ কেইটামান উপাদানৰ ওপৰত আধাৰিত।

কবিতাৰ শ্ৰেষ্ঠ সম্পদ হ'ল ইয়াৰ অন্তৰ্লীন ভাব। এই ভাব বা অনুভূতি হ'ল মানুহৰ এক বিশেষ আৰু মূল্যবান সম্পদ যিটোৰ দ্বাৰা সমগ্ৰ প্ৰাণী জগতৰ ভিতৰতে মানুহৰ বিশিষ্টতা সূচিত হয়। কবিতাৰ ক্ষেত্ৰত অনুভূতিৰ মূল্য আৰু বেছি। ই হ'ল এজনৰ প্ৰাণত খেলা কৰা হাজাৰ জনৰ অনুভৱ। এই অনুভৱ কোনোবা ৰহস্যময় শক্তিয়ে কবিৰ হৃদয়লৈ যেন প্ৰেৰণ কৰিহে দিয়ে। প্লেটোৰ মনে যিবোৰে কবিতা ৰচনা কৰে তেওঁলোকক যেন সৰস্বতীৰ আত্মাই লম্ভেহি। সেই অতিলৌকিক আত্মাই আহি কবিৰ আলফ্‌লীয়া আৰু কুমাৰী আত্মাত প্ৰৱেশ কৰেহি উন্মত্ততাৰ দ্বাৰা অনুপ্ৰাণিত কৰে আৰু গীতিকবিতা তথা অন্যান্য কাব্যৰূপ জগাই তোলে।[১৬] এঁয়া হ'ল স্বাভাৱিকতাৰ সপক্ষেহে যুক্তি ৰীতিৰ সপক্ষে নহয়। অৱশ্যে এই স্বাভাৱিক ভাবৰাশিও এটি বিন্দুমাত্ৰ কবিতাত ইয়াৰ বিস্তৃত ঘটে। কবিয়ে কোনো নাৰীক ৰূপহী বুলি অনুভৱ কৰিলে সেই অনুভৱ আনক বুজাবৰ বাবে তেওঁৰ মুখখনক জোনৰ লগত চকুক পদুম পাহিৰ লগত (অথবা সাগৰৰ দূচামুচ নীলাৰ লগত) আৰু তেওঁৰ সামগ্ৰিক ৰূপক শেলুবৈয়ে ঢকা শিলৰ আঁৰৰ ভায়োলেট ফুলৰ লগত তুলনা কৰিব লগা হয়। ফলত কিছুমান নিয়ম তেওঁ মানি নললে নচলে। ভাবৰ বাহন সদায়ে হ'ল ভাষা। এই ভাষা সাধাৰণ দৈনন্দিন জীৱনৰ গতানুগতিক ভাষাতকৈ কিছু বেলেগ। কথা পতাৰ ভাষাৰেও কবিতা লিখিব পাৰি কিন্তু তাতো এনে কিবা এটি বৈশিষ্ট্য লাগিব যিটোৱে ইয়াত কবিতাৰ শোভা আৰু সোৱাদ আনিব।

কবিতাৰ ভাষাৰ ক্ষেত্ৰতো কবি আৰু আলংকাৰিক সকলৰ নানাধৰণৰ যুক্তি পোৱা যায়। ৱৰ্ডছৱৰ্থে কৈছিল যে গদ্য আৰু কবিতাৰ ভাষাৰ মাজত থকা পাৰ্থক্য আঁতৰাব লাগে আৰু তাৰ ঠাইত ব্যৱহৃত হব লাগে "মধ্যবিত্ত বা নিম্নশ্ৰেণীয়ে কোৱা ভাষা (middle and lower classes of Society)।[১৭] ইংৰাজী ধ্ৰুপদী কবিতাৰ মাজত ইতিমধ্যে

১৬। সাহিত্য উপক্ৰমণিকা পৃঃ ১৬
১৭। নন্দনতত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য পৃঃ ১৬৪

প্ৰতিষ্ঠিত হৈ পৰা অলংকাৰপূৰ্ণ আৰু কৃত্ৰিম যেন লগা আড়ম্বৰপূৰ্ণ ভাষাশৈলী দেখিয়েই বোধকৰো কবিজনে এই মন্তব্য কৰিছিল। তেওঁ কৈছিল যে ধ্ৰুপদী কবিতাৰ ভাষা অবিশুদ্ধ ভেজাল বাহ্যিক জাকজমকপূৰ্ণ আৰু অনুভূতি বৰ্জিত। গতিকে সাধাৰণ মানুহৰ সৰল জীৱনযাত্ৰাত যেনে ভাষা ব্যৱহৃত হয় কবিতাতো তাৰ প্ৰয়োগ হ'ব লাগে বুলি তেওঁ ভাবিছিল। কবিৰ বক্তব্য যদি আনৰ বুকুলৈ যাব লাগে তেন্তে সি যাব পাৰিব উপযুক্ত মাধ্যমৰে যোগেদিহে। সেই মাধ্যম হ'ল সকলোৱে বুজিব পৰা ভাষা। গতিকে "যিমান দূৰ পাৰি মানুহৰ আচল ভাষাকে অনুকৰণ আৰু ব্যৱহাৰ কৰিবলৈ ( to imitate and as possible to adopt the very language of mass ) তেওঁ নিজেও যত্ন কৰিছিল। গ্ৰাম্য জীৱনৰ সহজ-সৰল ৰূপ ছবিৰ মাজত তেওঁ বিচাৰি পাইছিল অনাড়ম্বৰ সৌন্দৰ্যৰ সুচাৰকাঠি। তেওঁৰ বাবে সেই সুচাৰ কাঠিৰেই খুলিব পাৰি কাব্য ৰসিকৰ অন্তৰৰ দুৱাৰ। তাঁৰ বাবে কিন্তু আনুষঙ্গিক পৰিবেশো স্বাভাৱিক হ'ব লাগিব প্ৰতিটো শব্দ, প্ৰতিটো বাক্যই যেন মানুহে বুজি পায়। বৰ্ডছৱৰ্থৰ এই মতবাদ কিন্তু কলৰিজে মানি লোৱা নাই। কবিতাৰ বহুতো শ্ৰেণীৰ ভিতৰত বেলাড আদি কেইবিধ মানৰ ক্ষেত্ৰতহে ভাষাৰ এই নীতি প্ৰযোজ্য বুলি তেওঁ কৈছে। সামগ্ৰিকভাবে চালে কবিতাৰ ভাষাৰ ক্ষেত্ৰত এই উদাৰনীতি মানি চলা সম্ভৱ নহয়। কবিৰ মনত খেলা কৰা কিছুমান সূক্ষ্ম অনুভৱৰ বাবে গ্ৰাম্য লোকৰ সহজ ভাষা উপযুক্ত হ'ব নোৱাৰে। এনে কিছুমান শব্দ অথবা ঠাঁচ কবিয়ে ব্যৱহাৰ কৰিবলগীয়া হয় যিবোৰ সকলো সময়তে সৰ্বসাধাৰণৰ চিনাকি নহ'বও পাৰে। তদুপৰি তেনে লোকৰ মানসিকতাই যিমানবোৰ শব্দ সম্ভাৰ সংৰক্ষণ কৰে এজন কবিৰ বাবে সেয়া যথেষ্ট নহ'বও পাৰে। মানুহে ব্যৱহাৰ কৰা ভাষাৰ উত্তম অংশটো নিৰ্মিত হয় কল্পনাশক্তি আৰু ৰুচিবোধৰ মিলনত। সৰ্বসাধাৰণৰ মাজত এনে ভাষাৰ উৎকৰ্ষ চকুত নপৰিলে কবিয়ে নিজেও শব্দ সৃষ্টি কৰিব লগীয়া হয়।

প্ৰকাশিকা শক্তিয়েই হ'ল কবিতাৰ প্ৰধান আকৰ্ষণ। এই শক্তিয়ে সদায় দেখি থকা বস্তুবোৰকে নতুন ৰূপ এটিৰ প্ৰতি মানুহক সচেতন কৰি তোলে। প্ৰকৃতি আৰু জগতৰ মাজত নিহিত হৈ থকা তাৎপৰ্যৰ বিষয়ে মানুহৰ চকু মুকলি কৰি দিয়ে। ই আমাক জগতৰ সমস্ত ৰূপ

ৰস স্পৰ্শ কৰিবলৈ স্বাদ ল বলৈ শ্ৰৱণ আৰু দৰ্শন কৰিবলৈ অনুপ্ৰাণিত কৰে।[১৮] এই শক্তিৰ আত্মপ্ৰকাশৰ মাধ্যম হ ল উপযুক্ত ভাষা। উপযুক্ত মানে আলংকাৰিক বা অলংকাৰহীন গুৰু গম্ভীৰ বা পাতল এনেবোৰ কথা বুজোৱা হোৱা নাই উপযুক্তৰ অৰ্থ ইয়াত হ ল যেনে ভাব প্ৰকাশৰ বাবে যেনে ভাষা উপযোগী সেয়ে সেই কবিতাৰ বাবে উপযুক্ত ভাষা।

কবিতাৰ বাবে সুকুমাৰ ভাষাৰ সন্ধান কৰোতাসকলে মন কৰা উচিত যে প্ৰকৃততে কবিতাৰ ভাষা বুলি এটা ভাষাৰ অস্তিত্ব আধুনিক আলংকাৰিক সকলে স্বীকাৰ নকৰে।[১৯] কবিৰ দখলত থকা যিকোনো বিচিত্ৰ ভাষাৰে কবিতা সুন্দৰ হৈ উঠিব পাৰে। কবিতাত কেতিযাবা একোটা বিমূৰ্ত ধাৰণা ফুটাই তুলিব লগা হয় যাৰ সমপৰ্যায়ৰ অৰ্থ যুক্ত শব্দই ফুটাই তুলিব নোৱাৰে। তেতিয়া কবিয়ে বিচাৰি লয় অথবা সৃষ্টি কৰি লয় একোটি মহিমামণ্ডিত শব্দ। ৰায় চৌধুৰীৰ সাঁজলি কপাল অথবা মহেন্দ্ৰ বৰাৰ নীলচিয়া ফুল এনে শব্দ। এনেবোৰ শব্দ কবিতাৰ ভাষাত তেতিযাহে সোমাব যেতিয়া কবিতাটোৰ মাজত ইহঁতৰ উপস্থিতি অপৰিহাৰ্য হৈ পৰে।

সাধাৰণতে কবিতাৰ ভাষাত এটা মধুৰতা থাকে যি ঘৰুৱা কথাৰ মাজত পাবলৈ নাই। এই মধুৰতা যাইকৈ নিৰ্ভৰ কৰে শব্দৰ ওপৰত। কোনো কোনো আলংকাৰিকে ভাৱে যে বিষয়বস্তু কবিতাৰ ক্ষেত্ৰত বেছি গুৰুত্বপূৰ্ণ নহয় তাক কেনেকৈ ইন্দ্ৰিয়গ্ৰাহ্য ৰূপত দাঙি ধৰিব পাৰি সেইটোহে ঘাই কথা। এওঁলোক হ ল বাহ্যধৰ্মসেৱী (formalist)। এওঁলোকে সাহিত্যত ব্যৱহাৰ কৰা বাক্য আৰু বাক্যাংশবোৰৰ তিনি চাৰিটাকৈ অৰ্থ থকা দেখা যায়। এই প্ৰসংগত ব্ৰেডলীয়ে কৈছে "এটা অৰ্থ গ্ৰহণ কৰিলে এইবোৰ সত্য যেন লাগে কিন্তু সাধাৰণ শ্ৰেণীৰ পাঠকে এইবোৰৰ অৰ্থ যেনেভাবে গ্ৰহণ কৰে সেই ভাবত গ্ৰহণ কৰিলে এইবোৰ অসত্য আৰু অনিষ্টকাৰী। আজিৰ কবিতাত এনে বহু অৰ্থ বহনকাৰী শব্দৰ প্ৰাচুৰ্য লক্ষ্য কৰা যায়।

---

১৮। It b ds as touch a d taste and hear a d see the World and shrink from all that i of th b a o ly fr m all that is not a fountain sitti g f om the ti e hopes m mories and ensation of the body—Yeats c t d n Poetry A Modern Guide to its understanding and enjoyme t P 32

১৯। The e s no specially poet c language there is no bar against the most unlikely looking words —Literature and criticism P 117

## ১ ৬ কবিতাৰ ভাষাৰ নানা ৰূপ

নিত্য নতুন পৰীক্ষা চলাৰ ফলত কবিতাৰ আঙ্গিক সদায়ে অস্হিৰ। কবিতাৰ ভাষাও সেইবাবে পৰিবৰ্তনশীল। এই পৰিবৰ্তন ইমান সক্ষ্ম আৰু ইমান মন্হৰ যে সতকাই চকুত নপৰে। কিন্তু ৰচনাকালৰ ব্যৱধান থকা দুটা কবিতাৰ ভাষা মিলাই চালে এই পৰিবৰ্তনৰ বিষয়ে জানিব পাৰি। কবিতাৰ ভাষা সাধাৰণ হৈও অসাধাৰণ। ইয়াক সকলোৱে বুজে কিন্তু উপলব্ধি কৰে কেইজনমানেহে। পোহনীয়া মইনাচৰাইক হাতত লৈ থাকিও তাৰ কাকলিৰ ভাষা নুবজাৰ দৰে সাধাৰণ পাঠকে সদায়ে সকলো সময়তে কবিতাৰ ভাষা হৃদয়ংগম কৰিব নোৱাৰে। কবিতাই খেলা কৰে সহৃদয়জনৰ অন্তৰত। গতিকে এচাম সহৃদয় ব্যক্তিয়েহে এই মইনাজনীৰ অচিন কাকলি বুজি পায় আৰু উপলব্ধিত স্বৰ্গীয় আনন্দত মগন হয়।

কবিতাৰ ভাষা কেনে হোৱা উচিত তাৰ নিৰ্ধাৰিত সংজ্ঞা নাই। ই শিশুৰ কণ্ঠৰ দৰে কোমল জুৰিৰ গতিৰ দৰে স্বচ্ছন্দ আৰু সংগীতৰ দৰে মধুৰ হোৱা উচিত বুলি এটা পুৰণি ধাৰণা আছে। আগৰ কবি সকলৰ কবিতাত কোমল আৰু মধুৰ ভাষাত বছা বছা শব্দ প্ৰয়োগ কৰা হৈছিল। আধুনিক কবিদলে কিন্তু উৎকৃষ্ট শব্দৰ এই মায়াজালত নোসোমাই কলমৰ আগেদি ওলাই অহা উপযুক্ত শব্দ এটিকহে বেছি সমাদৰ কৰে লাগে সি কাব্যিক হওক নহওকেই। অৱশ্যে এতিয়াও কবি নোহোবা নহয় শব্দৰ বিন্যাসতে যি কবিতা ৰচনাৰ আনন্দ পায়। এওঁলোকৰ কবিতা উকা দৃষ্টিত কিছুমান ৰমণীয় শব্দৰ সমদল মাথোন, তাৰ ভাষা জাক-জমকতাৰে ভৰা।

কবিতাত ভাষাৰ পৰিবৰ্তনৰ কথা আলোচনা কৰিবলৈ অসমীয়া কবিতাৰ পৰাই উদাহৰণ লব পাৰি। ভাষাৰ পৰিবৰ্তন মানে ভাষাৰ প্ৰয়োগৰ পৰিবৰ্তনকে বুজিব লাগিব। বেজবৰুৱা নাইবা দুৱৰাৰ দৰে একেটা ভাষাৰেই কবিতা লিখে আজিৰ চাম কবিয়ে। কিন্তু তাৰ প্ৰয়োগত অসীম পাৰ্থক্য। এটা উদাহৰণ দিয়া যাওক।

বেজবৰুৱাই লিখিছিল—

প্ৰেমত ঘূৰিছে ভূমণ্ডল,
প্ৰেমত ফুলিছে শতদল।

বিহগী কবিয়ে লিখিছিল—

প্ৰিয়া তুমি ঢালিলা কি
মোহন মদিৰা হাঁহি কটাক্ষৰ
যি পিয়া হৈত বনে বনে হৰিতা ক্ষেত্ৰত
তৰু তৃণ লতিকাৰো ভাঙিল চমক।

দুৱৰাই লিখিছিল—

নিৰলে থাকিম বুলি সাজিলো ইযাতে পঁজা
দাঁতিয়েদি বৈ যায় পাহৰনি নৈ।

এই খিনিলৈকে বিশেষ পাৰ্থক্য চকুত নপৰে। কিন্তু দেৱকান্ত বৰুৱাই যেতিয়া কবিতাৰ মাজতে তোমাৰ বিযালৈ আৰু কেইদিন বাকী বুলি কথাৰ সুৰতে সুধি দিলে তেতিয়াহে সচেতন মনে গম পালে যে পৰিবৰ্তন আহিল। ইযাৰ পিছত হেম বৰুৱা নৱকান্ত বৰুৱাৰ কবিতাৰ পাত মেলিলেই বুজা যায যে ইযাৰ ভাষা আগৰ দৰে নহয়। আগৰ কবিতাৰ চিনাকি গোন্ধ ইতিমধ্যেই বিলুপ্ত হৈছে। আধুনিক কবিতা হেনো বাস্তৱানুগ স্তৰ ঘোঁৰা ই মাথোন চেকুৰি ফুৰে অস্থিৰ ভাবে। ফলত ইযাৰ আংগিক দিনে সলনি হয নতুন ৰূপ লয ভাষাই। সমগ্ৰ পৃথিৱীতে কবিতাৰ ভাষাৰ এই দ্ৰুত পৰিবৰ্তন ঘটিবই লাগিছে। দুৱৰাৰ পৰা নৱকান্ত জীবনানন্দৰ পৰা সুকান্ত অতিৰি আহিছে। বেজবৰুৱাই হীৰেণ ভট্টাচাৰ্য ৰবীন্দ্ৰনাথে সুনীল গঙ্গোপাধ্যাযৰ ভাষা জটিল পোৱা হৈছে। নজৰুলৰ ভাষাত নতুন ৰূ সানিছে ইউচুফ পাশাই। পৃথিৱীৰ বিভিন্ন প্ৰান্তত নাজিম হিকমৎ পাবলো নেৰুদা হো চি মিনে কলমৰ আচোৰেৰে কবিতাত প্ৰয়োগ কৰিছে অনন্য ভাষা।

কবিতাৰ ভাষা ইংগিতময়। কবিসকলে কোনো কথা কোৱাতকৈ তাৰ ইংগিত দিবলৈহে ভাল পায। কবিতাৰ ভাষা বুজিবলৈ টান বুলি এটা বদনাম আছে। এই বদনাম আধুনিক কবিতাৰ এৰাব নোৱৰা লগৰী। আধুনিক কবিসকলে তেওঁলোকৰ বক্তব্যখিনি আৱৰণ দিহে প্ৰকাশ কৰে। যেনে নৱকান্ত বৰুৱাৰ এই কেই ফাঁকি—

আকাশ তোমাৰ সান্ত্বনা মোৰ জীৱনত
কৰো অনুভৱ স্বপ্ননীড়ৰ ৰচনাত
জাগি থাকে মোৰ আকাশ গঢ়াৰ ব্যৱধান

সহজ শব্দ স্বচ্ছন্দ প্ৰবাহ অথচ ভাবৰ লুকা-ভাকু এটি সাঁথৰ সাঁথৰ

ভাৱে কবিতাখিনি সজীৱ কৰি থৈছে। এই ভংগি হল এজন ৰুচিবান ৰসিক কবিৰ। এইজন কবিৰ সম্রাট ৰাৱণ আদি বিখ্যাত কবিতাবোৰৰ ভাষা সাধাৰণ পাঠকৰ বাবে নহয়। কিন্তু হেৰোৱা স্বৰ্গৰ স্মৃতি আৰু এটা প্ৰেমৰ কবিতা খিৰিকি কাষৰ কবি আদি কবিতা সৰল ভাষাৰ বাবে পাঠকৰ প্ৰিয়। ভাষাগত সৰলতাৰ বাবেই হীৰেণ ভট্টাচাৰ্যৰ কবিতাসমূহ সব সাধাৰণৰ প্ৰিয়। ইয়াত আখৰৰ কাৰিকৰিতকৈ ভাবৰ ব্যঞ্জনাহে বেছি সুন্দৰ—

উজাগৰ ৰাতি
সপোন দেখিছো মই
ফুল আলসুৱা তোমাৰ মুখৰ
শইচ সোনালী হাঁহি
অযুত তৰাৰ ঘুমটি ভাঙি
যেন সূৰ্য আহিছে নামি।

এনে ভাষা কথ্য ভাষাৰ সহজ ছন্দ আৰু এক গীতিময়তাৰ সমাবেশত মনোগ্ৰাহী। যি কবিতাৰ ভাষাত থাকে সূক্ষ্মতম মূৰ্চ্ছনা বাঙ্ময় চিত্ৰকল্প গধুৰ ত্ৰৈজিক উপলব্ধি আৰু বিদ্ৰোহী বিশ্বাসৰ বলিষ্ঠতা' সেই কবিতাৰ ভাষা মনোগ্ৰাহী নহৈ নোৱাৰে।

কবিতাৰ পংক্তি বিন্যাস বিচিত্ৰ। কেতিয়াবা চুটি চুটি বাক্যৰ সংযোগত একোটা কবিতা ৰচিত হয় কেতিয়াবা গোটেইটো কবিতা এটা সুদীৰ্ঘ বাক্য যেন লাগে। প্ৰাচীন কবিসকলৰ ভাষাত আছিল সদায়ে কিছুমান দীঘল বাক্যৰ সমষ্টি। বেজবৰুৱাৰ দিন বাদ দি অতুলচন্দ্ৰ হাজৰিকা নলিনীবালা দেৱীৰ দিনতো এই বৈশিষ্ট্য বৰ্তমান। তেওঁ লোকে বহুত কথাৰে ঘূৰাই পকাই একেটা ভাব প্ৰকাশ কৰে। আধুনিক কবিসকলে কম কথাত ভাব প্ৰকাশ কৰি ভাল পায়। জাপানী কবিতাৰ প্ৰভাৱত হাইকু শ্ৰেণীৰ চুটি কবিতা সকলো পাঠকৰ মাজতে জনপ্ৰিয় হৈ উঠিছে।

সৰি পৰিল ফুলপাহ
ডালটোলৈ ঘূৰি আহিল
পখিলা এটা

এই অকণি অকণি বাক্যৰ মাজতে সোমাই আছে এটা "হাইকু"ৰ পূৰ্ণ অবয়ব। একে ভংগিতে কবিয়ে কয়—

সৰা পাতটিত
নিতাল নিঝৰ
ধোৱাই ধোৱাই
জ্বলি ৰ ল
কাৰ অন্তৰ।

কবিতাৰ ভাষাত শব্দৰ এই মিতব্যযিতা সদায়ে দেখা নাযায়। প্ৰতীকেৰে ভাৰাক্ৰান্ত চিত্ৰকল্পেৰে জকমকীয়া ভাষাও বহু কবিয়ে প্ৰয়োগ কৰে। ভাষাই কবিতাক এক স্বকীয় মহিমা দিয়ে স চা পিছে এনে জলমলীয়া ভাষাই পাঠকৰ কাণক তৃপ্ত কৰে যদিও মনক সদায় নকৰিবও পাৰে।

কবিৰ অনুভূতিৰ আনন্দ বিষণ্ণতা আৰু বিদ্ৰোহৰ লগে লগে কবিতাৰ ভাষাই বৰণ সলায়। প্ৰেমজনিত আনন্দ আৰু বেদনাই এই ভাষা কৰি তোলে কোমল আৰু কৰুণ। তেতিয়া কবিৰ বেদনাই যেন দ্বিতীয়াৰ জোনৰ দৰে অস্পষ্ট বিষাদেৰে তেওঁৰ প্ৰেমাস্পদৰ বুকুৰ ভাষা বুটলি লব খোজে। সেইবোৰ কবিতাত ভাষাৰ যাদুসনা পৰশত ভাববোৰ আহি নিজে নিজে পাঠকৰ বুকুত সোমাই পৰে। দূৰৰ বা গণেশ গগৈৰ প্ৰাঞ্জল ভাষাৰ প্ৰেমৰ কবিতাবোৰ বাদ দি এতিয়াৰ আধুনিক কবিসকলৰ তথাকথিত জটিল কবিতাতো ভাষাৰ এই অদ্ভুত বৈশিষ্ট্য বৰ্ত্তমান।

কি যে সুখৰ অসুখ
তেজৰ নদীত সাতুৰি বুজিছো
মৰণতো আছে সুখ

ইয়াত সুখ আৰু অসুখ শব্দ দুটাৰ খেলি মেলি প্ৰযোগত বুজা যায় যে অসুখে ইয়াত বুজাইছে প্ৰেমৰ বিষণ্ণ সুখৰ কথা।

কৰুণ গধূলি
বুকুত ফুলৰ প্ৰলেপ

নাইবা

মোৰ ইচ্ছা আৰু অপেক্ষাৰ মাজত
ৰিব ৰিব হেমন্ত

এনেবোৰ মিঠা মিঠা শান্ত শব্দৰে প্ৰেমৰ কবিতাবোৰক সহজেই চিনিব পাৰি। কিন্তু কবিসকলৰ মনত দেশ সমাজ জীৱনলৈ বিদ্ৰোহ বা বিতৃষ্ণাৰ ভাব আহিলেই কবিতাৰ ভাষাই ফিৰিঙতিৰ দৰে জ্বলি উঠে।

সংযত ক্ৰোধ আৰু শান্ত বিদ্ৰোহৰ সুৰেৰে কবিতাৰ ভাষা হৈ পৰে ভিন্ন ভাবে ৰমণীয়।

হাবিবোৰ পুৰি দিয়া।
প্ৰতিটো ছাইকণাত সিহ তব বীজ।
বীজবোৰ ৰোপণ কৰা।
শিলৰ বুকুবেদি ফুলি উঠিব সিহ তব মুখ।

খঙৰ ভাষা কেতিয়াবা হৈ পৰে তীব্ৰ—

মোৰ হাতৰ কাঁচিখনলৈ চালেই গম পাবা
কাৰ ডিঙিৰ জোখেৰে গঢ়িছো

কবি হৃদয়ৰ প্ৰতিটো অনুভূতিৰ উঠা-নমাৰ লগে লগে কবিতাৰ ভাষায়ো উশাহ সলায়। কবিতাৰ ভাষা বুলিলেই লয়যুক্ত আৰু ছন্দস্পন্দনযুক্ত ভাষা যেন লাগে। আধুনিক কবিতা কেতিয়াবা গদ্যৰ নামান্তৰ লয় আৰু ছন্দ ইয়াত পাতৰ আঁৰৰ কলিৰ দৰে লুকাই থাকে। কেতিয়াবা দুই এটুকুৰা স্পন্দিত গদ্যতো কবিয়ে কাব্যিক মাধুৰী দান কৰে। নবকান্ত বৰুৱাৰ সন্তানৰ ভষা গদ্য হলেও কাব্যগন্ধী। ইয়াৰ ভাষাত কথা আৰু কবিতাৰ অভিনৱ সংযোগ ঘটে। কিছুমান কবিতা চমু বাক্যৰ সহযোগত গদ্য লাগিলেও এক অমূৰ্ত লয়ৰ প্ৰৱাহে তাক কবিতা কৰি ৰাখে।

আকালৰ চোতাল। শস্যৰ পথাৰ উদং
কিশোৰৰ হেৰাল স্বপ্ন স্বাধীনতা। গৰ্ভৱতী
নাৰী নিদ্ৰাত নিহত।

সেইদৰে—

ধুনীয়া জোনাক। কিমান বাজিল বাৰু? কুৰ্বলিৰ ওৰণিৰে কবৰাত কিবা এটা ডাঙৰ ৰহস্য যেন ঢাকি থোৱা আছে। কি হে মোক টুটুবায়?

উকা চকুত এইখিনি গদ্য। সেইবুলি ঠৰঙা গদ্য নহয়। অতি মসৃণভাবে ইয়াত কবিতাৰ ছন্দ আৰু লয়ে গোপনে চৰণ পেলাইছে। এই মৃদু পদধ্বনি সহৃদয়জনৰ বাবে নবুজা ৰহস্য হলেও এক ঈৰ্ষাৰ বস্তু। কবিতাৰ ভাষাত এই ৰহস্যহে প্ৰধান আকৰ্ষণ। কবিয়ে বিচাৰে মনে বিচৰা শব্দ গাঁথনিৰ মাজত তেওঁৰ কবলগাঁথিনিক এক ব্যঞ্জনাপূৰ্ণ ৰূপ দিবলৈ। অন্ত্যমিলযুক্ত ছন্দতেই হওক নাইবা স্পন্দিত গদ্যৰ অনুৰূপ

গদ্যছন্দতেই হওক কবিতাৰ ভাষাই নিজৰ মধুৰ ৰহস্য কেতিয়াও নেহেৰুৱায়।

এটা উৰ্দু শ্বায়েৰীত আছে—

মই তোমাক ভাল পাওঁ
কিন্তু ক'ব নোৱাৰোঁ
অথচ নোকোৱাকৈও থাকিব নোৱাৰোঁ।

কবি হৃদযৰো সেয়ে কথা। তেওঁলোকে অন্তৰৰ ভাবৰাশি উজাৰি দিব নোৱাৰে অথচ নিদিযাকৈও থাকিব নোৱাৰে। আধুনিক কবিতা এনে দিয়া নিদিযাৰ লুকাভাকুৰে পূৰ্ণ। প্ৰতীকি শব্দ আৰু চিত্ৰকল্পৰ প্ৰাচুৰ্যত এনেবোৰ কবিতাৰ ভাষা বজা নবজাৰ দোমোজাত থকা প্ৰকৃতিৰে ৰহস্যময। এনেবোৰ কবিতাত বকুখন হৈ পৰে চন্দন কাঠৰ জুই এমুঠি উষৰ বালি। আকাশৰ নীলাবোৰ আহি মেৰাই ধৰে এন্ধাৰৰ জৰায়ুত জন্ম লোবা বিচিত্ৰ হৃদয। শক্তিৰ বকুত মস্তা হবলৈ বিচৰা কবিযে ঈশ্বৰৰ দৰে শূন্য ঈশ্বৰক বীজগণিতৰ এক্সৰ লগত ৰিজায়। কেতিযাবা প্ৰিযাৰ ওঁঠত ৰয় পানী ৰঙা হোৱা দুখন নৈ, প্ৰেম হয় কুলা গোলাপৰ গোন্ধ। জীৱনক শেতা নক্ষত্ৰৰ ৰাতি কৰি, বাসনাক মৰা পহুৰ শিং কৰি কবিযে কেতিযাবা কৈ উঠে— সপোনৰ দাম মাথো সপোন দেখাত।

পৰৱৰ্তী কবিতাৰ ভাষা উপমা আদি অলংকাৰ প্ৰযোগেৰে সুন্দৰ। নতুন কবিতাৰ ভাষা প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰেৰে মনোৰম। এই সম্পৰ্কত স্হানান্তৰত আলোচনা কৰা হৈছে। ইযাত মাথোন কবিতাৰ ভাষাৰ গতিশীলতাৰ এটি চমু আভাস দাঙি ধৰা হ'ল।

## ১৭ ভাব বস্তু আৰু কল্পনাৰ সংযোগ

সাধাৰণ ধাৰণামতে কবিতাত কল্পনাৰ ভূমিকা গুৰুত্বপূৰ্ণ। কল্পনা হ'ল কবিতাৰ চিৰ কালৰ লগৰী। সকলো মানুহৰে চকুত পৰা অথচ কোনোৱেই তাৰ বিশেষত্ব অনুভৱ নকৰা কোনো এটি বিষযক কবিতাত ৰূপ দি অসাধাৰণ কৰি তোলে কবিযে যি শক্তিৰ সহায়ত সিয়েই হৈছে কল্পনা।

কবিতাৰ ভাববস্তুৰ কোনো সীমা নাই সেই কথা অন্য ঠাইত আলোচিত হৈছে। এই ভাব বস্তুৰ ৰং ৰূপ লঘু গুৰু গুণ আৰু অন্তর্মুখী বা বহিমুখী প্রকৃতি থাকে। এচামুচ পানীয়ে প্রিয়াৰ নয়নৰ কথাও কব পাৰে মান হব অন্তহীন সৌন্দর্য-তৃষ্ণাৰ কথ ও কব পাৰে অর্কাণ পানীত পৰা বিশাল আকাশৰ ছায়াই দুৰূহ দার্শনিক তত্ত্বৰো অবতাৰণা কৰাব পাৰে। সাধাৰণৰ বাবে যি মাথোন এচামুচ পানী কবিৰ বাবে সি নতুন নতুন আৱিষ্কাৰৰ উৎস। এনে আৱিষ্কাৰ তেওঁ কৰে মনৰ চকুৰে যি চকুত সদা থাকে কল্পনাৰ অঞ্জন।

ভাববস্তুৰ ৰূপ অনুভৱৰ দ্বাৰাহে দেখা যায়। ইয়াৰ শৰীৰী ৰূপ নাই যদিও বিশিষ্ট অনুভৱে ভাবময় অদেহী সৌন্দর্যক ৰূপ দান কৰি হৃদয় গোচৰ কৰি তোলে। সকলো কলাতে এনে লক্ষণ বিদ্যমান। যেতিয়া কোনো সংগীতৰ সুৰে মন মুহি নিয়ে কোনো চিত্রৰ বক্তব্যই হৃদয় স্পর্শ কৰে তেতিয়া আমি বুজি পাওঁ যে এই অন্তর্নিহিত আবেদনৰো এটি ৰূপ আছে। এই ৰূপ হৃদয়গ্রাহ্য।

কবিৰ অনুভূতি আৰু পাঠকৰ হৃদয়ৰ মাজত যোগসূত্র ঘটাবৰ বাবে কল্পনাৰ আৱশ্যক। কল্পনাৰ প্রতিশব্দ ইংৰাজীত হল imagination। অবশ্যে fancy বুলিও প্রায় সমার্থক এটি শব্দ আছে। Fancy ৰ অর্থ তৰল কল্পনা বা লাত ইয়াক বোলা হৈছে খেয়ালি কল্পনা। Imagination আৰু Fancy ৰ মাজত তুলনা কৰা নানা উক্তি কবি সমাজত পোৱা যায়। এল হান্টৰ মতে Fancy is childlike and sportive She chases butterflies while her sister (imagination) takes flight with angel। [১০] অর্থাৎ কল্পনাক দিয়া হৈছে Fancyতকৈ ওপৰৰ আসন। ৱর্ডছৱর্থৰ মতে কল্পনাৰ ৰূপান্তৰ ক্ষমতা আছে। ই অভিজ্ঞতালব্ধ তথ্যক সত্যলৈ ৰূপান্তৰিত কৰে। ফেন্সীয়ে তথ্যক তথ্যৰূপেহে দাঙি ধৰে। তাত যে ৰূপান্তৰ ঘটিবই লাগিব সি ধৰা বন্ধা কথা নহয়। যিবোৰ ঠাইত Fancy ৰ পৰশত ৰূপান্তৰ ঘটে সি হয় সামান্য সীমিত আৰু ক্ষণস্থায়ী। কলৰিজে কল্পনাৰ দুটা ভাগ কৰিছে— প্রধান আৰু অপ্রধান (Primary and Secondary)। প্রধান কল্পনা

---

১০। The f y is i d d no other tha a mode of memory emancipated from the order of time and space—B ographia Literaria Chapter XIII

সকলো ধৰণৰ প্ৰত্যক্ষ অভিজ্ঞতা আৰু উপলব্ধিৰ মূল। অপ্ৰধান কল্পনা ইয়াৰে যেন এক প্ৰতিধ্বনি মাথোন পাৰ্থক্য আছে ইয়াৰ কৰ্ম পদ্ধতিত। কল্পনা হ'ল সৃষ্টিধৰ্মী নীতি। Fancy এক সংযোগাত্মক শক্তি ইয়াৰ নতুন সৃষ্টিক্ষমতা নাই। ই স্থান-কালৰ বন্ধনৰ পৰা মুক্তি লাভ কৰা এক প্ৰকাৰ স্মৃতিশক্তিৰ বাহিৰে একো নহয়।

কাণ্টৰ মতে কল্পনা তিনি প্ৰকাৰ সৃজনাত্মক পুনৰ্গঠনাত্মক আৰু সৌন্দৰ্য তাত্ত্বিক। ইয়াৰে পুনৰ্গঠনাত্মক কল্পনা হ'ল কলৰিজে কোৱা ফেন্সীৰ সমপৰ্যায়ৰ।

কবিতা নিৰ্মাণৰ ক্ষেত্ৰত কল্পনাৰ একপ্ৰকাৰ অপৰিহাৰ্য ভূমিকা আছে। কবিৰ অভিজ্ঞতাত থূপ খোৱা বিচিত্ৰ অভিজ্ঞতাখিনিক ঐক্যসূত্ৰৰে বান্ধিবৰ বাবেই কল্পনাৰ আবশ্যক। ফেন্সীৰ মাজত ঐক্যৰ সামগ্ৰিকতা কম। গতিকে ফেন্সীৰ প্ৰাধান্য থকা কবিতাতকৈ কল্পনাৰ প্ৰাধান্য থকা কবিতা সাধাৰণতে ওপৰ খাপৰ হয়। প্ৰতিভাস পন্ন কবিয়ে কল্পনাৰ ব্যৱহাৰ বেছিকৈ কৰে কিন্তু দক্ষতাসম্পন্ন কবিৰ হাতত ফেন্সীৰ প্ৰয়োগ বেছি।

শ্যেলীয়ে কবিতাক কল্পনাৰ প্ৰকাশ বুলি মত প্ৰকাশ কৰিছে। তেওঁৰ মতে ভিতৰি ভিতৰি সকলো মানুহেই কবি। তাতোকৈও বেছিকৈ আগবাঢ়ি তেওঁ কৈছে যে সকলো লেখক আচলতে কবিহে। কাৰণ লেখকৰ ভাষা হ'ল সুন্দৰ আৰু সুন্দৰৰ লগত সত্যৰ মিশ্ৰণেই হ'ল কবিতা। শ্যেলীয়ে কবিতাৰ ভাববস্তুৰ ভিতৰত সকলো সুন্দৰতাৰ সমাহাৰ দেখা পাইছে। ধৰ্ম আৰু দৰ্শনৰো কিছুমান প্ৰকৃতি তেওঁৰ মতে কবিতাত থাকিব পাৰে। কিন্তু ভাল কবিতাই নিজৰ মহত্ত্ব কেতিয়াও নেহেৰুৱায়। শ্যেলীৰ ধাৰণাত কবিতা এক অপাৰ্থিব জগতৰ সম্পদ। ই প্ৰেৰণাৰ দ্বাৰা কবি হৃদয়ত জাগি উঠে। গতিকে কবিতা হ'ল কল্পনাৰ ছায়ামূৰ্তি। কবিতা শ্যেলীৰ মতে কলা নহয়।

শ্যেলীৰ চিন্তাধাৰাত যুক্তিতকৈ আবেগৰ প্ৰতিফলন বেছি। গতিকে পিছৰ কালৰ সমালোচকে তেওঁৰ কথা বিনাদ্বিধাই মানি লোৱা নাই। তেওঁলোকৰ মতে কবিতা সৰগৰ বস্তু হলেও মাটিৰ স্পৰ্শ নোহোৱাকৈ ই থাকিব নোৱাৰে। কবিতা এবিধ কলা। কলাকাৰে কল্পনাৰ প্ৰকৃত সৌন্দৰ্য চিনি পায় আৰু ইন্দ্ৰিয়গ্ৰাহ্য মাধ্যমেৰে এই সৌন্দৰ্যক তেওঁ প্ৰকাশ কৰে।

জন ৰাস্কিনে কোৱা মতে কল্পনাৰ তিনিটা কাম আছে—অন্তঃপ্ৰৱেশ (penetration) সাহচৰ্য (association) আৰু চিন্তা (con templation)। ফেন্সী আৰু কল্পনাৰ তুলনাত তেওঁ কৈছে যে "ফেন্সীয়ে কেৰ্কেটুৱাৰ দৰে বৰ্তুলাকাৰ কাৰাগাৰৰ মাজত ঘূৰি ফুৰি সুখ পায় কিন্তু কল্পনা হ'ল পৃথিৱীৰ তীৰ্থযাত্ৰী ইয়াৰ ঘৰ স্বৰ্গত।"[২১]

এইদৰে দেখা যায় যে কল্পনাক নানা জনে নানা দিশৰ পৰা বিচাৰ কৰি তাৰ বহুৰূপৰ মূল্যায়ন কৰিছে। কল্পনাই কবিৰ মনৰ বিশেষ চিন্তাধাৰাক বিমূৰ্তৰ পৰা মূৰ্ত ৰূপ দি পাঠকৰ মানসগোচৰ কৰে। ফলত কবিৰ অনুভূতিৰ সূক্ষ্ম এটি ৰূপান্তৰ ঘটে। এই ৰূপান্তৰে যি কোনো প্ৰকাৰে সৌন্দৰ্যৰ সৃষ্টি কৰে বুলি ভাবিব পাৰি। কাৰণ অসুন্দৰৰ মাজতো সৌন্দৰ্যৰ সৃষ্টি কৰাতেই কবিতাৰ মহত্ত্ব। ভাববস্তু হয়তো একেবাৰে কঠিন ঠৰঙা এটি শিলগুটিত কবিয়ে বিচাৰি পোৱা প্ৰিয়াৰ নিৰ্মমতাৰ সাদৃশ্য। কল্পনাই যেতিয়া ৰহণ সানি সেই নিৰ্মমতাৰ মাজত প্ৰিয়াৰ অভিমান বিচাৰি উলিয়ালে তাত ফুটি উঠিল এক প্ৰকাৰ সৌন্দৰ্য। অথবা সেই একেটা শিলগুটিয়েই যেতিয়া দিনৰ পিছত দিন অনাহাৰে থাকি আমঠু শুকাই যোৱা কোনো মগনীয়াৰ কলিজাটোৰ ৰূপ ললে তেতিয়া সমবেদনা সহানুভূতি আৰু আত্মচেতনা জগাই তোলাৰ বাবে তাতো সৃষ্টি হ'ল অন্য এক প্ৰকাৰ সৌন্দৰ্য। কবিতাৰ সৌন্দৰ্যই কেৱল সুন্দৰকে নুবুজায় অসুন্দৰকো বুজায়। উপলব্ধিৰ গভীৰতা আৰু আবেদনৰ তীক্ষ্ণতাৰ দ্বাৰাই ই নিৰ্ণিত হয়।

## ১৮ ছন্দ লয় ইত্যাদি

কবিতাৰ পৰিচয়সূচক উপাদান সমূহৰ ভিতৰত ছন্দই বোধকৰো সৰ্বপ্ৰধান। কবিতাৰ ভাষা গদ্যৰ ভাষাৰ দৰে নহয়। অৰ্থাৎ কব পাৰি, কবিতাৰ ভাষা আৰু গদ্যৰ ভাষাৰ মাজত যি গভীৰ পাৰ্থক্য আছে সেয়াই হ'ল ইহঁতৰো পাৰ্থক্যৰ মাপকাঠি। অৱশ্যে এনে কবি মনৰো ব্যক্তি আছে যি সকলে গদ্যৰ মাজতে কবিতা বিচাৰি পায় আৰু কয় যে গদ্য

২১। Fancy plays like a squrrel in its circular prison and is happy but imagination is a pilgrim on the earth and her home is in heaven

আৰু পদ্য মূলতে একেই। শ্যেলীৰ মতে গদ্য আৰু পদ্যৰ ভিতৰত পাৰ্থক্য অনা অনুচিত। লিৰিকেল বেলাড গ্ৰন্থৰ পাতনিত ৱৰ্ডছৱৰ্থেও কৈছে যে গদ্য আৰু পদ্যৰ ভাষাৰ মাজত কোনো প্ৰভেদ থাকিব নোৱাৰে। শ্যেলীৰ মতে ভ্ৰমৰ বাবেহে কবি আৰু গদ্য লেখকৰ মাজত প্ৰভেদৰ কল্পনা কৰা হয়।[২২] কিন্তু এই বোৰ মন্তব্যৰ যুক্তি সৰ্বসম্মত নহয়। সৰ্বসাধাৰণ পাঠকে কবিতাৰ ভাষা গদ্যৰ ভাষাতকৈ বেলেগ বুলি অন্তৰেৰে বিশ্বাস কৰে।

কবিতাৰ ভাষাক গদ্যৰ ভাষাতকৈ বেলেগ কৰি তোলাত ছন্দৰ অবদান যথেষ্ট আছে বুলি কব পাৰি। অৱশ্যে ছন্দই যে কবিতাৰ ভাষাৰ একমাত্ৰ বিশেষত্ব সেই কথাও নহয়। ছন্দ নানানটা উপাদানৰ মাজত এটি উপাদানহে। হেগেলে যদিও কৈছে যে ছন্দই কবিতাৰ অপৰিহাৰ্য অংগ[২৩] কথাষাৰত তৰ্কৰ অৱকাশ আছে। সকলো কবিতাতে ধৰাবন্ধা ছন্দ নাথাকিবও পাৰে। অথবা এইদৰেও কব পাৰি যে ছন্দ নোহোৱাকৈও কবিতা ৰচিত হব পাৰে। কিন্তু তেতিয়া তাত থাকিব লাগিব লয় নামৰ এবিধ অনন্য সুষমা।

ছন্দই বিৰাজ কৰে শব্দৰ আধাৰত। এই শব্দৰ সুনিয়ন্ত্ৰিত বিন্যাসেই গদ্য বুলি আৰু যথোপযুক্ত শব্দৰ অপৰিহাৰ্য বিন্যাসেই কবিতা বুলি কলৰিজে কৈ গৈছে।[২৪] বোধকৰো ইয়াৰ মাজতে বিচাৰিলে পোৱা যাব ছন্দৰ মূল বীজটো। অনুভূতিৰ বাহন যি শব্দ সি কবিৰ অনুভূতিৰ উঠা নামাৰ লগে লগে লয়লাসেৰে খোজ পেলায়। সেই খোজ গদ্যত দিয়া খোজতকৈ আলফুল আৰু জুখি জুখি দিয়া বিধৰ। এনেক্ষেত্ৰত শব্দৰ অপৰিহাৰ্য বিন্যাসে ছন্দৰ বান্ধোন এটা মানি লয়। কবিতাৰ ভাষা আৰু কবিৰ হৃদয়ৰ বাতৰি শ্ৰোতাৰ বুকুলৈ আনিবৰ বাবে ছন্দ হল প্ৰধান পথ। এই পথেৰে শ্ৰৱণ তৃপ্ত কৰি কবিৰ বক্তব্যই পাঠকৰ হৃদয়ো আলোড়িত কৰে।

ছন্দৰ দুটা উপাদান ছন্দস্পন্দ আৰু ছন্দবন্ধ। এই দুবিধে

---

২২। Th th r o ca b o ly s t al diff ence between the la g g of p os d m t al compo ti
The d st n ti n betw p et a d pro e w tens is a vulgar error.

২৩। M t i th fi t d ly d ti d m ded of poet y

২৪। Pros i words in their best order poetry is the best words in the best order

মিলি নাইবা অকলেই কবিতাক মোহনীয় কৰি তোলে। ধ্রুপদী কবিতাৰ ক্ষেত্রত ছন্দ আছিল এৰাব নোৱৰা উপাদান। অন্ত্যমিল যুক্ত অক্ষৰ সজ্জাৰে নানা ৰং ৰহণৰ ছন্দৰ ধ্রুপদী কবিতা ৰচিত হৈছিল। ৰমন্যাসিক সাহিত্যৰ যুগতো নতুন নতুন ৰূপত ছন্দৰ আত্মপ্রকাশ ঘটিল। আৰু এতিয়াৰ কবিতাত ছন্দ নোহোৱাকৈ কবিতা লিখিবলৈ পাৰি নে নোৱাৰি তাৰে যেন পৰীক্ষা চলিছে।

একোটা ছন্দ ফুটাই তোলাত শব্দৰ বিশিষ্ট ভূমিকা আছে। একোটা শব্দৰো একোটা স্বতন্ত্র সত্তা আছে। সিহঁতে বহন কৰে সিহঁতৰ জন্মগত মূল্য পৰম্পৰাগত ব্যৱহাৰিক প্রমূল্য ব্যক্তিগত আৱেগিক আৰু আনুভূতিক সংযোগসমূহ। ২৫ উৰ্বৰা ভূমিৰ দৰে কবিতাৰ ক্ষেত্র শব্দই যেন কৰ্ষণ কৰে। এই কৰ্ষণৰ গতিতে উদ্ভৱ হয় ছন্দৰ। ছন্দই কবিৰ মনোভাৱ যিমান সুস্পষ্টৰূপে ফুটাই তুলিব পাৰে ছন্দহীন সিমানখিনি নোৱাৰে। আধুনিক কবিতাৰ এতিয়াৰ ৰূপত কেতিয়াবা ছন্দখিনি বিচাৰি পোৱা নাযায়। উকা চকুত কবিতাটো কিছুমান গদ্য বাক্যৰ সমষ্টি যেন লাগে। কিন্তু তাকে যেতিয়া নিৰ্দিষ্ট সুৰত পাঠ কৰা যায়, তেতিয়া শ্রুতিয়ে অনুভৱ কৰে কুৰবাত লুকাই থকা ছন্দৰ এটি স্পন্দন। সেয়ে হৈছে ছন্দস্পন্দ। আচলতে এইটোহে হৈছে কবিতাৰ প্রাণ।

আচৰিত যেন লাগিলেও সঁচা যে ছন্দস্পন্দনই কেতিয়াবা গদ্যৰ মাজতো প্রাণ পায। লেখকে যেতিযা যুক্তি আৰু ব্যৱহাৰিক দিশৰ কোনো কথা ৰচনাত প্রকাশ কৰে তেতিযা তাত ছন্দস্পন্দ নাথাকিবও পাৰে। কিন্তু তেওঁৰ বক্তব্যই যদি অনুভূতিৰ গভীৰতালৈ গতি কৰে আৰু লেখক যদি আবেগপ্রৱণ হৈ পৰে তেতিয়া সেই ৰচনাত ছন্দৰ কম্পনি এটা আপোনাআপুনি অনুভৱ কৰা যায়। বহুতো উপন্যাস গল্প বা আত্মজীৱনীমূলক গদ্য ৰচনাত এই লক্ষণ দেখা যায়। ছন্দৰ এই অস্পষ্ট কম্পনিৰ ফলত সেইবোৰ সাহিত্যকৰ্ম পাঠকৰ মনৰ ভিতৰলৈ বোঁছকৈ সোমাই আহে। এই কথা সত্য যে ছন্দই প্রথমে স্পৰ্শ কৰে পাঠকৰ শ্রৱণ তাৰ পিছতহে হৃদয়। লগতে এই কথাও সঁচা যে লেখকৰ বহুতো তত্ত্বগধুৰ বক্তব্যই যেতিয়া বৌদ্ধিক স্তৰত প্রৱেশ কৰে, তেতিয়া অনুভূতিৰ জগতত খেলা কৰে কেৱল ছন্দৰ স্পন্দনেহে।

---

২৫। Poetry A Modern G ide to its understanding and enjoyment, P 69
Literature and Criticism P 29

ছন্দৰ সম্পৰ্কে সুন্দৰকৈ কৈছে ছান্দসিক মহেন্দ্ৰ বৰাই "ধ্বনিৰ ঐক্যৰ ওপৰত নিৰ্ভৰশীল বৈচিত্ৰ্যৰ সমাৱেশেই ছন্দ। কোনো ঐক্যসূত্ৰৰ অবিহনে ছন্দ সম্ভৱপৰ নহয়। কিন্তু কেৱল ঐক্যসূত্ৰ থকাটোৱেই ছন্দৰ পক্ষে যথেষ্ট নহয়। বৈচিত্ৰ্যহীন ধ্বনিৰ পৰ্যাবৃত্ত একেসুৰীয়া আৰু নিষ্প্ৰাণ হবলৈ বাধ্য। তাৰে পদ্য লিখিব পাৰি কবিতা লিখিব নোৱাৰি। ছন্দৰ যি বিচিত্ৰ ব্যঞ্জনাশক্তি প্ৰাণৰ ৰসক ৰূপায়িত কৰাৰ যি ক্ষমতা চেতনাৰ শিখৰ লোকৰ অনিৰ্বচনীয় বাণীক কাণৰ ভিতৰেদি মৰম পৰশাবৰ যি সামৰ্থ্য—সি নিৰ্ভৰ কৰে বৈচিত্ৰ্যৰ সুসহত সমাৱেশৰ ওপৰত। ঐক্য ছন্দৰ তাল বৈচিত্ৰ্য ছন্দৰ সুৰ। [২৬] গতিকে দেখা যায় যে কবিতাৰ বাবে ছন্দ হ'ল সবাতোকৈ মূল্যবান সম্পদ। কিছুমান কবিতা আমাৰ কাণত অহৰহ বাজি থাকে তাৰ ছন্দ শৈলীৰ অবিস্মৰণীয় ৰূপটোৰ বাবেই। উদাহৰণ স্বৰূপে বিনন্দ চন্দ্ৰ বৰুৱাৰ গড়গাওঁ কবিতাটোলৈ নাইবা দেবকান্ত বৰুৱাৰ সাগৰ দেখিছা কবিতাটোলৈ আঙুলিয়াব পাৰি। এইবোৰ কবিতাত ভাবৰ লগত ছন্দ খাপ খাই পৰিছে। কবিৰ বক্তব্য গাঢ় হৈ উঠিছে কুশল ছন্দ বিন্যাসৰ প্ৰভাবত।

কবিৰ কিছুমান বিশেষ অনুভৱ যেনে খং ঘৃণা বিষাদ আদি প্ৰকাশৰ বাবে ছন্দৰ প্ৰয়োজন প্ৰায় অপৰিহাৰ্য বুলিযেই কব পাৰি। প্ৰাচীন অসমীয়া কবিতাত ক্ৰোধৰ অংশত ঝুমুৰি বিষাদৰ অংশত পয়াৰ প্ৰায় ধৰা-বন্ধা ছন্দ সজ্জা আছিল। পিছৰ কালৰ কবিতাতো কিছুমান নাটকীয় উক্তিৰ বাবে অমিতাক্ষৰ ছন্দ জনপ্ৰিয় হৈ উঠিছিল। নতুন কবি সকলে ছন্দৰ ক্ষেত্ৰত কৰা অবিৰাম পৰীক্ষা নীৰিক্ষাৰ বাবে এসময়ত জনপ্ৰিয় হৈ উঠিছিল মুক্তক ছন্দ।

অসমীয়া কবিতাৰ জগতত লোকগীতৰ এটি সুকীয়া প্ৰভাৱ কবি সকলে এৰাব পৰা নাছিল তেওঁলোকৰ ছন্দসজ্জাৰ মাজত। তাৰপিছত ক্ৰমে ক্ৰমে আহি পৰিল ইংৰাজী ছন্দৰ প্ৰভাৱ। তদুপৰি কিছু পৰিমাণে সংস্কৃত আৰু ফাৰ্চী ছন্দৰ প্ৰতি সকলে দিয়া মনোযোগৰ ফলত এক মিশ্ৰ ছন্দ সজ্জাৰো উদ্ভৱ হৈছিল। ছনেটৰ দৰে দৃঢ় ৰীতিৰে আৱদ্ধ ছন্দসজ্জা কিছুকাল ব্যৱহাৰ কৰাৰ পিছত অসমীয়া কবিয়ে বিচাৰি লৈছিল অমিতাক্ষৰৰ দৰে ছেদ আৰু যতিৰ মিল নথকা ছন্দ। কিন্তু সেয়াও কালক্ৰমত হেৰাই গ'ল। সংগীতময় বাণীৰে

২৬। সাহিত্য উপক্ৰমণিকা পৃঃ ১

কবি সকলে ৰচনা কৰিলে অসমমাত্ৰিক ছন্দৰ বহু কবিতা শ্ৰৱণ-মাধুৰ্য যিবোৰৰ অন্যতম সম্পদ।

সাম্প্ৰতিক কালৰ কবিতাই ছন্দৰ কোনো বান্ধোনকেই মানি লবলৈ নিবিচাৰে। নতুন কবিতাৰ আদি কালছোবাত যেতিয়া সম্পূৰ্ণ নতুন ধৰণৰ ভাবধাৰাই কবিতা জগতত আলোড়ন তুলিছিল সেই সময়তে অসমীয়া কবিয়েও হাতত লয় স্পন্দিত গদ্যৰ অনুৰূপ এক গদ্য ছন্দ। এই ছন্দত ৰচিত কবিতাবোৰ প্ৰথম দৃষ্টিত উকা বাক্যৰ সমষ্টি যদিও ছন্দৰ এক স্পন্দন ইযাত নোহোৱা নহয়। অৱশ্যে কাব্যিক সুষমা ভালপোবা পাঠকৰ মনত এইবোৰ কঠুৱা ছন্দই বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল। ফলত গদ্যগন্ধী ছন্দৰ লগত ললিত-লাৱণ্যৰ মিশ্ৰণত নতুন কবি সকলে কবিতাক দিলে এক নতুন ৰূপ।

যি কোনো ৰূপতেই হওক ছন্দস্পন্দই কবিতাক এৰিব নোখোজে। যি কবিতাৰ ভাষা গম্ভীৰ হলেও লয়লাসযুক্ত ধ্বনি গুচ্ছৰ স্পন্দনে পাঠকৰ কাণত গুঞ্জৰণ তোলে যি কবিতা হৃদয়ত খাজ কাটি ৰৈ যায় কেৱল তাৰ শ্ৰুতি মধুৰতাৰ বাবেই—সেই কবিতাত ছন্দৰ সংগোপন চৰণধ্বনি নিশ্চয় থাকিব। কবিতাই সেযেহে তাৰ আঙ্গিক বহুবাৰ সলাইছে যদিও ছন্দক এতিয়াও সম্পূৰ্ণ ত্যাগ কৰিব পৰা নাই।

## ১ ৯ প্ৰতীক আৰু চিত্ৰকল্প

নতুন কবিতাত প্ৰতীক আৰু চিত্ৰকল্প গুৰুত্বপূৰ্ণ আসনত প্ৰতিষ্ঠিত। এই দুবিধ উপাদানৰ সুপ্ৰয়োগে কবিতাৰ আকৰ্ষণ বঢ়াই ধৰে আৰু কবিৰ মনৰ ভাব অনুভূতিৰ গতিপথৰ নিৰ্দেশ কৰে। বহুল অৰ্থত প্ৰতীকে বহন কৰে কোনো বক্তব্যৰ অন্তৰালত থকা অতিৰিক্ত এটি ধাৰণা। কোনো কবিতাত থকা কিছুমান প্ৰতীকি শব্দই পাঠকৰ মনলৈ কঢ়িয়াই আনে কবিয়ে নোকোৱা কিছুমান অনুভূতি অথবা বিষয়ৰ কথা। প্ৰতীকবাদে ঘোষণা কৰে যে বিশ্বজগত যিহেতু ৰহস্যময় তাৰ উপলব্ধিও সেযে অসম্পূৰ্ণ আৰু ব্যঞ্জনাৰ দ্বাৰাহে তাক প্ৰকাশ কৰিব পাৰি। প্ৰতীকবাদৰ প্ৰভাৱে স্বতঃস্ফূৰ্ততাতকৈ বৈদগ্ধক বেছি গুৰুত্ব দিছিল। আজিৰ নতুন কবিসকল প্ৰতীকবাদৰ প্ৰত্যক্ষ প্ৰভাৱৰ লগত জড়িত নহয় যদিও কবিতাত প্ৰতীকি শব্দৰ প্ৰভাৱ কম-বেছি পৰিমাণে কোনো

কবিয়েই এৰাব পৰা নাই। এই শব্দসমূহ ভাবি চিন্তি গঢ়ি লোৱা হয়। গতিকে ই কবি আৰু পাঠক দুয়োপক্ষৰে বিদগ্ধতা আৰু বিচক্ষণতা দাবী কৰে।

কবিতাৰ অন্যতম এটি মনোৰম অংগ হ'ল চিত্ৰকল্প। কবিতাত চিত্ৰকল্প হ'ল মনৰ চকুৰে দেখা এবিধ ছবি। এই ছবিত অনুভৱৰ ৰহণ আৰু শব্দৰ তুলিকাই কোনো এটি ভাব বা বিষয় ফুটাই তোলে। কেতিয়াবা কবিতাত একোটি বা দুটি চিত্ৰকল্প থাকে কেতিয়াবা আকৌ একাধিক চিত্ৰকল্পৰ খণ্ড সংযোজিত হৈ এটি কবিতাৰ দেহ নিৰ্মাণ কৰে।

চিত্ৰকল্পৰ কেইবাটাও প্ৰকাৰ পোৱা যায়। দৰ্পণ চিত্ৰকল্প (mirror image) হ'ল দৰ্শনেন্দ্ৰিয়ৰ বিষয়। চকুৰে দেখি যি বুজা যায় সেই কাৰ্য অথবা ঘটনাৰ উপলব্ধিয়েই ফুটি উঠে এনে চিত্ৰকল্পত। পৰৱৰ্তী চিত্ৰকল্প (after image) হ'ল সেই ছবি যাক অনুভৱৰ দ্বাৰা বুজাব পাৰি। অন্ধ ব্যক্তিৰ মূৰৰ টুপী খুলি নিলেও তেওঁ ভাবে যে সেইটো মূৰতে আছে। সেইদৰে শেষ হৈ যোৱা উপলব্ধিৰ ৰেশ যুক্ত হৈ যায় সেয়ে হ'ল পৰৱৰ্তী চিত্ৰকল্প। স্মৃতি চিত্ৰকল্প (memory image) হ'ল পাৰ হৈ যোৱা অনুভৱৰ ভিত্তিতে অঁকা ছবি। ই যুক্তি আৰু প্ৰত্যক্ষ বস্তুৰ লগত যুক্ত। কিন্তু কল্পনা চিত্ৰকল্প (imagination image)ত প্ৰত্যক্ষ বস্তুৰ সংযোগ নাথাকিবও পাৰে। কবিয়ে সাধনাৰ দ্বাৰা শক্তিশালী শব্দৰ সৃষ্টি কৰি ইচ্ছাকৃত কল্পনাৰ ভিত্তিতো কেতিয়াবা ছবি আঁকে। স্বপ্ন চিত্ৰকল্প (dream image)ৰ মাজত এক ধূসৰ অনুভূতি বিৰাজমান। মায়া চিত্ৰকল্প (hallucination image) হ'ল একপ্ৰকাৰ বিভ্ৰান্তিৰ চিত্ৰকল্প। ভূত দেখিলে অথবা সুৰাপান কৰিলে ভয় আৰু মত্ততাই কিছুমান ছবিৰ সৃষ্টি কৰে। ই হ'ল একান্তভাবে ব্যক্তিগত অনুভূতিৰ ছবি। এই আটাইবোৰ চিত্ৰকল্প হ'ল ঘাইকৈ দৰ্শনৰ বস্তু। যেতিয়া সাহিত্যত সোমাই পৰে তেতিয়া ইহঁতৰ প্ৰকৃতিৰ কিছু পৰিৱৰ্তন ঘটিবও পাৰে।

কবিতাত চিত্ৰকল্পই কবিৰ অনুভূতি আৰু ইচ্ছাৰ নিবিড় সংযোগ ঘটায়। নিৰ্বাচিত শব্দৰ সহায়ত কবিয়ে তেওঁৰ অভিজ্ঞতাৰ ভিত্তিত যি ছবি আঁকে সি পাঠকক বহুতো নোকোৱা কথা স্পষ্টভাবে বুজাই দিয়ে। যদি ঘটনাক্ৰমে পাঠকৰ বুকুত থকা অনুভৱৰ অংকুৰিত নোহোৱা বীজ

সেই চিত্ৰকল্পত পোখা মেলি উঠা দেখা যায় তেনে সেই চিত্ৰকল্প বিশেষ পাঠকৰ বাবে অতিশয আদৰণীয হ ব। চিত্ৰকল্পৰ মাজত চিন্তা অৰ্থ আৰ উপলব্ধিৰ নিবিড় প্ৰকাশে কেনো কথা প্ৰকাশ কৰাৰ বাহিৰেও এক সামগ্ৰিক ৰহস্যমযতাৰ সষ্টি কৰে। এই ৰহস্যময়তাতে নিৰ্ভৰ কৰে কবিতাৰ সৌন্দয।

চিত্ৰকল্প পৰিস্ফটনৰ লগত উপমাৰ সম্বন্ধ আছে। উপমাৰ দ্বাৰা সাদশ্য আৰোপিত কৰি কিছমান চিত্ৰ ফুটাই তোলা হয়। গতিকে কবি সকলে কবিতাত প্ৰচুৰ পৰিমাণে উপমা প্ৰয়োগ কৰে। এনেকৈ কোৱা সমালোচকো আছে যে চিত্ৰকল্প উপমাৰেই নামান্তৰ। কিন্তু প্ৰকৃততে চিত্ৰকল্প উপমাতকৈ বেছি মূল্যবান আৰু সম্ভাৱনাপূৰ্ণ। চিত্ৰকল্পৰ মাজত উপমা আৰু ৰূপক লীন হৈ থাকিব পাৰে কিন্তু মূঠ বিচাৰত চিত্ৰকল্প বেছি ব্যাপক আৰু প্ৰভাৱশালী। কল্পনাৰ অনাবিল সহযোগে সাহিত্যৰ চিত্ৰকল্পক ৰমণীয় আৰু হৃদযপৰশা কৰি তুলিব পাৰে। কাব্যিক প্ৰকৃতিৰ আধাৰত তিনিবিধ চিত্ৰকল্পৰ আলোচনা কৰিব পাৰি মানসিক চিত্ৰকল্প অলংকাৰধৰ্মী চিত্ৰকল্প আৰু চিত্ৰকল্পৰ শৈলী (pattern) এই চিত্ৰকল্পবোৰক পঞ্চেন্দ্ৰিযৰ বিভিন্ন বিভাগত বিন্যস্ত কৰিব পৰা যায দৰ্শন শ্ৰৱণ ঘ্ৰাণ স্বাদ, স্পৰ্শ জৈৱ (যেনে হৃদস্পন্দনৰ সচেতনতা শ্বাসকষ্ট) কাইনেস্থেটিক (পেশীৰ টেনচন আৰ গতি)। কাব্য বা সাহিত্যৰ ক্ষেত্ৰত এইবোৰ কেতিয়াবা বিচ্ছিন্নভাবে থাকে কেতিযাবা একেলগে থাকে কেতিযাবা পৰস্পৰ মিলি পৰে এটি ইন্দ্ৰিয়ই কেতিয়াবা অন্য এটি ইন্দ্ৰিয়ৰ স্থান গ্ৰহণ কৰে ৰূপান্তৰিত হয় যাৰ ফলত চিনেস্থেচিয়া ঘটে যেনে বেদনাৰ গন্ধ।[২৭]

যেতিয়া একেখিনি অনভূতি প্ৰকাশৰ বাবে বিভিন্ন চিত্ৰকল্প প্ৰয়োগ কৰা হয় তাক বোলা হয পূঞ্জিত চিত্ৰকল্প (Image cluster)। কেতিযাবা একাধিক চিত্ৰকল্পৰ বান্ধোনত একেটি ভাৱনা ক্ৰমে ক্ৰমে আগুৱাই যায় তাক বোলা হয শংখল চিত্ৰকল্প (chain imagery)।

দি পযেটিক পেটাৰ্ন নামৰ গ্ৰন্থত ৰবিন স্কেলটনে চিত্ৰকল্পৰ বহুপ্ৰকাৰৰ বিভাজন কৰিছে, সেইবোৰ এনেধৰণৰ—

১। সাধাৰণ চিত্ৰকল্প : একেটি মাথোন শব্দ বি ইন্দ্ৰিয়গ্ৰাহ্য

২৭। কবিতা চিন্তিত ছায়া পৃঃ ৩৮

ধাৰণাৰ আইডিয়াক জগাই তোলে। যেনে ঠাণ্ডা উজ্জ্বল টান হাত খৰ ইত্যাদি।

২। বিমূৰ্ত চিত্ৰকল্প ঃ এটা শব্দ যি ইন্দ্ৰিয়গ্ৰাহ্য ধাৰণাৰ কোনো আইডিয়া নজগায় যেনে সত্য ন্যায় জ্ঞানী।

৩। অব্যৱহিত চিত্ৰকল্প যি চিত্ৰকল্প মূলত স্পৰ্শ ধ্বনি দৃশ্য গন্ধ আৰু স্বাদৰ আইডিয়া যোগোৱাত ব্যস্ত যেনে হালধীয়া উচ্চকিত এচিড।

৪। বিস্তৃত চিত্ৰকল্প যি চিত্ৰকল্প বিশেষ এটি ইন্দ্ৰিয় চেতনাতে সীমাবদ্ধ নহয়। যেনে—বিদায় উৎসাহ ক্লান্তি।

৫। মিলিত চিত্ৰকল্প শব্দসমূহৰ সমাৱেশে প্ৰকৃত চিত্ৰকল্প ধৰি ৰাখে। যেনে ৰঙা বিপ্লৱ।

৬। জটিল চিত্ৰকল্প শব্দসমূহৰ সমাৱেশে এটি প্ৰকৃত চিত্ৰকল্পতকৈও বেছি অসংখ্য চিত্ৰকল্প ধৰি ৰাখে। যেনে সোনালি ডেফোডিল তিক্ত অম্ল।

৭। সম্মিলিত বিমূৰ্ত চিত্ৰকল্প ঃ শব্দসমূহৰ সমাৱেশে এটি বিমূৰ্ত চিত্ৰকল্প ধৰি ৰাখে কোনো প্ৰকৃত চিত্ৰকল্প নহয়। যেনে মহান সত্য প্ৰকৃত দয়া।

৮। জটিল বিমূৰ্ত চিত্ৰকল্প শব্দসমূহৰ সমাৱেশে যত এটাতকৈ বেছি বিমূৰ্ত চিত্ৰকল্প ধৰি ৰাখে। যেনে বিশ্বস্ত বদান্যতা আন্তৰিক প্ৰেম।

৯। বিমূত সম্মিলিত আৰু বিমূৰ্ত জটিল চিত্ৰকল্প ইয়াত চিত্ৰকল্পতকৈও বিমূৰ্ততাহে বিশেষভাবে ব্যঞ্জিত হয়। যেনে সোনালি বিশুদ্ধতা ঠাণ্ডা পবিত্ৰ।[২৮]

চিত্ৰকল্পৰ ঘাই কামকেইটা হ'ল সংকেত উপমা আৰু উৎপ্ৰেক্ষা। ইয়াৰ ভিতৰত সংকেতৰ গুৰুত্ব অলপ বেছি। চিত্ৰকল্পই যি সংকেত দিয়ে সি স্বচ্ছ আৰু নিটোল নহয় আশেপাশে আৰু নানা উপাদান ইয়াৰ লগত সাঙোৰ খাই থাকে। কবি আৰু পাঠকৰ উমৈহতীয়া মনত সাঁচ বহুৱাটোৱেই সংকেতৰ কাম। সংকেতে যেতিয়া বুদ্ধিৰ সীমা পাৰ হৈ কবিৰ মনৰ বিভিন্ন স্তৰ অতিক্ৰম কৰি আত্মোপলব্ধিত উপস্থিত হয়গৈ তেতিয়াই ই সাৰ্থক চিত্ৰকল্পৰ সৃষ্টি কৰে। আধুনিক কবিতাই

২৮। উদ্ধৃত কবিতা চিত্ৰিত ছায়া ৩৮

চিত্ৰকল্পৰ বহুল প্ৰযোগৰ ফলত একপ্ৰকাৰ জটিলতা লাভ কৰিছে। যিহেতু চিত্ৰকল্প বুদ্ধিৰ দ্বাৰাহে উপলব্ধি কৰা যায় গতিকে সৰ্বসাধাৰণৰ বাবে ই সহজবোধ্য নহয়। তথাপিও চিত্ৰকল্পৰ প্ৰয়োগে কবিতাত যি ৰমণীযতা প্ৰদান কৰে সি সদায়েই আদৰণীয়। কবিৰ বাবে চিত্ৰকল্প সৃষ্টি কৰা এক জটিল কাম। তেওঁৰ মনৰ সূক্ষ্ম অনুভৱক ছবিৰ দৰে ফুটাই তুলিবলৈ যাওঁতে অভিজ্ঞতা কল্পনা উপলব্ধিৰ লগতে সৃষ্টিশীল প্ৰতিভাও থকা প্ৰয়োজন। একোটি ভাল চিত্ৰকল্পৰ আঁৰত একোজন কবিৰ সাধনা থাকে। সেয়েহে পাউণ্ডে কৈছিল: It is better to present one Image in a life time than to produce voluminous work কবিতাৰ জগতত সুন্দৰ চিত্ৰকল্প সৃষ্টিৰ বাবে এজৰা পাউণ্ড আৰু ইলিয়ট দুয়োজনই সুখ্যাত। ইলিযটৰ প্ৰসিদ্ধ ৰচনা—

> Shall I say I have gone at dusk through
> narrow streets
> And watched the smoke that rises from
> the pipes
> of lonely men in shirt sleaves leaning
> out of windows ?

ইয়াত শহৰৰ আধুনিক মানুহৰ নিসংগতাৰ ছবি ফুটি উঠিছে। অপাৰেছন টেবুলত ইয়াৰ প্ৰযোগৰ দ্বাৰা অচেতন কৰি থোৱা ৰোগীৰ চিত্ৰকল্পৰে তেওঁ ফুটাই তোলে চহৰৰ পাণ্ডুৰ গধূলিৰ ছবি অথবা দিনটোক তুলনা কৰে জ্বলি শেষ হৈ অহা চিগাৰেটৰ লগত। ভাৰতীয় কবি জীবনানন্দৰ হাততো অজস্ৰ মোহময চিত্ৰকল্পৰ সৃষ্টি হৈছিল সেইবোৰ গভীৰভাবে ইন্দ্ৰিযচেতনাৰ লগত সংপৃক্ত। প্ৰতিটোৰেই ৰূপ ৰস শব্দ গন্ধৰ বৰ্তা বহন কৰে লগতে আনে সুগভীৰ অৰ্থ সংকেত। তাৰে এটি উদাহৰণ—

> অন্ধকাৰ ৰাতে অশ্বথেৰ চূড়ায়
> প্ৰেমিক চিলপুৰুষেৰ শিশিৰ ভেজা
> চোখেৰ মতো
> ঝলমল কৰছিল সমস্ত নক্ষত্ৰেৰা

জ্যোৎস্নাৰাতে বেবিলনেৰ ৰাণীৰ ঘাড়েৰ ওপৰ
চিতাৰ উজ্জ্বল চামড়াৰ
শালেৰ মত জ্বলজ্বল কৰছিল বিশাল আকাশ।

জীবনানন্দৰ কবিতা চিত্ৰধৰ্মিতাৰ বাবেই সুন্দৰ অসমীয়া কবিতাৰ জগতত হেম বৰুৱা নবকান্ত বৰুৱা মহেন্দ্ৰ বৰা নীলমণি ফুকন আদি কবিৰ কবিতাত চিত্ৰকল্পৰ সুপ্ৰয়োগ লক্ষ্য কৰা যায়। সেই বিষয়ে অন্য প্ৰসংগত আলোচনা কৰা হৈছে।[২১] ইয়াত মাথোন উদাহৰণ স্বৰূপে দাঙি ধৰা হ'ল হেম বৰুৱাৰ কবিতাৰ এটুকুৰা ছবি—

আমাৰ চকুত আশাৰ নেজাল তৰা
এই জুলে এই মৰে
বালি মাহীৰ মযূৰ চালিত
ৰুদ্ধ পৰানত সাত সাগৰৰ বান নামে

হাতত তোমাৰ কাচিৰ নাচ
চকুৰে নমনা সোনালী ধান

মৰা পৃথিবীত তেজৰ আৰতি
এটা টুনী আহে দুটা টুনী আহে

এয়া মাথোন আৰম্ভণিহে। হেম বৰুৱাৰ পিছৰ পৰা অসমীয়া সাহিত্যত আৰু বহুতো সুন্দৰ চিত্ৰকল্পৰ সৃষ্টি হৈ আহিছে।

## ১১ কবিতা কাৰ বাবে

প্ৰশ্নটো শুনাত সহজ যদিও উত্তৰটো বৰ সহজ নহয়। কবিতা প্ৰথমতে সৃষ্টি হয় একোজন কবিৰ হৃদয়ত। তেতিয়া নিজৰ বাবেই কবিতা ৰচি নিজেই তেওঁ তৃপ্তি লভে। ঠিক যেন

মোৰ গান ময়ে গাওঁ
শুনি শুনি ময়ে ভুল যাওঁ
গানৰ শেষত গাওঁতা শুনোতা দুয়ো
এক হৈ পাৰকে নাপাওঁ।

---

২১। দ্ৰষ্টব্য এই গ্ৰন্থৰ 'আধুনিক অসমীয়া কবিতা'

পিছে কবিৰ এটা মানসিকতা আছে তেওঁৰ অন্তৰৰ বাণীক আনৰ বুকুলৈ পঠিয়াই দিয়াৰ। তেনে ক্ষেত্ৰত তেওঁ ভাবিব লগা হয় তেওঁ কাৰ বাবে লিখিব। সেইখিনিতেই প্ৰশ্নটোৰ জটিলতা কবিতা কাৰ বাবে ?

ৱৰ্ডছবৰ্থৰ যি বক্তব্যত কবিতাই গ্ৰাম্য শব্দ ব্যৱহাৰ কৰাৰ যুক্তি দাঙি ধৰা হৈছে সি সচায় যে কবিতা হ'ল সৰ্ব সাধাৰণৰ সম্পত্তি। কিন্তু কলৰিজে আশংকা প্ৰকাশ কৰিছে যে সেই সৰ্বসাধাৰণৰ মাজত কবিতাই বিচৰা শব্দ ভাণ্ডাৰৰ প্ৰাচুৰ্য নাথাকিবও পাৰে। তেনে ক্ষেত্ৰত কবিৰ নিজস্ব আৰু কল্পনামণ্ডিত শব্দ সম্পদেৰে কবিতা ৰচনা কৰিব লাগিব। ফলত কবিতা হৈ পৰিব সৰ্বসাধাৰণৰ হাতৰ পৰা কিছু ওপৰত থকা কলা। এইবোৰ কবিতা হব ৰসগ্ৰাহী বিশেষ জনৰহে। কবিতা সাধাৰণৰ নহয়।

এনে সময়তে মনত পৰে ভাৰতীয় আলংকাৰিক সকলে কোৱা সহৃদয় শব্দটোলৈ। যাৰ হৃদয় ৰস গ্ৰহণ কৰিবলৈ উপযুক্ত তেওঁলোকেই হ'ল সহৃদয়। এনে লোকৰ আগতহে কাব্য আদি কলা প্ৰচাৰ কৰিবলৈ আলংকাৰিক সকলে গুণিজনক পৰামৰ্শ দিছিল। সাহিত্যৰ ক্ষেত্ৰত সচাকৈয়ে সহৃদয় সকলৰ বিশিষ্ট ভূমিকা আছে। সাহিত্য এনে এবিধ সূক্ষ্ম কলা যাৰ তুলনা কোনো স্থূল অনুভৱৰ লগতে কৰা নাযায়। কবিতাৰ ক্ষেত্ৰত ইয়াৰ সূক্ষ্মতা আৰু বেছি। কবিতাৰ ব্যঞ্জনাময় ভাষা হৃদয়ংগম কৰিবলৈ এখন অনুভূতিশীল অন্তৰৰ নিতান্ত প্ৰয়োজন। গতিকে প্ৰথমেই স্বীকাৰ কৰিব লাগিব কবিতা সহৃদয়জনৰ বাবে।

পিছে সহৃদয় শব্দটোৰ লগে লগে আৰু বহুত কথাই আহি পৰে। ধৰা হওক নতুন কবিতাৰ কথাই সৰ্বসাধাৰণৰ হৃদয় আৰু বুদ্ধিৰ পৰা কিছু আঁতৰত এইবোৰৰ অৰ্বাহতি। এইবোৰত খেলা কৰা ইংৰাজী কবিতাৰ প্ৰতীকবাদ ফৰাছী কবিতাৰ দৰ্শন জাপানী কবিতাৰ ছন্দ সজ্জা আদি গুণসমূহ সাধাৰণ পাঠকে বুজি নাপায়। অথচ কেতিয়াবা এইবোৰৰ সম্পৰ্কে সম্যক জ্ঞান নাথাকিলে কবিতাৰ ৰস গ্ৰহণো সম্ভৱপৰ নহয়। সেই ক্ষেত্ৰত কবিজনৰ সমগোত্ৰীয় কেইজনমান বিশিষ্ট লোকৰ মাজতে কবিতাটোৰ ৰস সীমিত হৈ থাকে। বোধকৰো এনে কথা চিন্তা কৰিয়েই জনছনে কৈছিল যে "কবিতাৰ বিচাৰ কৰিবলৈ কবিৰহে

সামৰ্থ্য আছে কিন্তু সকলো কবিৰ নহয় অকল সৎ কবিৰহে।[৩০] তেতিয়াহলে কবিতাৰ বিচৰণৰ ক্ষমতা আৰু সীমিত হৈ পৰে। এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে কবিতাৰ ক্ষেত্ৰত পাঠকৰ গভীৰ দায়িত্ব থাকে। একো একোটা কবিতাৰ ধাৰা অথবা একোবিধৰ আংগিক কিমান দিনলৈ তিষ্ঠি থাকিব তাক নিৰ্ণয় কৰে পাঠক সমাজেহে। কিন্তু কবি নিজে পাঠকৰ ওচৰলৈ নামি আহিব নে পাঠকেহে কবিৰ ওচৰ চাপি যাব সিও এটা প্ৰশ্ন।

কবিতাৰ এক বিশিষ্ট গুণ হল ভাষাৰ ওৰণি লোৱা স্বভাৱ। এই গুণৰ বাবে কবিতাই কেতিযাবা দ্ব্যৰ্থকতা লাভ কৰে। দ্ব্যৰ্থকতাৰ ভিতৰৰ পৰা কবিতাটোৰ ভিতৰৰ তাৎপৰ্য উপলব্ধি কৰিবলৈ কেতিয়াবা পাঠকেও সচেতনভাবে নিজকে সাজু কৰিব লাগে। একোজন কবিৰ ৰচনাৰ সাৰ-মৰ্ম অধ্যযনৰ বাবে কেতিযাবা কবিৰ জীৱন আৰু ৰচনাৰ পটভূমি সম্পৰ্কে ও অধ্যয়ন কৰি লব লগা হয। কবিতা পঢ়াৰ সময়ত অন্য অনুভূতিযে যেন অনভৱত বিশৃংখলাৰ সৃষ্টি নকৰে তাৰ বাবেও পাঠকে মন কৰা উচিত। এনে পাঠকৰ কিছু জ্ঞান থকা আবশ্যক যাৰ দ্বাৰা তেওঁ কবিতাটো নিখুঁত ভাবে অধ্যযন আৰু হৃদযংগম কৰিব পাৰে। কবিতা এটা বিশ্লেষণ কৰোঁতে বুদ্ধি আৰু অনুভূতি দুযোটাৰে প্ৰযোজন হব পাৰে। কিছুমান এনে কবিতাও আছে যি বোৰ কেৱল অনুভূতিৰে বিচাৰ কৰিলে সমগ্ৰ তাৎপৰ্য ফুটি নউঠে। সেইবোৰত লাগে চিন্তা আৰু যুক্তিৰ সহযোগ। সাধাৰণ খাপৰ বুদ্ধি বৃত্তিৰে সেযেহে এইবোৰ বিশ্লেষণ কৰা অসম্ভৱ হৈ পৰে। যি মানসিক উচ্চতা আৰু চিন্তাবৃত্তিৰ মাজত কবিযে সেই বিশেষ কবিতাটো ৰচনা কৰিছে। পাঠকৰ মন আৰু চিন্তাধাৰাই সেইখিনিৰ ওচৰ চাপিব পাৰিব লাগিব।

মাধুৰ্য স্পষ্টতা আৰু ইংগিতময়তা আদি সুকুমাৰ অনুভূতি প্ৰকাশক গুণবোৰ ভাল কবিতাত জিলিকি থাকে। কিন্তু এই জিলিকনি সকলোৰে বাবে হয় নে নহয় সেইটোহে ঘাই কথা। নতুন কবিতাৰ বহুতৰে মাজত অস্পষ্টতাহে প্ৰধান বৈশিষ্ট্য। মাধুৰ্য আৰু ললিত গুণ এইবোৰত অনুপস্থিত। ফলত এইবোৰে পাঠকৰ মনৰ দুৱাৰত টুকুৰিয়াই থাকিও দুৱাৰ খোলাব নোৱাৰে। এইবোৰ কবিতাত ভাষা

---

৩০। নন্দনতত্ত্ব: প্ৰাচ্য আৰু পাশ্চাত্য পৃঃ ৮৯

তথা শব্দচয়ন আপাতদৃষ্টিত কঠিন আৰু বিসংগতিপূৰ্ণ। সাধাৰণ পাঠকে তাৰ অৰ্থ উলিয়াবলৈ সহজ নাপায়। এনে অৱস্থাত শ্ৰুতি মধুৰ কিছুমান কবিতাই পাঠকৰ শ্ৰৱণৰ মাজেদি গৈ হৃদয় স্পৰ্শ কৰে যদিও বেছিভাগেই বহুত দূৰতে ৰয়। গতিকে বৰ্তমানৰ পৰিস্থিতিত নতুন কবিতা সকলোৰে বাবে নহয়।

কবিতা বুজি নাপালেও উপলব্ধি কৰিব পাৰিলেই যথেষ্ট বুলি এটা সান্ত্বনা লাভ কৰিব পাৰি। পিছে ছন্দ লয় আৰু কোমলতাৰে ভৰা কবিতাৰ ক্ষেত্ৰতহে এই কথা খাটে। কেতিয়াবা সহজ কথাও সুষমা মণ্ডিত হৈ বুজা নবুজা সৌন্দৰ্যৰে পাঠকৰ হৃদয়ত সোমাইহি যেনে—

ভগা কলিজাত কোনে বিনাই
কবিতা মোৰ দুখৰ ঋতুৰ
এপাহ খৰিকা জাই।

পিছে এনে উদাহৰণ কম। নতুন কবিতাই অনুভূতিতকৈ বেছি দাবী কৰে বুদ্ধিমত্তা আৰু অধ্যয়নৰ প্ৰয়োজনীয়তা। অজিৎ বৰুৱাৰ অৱন্তী নগৰ বুজিবৰ বাবে তাৰ প্ৰসংগ সংগতি বিচাৰি দিশহাৰা হৈ ফুৰা অধ্যাপক বহুতেই বোধকৰো এই ক্ষেত্ৰত অনুভূতিক কামত লগাব পৰা নাই। নীলমণি ফুকনৰ সূৰ্য্যৰ সকলো উত্তাপ এতিয়া গাভৰু হৃতৱ স্তন অথবা নৱকান্ত বৰুৱাৰ জীপচি কল্পনা মোৰ গুচি যায় সময়ৰ বাঘজৰী ছিঙি আদি চৰণ শব্দ আৰু অৰ্থৰ গোপন সম্পৰ্কৰ বাবে এচাম ভাগ্যবান ৰসিক পাঠকৰ সংৰক্ষিত সম্পত্তি হৈ আছে।

কবিতা কাৰ বাবে কলে মনলৈ আহে এৰিষ্টটলে কোৱা এষাৰ কথা [৩১] কবিতাই নীতি শিক্ষা দিব লাগে উঠি অহা যৌৱনক। নীতি শিক্ষাৰ কথা বাৰু আঁতৰাই থোৱা গ'ল কিন্তু যৌৱন? কবিতা কেৱল নতুন যৌৱনৰ বাবেহে জানো? কবিতাৰ বাবে কোনো বয়স নাই। জীৱনৰ লৰা ধেমালি ভৰা প্ৰথমৰ ফালৰ কেইটামান বছৰৰ বাহিৰে বাকী গোটেই খিনিয়েই কবিতাৰ বাবে। হৃদয় জোঁকাৰি যোৱা কবিতাৰ বয়স নাই। ছন্দৰ ঝঙ্কাৰত চিৰকাল কাণত বাজি থকা কবিতাৰো বয়স নাই।

কবিয়ে কবিতাত ঘামৰ টোপালৰ কথা কয়। বিদ্ৰোহী জনতাৰ তেজৰ টোপালত ভৱিষ্যতৰ সপোন ৰচে। উৰুখা ছালেৰে পানী পৰা কোনো দুৰ্ভগীয়া পৰিয়ালৰ কণমানিটিক লৈ আশাৰ সৌধ ৰচে। কিন্তু

৩১। Poetics P 45

এনেবোৰ শুভ চিন্তা যদি মুষ্টিমেয় কবিতা প্ৰেমীৰ মাজতে সীমাবদ্ধ হৈ থাকে তেন্তে কবিতা সাৰ্থক নহব কোনোদিনে। কবিতাক সৰ্ব সাধাৰণৰ সম্পত্তি কৰিবলৈ আপত্তি কৰাকৈ কবি সকল সংৰক্ষণশীল হব নালাগিব। যাৰ বাবে কবিতা তেওঁলোকে কবিতা বুজি পাব লাগিব। কবি এখোজ নামিব লাগিব পাঠকৰ ওচৰলৈ। আনহাতে পাঠকেও কিঞ্চিৎ ধৈৰ্য আৰু সহযোগিতাৰে নতুন কবিতাৰ ভাষা বুজিবলৈ যত্ন কৰিব লাগিব। ধ্ৰুপদী কবিতাৰ প্ৰত্যক্ষ বক্তব্য অথবা ৰমন্যাসিক কবিতাৰ আলফুলীয়া মনোভাৱ আজিৰ কবিতাত বিচৰা সম্ভৱ নহয়। প্ৰতীক আৰু চিত্ৰকল্পৰ সহযোগত ধুসৰ যি ভাষা—তাৰে সিপাৰে থকা আবেদনে হৃদয় চুব পৰাকৈ পাঠকেও নিজকে সাজু কৰিব লাগিব। এই ক্ষেত্ৰত সবাতোকৈ ডাঙৰ দায়িত্ব বোধকৰো কবিতা সমালোচকৰ। সমালোচকেহে নিৰ্ণয় কৰিব পাৰিব ঠিক কোনটি বিন্দুত মুখামুখী হব কবি আৰু তেওঁৰ পাঠক।

## ১১ কবিতাৰ দুৰ্বোধ্যতা আৰু তাৰ সম্ভাব্য কাৰণসমূহ

নতুন কবিতা কবি সকলৰ বাবে বৰ মৰমৰ সম্পদ। কিন্তু সকলো ক্ষেত্ৰতে সমান গভীৰতাৰে ই যেন পাঠকৰ মন জয় কৰিব পৰা নাই। নতুন কবিতা দুৰ্বোধ্য ই এটি শক্তিশালী ধাৰণা। কিন্তু ধাৰণাটো কিমান দূৰ সত্য আৰু কিমান দূৰ অনুমানভিত্তিক সেই কথা ভাঙি দেখুওৱা সহজ নহয়। কবিতাৰ জটিল প্ৰকৃতিৰ কথা এই গ্ৰন্থৰে অন্য প্ৰসংগত [২] কিছু পৰিমাণে আলোচনা কৰা হৈছে। বৰ্তমান অসমৰ বুদ্ধিজীৱী মহলত কবিতাৰ জটিলতাৰ যুক্তিযুক্ততা সম্পৰ্কে উত্তপ্ত আলোচনা চলিবই লাগিছে। এই সম্পৰ্কে শেষ সিদ্ধান্ত কোনেও দিব পৰা নাই দিয়াটো যথেষ্ট টান। যিহেতু পাঠকৰ ৰুচিবোধ বিভিন্ন পথেৰে গতি কৰা বিধৰ গতিকে একোটি সিদ্ধান্তত আটায়ে থমকি ৰবলৈ নোখোজে।

খুব সহজভাবে বিচাৰ কৰিলে নতুন কবিতাৰ ঘাই প্ৰকৃতি দুই ধৰণৰ। এবিধ হল হৃদয় চুই গুন গুণাই যোৱা আৰু আনবিধ হল মগজুৰ দুৱাৰত টুকুৰিয়াই সোমাই অহা। ইয়াৰে কোনবিধ ভাল

---
২। দ্ৰষ্টব্য: কবিতা হৃদয় আৰু চিন্তাবৃত্তি আৰু কবিতা কাৰ বাবে।

সেইকথা ইয়াত বিচাৰ্য নহয়। কিন্তু দুৰ্বোধ্যতাৰ সমস্যা উত্থাপিত হৈছে পিছৰ বিধৰ বাবে। তাৰো কিছুমান কাৰণ আছে। কবিতাৰ অস্পষ্টতা বা জটিলতাৰ প্ৰসংগত ইংৰাজীত ব্যৱহাৰ কৰা হয় তিনিটা শব্দ। ইলিয়টে ব্যৱহাৰ কৰিছে ডিফিকাল্টি হাৰ্বাৰ ৰিডে ব্যৱহাৰ কৰিছে অবছকিউৰিটি আৰু এম্পছনে ব্যৱহাৰ কৰিছে এম্বিগুইটি। ইয়াৰে শেষৰটোৱে বুজায় শব্দগত দ্বৈৰ্থকতা আৰু দ্বিতীয়টোৱে বুজায় কল্পনাজাত অস্পষ্টতা আমাৰ দুৰ্বোধ্যতা শব্দই এই তিনিওটাৰে অৰ্থ সামৰি লয়। ভাল কবিয়ে ইচ্ছা কৰি কতো অস্পষ্টতা বা দুৰ্বোধ্যতাৰ সৃষ্টি নকৰে। কিন্তু কিছুমান ক্ষেত্ৰত ই নিজে নিজে আহি পৰে। অৰ্থাৎ কবিতাৰ ক্ষেত্ৰত কেতিয়াবা দুৰ্বোধ্যতা অপৰিহাৰ্য অংগ হৈ পৰে। এই দুৰ্বোধ্যতাৰ উমান পায় এচাম পাঠকে যি চাম পাঠকৰ হৃদয় আৰু চিন্তাবৃত্তি সেই কবিতাৰ বাবে তেতিয়াও উপযুক্ত ক্ষেত্ৰ হৈ নুঠে। কেতিয়াবা বেয়া কবিতায়ো দুৰ্বোধ্যতাৰ সৃষ্টি কৰিব পাৰে। সেইবোৰেই বেয়া কবিতা—যত ভিতৰত বক্তব্য নাথাকিলেও জোৰ কৰি আখৰ সজাই এটা কবিতাৰ ৰূপ দিয়া হয় নাইবা একোটা অনুভূতিক প্ৰকাশ কৰিবলৈ অনুপযুক্ত শব্দ ব্যৱহাৰ কৰা হয়। এনেবোৰ কবিতাই স্বাভাৱিকতে একো বুজাব নোৱাৰে। ফলত ইহঁতে সমগ্ৰ কবিতা শ্ৰেণীটোৰে নাম বেয়া কৰে। পাঠকৰ মনত এটা ধাৰণাই ঠাই লয় যে কবিতা এবিধ দুৰূহ কলা আৰু ই সকলোৰে বাবে নহয়।

কবিতা সকলোৰে বাবে নহয় বুলি কলে তাৰ সম্ভাব্য কাৰণ কেইটামানো দেখুৱাব পাৰি। প্ৰথম কথা হল কবিসকলৰ অধ্যয়নৰ পৰিধি বিস্তৃত হৈছে আৰু উকা অনুভৱেৰে কবিতা লিখাতকৈ নতুন আংগিকৰ নতুন প্ৰয়োগৰ প্ৰতি তেওঁলোক বেছি আগ্ৰহী হৈছে। তাৰ লগে লগে পাঠকৰ অধ্যয়নলব্ধ জ্ঞান বঢ়া নাই। পাঠকে ভাবে যে কবিতাৰ ৰসটোপা কবিয়ে চাম চেৰে তেওঁৰ ডিঙিত বাকি দিয়ক চোবাই কষ্ট কৰিবলৈও তেওঁলোক আনচ্ছুক। ফলস্বৰূপে কবিৰ লগত পাঠকৰ একপ্ৰকাৰে অসহযোগ চলি আছে। দ্বিতীয়তে এনে পাঠকো আছে যি সকলে সচাঁকৈয়ে কবিতা ভাল পায় আৰু কষ্ট কৰিও বুজিবলৈ যত্ন কৰে। পিছে কবিয়ে লিখে বুদ্ধিমত্তাৰে আৰু তেওঁলোকে অনুভৱ কৰিবলৈ বিচাৰে হৃদয়েৰে। গতিকে কবিতাত কোতয়াবা হৃদয়ৰ দুৱাৰ মুকলি কৰাৰ সচাঁৰকাঠিও নাথাকে। তেনেবোৰ কবিতাকো দুৰ্বোধ্যৰ শাৰীতে থোৱা হয়।

কবিতা যিহেতু যুগ মানসৰ দাপোন স্বৰূপ তাত নতুন কালৰ সকলো বিচিত্র অনুভৱৰ ছা পৰা স্বাভাৱিক। এই অনুভৱ উৎফুল্লিত আৰু তিক্ত দুয়োটাই। ব্যস্ত অস্থিৰ হতাশ আৰু প্রত্যাশী মনৰ প্রতিফলন ইয়াত স্পষ্ট। এইবোৰ অনুভৱৰ ছাঁ পৰা কবিতা বাভাবিকতে জটিল। কবিৰ ভাষাত এই জটিলতা কেনেদৰে চিত্ৰকল্প ইত্যাদিৰ সহায়ত ফুটি উঠে সেই কথাকে কবি ইলিয়টে তেওঁৰ দি মেটাফিজিকেল পয়েটছ নামৰ গ্রন্থত কৈছে যে আমাৰ সভ্যতা হল বিৰাট বৈচিত্র্য আৰু জটিলতাৰ আঁকৰ। এই বৈচিত্র্য আৰু জটিলতাই আমাৰ সূক্ষ্ম ইন্দ্রিয়ানুভূতিৰ ওপৰত খেলা কৰি একে ফল উৎপাদন কৰে। কবিয়ে তেওঁৰ ভাষাক প্রয়োজন অনুসৰি যেতিয়া অর্থৰ ভিতৰত নিয়ন্ত্রণ কৰিবলগা হয় তেতিয়া তেওঁ অধিক বুদ্ধিৰ দ্বাৰা শক্তিশালী পৰোক্ষ আৰু বেছি ই গিতময় হব লাগিব।[৩৩] গতিকে দেখা যায় যে কাব সকলে নিজেও কেতিয়াবা কবিতাৰ ভাষা জটিল হোৱাটো বিচাৰে। এই জটিলতা নিঃসন্দেহে জটিল অভিজ্ঞতাসমূহৰ ওপৰত প্রতিষ্ঠিত। এইবোৰ অভিজ্ঞতা যদি বচ্ছ দ প্রবাহী নদীৰ দৰে বৈ আহে তেন্তে সি পাঠকৰ মন জয় কৰিব পাৰে। কিন্তু তাৰ বিপৰীতে ।ব্দৰ পিছত শব্দ সজাই যদি সিহতৰ শৰীৰি ৰূপ গঠন কৰা হয় তেন্তে সেই ৰূপ সব জনগ্রাহ্য নহবও পাৰে। আকৌ ইলিয়টৰ মন্তব্যকে আলোচনাৰ মাজলৈ আনি কবিতাৰ দুৰ্বোধ্যতাৰ কাৰণ কিছুমান এইদৰে চাব পাৰি প্রথমতে কবিৰ ব্যক্তিগত কাৰণ যি তেওঁক দুৰ্বোধ্যভাবে প্রকাশ কৰিবলৈ বাধ্য কৰে কাৰণ তেওঁ অন্যভাবে প্রকাশ কৰিব নোৱাৰে অথবা নতুনত্বৰ বাবে দুৰ্বোধ্যতা কবিয়ে নিজেই কৈছে অথবা নিজেই নিজৰ কাষত কয় যে কবিতা দুৰ্বোধ্য হৈ আহিছে এই সতৰ্ক বাণীত সাধাৰণ পাঠক বিস্ময়ত অভিভূত হৈ পৰে চতুৰ হবলৈ গৈও তেওঁৰ বাধিক দুৰ্বোধ্য অন্ধকাৰময় কৰি তোলে কিবা পাব বুলি কঠোৰ দৃষ্টিৰে চায়। আৰু সর্বশেষ দুৰ্বোধ্যতা সৃষ্টি হয় পাঠকৰ বাবে লেখকে যিবোৰ বস্তু বাদ দি গৈছে পাঠক সেইবোৰ বিচৰাত অভ্যস্ত গতিকে পাঠকে বিভ্রান্ত হৈ যি নাই সেইবোৰ খেপিয়াই ফুৰে এক প্রকাৰ অর্থৰ বাবে তেওঁৰ মূৰটো অর্থ হীন কৰি তোলে যি অৰ্থ তাত নাই আৰু আছে বুলি নালাগেও।[৩৪]

---

৩৩। উদ্ধৃত কবিতা চিন্তিত ছায়া পৃঃ ১৫

৩৪। উদ্ধৃত কবিতা চিন্তিত ছায়া পৃ ১৬—১৭

কবিতাৰ দুৰ্বোধ্যতাৰ প্ৰশ্নটো সমগ্ৰ বিশ্বৰে সাহিত্যপ্ৰেমীৰ প্ৰশ্ন। ৰোমাণ্টিক কবিতাৰ অপসাৰণৰ পিছত নতুন কবিতাই যি কঠিন ধাতব ৰূপলৈ দেখা দিলে তাত সংশয় আৰু বিস্ময়ৰ স্থান প্ৰচুৰ। ইলিয়ট এজৰা পাউণ্ড লুই মেকনিছ ডব্লিউ বি ইয়েটছ ডাইলান টমাছ বোডলেয়াৰ মালাৰ্মে আদি কবিসকলৰ কলমৰ সকলোফালৰ পৰাই নূতন কবিতাই চল্লিছৰ দশকত সকলো দেশৰে সাহিত্যত প্ৰভাব পেলাইছিল। ভাৰতীয় সাহিত্যত প্ৰচুৰভাবে থকা ৰবীন্দ্ৰনাথৰ প্ৰভাৱ আৰু কান্তিগুণৰ প্ৰাধান্য এই সময়তে কবিসকলে এৰাবলৈ যত্ন কৰিছিল। ফলত অসুন্দৰ আৰু কদৰ্য বিষয়বস্তুৱে কবিতাত সোমাই পাঠকক চমৎকৃত কৰিছিল। এই প্ৰসংগতে বোডলেয়াৰৰ কথা মনলৈ আহে জীৱনৰ কুৎসিত আৰু ঘৃণনীয় উপাদানবোৰো তেওঁ নিৰ্বিবাদে সাহিত্যত ঠাই দিছিল। তেওঁৰ দ্বাৰা প্ৰভাবিত কবিসকলে বিশ্বসাহিত্যত কবিতাৰ এক সম্পূৰ্ণ নতুন ৰূপৰ সৃষ্টি কৰিছিল। এই ৰূপ মনোমোহা নহয় যদিও সত্য প্ৰকাশৰ যুক্তিত শক্তিশালী গুণযুক্ত। অসমীয়া সাহিত্যৰ দৰে একেবাৰে নিজ প্ৰকৃতিৰ সাহিত্যত কবিতাৰ এই বোডলেয়াৰ পন্থী গতি স্বাভাবিকতে পাঠকে সহজভাৱে লব পৰা নাছিল। তদুপৰি ইংৰাজী কবিতা জ্ঞানেৰে পুষ্ট নতুন কবিসকলৰ কবিতাৰ দুৰ্দান্ত জটিল শব্দ সমাহাৰ আৰু কঠোৰ মনোবৃত্তিয়ে তেওঁলোকক বিমুখ কৰিছিল। পঞ্চাছৰ দশকত অসমীয়া কবিতা হঠাতে জটিল হৈ উঠা বাবে আৰু পাঠকে অকমাতে সেইবোৰৰ মৰ্মাৰ্থ খুঁচৰিব লগা বাবে কবিতা মানেই দুৰ্বোধ্য বুলি ভবা হৈছিল। ক্ৰমে ক্ৰমে অৱশ্যে চিত্ৰকল্প আৰু প্ৰতীকেৰে সুশোভিত হৈ উঠা কবিতাই বুজি নাপালেও ভাল লাগিব পৰা গুণ এটা লৈ পাঠকৰ আগত দেখা দিলে। তেতিয়াৰে পৰা আজিলৈকে অসমীয়া কবিতা বুজা আৰু নুবুজা প্ৰশংসা আৰু নিন্দাৰ মাজেদি পৰাহিত হৈ আছে। সামগ্ৰীকভাৱে চাবলৈ গলে অসমীয়া নতুন কবিতাৰ কেইটামান লক্ষণ হল—

(ক) প্ৰতীকধৰ্মী শব্দৰ প্ৰয়োগ

(খ) আপাতদৃষ্টিত যিবোৰ বিষয়ক কবিতাৰ উপযুক্ত বুলি অত দিনে ধৰা হোৱা নাছিল সেইবোৰৰ অন্তভুক্তি

(গ) অসংলগ্ন যেন লগা ভাষাৰ প্ৰয়োগ

৩৫। দ্ৰষ্টব্য এই গ্ৰন্থৰ কবিতা আৰু আধুনিক মন।

(ঘ) চলচ্চিত্ৰধৰ্মী কলা কৌশল
(ঙ) অতিকথাৰ প্ৰয়োগ
(চ) ব্যৱহৃত একাধিক চিত্ৰকল্পৰ অসংলগ্নতা
(ছ) চিত্ৰকল্পসমূহত নাটকীয় বীজ
(জ) ছন্দৰ শিকলি ছিঙা ৰূপ
(ঝ) ঘৰুৱা আৰু কথিত শব্দৰ প্ৰয়োগ।

এইখিনি লক্ষণৰ ভিত্তিত দেখা যায় যে নতুন কবিতাৰ ৰস-গ্ৰহণৰ বাবে পাঠক কেৱল সহৃদয় হ'লেই নহব। তেওঁৰ অধ্যয়নলব্ধ জ্ঞানো প্ৰচুৰ থাকিব লাগিব। উদাহৰণ স্বৰূপে জনপ্ৰিয় কবি নৱকান্ত বৰুৱাৰ হেজাৰ নক্ষত্ৰ যত কবিতাটোৰ দুফাকিমান চোৱা যাওক।

হেজাৰ নক্ষত্ৰ য'ত জ্বলিপুৰি শেষ হৈ যায়
মন হ'ব খোজে পথী। পাখি নাই। হায় পাখি নাই।
জ্যোতিৰ নিচান উৰে। কি ই গিত তৰাই তৰাই
নিৰুদ্দেশ ধূমকেতু অকমাৎ ঘূৰি আহে বাট হেৰুৱাই
সূৰ্যৰ বিদ্ৰূপ জ্বলে। পোহৰৰ বিষে সানে নীলাৰ আভাস
তোমাৰ আকাশ সেয়ে। মোৰো সি আকাশ।

কবিতাটিত ফুটি উঠা আশাহত যুগৰ হুমুনিয়াহ বুজি পাবলৈ সহজ হয় যদিহে পাঠকৰ পঢ়া থাকে ইলিয়টৰ বেষ্টলেণ্ডৰ দৰে কবিতা। দেখা যায় যে ভাৰতীয় আধুনিক কবিসকলে পাউণ্ডৰ পৰা ফৰ্ম শব্দৰ সংগীত আৰু সুৰ সাংগীতিক ফৰ্মক কবিতালৈ ৰূপান্তৰ প্ৰসংগ উল্লেখ নিৰ্দেশ সাহিত্য সংস্কৃতিৰ ব্যাপক আৰু উদাৰ প্ৰয়োগ সাহিত্যত ঐতিহাসিক চেতনা জাতিতত্ত্ব আৰু অৰ্থনীতিৰ দ্বাৰা গভীৰতৰ বোধ উদ্দীপনৰ প্ৰচেষ্টা চিত্ৰকল্পৰ ব্যৱহাৰ শব্দ আৰু বাক্যৰ প্ৰচণ্ড সংহতি মুখৰ কথ্যভাষাৰ ব্যৱহাৰ বিভিন্ন দেশৰ কাব্যৰ ফৰ্মত পৰীক্ষা নিৰীক্ষা[৩৬] ইত্যাদি বিভিন্ন লক্ষণ আহৰণ কৰিছিল। গতিকে এই সকল কবিৰ কবিতাত সীমাহীন অভিনৱত্ব বিৰাজ কৰিছিল। এই অভিনৱত্বই পাঠকক সকলো সময়তে যে অভিভূত কৰিছিল তাত সন্দেহ নাই। অভিভূত দুই ধৰণে বিস্ময়ত আৰু প্ৰশংসাত। তাৰ লগে লগে চোকা সমালোচনাই কবিসকলক থকা সৰকা নকৰাকৈও থকা নাছিল। অমূল্য

৩৬। কবিতা চিন্তিত ছায়া পৃঃ ৬৩

বৰ-বাৰ কুকুৰ নামৰ কৰিতাটো যদিও অসমীয়া কৰিতাৰ জগতত নতুনত্বৰ বাৰ্তাবাহক কৰিতাটোৰ নামকৰণৰ বাবেই বহুতে ইয়াক সহজ ভাবে ল ব পৰা নাছিল।[৩৭] ক্ৰমে ক্ৰমে অসমীয়া কৰিতাত আৰু কিছুমান নতুন নতুন উপাদান যোগ হ বলৈ ধৰে। তাৰ ভিতৰত মাৰ্ক্সবাদকে ধৰি বিভিন্ন দৰ্শন উল্লেখযোগ্য। এইবোৰৰ প্ৰভাবত কৰিতাৰ বহুখিনি কোমলতা কমি আহে আৰু পাঠকৰ ৰুচিবোধে নতুনত্বৰ সোৱাদ পায় মাজতে থমকি ৰয়। এনেবোৰ ক্ষেত্ৰতে দুবোধ্যতাৰ প্ৰশ্নটো বেছি সৰব হৈ উঠে।

আধুনিকতাৰ প্ৰসংগত ৰবীন্দ্ৰনাথে কৈছিল মোক যদি সোধা বিশুদ্ধ আধুনিকতা কি তেন্তে মই কম যে ব্যক্তিগত আসক্তভাবে বিশ্বক নাচাই নিৰ্বিকাৰ তদগতভাবে চোবাই হল আধুনিকতা। অলপ পিছতে কিন্তু তেওঁ কৈছিল কিন্তু এই কথাটোও শুদ্ধ নহয়। এই যে নিৰাসক্ত সহজ দৃষ্টিৰ আনন্দ ই কোনো বিশেষ কালৰ নহয়। যাৰ চকুৰে এই অনাবৃত জগতত সঞ্চৰণ কৰিব জানে ই তেওঁৰ।[৩৮] আধুনিক কৰি শ্ৰেণীৰ প্ৰচলিত মূল্যবোধৰ প্ৰতি উদ্ধত অবিশ্বাস দেখিয়েই তেওঁ এই মন্তব্য দিছিল। তেওঁ এঠাইত কৈছিল আগৰ কালত কাব্যৰ বাবুগিৰি আছিল সৌজন্যৰ লগত জড়িত এতিয়াৰ কাব্যৰ বাবুগিৰি হ ল পচা মাসৰ বিলাসত। সৰ্বসাধাৰণ পাঠক আৰু কৰিৰ এইখিনিতেই নতুন কৰিতালৈ আপত্তি। তেওঁলোকে কৰিতাক শান্তি আৰু তৃপ্তিৰ আহিলা বুলিয়েই মনে প্ৰাণে বিশ্বাস কৰে। গতিকে খং ঘৃণা অবিশ্বাস আদি বেয়া অনুভূতিবোৰ কৰিতাত থকা তেওঁলোকে ভাল নাপায়। গতিকে তেনে পাঠকৰ বাবে সেইবোৰ কৰিতা ৰসহীন আৰু দুৰ্বোধ্য।

অসমীয়া কৰিতাৰ জগতত এক বিশাল সংখ্যক পাঠকে কৰিতাৰ সুকোমল কাব্যিক আবেদন বিচাৰে। আনহাতে সংখ্যাত কম অথচ শক্তিশালী চৰিত্ৰৰ এচাম পাঠকে বিচাৰে যে কৰিতাৰ আবেদন তাৰ ভিতৰত সোমাই থাকিব লাগে—যি সকলৰ হাতত সুচাৰকাঠি আছে কেৱল তেওঁলোকৰ বাবে। বৰ্তমানৰ পাঠকসমাজত হীৰেণ ভট্টাচাৰ্যৰ অনুৰাগী অলেখ। অথচ সমালোচকৰ মতে তেওঁৰ দেশপ্ৰেমৰ

৩৭। আধুনিক অসমীয়া সাহিত্যৰ পৰিচয় পৃঃ ৮৬
৩৮। উদ্ধৃত কৰিতাৰ বিচিত্ৰ কথা পৃ ৩৮৬
৩৯। একে গ্ৰন্থ পৃ ৩৮৭

কবিতাবোৰ নিস্তেজ আৰু Second hand যেন লাগে তেওঁৰ প্ৰেমৰ কবিতাবোৰ অতি পুৰণি আচাৰৰ দৰে বিস্বাদ ।[৪০] কবিতাৰ জন্মলগনৰ কথা এটি লৈও এনে মতবিৰোধৰ সূত্ৰপাত হয়। যিবোৰ কবিতা সৰল স্বাভাৱিক আৰু স্বচ্ছন্দ সেইবোৰ প্ৰেৰণাৰ ফলত সৃষ্টি হয় বুলি সাধাৰণতে ভবা যায়। কিন্তু কিছু সংখ্যক কবি সমালোচকে ভাবে যে কবিতাত প্ৰেৰণাৰ অৰ্থ প্ৰযত্নহে ।[৪১] গতিকে উচ্চ খাপৰ বুদ্ধিবৃত্তি আৰু চিন্তাধাৰাসম্পন্ন কবিসকলে ভাবি চিন্তি সুনিপুণভাবে যি চিন্তা বা অনুভৱৰ কাব্যৰূপৰ শৰীৰীৰ গঠন নিৰ্মাণ কৰে তাক কবিতা ভাল পোৱা কিন্তু সামান্য অধ্যয়নৰ পাঠকে বুজি নাপাবও পাৰে। বীৰে বৰ বৰুৱাৰ ৰচনাৰ—

শুকান ছাই বাটে বাটে বনৰীয়া ফুল
নাওবোৰে বেজাৰতে কুবলীৰ ধোৱা আৰু ধোঁৱা
জেননটো উৰিছিল।
নাওবোৰ পানীত গৈ আছিল। ছাইবোৰে
সিহঁতক পুতি পেলাইছিল।
কালি ৰাতি নাওবোৰ পানীত ঘৰ বিচাৰি
গৈ আছিল শুকান ছাইবোৰে
পৃথিবীত বিষাদবোৰ আকাশত থুপ খাইছিল
কুবলীৰ ধোৱা আৰু ধোঁৱা
খেৰীঘৰৰ ওপৰেদি
মই দেখিছিলো দূৰৰ গাঁৱত স্বপ্নৰতা
কোনো এক অনুৰাধাৰ মুখ।

এনেবোৰ সুন্দৰ স্তবকো বহুতৰে বাবে এখন বন্ধ দুৱাৰৰ মাথোন। নীলমণি ফুকন ভবেন বৰুৱা অজিত বৰুৱা আদি অসমীয়া কবিতাৰ শ্ৰেষ্ঠ কবিসকলৰ কবিতা সেযেহে মাথোন বিশেষ এমুঠি পাঠকৰ বাবে। কবিতাহে পঢ়া কিন্তু কাব্যতত্ত্বৰ একোকে নজনা বাকী পাঠকৰ বাবে এইবোৰ কবিতাও দুৰ্বোধ্য।

মানুহৰ মনৰ জগতত ইতিমধ্যে বৈপ্লৱিক পৰিবৰ্তন ঘটিছে। দিনে দিনে নতুন নতুন সত্য আৰু তথ্যৰ আৱিষ্কাৰৰ ফলত পৰম্পৰাগত

৪০। আধুনিক অসমীয়াৰ সাহিত্যৰ পৰিচয় পৃ ১০০
৪১। একে গ্ৰন্থ পৃ ১০৬

বিশ্বাসৰ আমূল সংস্কাৰ সাধিত হৈছে। কিছুমান মানুহৰ মনে এই সংস্কাৰ সহজে হ'বলৈ দিয়ে কিছুমানে নিদিয়ে দিয়াখিনি হ'ল আধুনিক মনৰ মানুহ। নিদিয়াখিনি প্ৰাচীনপন্থী। আধুনিক মনৰ কবিসকলে তেওঁলোকৰ কবিতাতো নতুন মনৰ প্ৰতিফলন ঘটোৱাটো স্বাভাৱিক। তেওঁলোকে প্ৰেমৰ পশ্চাতত দেখিলে লিবিডোৰ ক্ৰিয়া প্ৰিয়াৰ লোকৰঞ্জক ৰূপৰ অন্তৰালত দেখিলে নগ্ন কংকাল। শেলী কিম্বা ৰবীন্দ্ৰনাথে প্ৰেম সম্বন্ধে যি অশৰীৰি প্ৰায় অবাঙমনসগোচৰ ইন্দ্ৰজাল ৰচনা কৰি ৰাখিছিল সি যেন এই মনোবৈজ্ঞানিক বিশ্লেষণৰ এক ফুঁ লাগি উৰি গ'ল।[42] ফলত সহজ সৰল মানুহৰ অবস্থা হ'ল ধুমুহাৰ কবলত পৰা বাটৰ বাৰ দৰে। কবিতাৰ পাত মেলিলে ইমানবোৰ নতুন বস্তুৱে খেদা মাৰি আহে যে তেওঁলোকে মূৰকত একোকে নুবুজা হয়। অথচ তৃপ্তি আৰু আনন্দৰে বহুত পাঠকে নতুন কবিতা পঢ়িযেই আছে বহুত কবিয়ে লিখিযেই আছে। অনুৰাগী পাঠক নথকা হ'লে নতুন কবিতাৰ কেতিয়াবাই মৃত্যু হ'লহেতেন তাৰ ঠাইত দিনে দিনে ই সঞ্জীৱিত হৈ হৈ উঠিছে। কিন্তু সেইবুলি তাৰ দুৰ্বোধ্যতাৰ প্ৰশ্নটো আজিলৈকে মাৰ নোযোৱাটোহে আচৰিত।

কবিতাৰ জগতত আৰু এটা বিপদজনক কথা চকুত পৰে। সি হ'ল যি সকল সহৃদয় পাঠক হ'বলৈ পাৰিলেহেতেন তেওঁলোকে কবিৰ আসন লাভ কৰিবলৈ বিচাৰে। সেই কথাকে এজন সমালোচকে কৈছে কবিতাক মুক্ত কৰিবলৈ গ'লে লেখা কমোৱা প্ৰয়োজন পাঠকৰ সীমনা অতিক্ৰম কৰি কবিৰ সীমনাত অনাধিকাৰ প্ৰবেশ জোৰ কৰি নিষেধ কৰি দিব লাগিব। আৰু কবিতাক যথাৰ্থ কবিতা কৰিবলৈ গ'লে সীমনা পাৰ হৈ বিশ্বসৃষ্টিৰ লগত যোগ ৰখা কৰ্তব্য। কিন্তু যি সকলে বৰ্ণিধৰ কাৰুচাজিত ছন্দৰ আৰু শব্দৰ কেৰামতীৰ চাতুৰি দেখুৱাই কবিতা জগতত অলৌকিক শংখ বজায় তেওঁলোকৰ কবিতাৰ প্ৰতিমা বেছিদিন বাচি নাথাকে দিবসৰাত্ৰিৰ ৰৌদ্ৰজলত ৰং এৰাই যায়। বীভৎস হৈ উঠে।[43] গতিকে এই মত মানি ল'বলৈ গ'লে খুব কম সংখ্যক লোকহে প্ৰকৃত কবি হোবাৰ যোগ্য। কবিতাৰ বিষয়ে অলপ জানিযেই

---

৪২। আবু সয়ীদ আইয়ুব আধুনিক কাব্যের সমস্যা কবিতা আষাঢ় ১৩৫৩। উদ্ধৃত আধুনিক বাংলা কাব্য পরিচয় পৃঃ ২৪

৪৩। কবি ৷ চিন্তিত ছায়া পৃঃ ২৭৮

তৰল বুদ্ধিমত্তাৰে যিসকলে কবিতা নিৰ্মাণ কৰে তেওঁলোকে হঠাৎ একোটা চমক দিব পাৰিলেও যুগমীয়া সৃষ্টি কৰিব নোৱাৰে। কবিতাৰ অস্পষ্টতাৰ বাবে এওঁলোকো বহুল পৰিমাণে দায়ী।

খ্যাতি অৰ্থ সন্মান জীৱিকা আদিৰ বাবেও কিছুমান কবিয়ে কবিতা লিখে। প্ৰাণত বিশেষ তাগিদা অনুভৱ নকৰিলেও এওঁলোকে লিখিব পাৰে। এই লিখাৰ ৰহণ সনা কায়ত আৰু পিছত বৰ্ণিকাভংগত যদি নিমজতা ফুটি নুঠে তেন্তে সি পাঠকৰ হৃদয় জয় কৰিব নোৱাৰে। হব পাৰে কিছুমান কবিতাত হৃদয়তকৈ চিন্তাবৃত্তিৰ মূল্য বেছি। কিন্তু সৰ্বশেষ বিচাৰত সি পাঠকৰ হৃদয় আংশিকভাবে হলেও জয় কৰিবই লাগিব।

গতিকে দেখা যায় যে নানাধৰণৰ জটিল সমস্যা জড়িত হৈ আছে নতুন কবিতাৰ দুৰ্বোধ্যতাৰ লগত। ইয়াক দূৰ কৰিবলৈ হলে লাগিব—

(১) কবিৰ আন্তৰিকতা।
(২) ঠিক যিমানখিনি হলে তেওঁৰ কবিতাই প্ৰাণ পায় সিমান খিনিয়েই ভাব ভাষাৰ আবৰণ ৰখা
(৩) ইচ্ছাকৃত জটিলতা পৰিহাৰ কৰা
(৪) পাঠকক লাগিব ধৈৰ্য আৰু একাগ্ৰতা
(৫) পাঠক অধ্যয়নশীল হব লাগিব
(৬) কবিয়ে পাঠকৰ পৰা আৰু পাঠকে কবিৰ পৰা ইচ্ছাকৃত দূৰত্ব ৰাখিব নালাগিব।

অৱশ্যে এনেবোৰ যান্ত্ৰিক কথা কবিতাৰ জগতত বৰ বেছি খাপ খাব যেনো নালাগে। এবিধ খেয়ালি কলা বজাবজিৰ মাজেৰেহে মাটিলৈ নামি আহে। এখন পৃথিবীত কবি এখন পৃথিবীত পাঠক। মাজত দুৰ্বোধ্যতাৰ অসীম শূন্য। এই শূন্যতা যি জনে উপলব্ধিৰ আনন্দেৰে ভৰাই তুলিব পাৰে তেওঁ হল সমালোচক। কবিতাৰ দুৰ্বোধ্যতাৰ প্ৰকৃতি অথবা অপবাদ এজন সুস্থ মনৰ সমালোচকেহে আঁতৰাব পাৰিব।

## ১১২ কবি পাঠক আৰু সমালোচক

কবিতা মানুহৰ জীৱনৰ এক অত্যাবশ্যকীয় অংগ কথাষাৰ অতি ৰঞ্জিত যেন লাগিলেও সঁচা। বহুতে হয়তো ভাবিব কবিতাপ্ৰেমীৰ

বাবে কবিতাৰ সমাদৰ থাকে ঠিকেই সেইবুলি সামগ্রিকভাবে মানুহৰ জীৱনৰ লগত কবিতাৰ সম্পৰ্ক কি? পৃথিবীত যদি কবিতা নাথাকিলে হেতেন তেন্তে তাৰ বাবে কাৰণো ক্ষতি হ'লহেতেন। কবিতাৰ অবিহনেও সূৰ্য উদয় অস্ত হ'ব গছলতা বিকশিত হ'ব কৰ্মব্যস্ত মানুহে নিজ নিজ কৰ্মক্ষেত্ৰত সুখে দুখে মগন হৈ ৰ'ব। তেন্তে কবিতা লাগে কিয়? উত্তৰত ক'ব পাৰি মানুহক মানুহৰূপে চিহ্নিত কৰিবৰ বাবেই কবিতা লাগে। আহাৰ নিদ্রা মৈথুন আক্ৰমণ আত্মৰক্ষাৰ দৰে প্ৰবৃত্তিসমূহ পশুজগত আৰু মানবজীবনৰ মাজত একেদৰেই পোৱা যায়। কিন্তু মানুহৰ মাজত অতিৰিক্ত এটি গুণ হ'ল কলা প্ৰীতি যিটোৱে সূচায় মানুহৰ বতন্ত্র ৰুচিবোধ আৰু মনৰ সূক্ষ্মতাৰ কথা। সকলো কলাৰ ভিতৰত সূক্ষ্মতম আৰু সুকুমাৰতম কলা হ'ল কবিতা। কবিতা ভাল পাবলৈ জানিলে জীৱনক ভাল নোপোবাৰ কাৰণ নাই এইখিনিতেই আহি পৰে মানুহৰ জীৱনত কবিতাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা।

যি সকল কবি অথবা কবি প্ৰকৃতিৰ লোক তেওঁলোকে কবিতা ভাল পাবই। আৰু এচাম মানুহে কবিতা ভাল পায় যি সকলে বাছি বাছি অথবা নিৰ্বিচাৰে কবিতা পঢ়ে। অন্য কিছুমান লোকৰ অন্তৰত কবিতাৰ প্ৰতি এটা আগ্ৰহ থাকে যদিও তাৰ ভিতৰচ ৰাত প্ৰবেশ কৰিব নোবৰাৰ সংকোচত তেওঁলোক দূৰতে আতৰি ৰয়। আৰু কিছুমান মানুহ আছে—যিসকলৰ মনত কবিতাৰ প্ৰতি কেবল বিৰাগ আৰু অসন্তোষক ভাব। এই পিছৰ দুটা শ্ৰেণীক কবিতামুখী কৰিবৰ বাবে আৰ এবিধ লোকৰ প্ৰযোজন। এওঁলোকেই হ'ল কবিতাৰ সমালোচক।

কবি পাঠক আৰু সমালোচক এই তিনিওজনৰ বুজাবুজিৰ মাজেদিহে একোটা কবিতাই প্ৰাণ পায়। কথাষাৰ একেবাৰে এতিয়াৰ দৃষ্টিভংগীৰে কোবা হৈছে। ইয়াত কবিতা বোলোতে নতুন কবিতাৰ কথাহে বুজোবা হৈছে। কবিতাৰ দায়বদ্ধতাৰ কথা যদি মানি লোৱা হয় তেন্তে দেখা যাব যে কবিয়ে আপোন প্ৰাণৰ প্ৰেৰণাত লিখিলেও আনকো কিবা এটা দি যাব লাগে। অৰ্থাৎ চাৰিওফালৰ মানুহৰ কথা তেওঁ নাভাবিলে নচলে। তদুপৰি যেতিয়া এটা কবিতা প্ৰকাশিত হয় তেতিয়া সেইটো আনৰো সম্পত্তি হৈ পৰে। তেনে ক্ষেত্ৰত কবিৰ বক্তব্য যদি পাঠকৰ বুকুত সোমাব নোবাৰি কেৱল কাণৰ পৰ্দাত ঠেকা

থাই উৰ্ভটি আহে তেন্তে কবিতা বিফল হৈ পৰিব। কবিতা উপলব্ধিৰ বাবে কোনোবা এজন মাজৰ মানুহৰ প্ৰয়োজন হয় যিজনে নিজৰ ৰসগ্ৰাহী অন্তৰেৰে কবিতাৰ তাৎপৰ্য উপলব্ধি কৰিব পাৰে আৰু নৰ্জা সকলে সহজে বুজি ভালপোৱাত সহায় কৰিব পাৰে। সমালোচকৰ কেইটিমান গুণ থকাৰ আৱশ্যক। কবিতাৰ সমালোচক নিজেও এজন কবি হ'লে খুবেই ভাল। নহ'লেও তেওঁ সম্বেদনশীল হৃদয়ৰ ব্যক্তি হ'ব লাগিব। তেওঁ হ'ব লাগিব স্পষ্ট বক্তা নিৰপেক্ষ ব্যক্তি। গভীৰ অধ্যয়ন আৰু একাধিক ভাষাৰ কবিতাৰ বিষয়ে থকা জ্ঞান তেওঁৰ প্ৰয়োজনীয় গুণ। তেওঁ অতিৰিক্ত উচ্ছ্বাস নাইবা কঠোৰ যুক্তি এটাকো প্ৰশয় দিব নালাগিব। সৰ্বোপৰি তেওঁ হ'ব লাগিব গঠনমূলক সমালোচনাৰ পক্ষপাতী। ধ্বংসাত্মক সমালোচনাই কবিতাৰ ক্ষেত্ৰত অতিপাত অপকাৰ কৰাৰ সম্ভাৱনা থাকে। কাৰণ কবিৰ হৃদয় কিছু পৰিমাণে অভিমানী আৰু সৈ নোলোৱা প্ৰকৃতিৰ হয়। আনে কঠোৰ ভাষাৰে শুধৰাই দিয়া দোষটোক দোষ বুলি জানিলেও মানি লবলৈ তেওঁ টান পায়। গতিকে তেনে ক্ষেত্ৰত কবিয়ে কেতিয়াবা বহুতদিনলৈ কলম সাৰ্মাৰ বহি থাকিব পাৰে। সেই একেটা দোষকে যদি কোমল ভাষাৰে দেখুৱাই দিয়া যায় তেতিয়া তাৰ প্ৰকৃতিয়েই সলনি হৈ পৰে। কঠোৰ সমালোচনাই কবিতাক কেনে আঘাত হানিব পাৰে তাৰ উদাহৰণ নিতান্ত নগণ্য নহয়। ছাব্বিশ বছৰ বয়সত মৃত্যুবৰণ কৰা কীটছৰ বিষয়ে বহুতে ভাবে যে তেওঁৰ কবিতাৰ বিৰূপ সমালোচনাৰ বাবেই কবিজনাৰ প্ৰাণশক্তি টুটি আহিছিল। কবি বায়ৰণে তেওঁৰ ডন জুৱান কাব্যত জন কীটছ নামৰ কবিতাতো কৈছে যে কোৱাৰ্টাৰ্লি নামৰ পত্ৰিকাখনে ইমান তীব্ৰ নিন্দা নকৰাহ'লে কীটছ হয়তো আৰু কিছুদিন সফলতাৰে জীয়াই থাকিলেহেঁতেন।[৪৪] কথাষাৰ অতিৰঞ্জিত হ'বও পাৰে। পিছে ধ্বংসাত্মক সমালোচনাই কবিতাৰ ক্ষেত্ৰত উপকাৰ যে একো নকৰে সেইটো ঠিক। তদুপৰি নতুন কবিৰ প্ৰতিভাৰ উন্মেষণৰ সময়ত তাৰ দোষবোৰ আঙুলিয়াই দেখুওৱাৰ লগতে গুণখিনিৰো উল্লেখ কৰা নিতান্ত প্ৰয়োজন। কিন্তু বহুক্ষেত্ৰতে দেখা যায় সমালোচক সকলে যেন কলমতকৈ তৰোৱালহে হাতত ল'বলৈ ভাল পায়। একেবাৰে যুদ্ধ দেহি

৪৪। কবিতাৰ কি ও কেন প ৫৬

মনোভাৱ। এনে মনোভাবৰ চিকাৰ হোবাৰ দ ৰ্ভাগ্য ঘটিছিল ৱাল্ট হ ইটমেনৰ দৰে প্ৰখ্যাত কবিৰো। তেওঁৰ লীভ অব গ্ৰাছ নামে কাব্য স কলনখনি প্ৰকাশ হোবাৰ পিছত বষ্টন ইনটেলিজেনসাৰ নামৰ পত্ৰিকাৰ সমালোচকে লিখিছিল মন ষ্যত্বই য ত সম্মান দাবি কৰে তাত এই গ্ৰ হৰ ঠাই হোবা উচিত নহয। ইযাৰ লেখক প্ৰকৃততে পশ তকৈও অধম এটি জীৱ গতিকে সভ্যসমাজৰ পৰা এওঁক লাথি মাৰি বাহিৰ কৰি দিযা উচিত। এওৰ অৰ্থ হীন বক বকনিত ব দ্ধিমতা নাইবা শ ংখলা এটাৰো চিন নাই। মোৰ মতে মান হজন পগলাফাটেকৰ পৰা পলোৱা এজন উ মাদ মাথোন। তেওঁ টেট ফালি প্ৰলাপেই বকি আছে। [8]

আধ নিক কবিতাত নতুন চিন্তা আৰ ধাৰণাৰ বাহকৰ পে বোদ লেযাৰৰ ন ম নললেই নহয। তেওঁৰ কবিতাই সমসাময়িক পাঠক মহলত তীব্ৰ প্ৰতিক্ৰিযাৰ স ষ্টি কৰিছিল। কিছ মানে নতুন চিন্তাধাৰাৰ ৰ প দেখি অবাক হৈছিল কিছ মানে বিতৃষ্ণাত তবধ মানিছিল। এজন খঙাল সমালোচকে অসহ্য হৈ মন্তব্য দিছিল— ভয ংকৰৰ সীমা যেতিযা পাৰ হৈ অহা যায মান হে তেতিযা প্ৰবেশ কৰে অধ পতনৰ এলেকাত আঁকিবলৈ ধৰে লেতেৰা বিষযৰ ছবি। তেতিযা আবজ নাই হৈ পৰে তেও ৰ ধ্যান-জ্ঞান তাৰ মাজতে তেও লেটিলৈ থাকে। কিন্তু এসমযত এই লেটি লোবা কামতো নতুনত্ব নোহোবা হয শবদেহ গলি পচি দ গ ধ ওলাবলৈ ধৰে। এনে এটা অকথ্য অব হাৰ স ষ্টি হয যে কোনো ভাষাতেই তাৰ নাম নাই। এই যে অকথ্য অবস্থাটো ঠিক এযে হৈছে বোদ লেযাৰৰ কবিতা। [৪৬] এনে সমালোচনা পঢাৰ পিছত বহ ত পাঠকৰেই নিশ্চয বোদ লেযাৰৰ কবিতা পঢিবলৈ মন নাযাব। গতিকে এই কথা ঠিক যে কবিতাৰ জনপ্ৰিযতাৰ পথ বহ খিনি নিৰ্ণয কৰে সমালোচনাৰ ধৰনে। একেবাৰে ব্যক্তিগত মতামত এটা দিযাতকৈ সমালোচকে সদাযেই সকলো ধৰণৰ পাঠকৰ মনোভাবৰ প্ৰতি লক্ষ্য ৰাখিহে মতামত আগবঢোবা উচিত। সাম্প্ৰতিক কবিতাৰ সমালোচনাত অতি নি দা আৰ অতি প্ৰশ সা দ যোটাকে সযত্নে বাদ দি কবিতাৰ এটি স স্থ বিশ্লেষণ কৰা প্ৰযোজন। কিছ মান কবিতাৰ

---

৪৫। দ্ৰষ্টব্য: লীভ ছ অব গ্ৰাছ ৰ মডাণ লাইব্ৰেৰী সং কৰণৰ কাৰ্লি হেগ ডৱাগ লিখিত ভূমিকা।

৪৬। A H t y of M d C t m: 1750—1950 R W ll k প ৮২ ৮৩। উ ধৃত কবিতাৰ কি ও কেন প ৪৯

নতুনত্বই পাঠকক যদি বজা নবজাৰ দোমোজাত হয় তেতিয়া সমালোচকে সেই ক্ষেত্রত পথ প্রদর্শকৰ কাম কৰিব পাৰে। একোটি কবিতাৰ লগত জড়িত হৈ থকা তাৰ পূৰ্বসূৰীৰ স্মৃতি তাৰ চমক লগোৱা চিত্রকল্প প্রয়োগৰ আঁতিগুৰি কবিৰ বিশেষ চিন্তা অভিপ্রায় আৰু অনুভূতি বিশ্লেষণ কবিতাটো কিমানদূৰ সফল হৈছে আৰু বেছি সফল কৰাৰ থল আছিল নে নাই চকুত পৰা কিছুমান দোষ আৰু সেইবোৰ শুধৰোৱাৰ উপায়—এইবোৰেই এটি সমালোচনামূলক টোকাত থোৱা উচিত। এটি আশাবাদী মনোভাব ইয়াত থকাৰ খুবেই প্রয়োজন। সবাতোকৈ প্রয়োজন সমালোচকৰ গভীৰ অন্তর্দৃষ্টি আৰু বিস্তৃত অধ্যয়নৰ। তাৰ অবিহনে সমালোচনা পৰিণত হয় উপৰুবা আলোচনাত। তেনে ক্ষেত্রত দুটা কবিতাৰ মাজত কেইটিমান শব্দৰ মিল দেখিলেই পিছৰজন কবিয়ে আগৰজনক অনুকৰণ কৰিছে বুলি প্রচাৰ কৰাও দেখা যায়। পিছে এনে আলোচনা নিতান্ত তৰল আৰু ক্ষণস্থায়ী এইবোৰক সমালোচনা বুলিব নোৱাৰি। অসমীয়া সাহিত্যত এনে সমালোচনাৰে প্রাদুর্ভাব বেছি।

সমালোচকৰ পিছতে কবি আৰু পাঠকৰ দায়িত্বৰ কথাও মনলৈ আহে। কবিয়ে সাধাৰণতে আনৰ কবিতা নপঢ়ে বুলি এটা ধেমালিতে কৰা ধাৰণা প্রচলিত আছে। পিছে সঁচাকৈয়ে নপঢ়িলে কবিৰ শৈলী উন্নত নহবও পাৰে মনৰ দিগন্ত বহল নহবও পাৰে। কবিয়েও পঢ়া উচিত সকলো ধৰণৰ সাহিত্য। বিশেষ ভাগ্যৰ বলত তেওঁ কবি। তেওঁ প্রেৰণা লাভ কৰে। কিন্তু তেওঁৰ ভাগ্য প্রদত্ত প্রতিভাক মানুহৰ কল্যাণৰ কামত লগাবলৈ হলে নিজৰ মন আৰু চকু দুয়োটাকে তেওঁ শক্তিশালী কৰা উচিত। আবেগে খেলা কৰা তেওঁৰ আলসুৱা বুকু সমালোচনা সহিব পৰাকৈ কঠিনো হব লাগিব।

কবি আৰু সমালোচকতকৈ পাঠকৰ দায়িত্ব কম নহয়। তেওঁৰ লাগিব আগ্রহ ধৈর্য আৰু ৰুচিবোধ। প্রথম দর্শনত টান লগা কবিতা আঁতৰাই থোৱাতে তেওঁৰ কর্তব্যৰ অন্ত নপৰে। এখন সহানুভূতিশীল অন্তৰেৰে কবিতা পাঠৰ অনুশীলন তেওঁ বাৰে বাৰে চলাই যাব লাগিব। অবশ্যে পাঠকক সহায় কৰিবৰ বাবে আলোচনী কাকতত কবিতা সম্পর্কে বিভিন্ন ধৰণৰ আলোচনাও সততে ওলাই থকা উচিত। অনুকূল বাতাবৰণতহে কবিতাৰ সৃষ্টি আৰু সার্থক আলোচনা সম্ভৱপৰ।

## ০২.০০ কবিতাৰ নানা ৰূপ

ভাব ভাষা আৰু ছন্দৰীতিৰ উমৈহতীয়া মিশ্ৰণত জন্ম হয় যি কবিতাৰ তাৰ নানা ৰূপ। ভাবৰ অৰ্থ ব্যাপক। এই ভাব হ'ল জগতৰ চিন্তাধাৰাতকৈ বহু ওপৰত। ভাব অনুভূতিয়ে কবি মানসৰ ব্যক্তিগত কল্পনাৰ সহায়ত অথবা অভিজ্ঞতাৰ মিশ্ৰণত কলাসুলভ আত্ম প্ৰকাশেৰে পাঠকৰ মন জয় কৰাৰ যত্ন কৰে। এই যত্নতে আহি পৰে কবিৰ বক্তব্যক নিটোল ছন্দেৰে অথবা নিৰ্দিষ্ট ৰূপেৰে বান্ধি পেলোৱাৰ কথা। কিছুমান কবিতাত থাকে কবিৰ ব্যক্তিগত অনুভূতি আৰু ব্যক্তি গত আদৰ্শ অথবা ধ্যান ধাৰণাৰ প্ৰকাশ। আন কিছুমানত আকৌ কবিয়ে নৈৰ্ব্যক্তিকভাৱে আনৰ কথা অন্য বিষয় অথবা পাৰিপাৰ্শ্বিকতাৰ বিষয়ে কয়। এইদৰে ভিন্ন ভিন্ন হোৱা বিষয়বস্তুক ভিত্তি কৰিয়েই কবিতাক দুটা ঘাই ভাগত ভগোৱা হয়—ব্যক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ কবিতা। এই সম্পৰ্কে ইতিমধ্যেই বিজ্ঞজনে যথোচিত আলোচনা আগবঢ়াইছে। তথাপিও প্ৰাসংগিকতা হেৰাই যোৱাৰ ভয়ত কবিতাৰ ৰূপ বৈচিত্ৰ্যৰ ৰূপ ৰেখা এটি দিয়া হ'ল।

ব্যক্তিনিষ্ঠ কবিতাত ব্যক্তিৰ হৃদয়েই যদিও ঘাই উৎসভূমি তথাপিও বস্তুজগতৰ ছায়া তাত নপৰাকৈ নাথাকে। সেইদৰে বস্তুনিষ্ঠ কবিতাতো কবিৰ ব্যক্তিগত অনুভূতিৰ মিশ্ৰণে কবিতাটিৰ ৰহণ চৰায়। এই দুই ঘাই বিভাগৰে অসংখ্য উপবিভাগ আছে। কিছুমান উপ বিভাগ এতিয়া প্ৰচলিত নহয় যদিও সিহঁতৰ নামবোৰ সমালোচনা পুথিয়ে এতিয়াও সামৰি ৰৈছে। কিছুমান এনে উপবিভাগ আকৌ অন্য উপবিভাগৰ লগত আজিকালি মিলি পৰিছে। এই সকলো প্ৰচলিত আৰু অপ্ৰচলিত কবিতাৰ বিভাগসমূহ এইদৰে জিলিকাই চাব পাৰি

ব্যক্তিনিষ্ঠ কবিতাৰ উপ বিভাগ—

ভক্তিমূলক
স্বদেশপ্ৰেমমূলক
প্ৰেমমূলক
প্ৰকৃতিবিষয়ক

১। দ্ৰষ্টব্য সাহিত্য উপক্ৰমণিকা পৃ ৫০ ৭৩

চনেট
প্ৰশস্তি ( ode )
চিন্তামূলক
শোকগীত
চৰাঘৰৰ ৰঙীয়াল কবিতা
( Vers de Societe বা
লঘুবৈঠকী কবিতা )

বস্তুনিষ্ঠ কবিতাৰ উপ বিভাগ—

কাহিনী-গীত বা বেলাড
মহাকাব্য
খণ্ডকাব্য
নীতি কবিতা
ৰূপক
ব্যঙ্গ কবিতা
লিপি কবিতা*

এই কথা দোহৰাৰ প্ৰয়োজন নাই যে কবিতাত যিহেতু নতুন নতুন ৰীতি আৰু আঙ্গিকৰ প্ৰবেশ ঘটিছে কবিতাৰ ভাবো যিহেতু বৈচিত্ৰ্যপূৰ্ণ হৈ উঠিছে আজিৰ আলকাৰিকে হয়তো কবিতাৰ মাজত আৰু উপ বিভাগ বিচাৰি পাব। ওপৰত উল্লেখিত বিভাগ উপবিভাগবোৰো এতিয়াৰ পাঠকে প্ৰতি ক্ষেত্ৰতে মানি লব পাৰে। তথাপিও কবিতাৰ এই ৰূপ বৈচিত্ৰ্য উলাই কৰিব লগীয়া নহয়।

পৰম্পৰাগত আদৰ্শৰ বাবে কবিতাই যিদৰে ৰূপ লয় নতুন আদৰ্শ গ্ৰহণৰ বাবেও সেইদৰে ৰূপ সলায়। কোনো এখন দেশৰ বিশেষ ভাষাত একোটা উন্নত শৈলী অথবা ধাৰাৰ সৃষ্টি হলে সি স্বাভাৱিকতে অন্য দেশৰ অন্য ভাষালৈও গতি কৰে। চনেট ইয়াৰ প্ৰকৃষ্ট উদাহৰণ। বৰ্তমান কালৰ জনপ্ৰিয় কাব্যৰূপ হল জাপানী হাইকু। এষাৰি বা দুষাৰি বাক্যৰ মাজতে অপূৰ্ব ব্যঞ্জনাৰে স শোভিত হৈ উঠে হাইকুৰ বক্তব্য। কবিতাৰ বিভিন্ন ৰূপৰ ভিতৰত আকৃতিগত ভাবে হাইকুবেই বোধকৰো ক্ষুদ্ৰতম। অবশ্যে লিমাৰিক নামে ইংৰাজী সাহিত্যৰ পৰা অহা কবিতাবিধৰো

* অনুসন্ধিৎসু জনে চাব পাৰে সাহিত্য সন্দৰ্শন পৃঃ ৪৭ ৯১

আকৃতি বেছি ডাঙৰ নহয়। লিমাৰিক ব্যংগ কবিতা হয় নে নহয় সিও এটা প্ৰশ্ন হব পাৰে। পিছে ধেমেলীয়া হলেও ই ব্যংগ কবিতা বোধকৰো নহয়। কাৰণ অসমীয়া লিমাৰিকৰ সফল কবি মহেন্দ্ৰ বৰাৰ মতে "নিদেশ আমোদ অলপ হাঁহি আৰু কিছু উদ্ভট—এইখিনিয়েই লিমাৰিকৰ প্ৰাণ।"[২] কবিতা জগতৰ আৰু দুটি জনপ্ৰিয় ভাগ হল পেৰডি আৰু ননচেন্স ৰাইম—আল কাৰিকে যাক বুলিছে তদ্ৰূপ আৰু ৰূপান্তৰণ। এই দুযো বিধতে হাঁহি ধেমালিৰ পৰশ আছে।

গতিকে কবিতাৰ নানা ৰূপৰ মাজত ভাব আৰু ভাষাৰ ৰূপ বৈচিত্ৰ্য সোমাই থকা পৰিলক্ষিত হয়। নতুন কবিতাৰ মাজত এনে কবিতাও আছে যিবোৰে লোকগীতৰ পুৰণি সুৰ আধুনিক ঠাঁচত দাঙি ধৰে। কেতিয়াবা উৰ্দু কবিতা বা বায়েৰণীৰ লক্ষণ এটিও কবিতাত দেখা যায়। কোতয়াবা আকৌ এনে বিষয়বস্তুও নতুন কবিতাই সামৰে যিটো ব্যক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ দুয়োফালেই পোনাবলৈ পাৰি। কথা কথা লগা কবিতা অথচ কথা কবিতা নহয়—এনে কবিতাও পঢ়িবলৈ পোৱা যায়। এই আটাইবোৰ বিচাৰ কৰি চালে হয়তো ওপৰৰ তালিকাখনত আৰু দুটামান নাম কবিতা বিজ্ঞানীয়ে যোগ দিব পাৰিব।

## ২.১ মহাকাব্য

মহাকাব্য হল কবিতাৰ বিশালতম আৰু বৈশিষ্ট্যময় ৰূপ। সকলো কালৰ পৰাই এইবোৰ বিশেষ বৈশিষ্ট্যযুক্ত। মহাকাব্যৰ লক্ষণৰ কথা এৰিষ্টটলে কৈছে[৩] যে মহাকাব্য এবিধ বৰ্ণনামূলক সাহিত্য নাটকীয় ৰীতিৰে এবিধ স্বয়সম্পূৰ্ণ ক্ৰিয়াক কেন্দ্ৰ কৰি কাহিনী গঠিত হয়। কাহিনী হব লাগে আদি মধ্য অন্তযুক্ত আৰু ই দিব লাগে এক বিশিষ্ট ধৰণৰ আনন্দ।

মহাকাব্য হল বস্তুনিষ্ঠ কবিতা। ইয়াত লেখকৰ ব্যক্তিপ্ৰাণৰ উম নাথাকে। থাকে বিবিধ ঘটনা আৰু কাহিনী উপকাহিনীৰ বিচিত্ৰ প্ৰকাশ।

২। সাহিত্য উপক্ৰমণিকা পৃঃ ৭২

৩। A p h ld be b d o gl t o that mpl t wh l t lf w th b g g m ddl d d t bl th w k t p d t w p p pl w th ll th g ty f l g t A f t m t th h oi h b o ig l t f m p e

মহাকাব্য বিপুল আয়তন গুৰু গম্ভীৰ ৰচনা ৰীতি চমকপ্ৰদ বিৱৰণ বিবিধ ৰসৰ আস্বাদ অলংকাৰপূৰ্ণ জাকজমক ভাষা আৰু অভিজাত শ্ৰেণীৰ চৰিত্ৰৰ সমাবেশেৰে বাকী সকলো কাব্যৰূপতকৈ বেলেগ। ভাৰতীয় অলংকাৰিকৰ মতে মহাকাব্যৰ আখ্যানভাগ হোৱা উচিত পৌৰাণিক বা ঐতিহাসিক। ইয়াৰ নায়ক হ'ব লাগে ধীৰোদাত্ত শ্ৰেণীৰ সৰ্গ সংখ্যা হ'ব লাগে আঠোটাতকৈ বেছি আৰু পটভূমি হ'ব লাগে স্বৰ্গ মৰ্ত্য পাতাল বিয়পা। ইয়াত শৃংগাৰ বীৰ বা শান্তৰসৰ কোনোবা এটা ৰসপ্ৰধান হৈ থাকিব লাগে আৰু বাকী ৰসবোৰেও আশে পাশে ঠাই পাব লাগে। মহাকাব্যত সাধাৰণতে ট্ৰেজেডীৰ স্থান নাই। গতিকে নায়কৰ বিজয় প্ৰতি ঠালাভতে কাহিনীৰ অন্ত পেলোৱা হয়।

পাশ্চাত্যৰ মহাকাব্যতো অনুৰূপ প্ৰকৃতি লক্ষ্য কৰা যায়। মানব দানব দেৱ দেৱীৰ চৰিত্ৰযুক্ত অতিলৌকিক আৰু লৌকিক ঘটনা বিন্যাসৰ মাজেদি ইয়াত-ঐতিহাসিক অথবা পৌৰাণিক কাহিনী দাঙি ধৰা হয়।

কিছুমান মহাকাব্য আছে যিবোৰ একেজন কবিৰ ৰচনা নহয় যেন লাগে। কোনো এজন কবিয়ে ৰচনা কৰা মূল ৰূপটো পিছত নানা সময়ত নানাজনে হাত বুলাই তাৰ কলেবৰ ডাঙৰ কৰি পেলাই আৰু বহুতো উপ কাহিনী যোগ দি হয়তো মূলৰ ৰূপটোও কেতিয়াবা ইফাল সিফাল কৰে। বহুতো জনৰ হাতত পৰি একোখন দেশৰ সৰ্বজনৰ মনৰ কথাৰ ৰূপ লোৱা এইবোৰ মহাকাব্যত একোখন দেশ একোটি মহাজাতিৰ চিন্তা আৰু আদৰ্শৰ প্ৰতিফলন বৰ ৰূপ হৈ পৰে। এইদৰে কোনো দেশৰ আত্মাৰ পৰা জন্ম লৈ সেই দেশকে বক্ষৰ দৰে ছায়া দিয়া এইবিধ মহাকাব্যক বোলা হয় Epic of Growth বা Authentic Epic ৰামায়ণ মহাভাৰত ইলিয়াড আৰু ওডিছি এই শ্ৰেণীৰ মহাকাব্য। এইবোৰৰ ভিতৰত জাতিৰ সহস্ৰ বছৰৰ হৃৎপিণ্ডৰ স্পন্দন অনুভূত হয়।

দ্বিতীয় এটা শ্ৰেণীও পোৱা যায় মহাকাব্যৰ যাক বোলা হয় Literary Epic বা Imitative Epic অৰ্থাৎ সাহিত্যিক মহাকাব্য বা শিল্পগত মহাকাব্য। এইবোৰ নিশ্চিতভাৱে মাথোন একেজন কবিৰে ৰচনা। ইহঁতৰ আয়তন বিপুল নহয় আৰু কাহিনীভাগো শাখা প্ৰশাখা

---

৪। সাহিত্য দৰ্পণ পৃঃ ৫৬

মেলি থকা বিধৰ নহয়। তথাপিও চৰিত্ৰ কাহিনী ৰস সৃষ্টি আদিৰ মাজত ইয়াত এনে এটি মহত্ত্ব ফুটি উঠে—যিটো একান্তভাবে মহাকাব্যৰ নিজা সম্পদ। এই বিষয়ে ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল— এটি সমগ্ৰ জাতিয়ে যি কাব্যক এজন কবিৰ কবিত্বশক্তিক আশ্ৰয় কৰি ৰচনা কৰিছে তাকেই যথাৰ্থ মহাকাব্য বুলিব পাৰি। ভাৰ্জিলৰ ইনিদ টাছোৰ জেৰুজালেম ডান্টেৰ ডিভাইনা কমেডিয়া আদি এই শ্ৰেণীৰ ৰচনা।

কাহিনীৰ গতিপথ বিশ্লেষণ কৰি সৰল আৰু জটিলৰূপে মহাকাব্যক আৰু দুভাগত ভগাব পাৰি। প্ৰথমবিধত কাহিনীৰ গতি পোন আৰু সৰল। একেটা কাহিনীকে ইয়াত ঘটনাৰ ক্ৰমত আগবাই নিয়া হয় আৰু নায়কৰ জীৱন কাহিনীৰ একেমুখী বিবৰণ কেতিয়াও ম্লান নহয়। ৰামায়ণ আৰু অডিছীৰ কাহিনী এনেধৰণৰ। দ্বিতীয় বিধৰ কাহিনী জটিল। ইয়াৰ বিচিত্ৰ চৰিত্ৰৰ প্ৰাচুৰ্য আৰু উপকাহিনীৰ হেতা ওপৰা দেখা যায়। মহাভাৰত আৰু ইলিয়াডত এনে লক্ষণ দেখা যায়। মহাকাব্যৰূপে দুয়োখনেই নিৰুপম। মহাভাৰতৰ বিশাল পটভূমিত ধৰ্ম অৰ্থ কাম মোক্ষৰ প্ৰতিটো দিশেই সোমাই আছে। শিক্ষা মনোৰঞ্জন নীতি আৰু দৰ্শনৰ প্ৰতিটো উপাদানে মহাভাৰতক অমৰ কৰি তুলিছে। ইয়াৰ ভিতৰত খাজি থোৱা বহুতো কাহিনী একোখন স্বয়ংসম্পূৰ্ণ খণ্ডকাব্যৰ তুল্য।

ভাৰতীয় সাহিত্যত পঞ্চমহাকাব্যৰ উল্লেখো পোৱা যায়। কবি স্বয়ম্ভুৰ ৰচিত অপভ্ৰংশ কাব্য পউম চৰিউ (পদ্মচৰিত)ৰ মতে[৬] এনে মহাকাব্য হ'ল পাঁচখন কালিদাসৰ কুমাৰসম্ভৱম আৰু ৰঘুবংশম প্ৰবৰসেনৰ সেতুবন্ধ ভাৰবিৰ কিৰাতাৰ্জুনীয় আৰু মাঘৰ শিশুপাল বধ। এইবোৰৰ কাহিনীভাগ ৰামায়ণ নাইবা মহাভাৰতৰ পৰাই আহৰিত। এইবোৰ ৰামায়ণ মহাভাৰতৰ দৰে বিবৰ্তিত কাহিনীৰ মহাকাব্য নহয় এইবোৰ হ'ল কোনো কবিৰ সচেষ্ট ৰচনাত ধৰা দিয়া কাহিনীৰ মহান ৰূপ গতিকে এইবোৰো শিল্পিত মহাকাব্যৰ ভিতৰতে পৰে।

মহাকাব্যৰ অংশবিশেষক বিষয়বস্তু হিচাপে লৈ যিবোৰ কাব্য ৰচিত হয় সেইবোৰকে বোলা হয় খণ্ডকাব্য। বিশ্বনাথ কবিৰাজৰ মতে খণ্ডকাব্য হ'ল মহাকাব্যৰ এটা দিশৰ অনুৱৰ্তী কাব্য[৭] ইয়াত

৫। উদ্ধৃত সাহিত্য-সন্দৰ্শন পৃঃ ৮১
৬। সাহিত্য উপক্ৰমণিকা পৃ ৫৪-৫৫
৭। সাহিত্য-দৰ্পণ।

মহাকাব্যৰ সৰ্গবন্ধ নাথাকে। এনে অসংখ্য খণ্ডকাব্যৰ দুখনমানৰ উদাহৰণ হ'ল শংকৰদেৱৰ ৰুক্মিণী হৰণ, পীতাম্বৰ কবিৰ উষা পৰিণয়, ভোলানাথ দাসৰ সীতাহৰণ কাব্য, ৰঘুনাথ চৌধাৰীৰ কাৰবালা, নবকান্ত বৰুৱাৰ সম্ৰাট, ৰাবণ আদি।

## ২.২ মালিতা

মালিতাক বেলাড বা গাথা নামেৰেও বুজোৱা হয়। Baller বুলি এটা ফৰাচী শব্দ আছে, যিটোৱে নৃত্য বুজায়। পুৰণি কালত নৃত্যৰ লগত গোৱা এবিধ গীতকে বেলাড বোলা হৈছিল। এইবোৰ গীতিৰ পছ্হা লোকৰ প্ৰাণৰ পৰা ওলাই অহা মৌলিক ৰচনা সম্ভাৰ। কোনো কবিৰ নাম জানিব নোৱৰা এইবোৰ হৈছে অজ্ঞাত কোনো প্ৰতিভা সম্পন্ন প্ৰাণৰ কাহিনী কোৱাৰ প্ৰচেষ্টা।

সকলো দেশৰে প্ৰাচীন সাহিত্যত মুখে মুখে চলি অহা কিছুমান কাহিনী গীত পোৱা যায়। এইবোৰৰ মাজত সাধু অথবা আখ্যানৰ দৰে দিঠকৰ বস্তুত কল্পনাৰ বোল লগা কাহিনী এভাগ ফুটি উঠে। অসমীয়া সাহিত্যত ফুলকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত ইত্যাদি মালিতাৰ উৎকৃষ্ট নিদৰ্শন। ইয়াত আছে সাধু কথাৰ ৰাজকোঁৱৰে কাঠৰ ঘোঁৰাত উঠি মালিনীৰ ফুলনিত পৰাৰ কথা, ৰাজক বৰীলৈ ফুলেৰে পত্ৰ লিখাৰ কথা। জনা গাভৰুৰ গীতত দেখ নেদেখ এখন প্ৰমীলা ৰাজ্যৰ আভাস—যত জনাই তিৰী হৈ ৰাজপাট খায়। মালিতাবোৰত চহাকবিৰ সৌন্দৰ্যপ্ৰিয় মনৰ পৰিচয় সৰল কবিতাৰ মাজত ফুটি উঠে

কদম কুৱৰী বনৰে বাবৰী
ফুলে জকমক কৰে
বাঢৈয়ে সাজিলে কাঠৰ পখী ঘোঁৰা
আকাশে উৰাবত কৰে।
চকুদি ওফৰে জুইৰে আঙনি
নাকত বলি যায় ধোঁৱা
লেজৰ ছাটিতে বিজুলী সঞ্চাৰে
কৰিলে আলাসত ৰোৱা।

[ ফুলকোঁৱৰৰ গীত ]

মালিতাৰ প্ৰকাশভংগী সহজ সৰল আৰু অনাড়ম্বৰ। ইয়াত ঘটনা শৰ উল্লেখ আছে কিন্তু কাব্যৰীতিৰে বিস্তৃতভাবে বৰ্ণনা কৰা নহয়। যি হেতু এইবোৰ বস্তুনিষ্ঠ কবিতা ইয়াত লিখকৰ ব্যক্তিগত ধ্যান ধাৰণাতকৈ এক নিৰপেক্ষ কাহিনী কথনৰ প্ৰবৃত্তিহে দেখা যায়। মালিতাত বীৰোচিত কথা বা অলৌকিক ঘটনা থাকিব পাৰে কিন্তু নীতি বচন বা উপদেশবাণী ইয়াত কেতিয়াও নাথাকে।

মালিতাৰ ৰূপশৈলীৰ এটি চকুত লগা বৈশিষ্ট্য হল কোনো এটি চৰণৰ বাৰম্বাৰ ঘটা পুনৰাবিভাব। ইয়াৰ ফলত সমগ্ৰ গীতটো এটি বিশিষ্ট ৰূপেৰে জিলিকি উঠে। কেতিয়াবা ছন্দমিলৰ খাতিৰত অৰ্থহীন চৰণ একোটাও মালিতাত সংযোজন কৰা হয়। যেনে—

জৰাৰ কোমল জিম
বগী বগী ছোবালীবোৰ
তোমালোকক দিম

(বৰফুকনৰ গীত)

মালিতাই দিয়ে কাহিনী শুনাৰ আনন্দ। ইংলণ্ডৰ মধ্যযুগীয় ৰবীনহুডৰ গাথা আৰু আমাৰ দেশৰ বৰফুকনৰ গীত জয়মতীৰ গীত চিকন সৰিয়হৰ গীত আদিৰ ভিতৰুৱা আমেজটো একেই। এইবোৰে সাধাৰণ মানুহক দিছিল গল্প শুনাৰ আনন্দ আৰু সৃষ্টি কৰিছিল এচাম বৰাগী গায়ক। আধুনিক সাহিত্যত এইবোৰ পুৰণি মালিতাৰ ৰূপছায়াত এবিধ সাহিত্যিক মালিতাৰ সৃষ্টি হোৱা দেখা যায়। এইবোৰ হল প্ৰাচীন মালিতাৰ উমলগা বস্তুত আউঁজি থকা বিচিত্ৰ কল্পনাৰ সহযোগত সৃষ্টি হোৱা আধুনিক মালিতা। এইবোৰত অতি প্ৰাকৃত পৰিবেশক স্বাভাৱিকভাবে দাঙি ধৰা হয়। এক ৰহস্যময়তাৰ ভাবে আৰু সৌন্দৰ্যব ফুৰণে ইয়াত দিয়ে ৰমন্যাসিকতাৰ বোল। তাৰে দুটিমান উদাহৰণ জাৰ্মান কবি হাইনৰিখ হাইনেৰ লৰেলি ইংৰাজ কবি কলৰিজৰ এনচিয়েণ্ট মেৰিনাৰ কীটছৰ লা বেলে ডেম চেন্স মাৰ্চি আৰু আমাৰ অসমীয়া সাহিত্যৰ বেজবৰুৱাৰ ধনবৰ আৰু ৰতনী আগৰবালাৰ তেজীমলা জলকুৱৰী ইত্যাদি। প্ৰকৃততে এইবোৰ

৮। Th fi t df m tq l ty b t B ll d ot t p o l ty b t its mp l ty

—F S dguick The B llad

বেলাডৰ আহিৰ্ত ৰচা কবিতাহে। কবিৰ সযত্ন প্ৰচেষ্টা ইয়াত কবিতাৰ শৰীৰেৰে বিৰিঙি ওলায়। পৰ্বণি মালিতাৰ চহা হুজুৰা সুৰৰ ঠাইত ইয়াত ঘ হি মাজি উলিওৱা স ৰ ধ্বনি শুনা যায়।

## ২ ৩ গীতি কবিতা

গীতি কবিতা হ ল কবিৰ নিজা অনুভূতিৰ গীতিময় প্ৰকাশ। গীতি কবিতা কিন্তু কবিতাহে গীত নহয়। ইয়াৰ ই ৰাজী প্ৰতিশব্দ Lyric যদিও Lyre বা বীণাজাতীয় বাদ্য বজাই গোৱা গীতৰ পৰাই আহিছে গীতি কবিতাৰ লগত গানৰ সম্বন্ধ নাই। গান হ ল গীতিকাৰৰ স ৰ নিৰ্ভৰ ৰচনা। কিন্তু গীতি কবিতা বচ্ছন্দে বৈ যোৱা কবিৰ আপোন আবেগ অনুভূতিৰ প্ৰবাহ। ই হ ল ব্যক্তিগত অভিজ্ঞতাৰ প্ৰাঞ্জল অভিব্যক্তি। গতিকে গীতি কবিতাৰ মাজত কবি প্ৰাণৰ সকলোবোৰ চেতনাৰ মনোৰম অভিব্যক্তি লক্ষ্য কৰা যায়। গীতি কবিতা কো না জটিল নিয়মৰ শিকলিৰে আবদ্ধ নহয়। ছন্দ অল কাৰৰ ক্ষেত্ৰত কবিৰ বাধীনতা ইয়াত অটুট থাকে। মাথোন ইয়াত থাকিব লাগিব একোটি মাথোন চিন্তা অনুভূতি অথবা পৰিস্থিতি। গতিকে এইটি বৈশিষ্ট্য যুক্ত সকলো কবিতাই গীতি কবিতা হ ব পাৰে। চন্দ্ৰকুমাৰ আগৰৱালাৰ এখানি কবিতা মাধুৰী যিদৰে গীতি কবিতা মালিকৰ সুদীৰ্ঘ কবিতা মোৰ স্বগ ও সেইদৰে গীতি কবিতা।

গীতি কবিতাৰ ভাষা কেতিয়াবা হয় সৰল অনাড়ম্বৰ আৰু উচ্ছল ছন্দময়। কেতিয়াবা ধীৰ ম হৰ গতিৰ মাজতো গীতি কবিতাই প্ৰাণ পায়। কেতিয়াবা জটিল আৰু বিস্তাৰিত ৰীতি ভ গীৰ মাজতো গীতি কবিতা ফুটি উঠে। ইয়াত সমগ্ৰ মানব জীবনৰ চিন্তাধাৰাৰ ই গিত নাথাকে থাকে একক কবি প্ৰাণৰ ব্যক্তিগত স খ দ খ-আশা নিৰাশাৰ বাতৰি। আত্ম বিভোৰ কবিৰ প্ৰাণ প দনেৰে এইবোৰ স্পন্দিত। কবিতাবোৰে প্ৰকাশ কৰে কবিৰ জীৱন দৰ্শনৰ একোটি ৰেঙনি। কবিৰ হৃদয়বৃত্তিৰ কোমলতা দৃঢ়তা তেওঁৰ দুখ ক্ষোভ ক্ৰোধ আদিৰ প্ৰতিফলনৰ ক্ষেত্ৰত গীতি কবিতাই দাপোণৰ কাম কৰে।

মাথোন এটি অনুভৱৰ পুৰণি দিনৰ মৰম ভৰা সোৱৰণি তাকে

সুদীৰ্ঘ চাৰিকুৰি চৰণত বিয়পাই ৰচনা কৰা এটি গীতি কবিতা চন্দ্ৰধৰ বৰুৱাৰ স্মৃতি। ইয়াত কবিৰ মতিচাৰণ—

আছেনে মনত সেই হঠাতে এদিন গৈ
দেখা দেখি হোৱা দুয়ো কদম তলত সেই
চকুত চকুটি পৰি
আকৌ আহিল ঘূৰি
হিয়াৰ কথাটি কিবা সলাই লৈ।

সেই ক্ষণিকৰ দেখা পৰিণত হ'ল অনুৰাগত। তাকে কবিৰ ভাষাত

আছে নে মনত সেই দেখি থাকি ভালপোৱা
অলপ নেদেখা হ'লে থাকিব নোৱাৰা হোৱা
একোতে নপৰে মন
কিবা চাটিফুটিখন
কিবা বুলি কিবা ঘনাই বাটলৈ চোৱা?

অনুৰাগ পৰিণত হ'ল প্ৰেমত। কবিৰ মনত পৰে—

ওপৰে আকাশ নীলা দেখি মন মোহ যোৱা
তলত বননি শ্যাম দেখি চকু জুৰ হোৱা
আছেনে মনত সেই
যমুনা পাৰত গৈ
ভাল পাওঁ বুলি দুয়ো সৰল শপত খোৱা?

কবিৰ জীৱন আকাশত নিয়তিৰ পছোৱাই আন্ধাৰ নমালে কবিৰ লগৰী দূৰলৈ আতাৰ গ'ল। এতিয়া কবিৰ অন্তৰত মাথোন আছে অন্তহীন শুভকামনা—

যুতে আছা থাকা ভালে কৰো অভিলাষ মই

এইটো হ'ল সৰলৰীতিৰ গীতি কবিতা। ছন্দ গীতৰ উমাল পৰশেৰে কবিতাটো সজীৱ। কিছুমান নীতি কবিতা আছে—নতুন কবিতাৰ বাভাবিক বৈশিষ্ট্যত যিবোৰে মুখ ঢাকি থাকে। ওৰণিৰ আৰতহে থাকে আচল তৎপয। যেনে কেশৱ মহন্তৰ খেদ—

মাতিছিলো কাতিৰ পূৰ্ণিমাত
মাটিত ভাগি পৰে আকাশ
আকাশত হেৰাই যায় মাটি
ঘৰ এৰা ৰাতি

বাহিৰত দূৰৈৰত ঢৌ
তোমাৰ ওঁঠত মৌ
জোনমূৰা কাৰ্কিন তামোলৰ পাখি।
আৰু তোমাৰ চকু
আৰু মোৰ চকু।
আহিলা আউসীত
এৰা ঘৰৰ ৰাতি।
আকাশত আকাশ
মাটিত মাটি
এতিয়া যে ভিতৰৰ সকলো দেখা পাবা।

মহে বৰ নেওগৰ এই অকণমান কবিতাটোও গীতি কবিতাই—

তোমাৰেহে মই পূৰ্ণ কুম্ভ হৈ ভৰি পৰিছো
সকলো সুন্দৰী তোমাৰ কমনীয়তাৰ ৰূপভেদ
সকলো সৃষ্টি তোমাৰ বৰ্ণিকাভঙ্গ
প্ৰভাত কিৰণ তোমাৰ দৃষ্টিৰ ৰেখা অপলক
বনাঞ্চল সৰি পৰা হৰিত অঞ্চল।

এনে এটা ধাৰণা হ'ব পাৰে গীতি কবিতা যেন কোমল আৰু আলস বা গান গান লগা কথাৰ থূপ। পিছে এইবোৰত জুই ঘিৰিঙতিৰ দৰে শব্দ সম্ভাৰো থাকিব পাৰে। ৰায়চৌধুৰীৰ অগ্নিবীণাৰ দৰে জ্বকাৰ ভৰা কবিতাবোৰ এইশ্ৰেণীৰ।

গীতি কবিতাৰ মাজত বিশেষ বিভাগ কৰা সম্ভৱ নহলেও ইয়াত থূলমূলভাবে কেইটিমান ভাগ দেখা যায়। দেশৰ প্ৰতি গভীৰ প্ৰীতি শ্ৰদ্ধা আৰু অনুৰাগৰ ফলত সৃষ্টি হয় দেশপ্ৰেমমূলক কবিতাৰ। দেশৰ অতীত কাহিনী আৰু বীৰ বীৰাঙ্গনাৰ প্ৰতি শ্ৰদ্ধাযুক্ত অনুভৱৰ বাবে কবিয়ে তেওঁৰ ব্যক্তিগত অনুভূতিত বিশাল জাতিগত অনুভৱৰ ৰহণ সানে। বেজবৰুৱাৰ অসম সংগীত বাজক ডবা বাজক শংখ বীণ আৰু বৰাগী কমলাকান্ত ভট্টাচাৰ্য্যৰ পাহৰণি নলিনীবালা দেবীৰ জন্মভূমি আদি এই শ্ৰেণীৰ কবিতা। প্ৰেমমূলক গীতি কবিতাও সেইদৰে অসংখ্য আছে। দুবৰাৰ শূন্য পৰিচয় গণেশ গগৈৰ স্বপ্নভঙ্গ শশীকান্ত গগৈৰ চকুৰ আঁৰৰ সখী দেবকান্ত বৰুৱাৰ মনোৰমা আদি এনে কবিতা। প্ৰেমমূলক গীতি-কবিতাৰ ভিতৰত কিছুমানে সৰ্বকালৰ

সৰ্বদেশৰ হৃদয় জয় কৰে। বানছৰ মাই লাভ ইজ লাইক এ ৰেড ৰেড-ৰজ ব্ৰাউনিঙৰ দি লাষ্ট ৰাইড টুগেদাৰ জীৱনানন্দ দাসৰ বনলতা সেন আদি এনে মন কাঢ়ি নিয়া কবিতা। প্ৰকৃতি বিষয়ক আৰু ভক্তি মূলক গীতি কবিতাও সৌন্দৰ্যৰে ভৰপূৰ। এইবোৰত প্ৰকৃতিৰ আশ্ৰয়ত বিকশি উঠা কবি প্ৰাণৰ ৰেঙণি আৰু এক চৰম শক্তিমানৰ প্ৰতি আস্থা আৰু অনুৰাগৰ সুৰ ধ্বনিত হৈ উঠে। অসমীয়া সাহিত্যত প্ৰথমবিধৰ ভাল উদাহৰণ ৰঘুনাথ চৌধাৰীৰ কেইটামান কবিতা। দ্বিতীয় বিধত সবাতোকৈ উজ্জ্বল হৈ জিলিকি আছে নলিনীবালা দেবীৰ ভগৱৎ প্ৰেমৰ কবিতাসমূহ।

## ২ ৪ চনেট

চনেট হ'ল এবিধ দৃঢ় ছন্দ সজ্জাৰ কবিতা। এইবিধ কবিতাৰ ঘাই কথা হ'ল ছন্দৰূপ। চতুৰ্দশপংক্তিত ইয়াৰ শৰীৰ সুগঠিতভাৱে গঢ়ি তোলা হয়। ইটালীয়ান শব্দ চনেটোৰ পৰা চনেট শব্দৰ উৎপত্তি হৈছে। চনেটো মানে হ'ল মৃদু ধ্বনি। এইবিধ কবিতাত একেটি মাথোন অনুভূতি বা ভাবপ্ৰবাহ ১৪টা আখৰযুক্ত ১৪টা পংক্তিত নিৰ্দিষ্ট নিয়মেৰে বিস্তাৰিত হয়। কেতিয়াবা অৱশ্যে ১৮টা আখৰৰ মাজতো ইয়াক ফুটাই তোলা হয়। ইটালীয়ান কবি পেট্ৰাৰ্ক হ'ল চনেটৰ জন্মদাতা। ইটালীৰ পেট্ৰাক দান্তে আৰু ইংৰাজী সাহিত্যৰ চিডনি চেক্সপীয়েৰ মিলটন বৰ্ডছবৰ্থ কীটছ এলিজাবেথ বেৰেট আদি চনেটৰ প্ৰসিদ্ধ ৰচয়িতা। যদিও চনেটবোৰ সদায়েই চৈধ্যটা চৰণত বিন্যস্ত তাৰ ভিতৰৰ বিন্যাসত সূক্ষ্ম ক্ৰম পাৰ্থক্যও কেতিয়াবা দেখিবলৈ পোৱা যায়। ইংৰাজী কবিতাৰ চনেটত দুহৰ পৰা বাৰটাৰ ভিতৰত ধ্বনি বা দল থাকে। ইটালীয়ান চনেটত এঘাৰটাকৈ আৰু ফৰাচী চনেটত বাৰটাকৈ দল থাকে। ইহঁতৰ প্ৰভাৱৰ ভিত্তিত অসমীয়া চনেটক দুভাগত ভাগ কৰা হয়। পেট্ৰাকীয় অথবা ইটালীয় ধ্ৰুপদী আৰু চেক্সপীয়েৰীয় অথবা ইংৰাজী ৰমন্যাসিক।

চনেটৰ সাধাৰণ বৈশিষ্ট্যসমূহ হ'ল—

(১) ই সাধাৰণতে চতুৰ্দশ অক্ষৰযুক্ত চতুৰ্দশ পংক্তিৰ কবিতা।

(২) ইয়াত একেটি মাথোন ভাবৰ প্ৰবাহ থাকে।

(৩) ইয়াত অষ্টক আৰু ষড়কৰ দুটা সুস্পষ্ট বিভাজন থাকে।

(৪) সাধাৰণতে ইয়াৰ ভাব সংবেদনশীল আৰু ভাষা পোণ হয়।

(৫) নিৰ্দিষ্ট নিয়মৰ শিকলিৰে আবদ্ধ বাবে চনেটত অন্যান্য কবিতাৰ স্বতস্ফূৰ্ত প্ৰকাশৰীতি দেখা নাযায়।

এইখিনি কথাকে ভাঙি চাব পাৰি। প্ৰথমতে চোৱা যাওক পেট্ৰাৰ্কীয় আহিৰ চনেটলৈ। এইবিধ চনেটৰ গঠনবিন্যাস চালে দেখা যায় যে ই দুটা খণ্ডত বিভক্ত। প্ৰথম আঠোটা চৰণ মিলি গঠিত হয় অষ্টক নামৰ খণ্ডটো। পিছৰ ছয়টা চৰণে গঠন কৰে ষড়ক নামৰ খণ্ড। এই দুটাৰ মাজত ভাব প্ৰবাহ একেবাৰে বৈ থাকে যদিও দুটা খণ্ডত বিভক্ত হোৱা বাবে সেই প্ৰবাহত এটা মৃদু পাৰ্থক্যৰ গতি লক্ষ্য কৰা যায়। অষ্টকত যিটো ভাবৰ চূড়ান্ত বিকাশ ঘটে ষড়কত তাৰ এটা ধীৰ সমাপ্তি দেখা যায়। তদুপৰি কেতিয়াবা অষ্টকটো দুটা চতুষ্কত বিভক্তি হয় আৰু ষড়কটো বিভক্ত হয় দুটা ত্ৰিচৰণিকাত। এনেবোৰ চৰণত অষ্টকৰ পাছত থাকে পূৰ্ণযতি আৰু চতুৰ্থ আৰু একাদশ চৰণৰ অন্তত থাকে যতিৰ ক্ষীণ অনুভৱ। পেট্ৰাৰ্কীয় চনেটৰ ভাল উদাহৰণ হ'ল অসমীয়া কাব্য সাহিত্যৰ আদিতম চনেটটো—

সৌন্দৰ্য্যৰ বুকুৰ কাচলি উদঙাই ক
প্ৰকৃতিৰ চোঁ ঘৰ চালো পিতপিত খ
কুকুৰাঠেঙীয়া এই আখৰকিটিত খ
যি অমিয়া ঘহাঁ আছে কতো আৰু নাই। ক
কবি নিকুঞ্জত ফুলি কত কবিতাই ক
মলয়াত উটি উটি ফুৰে পৃথিবীত খ
তোমাৰ চিঠিয়ে কি তু জানে যিটি গীত খ
কবিতাৰ কাব্যে তাৰ গোন্ধকো নাপায়। ক
ফুল ফুলে সৰি যায় শুকায় বননি গ
বসন্তৰ কুহিপাত ৰদত লেৰেলে ঘ
তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী গ
নিতউ নোহোৱা বাহী নন ফুল মেলে। ঘ
যত শুঙো চুমা খাওঁ নালাগে আমনি গ
হৃদয়ত হেপাহৰ ভোটাতৰ জলে ঘ

ইযাত অষ্টকৰ মিল বিন্যাস আৰু ষড়কৰ মিল-বিন্যাস সম্পূৰ্ণ বেলেগৰূপে জিলিকি আছে। অষ্টকৰ মাজত দেখা গৈছে দুটা চতুষ্কৰ প্ৰকাশ। অবশ্যে ইযাৰ ষড়কত পেট্ৰাকীয আহি'ৰ ত্ৰিচৰণিকাৰ বিন্যাস দেখা নাযায। তাৰ সলনি পোৱা গৈছে একাতৰ মিলৰ এধাৰ মালা।[৯]

পেট্ৰাকীয চনেটত গঠন বিন্যাস এনেদৰে কৰা উচিত প্ৰথমটো চতুষ্কই এটা ধাৰণা দাঙি ধৰিব তাক প্ৰমাণ কৰিব দ্বিতীয চতুষ্কই। প্ৰথমটো ত্ৰিচৰণিকাই তাক অনুমোদন জনাব আৰু দ্বিতীযটো ত্ৰিচৰণিকাই সমগ্ৰ সিদ্ধান্তটো লৈ বিষযটো সামৰি পেলাব।[১০] তাকে সুন্দৰকৈ কব পাৰি যি কোনো এটা ভাল পেট্ৰাকীয চনেটতে এটা কাব্যিক প্ৰশ্ন আৰু তাৰ সুন্দৰ সমাধান এক আৱেগময অনুভূতিৰ জাগৰণ আৰু তাৰ ধীৰ নিষ্ক্ৰান্তি আত্মাৰ কিবা এক বেদনাবোধৰ উন্মোচন আৰু তাৰ সুমধুৰ সান্ত্বনা ইত্যাদিৰ দুটা চহকী যা প্ৰকাশ ঘটে।

এইবাৰ চোৱা যাওক চেক্সপীযেৰীয চনেটৰ শৰীৰ গঠনলৈ এটি উদাহৰণ—

| | |
|---|---|
| নিমাত বিশ্বৰ ভাষা জয জগতত | ক |
| অব্যক্ত ভাবৰ হেতু মানসী দুৱাৰ | খ |
| সজীব কবিতা সৃষ্টি এই মৰতত | ক |
| নিৰ্জীব কল্পনা কৰি অজৰ অমৰ। | খ |
| নিৰাশ প্ৰেমিকে সাজে সান্ত্বনা মাদৰ | গ |
| পূৰ্ণ মিলনত ফুটে প্ৰণযৰ ভাষা | ঘ |
| উন্মাদ পৰাণ হায শান্ত সুগভীৰ | গ |
| কবিতাৰ পাতনিত তৰি তাৰ আশা। | ঘ |
| সপোন ৰাজ্যৰ এই সৌন্দৰ্য্য আকৰ | চ |
| দিঠকত নানা ফুল ফলে ফুলনিত | ছ |
| কবিযে পিন্ধায সাজ তাৰে জগতৰ | চ |
| শান্তি আজলি পাতে তাৰ আজলিত। | ছ |
| স্বৰ্গীয ছযাৰে সৈতে কল্পতৰু জিনি | জ |
| সংসাৰ জাৱণি মাজে ভাগৰ জিৰণি | জ |

[ পদ্মনাথ গোহাঞিবৰুৱা কবিতা ]

৯। সাহিত্য উপক্ৰমণিকা পৃঃ ৬৮
১০। P pl of E gl h m t P 264

ইয়াত ষড়কৰ অংশটো এটা চতুষ্ক আৰু এটা যুগ্মকৰ ৰূপত বিভক্ত হৈ আছে। গতিকে পেট্রাৰ্কীয় চনেটৰ অষ্টকৰ অন্তত থকা পূৰ্ণযতি এইবিধ চনেটত দ্বাদশ চৰণৰ পিছত অনুভূত হয়। তদুপৰি ইয়াত গোটেইটো অষ্টকত মাথোন একে জোৰ মিলৰেই আশ্ৰয় লোৱা নহয়। ইয়াত তিনিটা চতুষ্কৰ কাৰণে বেলেগ বেলেগ তিনিযোৰ মিল থাকে।

চনেটৰ আলোচনা কৰিলে দেখা যায় যে ইয়াৰ নিৰ্মাণকাৰ্যত যথেষ্ট আংগিক কুশলতাৰ প্ৰয়োজন। গতিকে সকলো বিষয়ত বা তৎক্ষণাত আবেগ প্ৰকাশৰ বাবে ই উপযোগী নহয়। কিন্তু বৰ্ডছৱৰ্থ আৰু বছেটিয়ে আকৌ ইয়াক ভাব প্ৰকাশৰ উপযুক্ত মাধ্যম বুলিহে ঘোষণা কৰিছে। প্ৰকৃততে চনেট অসংযত চপল আবেগ প্ৰচাৰৰ বাবে উপযোগী নহয় যদিও গভীৰ আৰু সুসংযত ভাব বিস্তাৰৰ বাবে ই উপযুক্ত। বহুতে ক'বলৈ বিচাৰে যে[১১] চনেটৰ মাজেৰে কবিয়ে আত্মজীৱনী দাঙি ধৰে। কথাষাৰ সত্য আৰু অসত্যৰ দোমোজাৰ উক্তি। কাৰণ মন্ময় কবিতা যিহেতু ব্যক্তিৰ মনোৰাজ্যৰ কবিতা সি আত্মজীৱনীমূলক হ'বও পাৰে। আনহাতে কবিতাৰ পৰিধি ইমান বিশাল যে আত্মজীৱনীৰ বাহিৰে বিস্তৃত বিষয়ো ই সামৰি ল'ব পাৰে। মিলটন আৰু বৰ্ডছৱৰ্থৰ চনেট খিনিক বহু বিচিত্ৰ ভাগত ভাগ কাৰব পাৰি। চেক্সপীয়েৰৰ চনেটক বুলিব পাৰি আত্মজীৱনীমূলক। এইবোৰৰ সম্পৰ্কত বৰ্ডছৱৰ্থ কৈছে—
with this key he enlocked his heart[১২]

## ২.৫ ইলিজী: শোকৰ কবিতা

কবিতাৰ জগতত কিছুমান কবিতা শোক কবিতা বুলি চিহ্নিত। ইংৰাজীত এইবোৰক বোলা হয় ইলিজী। সাহিত্যৰ ইতিহাসত গ্ৰীক বা লেটিন ইলিজীয়েই প্ৰাচীন। ইহঁতৰ বিষয়বস্তু সদায় দুখেৰে সেমেকা। প্ৰিয়জনৰ বিয়োগ বেদনাক আশ্ৰয় কৰা ইহঁতৰ মূল ভাবৰ লগত কেতিয়াবা দুই এটি উপৰুবা ভাবে হাত মিলায় যদিও ঘাইকৈ এইবোৰ দুখৰ কবিতাৰ পেহে জিলিকি থাকে।

প্ৰাচীন ইলিজীৰ ভাগ দুটা ধ্ৰুপদী আৰু গ্ৰামীণ বা পথৰুবা।

১১। সাহিত্য সন্দৰ্শন পৃ ৬৬
১২। উদ্ধৃত সাহিত্য সন্দৰ্শন পৃ ৬৮

গ্ৰীক কবি থিয়ক্ৰিটাছ হ'ল ইলিজীৰ জন্মদাতা। তেওঁ যি বিধৰ ইলিজী ৰচনা কৰিছিল সি আছিল ধ্ৰুপদী ধাৰাৰ। সেইটো ধাৰাৰ ইলিজীত অভিজাত ৰচনা ৰীতিৰ গুৰু-গম্ভীৰ প্ৰকৃতি দেখা যায়। যি জনৰ বিয়োগত কবিয়ে দুখ প্ৰকাশ কৰে সেইজনক দেৱতা বুলি নানা গৰিমাৰে বিভূষিত কৰি ইয়াত অংকন কৰা হয়। দুদিনীয়া ৰং ধেমালিৰে মৰতৰ বুকুত বিচৰণ কৰি পুনৰ স্বৰ্গলৈ উভটি যোৱা সেই পুণ্যাত্মাৰ মূৰ্তি চাৰণৰ চকুপানীয়েই হ'ল এইবোৰৰ মূল সৌন্দৰ্য।

দ্বিতীয়বিধ ইলিজীত কবিয়ে নিজকে কল্পনা কৰে এজন ভেড়াৰখীয়া বুলি আৰু একেলগৰ এজন ভেড়াৰখীয়াৰ বিয়োগত তেওঁ দুখ প্ৰকাশ কৰে। চিচিলিৰ গ্ৰীকসকলৰ মাজত এই পদ্ধতিৰ প্ৰচলন ৰৈছি আছিল। সাহিত্যিক নৱ জাগৰণৰ সময়ত ই আহি ইউৰোপীয় সাহিত্যত প্ৰৱেশ কৰে আৰু স্পেন্সাৰৰ পৰা মেথিউ আৰ্নল্ডলৈকে ইংৰাজ কবি সকলৰ হাতত সমৃদ্ধ হৈ উঠে। এইটো আহিৰ প্ৰবৰ্তক হ'ল লেটিন কবি ভাৰ্জিল। এইটো ধাৰাৰে কেইটামান বিখ্যাত কবিতা হ'ল মিলটনৰ লিচিডাছ শ্বেলীৰ এডনেইছ আৰু মেথিউ আৰ্নল্ডৰ মেমৰিয়াম নামৰ কবিতাটি।

অসমীয়া শোক-কবিতাৰ ভিতৰ চ'ৰাত প্ৰৱেশ কৰিলে দেখা যায় যে ব্যক্তিগত বেদনাই হ'ল এইবোৰৰ সৃষ্টিৰ উৎস। এইবোৰৰ ৰচনা ৰীতিত কোনো আড়ম্বৰ নাই নিটোল ছন্দৰ সহযোগত কবিৰ বুকুৰ পাৰবাগৰা বেদনা ইয়াত নদীৰ দৰে বৈ যায়। অসমীয়া শোক কবিতাৰ আদি ৰূপটো পোৱা যায় মহাপুৰুষ মাধৱ দেৱৰ ৰচনাত। গুৰু শংকৰৰ বিয়োগৰ পিছত অনুৰাগী মাধৱৰ হৃদয় নিঙাৰি ওলাইছে—

আলো মঞি কি কহব দুখ
পৰাণ নিগৰে নাদেখিয়া চান্দমুখ

গীতটোৰ পিছডোখৰে যদিও অন্য প্ৰসংগৰ অন্য কথাৰ ইংগিত দিয়ে কথা গুৰুচৰিতে পুটকৈ কৈছে যে এইটো গুৰু বিয়োগৰ বেদনাত মাধৱদেৱে ৰচনা কৰা শোকৰ প্ৰকাশিত ৰূপ। হয়তো প্ৰতিভাবান গীতিকাৰ মাধৱদেৱে এই বত ফুত আৱেগৰ ধাৰাক পিছত অন্য দিশেদি প্ৰবাহিত কৰি কৃষ্ণ বিৰহীৰ বেদনাৰ ৰূপ দিয়ে। অসমীয়া শোক-কবিতাৰ পিছৰবোৰ উদাহৰণো এনে ব্যক্তিগত বেদনাৰ নিৰ্জৰি নিজাৰ ওলোৱা প্ৰকাশ।

অসমীয়া ইলিজীৰ কেইটামান ভাল উদাহৰণ হেমচন্দ্ৰ গোস্বামীৰ আনন্দৰাম বৰুৱাৰ স্বৰ্গযাত্ৰা ৰত্নেশ্বৰ মহন্ত আৰু হিতেশ্বৰ বৰবৰুৱাৰ পুত্ৰ বিয়োগৰ বেদনাৰে সিক্ত চকুলো পুথিৰ অন্তৰ্গত কবিতাসমূহ। মাতৃ প্ৰাণৰ বিননিয়ে জন্ম দিয়া শোক কবিতাৰ বকু চুই প্ৰকাশ দেখা যায় হিমলা বৰুবানীৰ বিননি ৰ অন্তৰ্গত কবিতা সমূহত আৰু নলিনীবালা দেবীৰ পুতলী নামৰ কবিতাটিত। দিচাং নদীৰ দুৰ্ঘটনাত পুত্ৰ পুত্ৰবধূ কন্যা নাতি আৰু লিগিৰীৰ মৃত্যুত ভাগি টুকুৰা টুকুৰ হোৱা বুকুৰে বৰুবানীয়ে লিখিছিল—

কেলেই ফুলিলি শৰতৰ শেবালী
কেলেই পেলালি কলি
কোছ ভৰি তোক কোনেনো নিবহি
থাক তলভৰি সৰি।

নাই আৰু সেই ফুলৰে কুৱৰী
আৰুতো নোগোঠে মালা
সৰগৰ দেবী সৰগলৈ গুল
সামৰি মৰতৰ মেলা।

আৰু দুফাকি বোবাৰীৰ বিয়োগত লিখা বুকু কুপোৱা ৰচনা—

কালি মোৰ লখিমীক সজাই পঠিয়ালো
সাজে পাৰে কৰি বিভূষিতা
আজি মোৰ লখিমীক দিচাং পাৰত দেখো
ধূলিত পৰি আছে স্বৰ্ণ লতা।

সেইদৰে নলিনীবালা দেবীৰ পুতলীতো আছে মাতৃ-প্ৰাণৰ হাহাকাৰৰ প্ৰকাশ।

একেটি ঘটনাৰ আলমতে কৰা শৈলধৰ ৰাজখোৱাৰ ৰচনাতো নিটোল ছন্দশৈলীৰ মাজত প্ৰকাশ উঠিছে নিয়তিৰ অমোঘ বিধান আৰু নিৰুপায় মানুহৰ যন্ত্ৰণাকাতৰ মনৰ ছবি—

যোৱা আজি ভাই যাঁচিছো বিদায়
চকুৰ পানীৰে আঁজলি ভৰি
যোৱা পতিব্ৰতা লখিমী বোৱাৰী
সীতা সাবিত্ৰীৰ পুৰোৱা শাৰী

যোৱা দেবদূত জননী কোলাত
হাঁহিবা যিদৰে হাঁহিলা ধৰাত

যোবা পূণ্যপ্ৰভা অসম কিশোৰী
সৰগ বালাৰ মূৰ্তি ধৰি।

নতুন কবিতাৰ মাজত ইলিজীয়ে নতুন ৰূপেৰে আত্মপ্ৰকাশ কৰিছে। ইলিজীৰ সৰল প্ৰকাশৰ ঠাইত ইয়াত থাকে নতুন কবিতাৰ স্বাভাৱিক ব্যঞ্জনাময় প্ৰকাশ। তাৰে এাৰ উদাহৰণ হীৰেণ ভট্টাচাৰ্যৰ জলস্তম্ভ —

জল তম্ভ
(৺ তচন্দ্ৰক ইউচুফৰ নামত)
উজান মেঘৰ গাত
শোকৰ
কলা পোছাক
কলঙৰ দহ হাত
পানীৰ তলত
বিহ্বল
জোনাক
এ ধাৰত
এ ধাৰতো জ্বলজ্বল
পটপট

এনেকৈয়ে শোক কবিতাই কবিতাৰ জগতত বিশিষ্ট আসন গ্ৰহণ কৰি আহিছে।

## ২.৬ পেৰডী লিমাৰিক আদি

কবিতাৰ সৰু সৰু বিভাগ আৰু কেইটিমান আছে। তাৰ ভিতৰৰ হাস্যৰসাত্মক কবিতা পেৰডী আৰু লিমাৰিক উল্লেখযোগ্য। পেৰডী হ'ল বেলেগ এটি কবিতাৰ হুবহু অনুকৰণত লিখা এটি ব্যংগাত্মক কবিতা। ইয়াত ছন্দ আৰু শব্দ প্ৰয়োগ যিমান পাৰি একে ধৰণে কৰা হয় কিন্তু বিষয়বস্তু হয় সম্পূৰ্ণ বিপৰীত। বেজবৰুৱাই লিখি গৈছে

দ্বিজেন্দ্রলালৰ বিখ্যাত গীত ধনে-ধান্যে পুষ্পে ভৰা ৰ অনুকৰণত এটি পেৰডী—

কত এনে কুজী থেকেৰা টেঙাই যায দাত
এটা দৈ কত এনে নেৰাই ধুলে যাক।

পেৰডীৰ ক্ষেত্ৰত মনত ৰাখিবলগীয়া কথা হ'ল মূল কবিতাটো ইযাত সদাযে হ'ব লাগে সহজে সকলোৱে চিনিপোৱা বিধৰ। অৰ্থাৎ বিখ্যাত আৰু সফল কবিতাৰহে পেৰডী সম্ভৱ। অসমীয়া সমাজত জনপ্ৰিয় পেৰডী গীত বহুত আছে কিন্তু সফল পেৰডী কবিতাৰ সংখ্যা বৰ কম। কুমাৰ মধুসূদনৰ কিমাশ্চৰ্য্যম খনতে কিছুমান পেৰডীৰ সংগ্ৰহ দেখা যায।

আৰু এবিধ ধেমেলীয়া কবিতা হ'ল লিমাৰিক। ইযাৰ পাচোটা চৰণ মিল মাথোন এযোৰ। বিন্যাসৰ ৰীতি ক ক খ খ ক। এটা উদাহৰণ—

গদাধৰ পালোবান কৰি ফুৰে কুস্তি।
ভিটামিন খায মাথো বাঢে হেনো পুষ্টি
মাখি মৰা কিল চাই
ভয খায দাৰোগাই
গালি পাৰে তিৰোতাই ধৰি তাৰ গুস্তি

শিশুৱে ভালপোৱা কিছুমান অৰ্থহীন বা আধা অৰ্থ থকা ধেমেলীয়া কবিতা আছে যত শব্দবোৰৰ ৰুনজুননিযেই এইবোৰৰ আকৰ্ষণ। এইবোৰক বোলা হৈছে ৰুনজুন কবিতা[১৩]। আধুনিক কালৰ শিশু আলোচনীবোৰত এইবোৰৰ বহুল প্ৰচাৰ দেখা যায। এইবোৰৰ ছন্দ উচ্ছল অন্ত্যমিল যুক্ত। মিল নোহোৱা ৰুনজুন প্ৰাণহীন আৰু বিফল।

## ২৭ কথা কবিতা

কবিতাৰ বিষয়ে আলোচনা কৰোঁতে কথা কবিতাৰ কথা লৈ প্ৰাযে খেলিমেলি এটাৰ সৃষ্টি হয। এই অভিনৱ বস্তুটো কথা নে কবিতা। গদ্যত অংকা কবিতাৰ ছবি এই সুকোমল প্ৰকৃতিৰ কলাবিধ সেয়েহে

১৩। ৰুনজুন কবিতা: No Rym সাহিত্য উপক্ৰমণিকা পৃঃ ৭২

সাহিত্য সমালোচনাত প্ৰায়ে উপেক্ষিত হৈ থাকে। উপেক্ষিত হৈ থকাৰ আৰু এটা প্ৰধান কাৰণ হ'ল পৃথিবীৰ অতি সীমিত কেইটামান ভাষাৰ সাহিত্যতহে কথা কবিতা আছে। কিন্তু অসমীয়া সাহিত্যত যিহেতু প্ৰথম শ্ৰেণীৰ কথা কবিতা পোৱা যায় ইয়াৰ আলোচনা হোৱা নিতান্ত প্ৰয়োজন।

কথা কবিতাৰ কিছুমান বৈশিষ্ট্য আছে। সেই কেইটা হ'ল গল্প আৰু ৰূপকথাৰ দোমোজাৰ বিষয়বস্তু অথবা প্ৰতীকি ৰূপৰ বিষয়বস্তুৰ প্ৰকাশ কবিতাৰ দৰে কম কথাৰে বেছি ইংগিত দিয়াৰ প্ৰয়াস গদ্যৰ মাজত এক লক্ষণীয় স্পন্দন প্ৰকৃতি আৰু মানব জগতৰ তুলনাত প্ৰকৃতিক শ্ৰেষ্ঠত্ব প্ৰদান ব্যক্তিগত জীবনৰ নানা অনুভূতিৰ প্ৰকাশ আৰু বিষয়বস্তুৰ দাৰ্শনিকতা ৰহস্যময়তা আৰু শিক্ষামূলকতা। সবাতোকৈ লক্ষণীয় বৈশিষ্ট্য হ'ল এইবোৰৰ ধ্বনি কুণ্ডলী ভাব গদ্য সাহিত্যত সাধাৰণতে যিটো অনুপস্থিত। কথা কবিতাক সেযেহে গদ্য যদিও কবিতা আখ্যা দিয়া হৈছে।

কথা কবিতাৰ ক্ষেত্ৰত ৰুছদেশৰ আইভান টুৰ্গেনিভৰ নাম প্ৰথমতে লোৱা হয়। তেওঁৰ ৰোগশয্যাত পৰি থকা কালৰ কিছুমান আচহুৱা অনুভৱক তেওঁ ৰচনাত ৰূপ দিছিল যিবোৰ ৰচনা গদ্য হ'লেও কবিতাৰ লক্ষণযুক্ত। সেয়ে এইবোৰক বোলা হৈছিল গদ্যত ৰচিত কবিতা। দক্ষিণ আফ্ৰিকাৰ মহিলা কবি অলিভ শ্ৰীনাৰ ( Olive Schreiner ) আৰু ফৰাচী দেশৰ কবি এলয়চিয়াচ বাৰ্ট্ৰেণ্ড ( Aloysias Bertrand ) দুজন কথা কবিতাৰ ৰচক। এইবিধ আচহুৱা সাহিত্য কলা পৃথিবীৰ সকলো ভাষালৈ বিয়পি নপৰিল যদিও কথা কবিতাৰ অভিনৱ সোৱাদৰ কথা অনুবাদ সাহিত্যৰ যোগেদিয়েই বিশ্ববাসীয়ে লাভ কৰিছে।

সৌভাগ্যৰ কথা যে অসমীয়া সাহিত্য আপুৰুগীয়া কথা কবিতাৰে চহকী। ঘাইকৈ যতীন্দ্ৰনাথ দুৱৰাই আৰু পিছত প্ৰফুল্লদত্ত গোস্বামী আৰু ৰঘুনাথ চৌধুৰীয়ে এই বিধ সাহিত্য ৰচনা কৰিছিল। দুৱৰাৰ কথা কবিতা তেওঁৰ ওপৰত পৰা টুৰ্গেনিভৰ প্ৰতিভাৰ ফল। কিন্তু আপোন মনৰ মাধুৰি মিলাই সেইবোৰক তেওঁ এনে এক ৰূপ দিছে যে ৰঙে ৰসে সেইবোৰ হৈ পৰিছে আমাৰ চিনাকি জগতৰ প্ৰাণ চমকোৱা ছবি। তেওঁৰ ৰচনাৰ আলমত অসমীয়া কথা কবিতাৰ ঘাই লক্ষণ কেইটা হ'ল—

(১) বিদেশী ম লৰ প্ৰভাৱযুক্ত
(২) ভাষা কোমল আৰু ৰ পকধৰ্মী
(৩) ব্যক্তিগত জীবনৰ অভিজ্ঞতা আৰু অন ভবৰ প্ৰভাৱ
(৪) মান হৰ হৃদযহীনতা নিযতিৰ আমোঘ শক্তি মানৱ হৃদযৰ নি স গতা আদি ঘাই স ৰ।

এইখিনি কথা কবিতাক পাচোটা স ক্ষ্ম ভাগক ভাগ কৰি দেখ বাব পাৰি।[৪] সেইকেইটা হ ল কাহিনীম লক ৰহস্যম লক ৰ পকাত্মক তত্ত্বধৰ্মী আৰু নীতিম লক।

দ ৱৰাৰ কথা কবিতাত কবিতাৰ ছায়াময মাযাময পৰিবেশ আৰু এক কাব্যিক ঐ িদ্ৰজালিকতা বিৰাজমান। ব্যঞ্জনাময ভাষা এইবোৰৰ সৌন্দয। যেনে—

আমাৰ আগৰ আৰু পাছৰ নাওবোৰ ক লৈ গ ল—ক তো অলপো চিন নাই—সেই হাঁহি ৰ ধেমালি ক ত কেনিও কাৰো এষাৰি মাত শ নিবলৈ নাই—নিমাত নিতাল শ ন এক মহান নীৰবতা এ কা ব জিব পৰা নাই। হায! এই অনন্ত অসীম নীৰবতাৰ মাজত আমি কোন কেনি যাম কোনে ব জাব ?

অন্য এটি কথা কবিতাত আছে—

ওখ ওখ পব ত শ লে অন ত নীল আকাশ শ লে অসীম বিশ্ব নিতাল মাৰি শ লে জগত ি ত ধ প্ৰকৃতি নীৰব।

এই দ ট কুৰা গদ্য ৰচনা প্ৰবন্ধ নহয গল্প নহয। অথচ ছন্দৰ বান্ধোনেৰে শ ঙ্খলিত স্পষ্ট কবিতাও নহয। গতিকে যে হৈছে কথা কবিতা কথা আৰু কবিতাৰ য গলবন্দী। ইযাৰ পৰিছন্ন ৰীতি আৰু নিৰ্দি ট গতিপথ নাই বাবেই সম্ভৱ সমালোচকৰ ভাষাত গদ্য হিচাপে ই আদশ বিচ্যুত আৰু পদ্য হিচাপে ৰ পাদশৰ বাহিৰ—চোতালৰ ব তু।[১] তথাপিও কাব্যিক আবেদনৰ ফালৰ পৰা ইযাৰ ম ল্য আছে।

---

১৪। যতীন্দ্ৰনাথ দ া কবি আৰু কবি প্ৰতিভা পৃঃ ৩৪৯
১৫। সাহিত্য উপক্ৰমণিকা পৃঃ ১১।

## ০৩ ০০ কবিতা আৰু জীৱনৰ নানা দিশ

কবিতাক সাধাৰণতে ফুল আৰু জোনাকৰ লগত একেশাৰীতে থোৱা হয়। অৰ্থাৎ এখন অপাৰ্থিৱ জগতৰ মনোৰম অনুভূতি য'ত বিচাৰি পোৱা যায় সচৰাচৰ তেনেবোৰ বস্তুৰ লগতে কবিতাৰ আসন। প্ৰকৃততে কিন্তু কবিতা ইমান আলাসতে থকা বস্তু নহয়। মাটিৰ লগতো কবিতাৰ নিবিড় সম্পৰ্ক থাকে। গতিকে মানৱ-জীৱনৰ নানা বিধৰ অনুভূতি আৰু চিন্তা ছায়াৰ লগতো কবিতাৰ এৰাব নোৱৰা সম্বন্ধ।

সাহিত্যই যুগে যুগে সমাজৰ প্ৰতিফলন ঘটাই আহিছে। দেশ জাতি আৰু সংস্কৃতিৰ প্ৰতিটো পৰিৱৰ্তন প্ৰতিটো উঠা নমাৰ স্পন্দন সাহিত্যৰ বুকুত অনুভৱ কৰা যায়। কবিতা হ'ল সাহিত্যৰ সবাতোকৈ সুকুমাৰ অংগ। ইয়াৰ মাজেদি প্ৰকাশ পায় সবাতোকৈ তীব্ৰ আৰু গাঢ় চেতনাখিনি। ব্যক্তি আৰু সমাজৰ প্ৰতিটো শুভ আৰু অশুভ দিশৰ লগত কবিতা পৰিচিত। সেয়েহে কবিতাও যুগৰ দাপোণ। যুগ মানসৰ বিচিত্ৰ ছবি কবিতাই মাৰ্জিতভাৱে প্ৰতিফলিত কৰে।

প্ৰেম বেদনা আধ্যাত্মিক চেতনা প্ৰকৃতি প্ৰীতি সংস্কাৰৰ মনোভাব বৰ্ণধৰ্মনিষ্ঠ ব্যংগ ইত্যাদি মানব মনৰ সহজাত প্ৰবৃত্তি। কবিতাত এইবোৰেই ভূমুকি মাৰে। পুৰণি দিনৰ পৰা এতিয়ালৈকে কবিতাৰ মাজত এইবোৰেই নতুন নতুন ৰূপত খেলা কৰি আছে। মাথোন প্ৰকাশৰ ৰীতি হে পৰিছে সম্পূৰ্ণ বেলেগ। প্ৰেম মানুহৰ আদিম অনুভূতি। এই অনুভূতিক লৈয়ে কিমান কবিতা কিমান গীত ৰচিত হৈছে তাৰ সীমা নাই। পৃথিবীত এনে এখন দেশ নাই যাৰ কবিতাত প্ৰেমৰ কথা নাই। প্ৰেম কি? ইয়াৰ উত্তৰত একে আষাৰতে কব নোৱাৰি। কবিতাযো প্ৰেম সম্পৰ্কে শেষ কথাষাৰ আজিলৈকে কৈ উঠিব পৰা নাই। বিশ্ব সাহিত্যৰ কবিতাৰ ইতিহাসত যদি প্ৰেমৰ কবিতা বিচৰা যায়— তেন্তে নানা ৰং ৰূপৰ কিমান কবিতা ওলাব তাৰ সীমা নাই। কবিতাত প্ৰেম (১) এক স্বৰ্গীয় অনুভূতি (২) এক দৈহিক তৃপ্তিৰ আহিলা (৩) এক গতানুগতিক খেলা আৰু (৪) ৰসহীন জীৱনত এধানি শান্তিৰ সোঁৱৰণী।

ধ্ৰুপদী কবিতাত প্ৰেমৰ ৰূপ সৰল। অভিজ্ঞাত নায়ক-নায়িকাৰ প্ৰণয় আৰু মিলন বিৰহৰ ছবিকে পুৰণি কাব্যই পাঠকক মোহিত কৰাৰ

যত্ন কৰে। ইয়াত সৌন্দর্য থাকিলেও চমক কম। একেটা পৰম্পৰাৰে প্ৰেমৰ চিত্ৰ অংকিত হোৱা বাবে পূৰণি কাব্যই প্ৰেমৰ বৰ্ণনাৰে হৃদয় আলোড়িত কৰিব নোৱাৰে। কিন্তু প্ৰতিভাবান কবিৰ হাতত তাৰ মাজতো অনন্যসুন্দৰ প্ৰেমৰ কবিতা ৰচিত নোহোৱাকৈ থকা নাই। কবি কালিদাসৰ ৰচনাত প্ৰেমে বৈদূৰ্যমণিৰ দৰে নিজকে উদ্ভাসিত কৰিছে। তাৰ দীপ্তিত কালিদাসৰ কাব্যৰ প্ৰতিটো অংগই হৈ উঠিছে ভাস্বৰ। এই প্ৰেম শৃংগাৰ ৰসেৰে ভৰপূৰ। কিন্তু দৈহিক প্ৰেমতকৈ কালিদাসে ওপৰত আসন দিছে আন্তৰিক প্ৰেমৰ। শকুন্তলাৰ কাহিনীতে তাৰ উদাহৰণ আছে। প্ৰেমৰ দুটা ৰূপ এটা হ'ল পোৱাৰ আনন্দৰ মতলীয়া অবস্থা আৰু আনটো হ'ল নোপোৱাৰ বেদনাই দেহ মন জ্বলাই পেলোৱাৰ অবস্থা। এই দুয়োটাৰে আগত আছে অনুৰাগৰ সুকোমল অনুভূতি। প্ৰাচীন ভাৰতীয় কবিতাত এইবোৰৰ মাজেদিয়েই প্ৰেমৰ ছবি অংকা হৈছিল।

যুক্ত প্ৰেম আছে তাতেই সম্ভোগ বা বিপ্ৰলম্ভ শৃংগাৰ থাকে অথবা থাকে পূৰ্বৰাগ। গতিকেই প্ৰেমৰ কাব্যত অলংকাৰ প্ৰয়োগ কৰাৰ অবকাশ প্ৰচুৰ। সেয়েহে এইবোৰৰ সৌন্দৰ্যও বেছি। সংস্কৃত কাব্যত বিৰহ বৰ্ণনাৰে বহুতো মনোৰম স্তবক ৰচিত হৈছিল। যেনে—

> সপোনতে কোনোমতে তোমাক দেখা পাই গাঢ় আলিংগনৰ বাবে শূন্যতে মই হাত মেলি যাওঁ মোক তেনে অৱস্থাত দেখাত বনদেবতাসমূহৰ মুকুতাৰ নিচিনা চকুপানীৰ ডাঙৰ টোপাল বাৰে বাৰে নিশ্চয় গছৰ কুহিপাতত পৰে।[১]

এনে উদাহৰণ অসংখ্য আছে। কুমাৰ সম্ভৱম কাব্যত পাৰ্বতীৰ মনত শিৱৰ প্ৰতি থকা অনুৰাগে তেওঁক যি কোমল যাতনা দিছে তাৰ বৰ্ণনাৰেও সৃষ্টি হৈছে বহুতো সুন্দৰ অংশ। দৈহিক প্ৰেমৰ মাজতো মহান সৌন্দৰ্যৰ আৱিষ্কাৰ কৰিব পৰা প্ৰাচীন কবিসকলৰ ৰচনাত ভাল পোৱা উন্নীত হৈছে স্বৰ্গীয় স্তৰলৈ

> আচৰিত! সুন্দৰীৰ দেহস্পৰ্শ হোৱা মাত্ৰে মোৰ চকু দুটা আধা মুদ খাই যায় গাৰ নোম শিঞৰি উঠে। সমস্ত শৰীৰ অৱশ হৈ পৰে গাল দুখন ঘামেৰে টেপটেপীয়া হয়। অন্যান্য

১ সাহিত্য দৰ্পণ পৃঃ ১১১

সকলো বিষয়ৰ পৰা মন আঁতৰি আহি নিশ্চয় মনে আনন্দ স্বৰূপ পৰম ব্ৰহ্মক যেন তৎক্ষণাত স্পৰ্শ কৰে।[২]

প্ৰেমৰ মাধুৰ্য ভৰা কবিতাৰ চৰম উৎকৰ্ষ সাধিত হৈছিল জয়দেব বিদ্যাপতি চণ্ডীদাস আদি মধ্যযুগীয় কবিসকলৰ হাতত। সমাজৰ তথাকথিত নিম্নশ্ৰেণীৰ যি গৰাকী গাভৰুৰ প্ৰতি চণ্ডীদাসৰ প্ৰণয় নিবেদন হৈছিল সেই গাভৰুক উদ্দেশ্য কৰি কবি গৰাকীয়ে কৈছিল—

তুমি ৰজকিনী আমাৰ ৰমণী
তুমি হও পিতৃ মাতৃ
ত্ৰিসন্ধ্যা যাজন তোমাৰি ভজন
তুমি বেদমাতা গায়ত্ৰী

প্ৰিয়াক ইয়াতকৈ ওপৰৰ আসনত বোধকৰো কোনো কবিয়েই থ বলৈ পৰা নাই।

প্ৰেমক আচলতে নানাভাবে ব্যাখ্যা কৰিব পাৰি। নিজ নিজ চিন্তা আৰু ধাৰণা মতে কবি আৰু চিন্তানায়কসকলে সেয়েহে প্ৰেমক অংকন কৰিছে। শংকৰদেৱ ভক্তি আদৰ্শৰ কবি। তেওঁৰ বাবে প্ৰেম গভীৰ অনুৰক্তিৰ অন্য এক নাম এই অনুৰক্তিয়েই শেষত উন্নীত হয়গৈ একান্ত ভক্তিত। তেওঁৰ কাব্যত প্ৰেমে মুখ্য স্থান কেতিয়াও পোৱা নাই যদিও প্ৰেমৰ সৌন্দৰ্য ও তেওঁ উপেক্ষা কৰা নাই। কৃষ্ণ ৰুক্মিণীৰ প্ৰথম সাক্ষাতৰ ছবিখন তেওঁ সুন্দৰকৈ ফুটাই তুলিছে।

আতি হাবিয়াসে চক্ষু নভাসন্ত আৰ।
নিমিষ কাঢ়ন্তে আতি হোবে ঘোৰ পাৰ॥
চাহন্তে চাহন্তে দুইৰো নথুড তৃপিতি।
বাঢ়ন্তেসে যাই স্নেহ আতিশয় প্ৰীতি॥

পুৰণি কালৰ অবৈষ্ণৱ কবিসকলৰ ৰচনাত প্ৰেমৰ সুন্দৰ ৰূপ শৃংগাৰ ৰসে বহু পৰিমাণে ঢাকি থৈছিল। গতিকে তেওঁলোকৰ কাব্যত ৰুচিবোধৰ স্থূলতাৰহে প্ৰতিফলন হৈছে। প্ৰেম বুলি কলে যি এক ইন্দ্ৰিয়াতীত অনুভূতিৰ কথা মনলৈ আহে তাৰ প্ৰতিফলন কম।

আধুনিক ভাৰতীয় সাহিত্যত প্ৰেম এক বিচিত্ৰ উপাদান। কবিতাৰ মাজত প্ৰেমৰ কত যে ৰূপ! ৰমন্যাসিক সাহিত্যৰ কল্পনা জগতৰ

২ সাহিত্য-দৰ্পণ পৃঃ ১০৫

সোণালী-জোনালী প্ৰেম আৰু আধুনিক সাহিত্যৰ ধূলিভৰা পৃথিৱীৰ প্ৰেম—দুয়োটাই নিজৰ নিজৰ ক্ষেত্ৰত মহিমাময়। ৰমন্যাসিক কবিয়ে প্ৰেমৰ মহত্ত্ব উপলব্ধি কৰি কৈছিল—

প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলিছে শতদল

প্ৰেম ত্ৰিভুৱনৰ চালিকাশক্তি। কিন্তু ইমান বিশাল হৈও তাৰ আধাৰ পাত্ৰ হ'ল প্ৰেমিকাৰ মনোৰম হিয়া আৰু মনোমোহা শৰীৰ। ৰমন্যাসিক কবিৰ কলমত, "সেই দেখি লেখি লেখি এশ চুমা দিয়া জাতীয় উক্তিও পোৱা যায়। বিশ্ব সাহিত্যত সাধাৰণতেই প্ৰেম আৰু নাৰীক একেলগে জড়িত কৰি পেলোৱা হয়। নাৰীৰ দেহ শোভা আৰু প্ৰাণৰ সম্মোহনৰ মাজতে যেন প্ৰেমৰ সচাঁৰকাঠি লুকাই আছে। বোধকৰো মহিলা কবিৰ সংখ্যা আপেক্ষিকভাবে কম বাবেই প্ৰেমৰ কবিতাৰ নায়ক ৰূপে পুৰুষে এতিয়াও প্ৰাধান্য পোৱা নাই। কথাষাৰ এনেধৰণৰ হৈ আছে—নাৰীৰ মাজত কিবা এটা আকৰ্ষণ থাকে দেহৰে হওক বা মনৰে হওক। সেই আকৰ্ষণে পুৰুষ কবিৰ মনত কিছুমান আবেগ অনুভূতিৰ সৃষ্টি কৰে। কিছুমান সুন্দৰ বস্তুৰ লগত ( আজিকালি অসুন্দৰ বা ভয়াবহ বস্তুৰ লগতো ) তেওঁ সেই যুৱতীৰ সাদৃশ্য দেখা পায়। তেওঁৰ মনত প্ৰেমৰ জন্ম হয়। সেই প্ৰেমে কেতিয়াবা প্ৰতিদান পায় আৰু কেতিয়াবা নাপায়। কেতিয়াবা প্ৰতিদান নিবিচাৰেও। গতিকে প্ৰেমজনিত আনন্দ বিষাদ অহংকাৰ আদি অনুভূতিৰে তেওঁলোকে কবিতা ৰচনা কৰে।

ইয়াৰ বিপৰীতে পুৰুষৰ ব্যক্তিত্ব বা দৈহিক সৌষ্ঠৱক লৈ প্ৰেমৰ কবিতা বিশেষ লিখা হোৱা নাই। ইয়াৰ কাৰণ বোধকৰো এইটোৱেই যে নাৰীমনৰ ৰহস্যময়তাৰ দৰে তেওঁলোকৰ কবিতাও ধূসৰ অনুভৱেৰে ভৰা। ভাল লগা পুৰুষৰ কথা কল্পনা কৰোঁতেও পোনপটীয়া উপস্থাপনৰ পৰা তেওঁলোক আঁতৰি থাকে। ফলত প্ৰেমৰ কবিতাত পুৰুষৰ প্ৰাধান্য নাই। দিঠকৰ প্ৰেমৰ জগতত কথমপি ঠাই পালেও কবিতাৰ প্ৰেমৰ জগতত তেওঁলোক প্ৰায় উপেক্ষিত।

গতিকে প্ৰেমৰ কবিতাত আমি প্ৰেমৰ যিবোৰ ৰূপ দেখা পাওঁ, সেইবোৰ পুৰুষ-কবিৰ ধাৰণা আৰু অনুভৱৰ ৰূপ। অৱশ্যে সফলতাৰ এটা স্তৰত কবিৰ মাজত পুৰুষ আৰু নাৰী বুলি পাৰ্থক্য নাথাকে।

তেওঁলোক এক নিৰপেক্ষ বিচাৰ বুদ্ধিৰ গৰাকী হৈ পৰে। তেনে ক্ষেত্ৰত প্ৰেম প্ৰেমেই। তাত সকলোৰে গ্ৰহণযোগ্য চিন্তা আৰু অনুভূতিৰ প্ৰতিফলন ঘটে। কিন্তু সুবিখ্যাত আৰু অতি সুন্দৰ কবিতা হলেও বনলতা সেন আৰু কল পাৰত মাজনিশা একান্ত ভাবে পুৰুষ কবিৰে কবিতা।

আজিৰ যুগত মানুহৰ মানসিক জগতখন আগতকৈ বহুত বহল হৈ আহিছে। তাৰ লগে লগে নিত্য নতুন ধ্যান-ধাৰণা আৰু আদৰ্শৰ প্ৰভাৱত সুকুমাৰ অনুভূতিবোৰে ৰূপ সলাইছে। গতিকে প্ৰেম সম্পৰ্কৰ চিন্তাধাৰাও নিঃসন্দেহে আগতকৈ বেলেগ হৈছে। কাৰোবাক ভাল পালে ওৰে জীৱন নিজৰ কৰি পাবলৈ বিচৰা আৰু সেইদৰে নাপালে শোক আৰু অভিমানত ভাগি পৰা স্বভাৱ আজিৰ কবিৰ বাবে বৰ স্বাভাৱিক নহয়। আমাৰ সৰ্বকালৰ দুজন শ্ৰেষ্ঠ প্ৰেমৰ কবি যতীন দুৱৰা আৰু গণেশ গগৈৰ কবিতাত এই শোক আৰু অভিমানৰ সুৰ আছিল। প্ৰিয়াক নাপালে জীৱন ব্যৰ্থ হৈ যাব বুলি কৰা অনুভৱৰ যুগেই আছিল সেইটো। কিন্তু সময়ৰ লগে লগে প্ৰেমানুভূতিও বেলেগ হ'ল। প্ৰেমৰ সংজ্ঞাও বেলেগ হ'ল বোধকৰো। কাৰণ আজিৰ প্ৰেমৰ কবিতাত কাৰোবাক তাৰ জীৱন পোৱাৰ সৰ্বগ্ৰাসী কামনাতকৈও কোনোবা এপলকৰ মধুৰ ক্ষণৰ সৌৰৱণেই থাকে বেছি। মনৰ এই নতুন গতি বলিষ্ঠতাৰ স্বাক্ষৰ। জীবনানন্দই কৈছিল—

> আমি ক্লান্ত প্ৰাণ এক
> চাৰদিকে জীবনেৰ সমুদ্ৰ সফেন
> আমাৰে দু'দণ্ড শান্তি
> দিয়েছিলো নাটোরের বনলতা সেন।

ব্যস্ত আৰু ক্লান্ত জীৱনত ক্ষণিকৰ বাবে হলেও শান্তি কঢ়িয়াই আনিব পাৰে প্ৰেমে। সেই প্ৰেমৰে বন্দনাৰ সুৰধ্বনি ধ্বনিত হৈছে নতুন কবিতাত এইদৰে—

> দুবৰি বনত মুকুতাৰ মণি
> চুলিৰ মেঘত লাহী আঙুলিৰ বহুতো জোন
> ( জোৱাৰৰ বাবে সাগৰ নাছিল। )
> বৰফৰ দৰে চেঁচা পৰশতো।

সি যে কি শান্তি।
অৰুন্ধতী।

নতুন কবিতাৰ ধৰ্ম ই এনে। কোনো কথাই পোনে পোনে নকয়। গতিকে ইয়াতো আঁৰ কাপোৰৰ আঁৰতহে আছে প্ৰেমৰ মধুৰতাৰ কথা। ইয়াতকৈ অলপ মুকলি হৈছিল সামান্য আগৰ কবিতাৰ ভাষা। দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেম মানে আজীৱনৰ অংগীকাৰ নহয়। দুপলকৰ প্ৰেম তেওঁৰ পৌৰুষক তৃপ্ত কৰিবৰ বাবে যথেষ্ট। তেওঁৰ অহংকাৰ—

প্ৰথম জগালো মযে তন্দ্ৰালসা গাভৰুক মনোৰমা।
হিয়াৰ তোমাৰ।

প্ৰিয়া তেওঁৰ বাবে তেজমঙহৰ সামান্য পুতলা এটি আৰু মৃত্যুশীল ফুল জগতৰ। তথাপিও শৰীৰি প্ৰিয়াৰ প্ৰেম তেওঁৰ বাবে পৰম আদৰণীয়।

অতি সম্প্ৰতিক কবিতাত প্ৰেম প্ৰায় অনুপস্থিত। নতুন কবিসকল প্ৰেমত নপৰে নেকি। নে তেওঁলোকে প্ৰেমৰ দৰে একান্ত ব্যক্তিগত অনুভূতিক কবিতাত ঠাই দিয়াটো সমৰ্থন নকৰে। সত্তৰৰ দশকত কিছু কবিতাত প্ৰেমৰ জান-নাজান ৰেঙণি এটি চকুত পৰে।

মোৰ বুকুৰ হাগ
তোমাৰ চকুৰে নামি আহে
তুমি যেতিয়া নিশাহত মিলাই দিয়া
কেতেকীফুলীয়া বতৰৰ সৌৰভ

তোমাৰ মৃণাল বাহুৰ পদ্মমগধত
কাৰ্কিনি তামোল দোঁ খাই পৰে
বৰদৈচিলাৰ ডেউকাৰ বাতাত
ৰেণু হৈ উৰে জেতুকাবৰণীয়া মেঘ
তোমাৰ বুকুত বুকুৰ হাগৰ নিজা ঘৰ
হয়তো তাতেই বৰদৈচিলাৰো
দেশ

প্ৰকৃততে সাম্প্ৰতিক কালত প্ৰেমৰ কবিতা নোহোৱা নহয়। মাথোন ইংগিতধৰ্মী এইবোৰ কবিতাত প্ৰেম লুকাই থাকে শামুকৰ গৰ্ভৰ মুকুতাৰ দৰে। তদুপৰি প্ৰেমৰ ঠাইত স্বদেশ-চেতনা আৰু সমাজ

চেতনাক নতুন কৰিবে বেছি গুৰুত্ব দিয়ে। ফলত ব্যক্তিগত প্ৰেমানুভূতিক খুব কমেইহে গুৰুত্ব সহকাৰে নিৰ্বাচিত কৰা হয়।

কবিতাৰ অন্যতম এটি উপাদান হ'ল মৃত্যু চেতনা। মৃত্যু কি আৰু মৃত্যুৰ সিপাৰে কি আছে সেইকথা জানিবৰ বাবে মানৱৰ চিৰন্তন প্ৰাণে হাঁহাকাৰ কৰে। সেই পুৰণি প্ৰশ্নৰে উত্তৰ বিচাৰি কবিতাৰ মাজতো নানা প্ৰশ্ন বা অনুভৱৰ অৱতাৰণা কৰা হয়। মৃত্যু হ'ল এখন ৰহস্যময় লোকলৈ যাত্ৰা। সেই কথাকে ছেকছপীয়েৰে কৈছিল[৩] The undiscovered land from whose bourne no traveller returns কবিৰ হৃদয় আত্মাৰ জ্যোতিৰে উদ্ভাসিত। সেই জ্যোতিত মৃত্যুৰ অন্ধকাৰ চেতনাও পোহৰেৰে জিলিকি উঠে। পৃথিৱী ৰূপে ৰসে ভৰা আকৰ্ষণে যদিও কবি সকলক সততেই মোহপাশত আবদ্ধ কৰে আৰু তেও লোকৰ অন্তৰাত্মাই যেন কৈ উঠে—

মৰিতে চাহিনা আমি সুন্দৰ ভুবনে
মানুষেৰ মাঝে আমি বাঁচিবাৰ চাই

তথাপিও মৃত্যুকে একেবাৰে অনাকাঙ্খিত বুলি ভাৰতীয় কবিসকলে কেতিয়াও কোৱা নাই। জীৱনৰ স্বাভাৱিক পৰিণতি মৃত্যু। পাৰ্থিৱ জীৱনৰ লোভ লালসা আৰু সকলো যন্ত্ৰণাৰ তাতেই শেষ। সেয়েহে ভাৰতীয় মনত মৃত্যুৰ প্ৰতি এক সহজাত আমন্ত্ৰণৰ ভাব আছে। ৰবীন্দ্ৰনাথে কৈছিল

ওগো আমাৰ এই জীৱনেৰ শেষ পৰিপূৰ্ণতা
মৰণ আমাৰ মৰণ তুমি কও আমাৰে কথা
সাৰা জনম তোমাৰ লাগি প্ৰতিদিন যে আছি জাগি
তোমাৰ তৰে বহে বেড়াই সুখ দুখেৰ ব্যথা।

এই সুৰ বেদনাৰ নহয় এক সহজ প্ৰসন্নতাৰ। মৃত্যুৰ মাজত অনন্ত সৌন্দৰ্যৰ চেতনা যি অনুভৱে দিয়ে সি নতুন চেতনা। প্ৰাচীন কাব্যত মৃত্যুক এক অমোঘ পৰিণতি বুলি ভয় আৰু শ্ৰদ্ধাৰ চকুৰে চোৱা হৈছিল। অসমীয়া বৈষ্ণৱ কবিসকলে মৃত্যুক মানৱ জীৱনৰ সীমাবদ্ধতা ৰূপে মানিছিল আৰু মৃত্যুভয়ৰ পৰা ৰক্ষা পাবৰ বাবে ভক্তিস্বৰূপ মনোবলৰ আৱশ্যকতা অনুভৱ কৰিছিল। বন্ধাৰস্থাত ভগৱানৰ প্ৰতি অনুৰক্তিয়ে মনৰ শক্তি বৃদ্ধি কৰে। এটি গীতত আছে—

৩ উদ্ধৃত ৰবীন্দ্ৰনাথেৰ সাহিত্যাদৰ্শ ও অন্যান্য প্ৰসংগ পৃ ৮৯

বঢ়া ভাই হৰিগুণ গাই নাচা
কোন দিনা আসি চাপয় মৰণ
এভো বাট চাই আছা।

ৰমন্যাসিক যুগৰ কবিতাত সকলো সুন্দৰ। প্ৰেম আৰু প্ৰেমিকাৰ মধুময় ছবি অ কাত ব্যস্ত এই যুগৰ কবিসকলে মৃত্যুৰ বিবিধ দিশৰ কথা ভাবিবলৈ বেছি অবকাশ পোৱা নাছিল। মৃত্যুৰ মাজত থকা সুন্দৰতাৰ কথা মনলৈ আনে দুজন কবিয়ে। ৰঘুনাথ চৌধাৰী আৰু নলিনীবালা দেৱীৰ কবিতাত মৰণৰ মধুময় ছবি ফুটি উঠিছে। জীৱনৰ অন্তিম দিনটো চৌধুৰীৰ মতে আত্মাৰ সৈতে পৰমাত্মাৰ মিলনৰ দিন ফুলশয্যাৰ দিন। গতিকে সেই দিনটোলৈ অপেক্ষা কৰাৰ আৱেগ আৰু উৎকণ্ঠা দুয়োটাই তেওঁৰ মাজত আছে। নলিনীবালাৰ ৰহস্যবাদী ভাৱধাৰাৰে পুষ্ট কবিতাত মৃত্যু হয় বাঞ্ছিত সুন্দৰ। কবি গৰাকীয়ে ভগবান প্ৰিয়াৰ সান্নিধ্যৰ বাবে ওৰে জীবন বেদনাৰ দীপ জ্বালি বাট চোবাৰ পিছত অনুভব কৰিছে যে একমাত্ৰ মৰণেহে তেওঁক ভগবানৰ ওচৰ চপাই নিব পাৰিব। তেওঁ অনুভব কৰিছে

চিতা নহোমা নহব
সমীৰণ মলয় চন্দন
সেইদিনা পূৰ্ণ হব
শূন্য অৰ্ঘ্য
পূৰ্ণ ই জীবন

এই পৰিপূৰ্ণতাৰ সুৰে মৃত্যুৰ ভয়াবহ ৰূপৰ ঠাইত শান্ত কোমল ৰূপ এটি ফুটাই তুলিছে।

কবি সকলৰ হৃদয় সদায়ে কৌতূহল আৰু উৎকণ্ঠাৰে ভৰা। জীবনৰ নাম গতি গতিৰ শেষত থকা জিৰণিৰ নামেই মৃত্যু। তাতেই যেন অন্য এক দৃশ্যমান জগতৰ যৱনিকা উত্তোলন হয়। কবি হুইটমেনে কৈছে[৪]—

I see now that life can not exhibit all to me
As the day can not
I see I am to wait for what will be exhibited
by death

৪। উদ্ধৃত ৰবীন্দ্ৰনাথেৰ জীবনাদৰ্শ

যুগে যুগে এয়ে যেন কবি সকলৰ প্ৰাণৰ কথা। অসমৰ এগৰাকী কবি যমুনেশ্বৰী খাটনিয়াৰে মৃত্যু সন্ধ্যা নামৰ কবিতাত কৈছে[৫]—

এইৰূপে জীৱনৰ সন্ধিয়া কালত
মৃত্যুৰ কোলাত মই কৰিলো শয়ন
দেখিম নতুন কত জ্যোতিৰ্ময় দেশ
যদিও মুদিম মই এই দুনয়ন

নতুন কবিসকলে মৃত্যুক ইমান আশা আৰু পূৰ্ণতাৰ মিশ্ৰণ বুলি কোৱা নাই অৱশ্যে। আনহে নালাগে মৃত্যু বিষয়েৰে তেওঁলোকে ৰঙিয়াল কবিতা ৰচনা নকৰাকৈও থকা নাই।[৬] মৃত্যুক বোধ কৰো সবাতোকৈ সৌন্দৰ্যমণ্ডিত ৰূপ দিছে হীৰেন ভট্টাচাৰ্যই। তেওঁৰ বিখ্যাত উক্তি—

মৃত্যুওতো এটা শিল্প
জীৱনৰ শিলত কটা
নিৰ্লোভ ভাস্কৰ্য

মৃত্যুৰ চিৰ শাশ্বত আৰু ৰহস্যময় ৰূপৰ এচেৰেঙা বিৰিঙি উঠিছে নৱকান্ত বৰুৱাৰ বল্মীক ত। কবিতাটিৰ বিষয় বস্তু মৃত্যু নহয় কিন্তু ইয়াৰ এযাৰি উক্তি প্ৰণিধানযোগ্য—

সাৱধানে ৰক্ষা কৰা মোৰ মৃত্যু
কাৰণ
মযেই মৃত্যু আৰু মযেই পুনৰুত্থান

দৃঢ়তা আৰু আত্মবিশ্বাস আজিৰ কবিৰ মনৰ লগৰী। আৱেগৰ বন্দী কবি নোহে নিয়মৰ বুলি কোৱা হলেও আজিৰ কবিয়ে কেৱল আৱেগৰ অধীন হৈ কবিতা নিলিখে। যুক্তি আৰু অধ্যয়নপুষ্ট মনৰ পৰিচয় স্বৰূপ এইবোৰ কবিতাত সেয়েহে ভয় শংকা সংকোচ ইত্যাদি প্ৰবৃত্তিবোৰ দেখা নাযায়। আধুনিক কবি মনত সকলো মাটিৰ গোন্ধ আৰু নক্ষত্ৰৰ পোহৰ পোৱাৰ পিছতো সকলো মানুহ আৰু দেৱতাৰ কথা জনাৰ পিছতো সকলো ভালপোৱা বুজাৰ পিছতো আৰু এক বিহ্বলতা লুকাই থাকে।

---

৫। উদ্ধৃত লেখিকাৰ জীৱনী পৃ ১৭৫

৬। মহেন্দ্ৰ বৰাৰ পৰ টিলিঙা মাতৰ মৃত্যু দ্ৰষ্টব্য।

মৃত্যুক ভাল পাবলৈ থকা সেই চিৰন্তন বিহ্বলতাৰ কথা কবি জীবনানন্দই তেওঁৰ মণি মুকুতা খটোৱা প্ৰকাশভংগিৰে কৈছে—

মৃত্যুরে বন্ধুর মত ডেকেছি তো প্রিযার মতন।
চকিত শিশুর মত তার কোলে লুকায়েছি মুখ

আৰু

মৃত্যুরে ডেকেছি আমি প্রিযের অনেক নাম ধৰে।
যে বালক কোনো দিন জানে নাই গহ্বরের ভয
পুবের হাওযার মত ভূত হযে মন তাব ঘোবে।
নদীর ধাবে সে ভূত একদিন দেখেছে নিশ্চয।
পাযেব তলেব পাতা—পাপড়িব মত মনে হয
জীবনেরে—খসে গিযেছে যে তাহাব মতন
জীবন পড়িযা থাকে।

জীৱনৰ সিপাৰৰ সেই দেশখনলৈ নতুন কবিৰ এটি প্ৰেম ভৰা আৰু স্থিৰ লক্ষ্য প্ৰস্তুতি আছে। গীতাৰ দেশ ভাৰতবৰ্ষৰ কবিয়ে জন্মান্তৰ বাদ আদি আধ্যাত্মিক তত্ত্বসমূহ জানিও প্ৰশ্ন কৰে—

কিয আহিছিলো বাৰু
গৈছিলো কিযনো উভতি
অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ
বাৰে বাৰে আহিছো উলটি

সময়ৰ দাবী নিৰ্বিবাদে মানি লৈ পৰপাৰৰ বাবে দ্বিধাহীন প্ৰস্তুতি কৰাৰ আভাস থকা এটি কবিতা হ'ল মহেন্দ্ৰ বৰাৰ পুনৰাবৰ্ত্তি।

জীৱনে মাতিলে মোক হে পাহেৰে আকৌ এবাৰ
পৃথিবীৰ বজাৰত বেহা মোৰ হোৱা নাই শেষ
পাৰপত্ৰ নহ'ল সংগ্ৰহ
চিচিমুখ জাহাজৰ দীঘলীযা উকি
একেবাৰে মিছা সকীযনি
শূনা ভাগে শুনাতে থাকিল
আধা বাট এনেযে থচকি আহিলোঁ উলটি

ইমান নিৰ্বিকাৰ ভাব বোধ কৰো ভাৰতীয় মনৰ বাবেহে সম্ভৱ। সমাহিত ভাৱে তপস্বীৰ দৰে অন্তিম ক্ষণলৈ বাট চোৱাৰ কবিতা হ'ল

অতুলচন্দ্ৰ হাজৰিকাৰ শেষ বয়সৰ কবিতাসমূহ। সন্ধ্যাৰাগ নামৰ কবিতাত তেওঁ কৈছে—

শুনি আছো ৰিণি ৰিণি সিপাৰৰ ধ্বনি
কাকো হলে দেখা পোৱা নাই।
গৱাকীৰ ইচ্ছামতে উৰি আছো চিলা
বতাহত ঢোলোকনি খাই
জনা নাই ডোলগছি কিমান দীঘল
যৱনিকা কেতিয়া পেলায়
ঢল ঢল চকু দুটি আহে মুদ খাই
সন্ধ্যাৰাগে বাট পোহৰায়।

মৃত্যু চেতনাৰ লগত আধ্যাত্মিক চেতনা গভীৰভাবে জড়িত। সমস্ত বিশ্বৰে কবি সমাজত বিশ্ব সংসাৰ আৰু তাৰ সিপাৰে থকা শক্তিৰ বিষয়ে নানা চিন্তা ভাৱনা চলি আহিছে। এনে চিন্তাই কবিতাত এক ৰহস্যবাদী ধাৰাৰ সৃষ্টি কৰিছে। ভগৱানৰ বিষয়ে আৰু তেওঁৰ অমিত শক্তি আৰু প্ৰেমৰ বিষয়ে সমগ্ৰ বিশ্বতে অসংখ্য শ্ৰেষ্ঠ কবিতাৰ জন্ম হৈছে। কবিগুৰুৰ গীতাঞ্জলিৰ মাজত চিৰ সুন্দৰ ভগৱানৰ অৰূপ ৰূপৰ ছবি ব্যঞ্জনাসমৃদ্ধ হৈ জিলিকি উঠিছে। কবি আৰু ভগৱানৰ মাজত থকা সম্পৰ্কৰ বিষয়ে অসমীয়াত যিমানবোৰ কবিতা আছে তাৰ ভিতৰত বোধকৰো সৰ্বোত্তম হ'ল নাম ঘোষাৰ কেইটিমান ঘোষা। মাধবদেৱৰ এইখন পুথিৰ তুলনা ভাৰতীয অন্য ভাষাত পাবলৈ নাই। ভক্তি প্ৰেম আৰু অভিমানৰ নিবিড় সম্পৰ্কেৰে ইযাত প্ৰিয়তম ভগবানক তেওঁ বান্ধি পেলাইছে। পিছৰ কালৰ আধ্যাত্মিক কবিতাৰ ভিতৰত কবিতাৰূপে সবাতোকৈ ৰসোত্তীৰ্ণ হৈছে নলিনীবালা দেৱীৰ কবিতাসমূহ। তাৰ আগৰ বেজবৰুৱা আগৰৱালাৰ দিনতো আধ্যাত্মিক ভাবৰ কবিতা আছিল। কিন্তু সেইবোৰৰ মোহিনীগুণ বেছি তীব্ৰ নাছিল। চৰাচৰৰ গৱাকীৰূপে ভগৱানৰ বন্দনা তেওঁৰ অসীম শক্তিৰ ওচৰত নতি স্বীকাৰ তেওঁৰ কৃপা পাবলৈ কৰা কামনা ইত্যাদিয়েই হ'ল কবিতাত আধ্যাত্মিকতাৰ সচৰাচৰ প্ৰকাশ পোৱা দিশ। বিশ্ব-সাহিত্যত চুফীবাদ আৰু ভাৰতীয় অতিন্দ্ৰীযবাদ দুটা ঘাই দিশ য'ত ভগৱান আৰু তেওঁৰ লগত মানুহৰ সম্পৰ্কৰ কথা প্ৰেম আৰু শ্ৰদ্ধাৰ ৰঙেৰে বোলাই চোৱা হয়। অতিন্দ্ৰীয়বাদী কবিতাৰ ভিতৰত নলিনীবালা দেৱীৰ

কবিতাখিনি এক মনোৰম সম্পদ। ইযাত ভগবানৰ প্ৰতি গভীৰ বিশ্বাস আৰ অনুৰক্তি আৰু তাৰ লগে লগে তেওঁৰ সান্নিধ্য লাভৰ বাসনা প্ৰস্ফুটিত হৈছে। নলিনীবালাৰ বিশ্বাসত ভগবান প্ৰেমময় আৰু সুন্দৰ। ৰূপকধৰ্মী ভাষাৰে ভক্তা অথবা প্ৰেমিকা কবি আৰু চিৰ সুন্দৰ প্ৰিয়ৰ কথা এটি আটকধুনীয়া কবিতাত তেওঁ এইদৰে কৈছে—

সাঁজৰ বন্তি তেতিয়াও জ্বলা নাই
পিন্ধিছিলো মই কপালত সোণ ফোঁট
খিড়িকী মুখত সোণৰ দাপোণ ধৰি
আপোন মনেৰে বান্ধিছিলো খোপা মোৰ—
এই লগনতে গধূলি ধূসৰ বাটে
কৰুণ দৃচকু তৰুণ পথিক ৰথে
ভাগৰ ঘামত ভাগৰা ৰথৰ ঘোঁৰা
বাটৰ ধূলিৰে ধূসৰিত বাস বেশ
সুধিলে কাতৰে—তেওঁ ক’ত তেওঁ ক’ত ?
ক্লান্ত চৰণে মোৰ দুৱাৰত বৈ
লাজত মৰোঁহি নোৱাৰিলো ক’ব মই
শ্ৰান্ত পথিক। সেযে মই সেযে মই।

এটি সুন্দৰ প্ৰেম গীতিৰ দৰে এই কবিতাৰ মাজত আত্মা পৰমাত্মাৰ ৰহস্যময় সম্পৰ্ক আভাসিত হৈছে। ৰায়চৌধুৰীৰ কবিতাৰ মাজতো ভগবানৰ অসীম ৰূপৰ বন্দনা ফুটি উঠিছে তুমি কাব্যত।

ভাৰতীয মনত ভগৱানৰ প্ৰতি যি এক আপোন ভাব আৰ স্নেহময দাবীৰ সুৰ ধ্বনিত হয কবিতাত তাৰ প্ৰকাশ সুন্দৰকৈ ধৰা পৰিছে বিশ্বকবিৰ গীতাঞ্জলিত। কৰুণাময ভগবানে ইচ্ছা কৰিলেই ক্ষুদ্ৰ মানৱক ধৰা দিব পাৰে মানৱ হৃদযৰ শূন্য পাত্ৰ কৰুণাৰে ভৰাই দিব পাৰে। তেওঁৰ সেই দয়াময ৰূপৰ প্ৰতিযেই যেন কবিৰ অনুৰোধ—

তুমি আমাব আপন তুমি আছ আমার কাছে
এই কথাটি বলতে দাও হে বলতে দাও
তোমার মাঝে মোর জীবনেব সব আনন্দ আছে
এই কথাটি বলতে দাও হে বলতে দাও।

জীৱনক সুন্দৰ কৰাৰ যিমানবোৰ স্বাভাৱিক আহিলা আছে তাৰ ভিতৰত প্ৰকৃতিও অন্যতম। গতিকে জন্মলগনৰে পৰা প্ৰকৃতি কবিতাৰ

লগৰী। কবিতাত প্ৰকৃতিৰ ভূমিকাৰ বিষয়ে বিশেষ আলোচনা কৰাৰ প্ৰয়োজন নাই। কাৰণ সকলো দেশৰে সকলো ভাষাৰে কবিতাত প্ৰকৃতিৰ আসন আগশাৰীত। মাথোন মনত ৰাখিব পাৰি দুটামান কথা। ধ্ৰুপদী কবিতাত প্ৰকৃতি নিজীৱ আৰু কাহিনীৰ অলংকাৰ স্বৰূপ। কিন্তু এইবোৰ কবিতাতে বোধ কৰো প্ৰকৃতিৰ জাকজমক বিৱৰণৰ পযোভৰ সবাতোকৈ বেছি। ৰমন্যাসিক কবিতাত প্ৰকৃতি মনোৰমা। শিক্ষাদাত্ৰী ৰূপেও ৰমন্যাসিক কবিয়ে প্ৰকৃতিক বিচাৰ কৰে। প্ৰিয়াৰ ৰূপ আৰু সুষমাৰ তুলনা বিচাৰি এই সকল কবিয়ে সদায় প্ৰকৃতিতে আশ্ৰয় লয়। ফুলৰ ৰূপ চৰাইৰ গীত জোন তৰাৰ শোভা পৰ্বত বনৰ শ্যামলিমা আৰু ছয় ঋতুৰ বিবিধ ৰঙৰ আকৰ্ষণৰ মাজত ৰমন্যাসিক যুগৰ কবি সকলে কবিতাৰ সমল বিচাৰি পাইছিল।

নতুন কবিতাৰ যুগ আবেগতকৈ বুদ্ধিক প্ৰাধান্য দিয়াৰ যুগ। সেইবুলি হৃদযক দোলা দিযা কোনো উপাদানকে ইয়াত আঁতৰাই থোৱা হোৱা নাই। গতিকে প্ৰকৃতিও পূৰ্ণ মৰ্যাদাৰে নতুন কবিতাৰ বুকুত প্ৰতিষ্ঠিত হৈ আছে। কটাক্ষতে কথা বুজোৱাৰ যি ৰীতি নতুন কবিতাই মানি চলে তাত প্ৰকৃতিৰ পৰাই গ্ৰহণ কৰা অজস্ৰ উপাদান প্ৰযোগ কৰা হয। উদাহৰণ তাৰ অসংখ্য। প্ৰাচীন কবিতাৰ উপমা আৰু নতুন কবিতাৰ চিত্ৰকল্প দুযোবিধতে প্ৰকৃতি প্ৰধান লগৰী। মানুহৰ অবচেতনৰ আশা বুদ্ধিৰ তীক্ষ্ণতা নিসঙ্গতা নিৰ্জনতা আদি সমস্ত বিচিত্ৰ অনুভৱ ফুটাই তুলিবৰ বাবে প্ৰকৃতিযেই শ্ৰেষ্ঠতম আহিলা। মানুহৰ সীমাবদ্ধতা প্ৰকাশ কৰিবৰ বাবেও প্ৰকৃতি হব পাৰে মনোৰম মাধ্যম। জীবনানন্দৰ এটি কবিতা—

ঘুঘুদেব শাদা ডানা—নীল বাত্ৰি—কমলা বঙেব মেঘ
—সমুদ্রের ফেনা রোদ
হরিণেব বুকে বেদনাব

নীরব আঘাত
এবা প্রশ্ন কবে নাকো ইহারা সুন্দর শান্ত জীবনেব
উদযাপনে সন্দেহের হাত

ইহারা তোলেনা কেউ আঁধাবে আকাশে
ইহাদেব দ্বিধা নাই—ব্যথা নাই—চোখে ঘুম আসে।

কবিতাৰ মাজত মানুহৰ বিশালতাৰ সন্ধেদ দিবৰ বাবেও প্ৰকৃতিয়েই উপযুক্ত আছিলা। নবকান্ত বৰুৱাৰ কবিতাত আছে—

মোৰ আগেযে উঠি আহিছে আৰু বহুতো
হঠাৎ ঐ বৰ্যেৰে অবাক কৰি দিছে ভূমিচম্পাৰ নশ্বৰতাই
বকুত পীযুষ লৈ মৰ তুলিছে গাভৰু ধানৰ শীহবোৰে
মৃত্যুৰ সৌন্দৰ্যৰে সাগৰত খলকনি তুলিছে আনে নয দ্বীপৰ
আকস্মিকতাই

মূঠতে প্ৰকৃতিৰ মাজৰ পৰা সমল বুটলি নোলোবাকৈ কবিতাই খোজ দিব নোবাৰে বুলিয়েই কব পাৰি। কবিৰ বিভিন্ন ধৰণৰ মনোভাব প্ৰতিফলনৰ ক্ষেত্ৰত প্ৰকৃতিৰ ভূমিকা এখন দাপোণৰ দৰে। এই দাপোণত কবিৰ উল্লাস বিষাদ আৰু আশা নিৰাশাৰ সকলো শাস্বত ৰূপ প্ৰতিফলিত হয।

কবিতাৰ সবাতোকৈ মূল্যবান সম্পদ হ’ল মানুহ। মানুহ বিশাল আৰু অসীমৰ প্ৰতিভূ। সবাব ওপৰে মানুষ সত্য তাহাব ওপবে নাঁই এই মহাবাণী যুগে যুগে কবিতাই বহন কৰিছে। মানুহৰ মহত্ত্ব ফুটাই তোলাৰ গুণটো কবিতাই ঘাইকৈ লাভ কৰিছে ৰমন্যাসিক কবিতাৰ দিনত। এই যুগৰ কবিযে দেখিছে মানুহৰ মাজত অপাৰ ৰহস্য আৰ সীমাহীন সৌন্দৰ্য। মানুহৰ প্ৰকৃত স্বৰূপ হ’ল তেওঁ অনন্তৰ অংশ অখণ্ডৰ খণ্ডৰূপ। মানুহৰ শক্তিৰ পাৰাপাৰ নাই। কবি চন্দ্ৰকুমাৰ আগৰবালাৰ মানব বন্দনাৰ কবিতা অসমীয়া কবিতা জগতলৈ মূল্যবান সংযোজন। তেওঁৰ বিখ্যাত উক্তি—

মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেব
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লৈ
জয জয় মানৱ দেব

বাংলা সাহিত্যত বিশ্বকবিৰ বিশাল কবিতা প্ৰৱাহৰ মাজত মানব বন্দনাৰ শক্তিশালী সুৰ শুনা যায। তেওঁ মানুহৰ মাজত থকা অসীম শক্তিৰ পূৰ্ণৰূপ প্ৰত্যক্ষ কৰিব বিচাৰিছিল। মানুহৰ তুলনা নাই। মানুহ সুন্দৰ শুভ আৰু ভযঙ্কৰ। এটি কবিতাত তেওঁ কৈছে—

আজ ৰবষাব ৰূপ হেৰি মানবের মাঝে
চলেছে গরজি চলেছে নিবিড় সাজে।

হৃদয়ে তাহার নাচিয়া উঠিছে ভীমা
ধাইতে ধাইতে লোপ কবে চলে সীমা
কোন তাডনায় মেঘেব সহিত মেঘে
বক্ষে বক্ষে মিলিযা বজ্র বাজে
ববষাব ৰূপ হেবি মানবেব মাঝে।

আধুনিক যুগৰ সকলো সাহিত্যৰ মূল কেন্দ্ৰবিন্দু হ'ল মানুহ। মানুহৰ প্ৰেম ঘৃণা খং প্ৰীতি আদি নানা অনুভৱ আৰু নানা সমস্যাৰ ৰূপায়ণ কৰাই আজিৰ সাহিত্যৰ প্ৰধান কাম। সাহিত্যৰ দায়বদ্ধতা বুলি জনপ্ৰিয় উক্তি আছে। সিও সমৰ্থন কৰে যে সাহিত্যৰ আদৰ্শ হোৱা উচিত মানুহ তথা সমাজৰ মংগলৰ বাবে নিজকে নিয়োজিত কৰা। এই আদৰ্শই কবিতাক ভগবান আৰু প্ৰকৃতিৰ পৰা আঁতৰাই আনি দিঠকৰ সুচা পৃথিৱীখন চাবলৈ শিকায। মানুহ সংসাৰৰ শ্ৰেষ্ঠ জীৱ। অথচ মানুহৰ নিজৰ মাজতে সীমাহীন ভেদাভেদ আৰু কদৰ্য খেলা। মানুহৰ সমাজত উচ্চ-নীচৰ দুখন পৃথিৱী আছে। এখনত চলে ভোগ বিলাসৰ লীলা খেলা আৰু আনখনত জীযাই থকাৰ দুৰ্বাৰ সংগ্ৰাম। আজিৰ কবিতাই এইবোৰ চকু মেলি চাবলৈ শিকিছে। শ্ৰমজীৱী জনতাৰ ঘাম আৰু চকুপানীৰে পুষ্ট আজিৰ কবিতা সেয়েহে সাধনাৰ প্ৰাণৰ বেছি ওচৰ চপা।

সুখে দুখে ভৰা স্বাভাৱিক মানুহ যেতিযাই কবিতাৰ বিষয় বস্তু হৈ পৰিল তেতিযাৰে পৰাই অসমীযা কবিতাযো বৰণ সলালে। এই বৰণৰ প্ৰথম চমক দেখা যায। অমূল্য বৰুৱাৰ কবিতাত। বৰুৱাই কৈছিল—

আমি মানুহ—
জাগতিক পঞ্চভূত-জাত আমাৰ
দীপ্তিমান শৰীৰক লাগে
নতুন মুকলি নীলা আকাশত হোৱা অৰুণোদয়ৰ
আল্ট্ৰা ভাযোলেট ৰশ্মি
পুষ্টি সাধন অন্নৰ
তৃপ্তিদায়ক ভৰা থাল।

মানুহক নায়ক কৰি ৰচনা কৰা কবিতাত মানুহ কেৱল এজন ব্যক্তিয়েই নহয় এটি সমষ্টিও। মানুহৰ সফলতা আৰু বিফলতাৰ সমস্ত ইতিহাস

প্ৰতীক অৰ্থত প্ৰকাশিত হৈছে নানা নতুন কবিতাত। ৰাম গগৈৰ পথাৰ ত আছে—

স গ্ৰামৰ পথাৰত শ্ৰমজীৱী মানুহৰ তেজৰঙা ইতিহাস
লিখা হয। পৰিবৰ্তন। আৰু
হাল কোৰ দালে নতুন যুগৰ অভিযাত্ৰী শ্ৰমিক কৃষক
পলাতক উদ্বাস্তু মহাজন পুঁজিপতি সমস্ত শোষক
বানপানী পাৰ ভাঙি আৰু আহিব নোবাৰে।

আজিৰ কবিতাত বিদ্ৰোহ অথবা বিপ্লৱৰ সুৰ এটা থাই সুৰ। এই সুৰ ধ্বনিত হোবাৰ থাই কাৰণ হ ল কবিসকলৰ সাধাৰণ মানুহৰ প্ৰতি থকা আন্তৰিক প্ৰীতি। তেওঁলোকে দেখা পায দলিত জনতাৰ বুকুত জ্বলি থকা জুই। অনুভব কৰে তেওঁলোকৰ নিশাহৰ উষ্ণতা। এজন তথাকথিত নিম্নশ্ৰেণীৰ শ্ৰমজীৱীৰ প্ৰতিটো কাৰ্যকলাপৰ মাজত নতুন সাহস আৰু প্ৰত্যয প্ৰত্যক্ষ কৰা এই কবিসকলে মান হৰ মাজত শক্তি আৰু সৌন্দযৰ সমাহাৰ দেখা পায। হুইটমেনে কৈছে—[৭]

আলিৰ দাঁতিৰ শিলেৰে বুধোবা কানত
কটাৰী ধৰোবা মানুহ এটাই তাৰ চকৰিত
শান দিছে এখন ডাঙৰ দা
কুঁজা হৈ যতনেৰে সি শিলছটাত ধৰিছে দা খন
ভেজা দি আঠু আৰু ভৰিৰে
নিযমিত ভৰিৰ হেঁচাত সি ঘুৰাইছে চকৰিটো
আৰু ধীৰ অথচ আলফুলীযা হাতেৰে দা খন ধৰি আছে
সোণালী কণিকাৰ দৰে ওলাই আহিছে
চকৰিটোৰ পৰা ফিৰিঙতিবোৰ।

মানুহৰ অসীম সম্ভাৱনামযৰূপেই নতুন কবিতাৰ বৈশিষ্ট্য।

কবিতাৰ মাজত প্ৰচলিত সমাজ-ব্যবস্থা মানুহৰ নীচতা ভণ্ডামি আদিৰ বিৰুদ্ধে মাত মাতিবৰ বাবে কবিতাক আজিকালি হাতিযাৰৰ দৰে প্ৰয়োগ কৰা হয়। বুদ্ধিনিষ্ঠ ব্যংগই কিছুমান কবিতাক বিষকাঁড়ৰ দৰে মৰ্মভেদী কৰি তোলে। অসমীযা পাঠকে আজিও পাহৰা নাই মন্ত্ৰীত্ব যাৰ শেষ কল্পনা এচেমব্লি যাৰ আশা —সেই বিখ্যাত উক্তিলৈ।

---

৭। হুইটমেনৰ এশ কবিতা নৱকান্ত বৰুৱা পৃ ২১০

তাৰো আগতে অসমীয়া বাৰু মেধি তীৰ্থলৈ যায় আদি ব্যংগ কবিতাৰ সোৱাদ অসমীয়া পাঠকে পাইছেই। বেজবৰুৱাৰ কবিতাৰ মাজতো হাস্যৰস আছিল। কিন্তু নতুন কবিতাৰ হাস্যৰস ব্যৱহৃত হৈছে সমাজৰ ব্যাধি গুচাবৰ বাবে। এটি উদাহৰণ অমলেন্দু গুহৰ ব্যংগৰ গোন্ধ থকা কবিতা গাঁবৰ চিঠি। তাৰে দুফাকি—

> ৰাইজে নবজে তেও। ডেকামখা বৰ বেয়া হল পোৱালি শোধনাগাৰ অকামিলা বুলি কৈ ফুৰে যতে ততে। কি যে হব হে ঈশ্বৰ। মোৰ দিন গল পঢ়িবলৈ পঠালো লৰাক—সিও ঝাণ্ডা লৈ ঘূৰে।

সাম্প্ৰতিক কালৰ কবিতাত বিদ্ৰোহৰ গোন্ধ বেছি। পুঞ্জীভূত নিৰাশা আৰু অবদমিত ক্ষোভে তৰুণ কবিৰ মনত দেশ আৰু সমাজৰ প্ৰতিটি বস্তুৰ প্ৰতিযেই যেন বিদ্বেষ ওপজাইছে। ফলত আজিৰ বেছিভাগ কবিতা জ্বালামুখীৰ ধোৱাৰ দৰে।

কবিতাৰ অন্য এটি মুখ্য দিশ দেশপ্ৰেমৰো প্ৰধান সম্পৰ্ক মানুহৰ লগত। মানুহক ভালপোৱা মানেই দেশক ভালপোৱা। দেশৰ প্ৰেমত দলে দলে মানুহক মতলীয়া কৰি উলিয়াই আনিছিল জ্যোতিপ্ৰসাদৰ কবিতাই। সেইবোৰ যেন কবিতা নহয় একো সুতি তপত তেজ। তৰুণ কবিৰ কলমত যি বিদ্ৰোহৰ জুই জ্বলে সি দেশ প্ৰেমৰে অন্য এক নাম। কবিতাত যি ভঙা গঢ়াৰ কথা থাকে জ্বালি ছাৰখাৰ কৰাৰ কথা থাকে—তাৰ আঁৰতো সেই একেটাই কথা মুনি বিচৰা ধৰণে দেশ আৰু সমাজক গঢ় দিয়াৰ বাসনা।

কবিতাই এইদৰেই যুগে যুগে কবিৰ মনৰ সব প্ৰকাৰ বাৰ্তাৰ বহন কৰাৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি আহিছে। যুগে যুগে মানুহৰ মন সলনি হয় সমাজ সলনি হয়। পৰিবৰ্তিত পটভূমিত কবিতাও নিজকে খাপ খুৱাই লয়। সেয়েহে সুখে দুখে ক্ষোভে বিষাদে আশা নিৰাশাই মানৱ প্ৰাণে সুচাকৈয়ে যদি অকপটভাৱে কুৰবাত মনৰ কথা প্ৰকাশ কৰিছে তেন্তে কবিতাতহে। কবিতা মানুহৰ সবাতোকৈ বিশ্বাসী লগৰী।

# 08 00 কবিতাৰ বাদ-বৈচিত্র্য

কবিসকল মানুহৰ আত্মাৰ প্ৰতিনিধি। যুগে যুগে সময়ে ৰূপ সলায়। সমাজ বিচিত্ৰ ৰঙেৰে ৰঞ্জিত হৈ উঠে। মানুহৰ মনতো উঠে নতুন আশা কামনা প্ৰতিবাদ আৰু প্ৰতিৰোধৰ নতুন নতুন ঢউ। এই ঢউৰ স্পন্দনে ৰূপ পাই যোবা সকলো প্ৰকাৰ কলাৰ ভিতৰত সাহিত্যও এবিধ। এনেবোৰ ৰূপনিয়ে জন্ম দিয়ে সাহিত্যৰ বিবিধ ধাৰাৰ। কবি সকলেও নতুনত্ব প্ৰয়াসী মানবমনৰ বাৰ্তাবাহক হৈ কবিতাৰ মাজত নতুন নতুন মতবাদ তথা ধাৰাৰ সৃষ্টি কৰে। কবিতাৰ সুদীৰ্ঘ বিস্তৃতিকালত এতিয়ালৈকে এনে নানানটা ধাৰা জিলিকি উঠিছে। তলত তাৰে ঘাই ঘাই কেইবিধমানৰ পৰিচয়সূচক আলোচনা আগবঢ়োৱা হয়।

## ৪ ১ ধ্ৰুববাদ

এইটি ধাৰা হ'ল প্ৰাচীন কাব্য সাহিত্যৰ। ধ্ৰুববাদ এটি নতুনকৈ গ্ৰহণ কৰা পাৰিভাষিক শব্দ। ইংৰাজী ক্লাচিচিজম শব্দৰ অৰ্থ বুজাবলৈ এই নতুন শব্দটি গ্ৰহণ কৰা হৈছে। ক্লাচিক আৰু ক্লাচিকেল শব্দৰ লগত ক্লাচিচিজম শব্দৰ সম্পৰ্ক আছে। ক্লাচিক মানে প্ৰথম শ্ৰেণীৰ অথবা আটাইতকৈ প্ৰামাণিক গ্ৰীচ আৰু ৰোমৰ সাহিত্য অথবা কলাৰ অন্তৰ্গত অথবা উৎকৃষ্ট ধৰণৰ বুলি পৰিগণিত সাহিত্যিক অথবা তেনে সাহিত্যিকৰ ৰচনা বুলি বুজা যায়। ক্লাচিকৰ বিশ্লেষণ ক্লাচিকেল শব্দই বুজায় উৎকৃষ্ট আৰু অনুকৰণৰ যোগ্য কোনো এবিধ কলা। ক্লাচিকেল কবিতা বুলি ক'লে বুজা যায় ৰোম অথবা গ্ৰীচৰ উৎকৃষ্ট আৰু অনুকৰণৰ যোগ্য প্ৰাচীন কবিতাৰাজি। স্বাভাৱিকতেই এইবোৰ কবিতা অবয়বৰ ফালৰ পৰা শৃংখলাবদ্ধ আৰু বিষয়বস্তুৰ ফালৰ পৰা সংযম।

ধ্ৰুববাদ শব্দটোৰ লগত জড়িত হৈ থকা ধ্ৰুব শব্দটোৱে ভাৰতীয় মানসত থকা এই শব্দটোৰ কেইটামান অৰ্থৰ কথা মনলৈ আনে। ধ্ৰুব শব্দই বুজায় নিশ্চিত স্থিৰ আৰু এটি নক্ষত্ৰৰ নাম। ধ্ৰুববাদৰ দ্বাৰা

১। সাহিত্যৰ বাদ বৈচিত্ৰ্য পৃ ৯১

অনুকৰণযোগ্য উৎকৃষ্ট সংযম সাহিত্যকৰ্মক বুজা যায় য'ত থাকে ৰীতি নিয়ম ৰচনাশৈলী কবিসময় বিষয়বস্তু আৰু অনুভূতিসমূহৰ সামগ্ৰিক উপচাৰ। এইবোৰ নিজৰ নিজৰ স্থানৰ পৰা সামান্যতমভাবেও চ্যুত নহয়।

এসময়ত পশ্চিমীয়া সমালোচনা সাহিত্যই গ্ৰীক আৰু ৰোমান সাহিত্যক ক্লাচিকেল বুলি গণ্য কৰি পিছৰ কালৰ সাহিত্যিকসকলে তাক অনুসৰণ কৰাটো বিচাৰিছিল। ১৭শ আৰু ১৮শ শতিকাত ফ্ৰান্সত আৰু ইংলেণ্ডত ক্লাচিচিজমৰ প্ৰবল বতাহ বলিছিল। গ্ৰীক আৰু ৰোমান সাহিত্যৰ উৎকৃষ্ট গুণসমূহৰ অনুকৰণত অসংখ্য সাহিত্য ৰচিত হ'বলৈ ধৰিছিল। এই আটাইবোৰেই আছিল ৰীতি আৰু গুণৰ ফালৰ পৰা একেটি পৰম্পৰাৰ বাহক। বিভিন্ন সময়ত ক্লাচিচিজমৰ একো একোটা নতুন ঢৌ অহা দেখা যায়। সেয়ে পশ্চিমীয়া সাহিত্য আৰু কলাৰ ইতিহাসত ৰোমান ক্লাচিচিজম ফৰাচী নিয় ক্লাচিচিজম ইংৰাজী নিয় ক্লাচিচিজম আদি বিভিন্ন ধৰণৰ ক্লাচিচিজমৰ কথা পোৱা যায়।[২]

প্ৰাচীন ভাৰতীয় সাহিত্য গাম্ভীৰ্য আৰু সৌন্দৰ্যৰ ফালৰ পৰা গ্ৰীক ৰোমান ক্লাচিক সাহিত্যৰ সমগোত্ৰীয়। পৃথিৱীৰ সকালৰ শ্ৰেষ্ঠ চাৰিখন ক্লাচিক মহাকাব্যৰ ভিতৰত আছে ৰামায়ণ মহাভাৰত আৰু ইলিয়াড ওডিচি। বৈদিক সাহিত্যৰ পিছতে ৰচিত সংস্কৃত সাহিত্য ৰাজিক ভাৰতীয় ক্লাচিকেল সাহিত্য আখ্যা দিয়া হয়। ঘাইকৈ ৰামায়ণ মহাভাৰত কালিদাসৰ ৰচনাসমূহ ভৰতৰ নাট্যশাস্ত্ৰ আৰু অন্যান্য কবিসকলৰ সাহিত্যকৰ্মসমূহেই এই ক্লাচিক সাহিত্যৰ নিদৰ্শন।

ক্লাচিক কবিতাৰ কিছুমান বিশেষত্ব আছে। এইবোৰ ভাব ভাষা ৰস আৰু ৰীতিৰ আড়ম্বৰপূৰ্ণ মিশ্ৰণ। এইবোৰৰ বিষয়বস্তু আনন্দ আৰু শিক্ষাপ্ৰদ ঘটনাৰ সংযোগত সৃষ্টি হয়। দেৱ দেৱী ৰজা ৰাজকুমাৰ নাইবা কোনো অভিজাত জনৰ জীৱনৰ কাহিনী অথবা ঘটনাৰ আলম লৈ এইবোৰৰ বক্তব্যই গঢ় লৈ উঠে। এনে সাহিত্যৰ ভাষা হয় ফলে ফুলে ভৰা লতাৰ দৰে অলংকাৰ প্ৰয়োগেৰে জাতিকাৰ। মহাকাব্য আৰু কাব্যসমূহ সৰ্গ উপসৰ্গ বিভাজন আদি নিৰ্দিষ্ট ৰীতিৰ দ্বাৰা শৃংখলিত।

অসমীয়া কাব্য সাহিত্যৰ ক্লাচিকেল সাহিত্য হ'ল মাধৱ কন্দলি

---

২। মুকুন্দমাধৱ শৰ্মা ধ্ৰুৱবাদ সাহিত্যৰ বাদ বৈচিত্ৰ্য পৃঃ ৯২

শ কৰদেৱ মাধবদেৱ আদি প্ৰাচীন কবিসকলৰ কবিতাসমূহ। এওঁলোকৰ ৰচনাৰ অনুকৰণত পিছৰ কালৰ কবিসকলে একে বিষয়-বস্তু একে ৰচনা ৰীতি একে ধৰণৰ অলঙ্কাৰ প্ৰয়োগ আদিৰে কবিতা ৰচনা কৰিছিল। অৰুনোদই যুগৰ কবিৰ লেখনিত বৈষ্ণব আহি ৰ কবিতা পোৱা যায়। ই হ ল ধ্ৰুববাদৰ নিদৰ্শন। আনহে নালাগে বৰ্তমান কালৰে আদি ছোৱাৰ কবি সাহিত্যকৰ কলমতো শ কৰী আহিৰ আৰু সংস্কৃত আহিৰ কাব্য ৰচনাই ৰূপ পোৱা দেখা যায়। চন্দ্ৰধৰ বৰুৱা ইন্দ্ৰেবৰ বৰঠাকুৰ হিতেশ্বৰ বৰবৰুৱা আদিৰ ৰচনা ক্লাচিক সাহিত্যৰ আদৰ্শত উদ্ভুত।

ধ্ৰুববাদৰ ক্ষেত্ৰত এটা কথা লক্ষ্যণীয যে ক্লাচিকেল সাহিত্য সদাযেই পৰবৰ্তী সাহিত্যৰ ওপৰত ভিত্তি কৰি নিৰূপিত হয। উদাহৰণ স্বৰূপে জোনাকী যুগৰ কবিয়ে যদি শ কৰী সাহিত্যক অনুকৰণ কৰে তেন্তে তেওঁৰ বাবে শংকৰী সাহিত্যই ক্লাচিক সাহিত্য। কিন্তু বৰ্তমানৰ আধুনিক কবিতাৰ যুগত কোনোবাই যদি জোনাকী যুগৰ কাব্য ৰীতি অনুসৰণ কৰে তেতিয়া ক্লাচিক সাহিত্য হ ব জোনাকী যুগৰ কবিতাখিনি।

গতিকে কবিতাত ধ্ৰুববাদ এটা আপেক্ষিক শব্দ। সামগ্ৰিকভাবে গ্ৰীক সাহিত্য ৰোমান সাহিত্য সংস্কৃত সাহিত্য আদিক ক্লাচিক সাহিত্য বোলা হয যদিও কবিতাৰ ক্ষেত্ৰত এই ৰীতি সদাযে নচলে। কবিতাৰ আংগিক সলনি হয ধাৰা সলনি হয। কবিতাৰ একোটি ৰূপ বৰ সোনকালে পুৰণি হৈ পৰে। যেতিয়া কিছুকালৰ পিছত নতুন কবিৰ দলে পুৰণি ৰূপৰ কবিতা লিখিবলৈ ধৰে বা তাক অনুকৰণীয বুলি বিবেচনা কৰে তেতিয়া সেই আগৰ কবিতাখিনিযেই হৈ পৰে ক্লাচিক কবিতাৰ নিদৰ্শন।

## ৪ ২ ৰমন্যাসবাদ

ধ্ৰুববাদৰ মাজত যি নীতি নিযমৰ সুদৃঢ় বান্ধোন আছিল—তাৰে পৰা ওলোৱাৰ প্ৰযাস দেখা যায ৰমন্যাসবাদত। প্ৰথমটি যদি সুগভীৰ সৰোবৰ দ্বিতীযটি হ ব স্বচ্ছন্দপ্ৰৱাহী নদী। ৰমন্যাসবাদ কবিতাৰ ক্ষেত্ৰত এটি শুভ শক্তিৰ অন্য নাম।

অষ্টাদশ শতিকাৰ শেষৰ ফালে ফৰাছী বিপ্লৱে যি ৰাজনৈতিক

আলোড়নৰ সৃষ্টি কৰিছিল সি লগে লগে জন্ম দিছিল এক নতুন চেতনাৰ। এই চেতনাত মানুহৰ মনত আলোড়িত হৈছিল মুক্তিৰ আকাংক্ষা। কেৱল ৰাজনৈতিক পৰাধীনতাই নহয় চিন্তা আৰু বিকাশৰ এক পৰাধীনতায়ো সেই সময়ৰ মানুহক বান্ধি ৰাখিছিল। দাৰ্শনিক ৰুছোৱে এনে সময়তে দাঙি ধৰিলে মানব মনৰ মুক্তিৰ সপক্ষে যুক্তি। মানুহক মানুহৰূপে জীয়াই থাকি সকলো বৈষম্যৰ বিৰুদ্ধে মাত মাতিবলৈ তেওঁ দিয়া আহ্বানত সৰ্বসাধাৰণৰ প্ৰাণ শিহৰিত হৈ উঠিল। বিপ্লৱৰ আঁৰে আঁৰে এক প্ৰাণ প্ৰাচুৰ্যৰে ভৰপূৰ সুকুমাৰ সাহিত্যৰ সৃষ্টি হ'ল। ৰুছোৱে কৈছিলে মানুহ ওপজোঁতে স্বাধীন কিন্তু যতে দেখা যায় ততে তেওঁৰ শৰীৰত শিকলিৰ বন্ধন। ৰমন্যাসিক আন্দোলনত ৰুছোৰে অবদান বেছি যদিও কাণ্ট হেগেল ফিখটে আদি জাৰ্মান দাৰ্শনিক সকলৰ অবদানো কম নহয়। এওঁলোকে মানবৰ মাজত দেখিছিল অসীম ৰহস্যময় শক্তিৰ প্ৰকাশ। তদুপৰি এইসময়তে মানুহে বুজিবলৈ শিকিলে প্ৰকৃতিৰ মহিমাময়ী ৰূপৰ আঁৰত থকা মংগলময় শক্তিৰ কথা। এইবোৰ নতুন অনুভৱে গতানুগতিক নিয়মৰ শৃংখল ভাঙি কবিতাৰ জগতত নতুন পদক্ষেপ আগবঢ়ালে।

ফৰাচী বিপ্লৱৰ মূলমন্ত্ৰ আছিল সাম্য মৈত্ৰী আৰু স্বাধীনতা। এই বাণী কঢ়িয়াই ৰচিত হৈছিল নতুন নতুন কবিতা। জাৰ্মান কবিসকলে অবাধ স্বাধীনতা দিছিল কল্পনাশক্তিক। চিলাৰ গ্যেটে হাইনে আদি কবিসকলৰ কবিতাত কল্পনাৰ অবাধ স্ফুৰণ লক্ষ্য কৰা যায়। ইংৰাজী সাহিত্যত ৰমন্যাসিক চেতনাই অতিশয় উচ্চস্তৰৰ কিছুমান কবিতাৰ জন্ম দিছিল। ইয়াৰ আগতে ধ্ৰুপদী সাহিত্যৰ উপচি পৰা অৱস্থাই মানুহক আমনি লগাবলৈ আৰম্ভ কৰিছিল। কফি হাউছৰ অভিজাত সমাজত গা কৰি উঠা এনেবোৰ সাহিত্যত আছিল প্ৰাণহীন বাগাড়ম্বৰ আৰু অহৈতুক তোষামোদৰ ভাব। গ্ৰীক আৰু ৰোমান সাহিত্যৰ দৰে নিজৰ ঐতিহ্যত ভিত্তি কৰি ইংৰাজ কবিসকলে কবিতা লিখিছিল যদিও সেইবোৰ আছিল যুক্তি আৰু নীতিবচনৰ মিশ্ৰণ। তাত সৰ্বসাধাৰণে বিচৰা প্ৰাণৰ উম নাছিল। গতিকে যেতিয়া ফৰাচী বিপ্লৱৰ প্ৰেৰণা লৈ জাৰ্মান দাৰ্শনিকসকলৰ চিন্তাধাৰাৰে উদ্বুদ্ধ হৈ কল্পনা আৰু হৃদয়ৰ মিশ্ৰণেৰে ইংৰাজ কবিয়ে কবিতা লিখিবলৈ ললে—সৰ্বসাধাৰণৰ প্ৰাণ ভৰপূৰ হৈ উঠিল।

ৰমন্যাসিক সাহিত্যত কবিতা হৈ পৰিল হঠাতেই সাধাৰণৰ হাতে ঢুকি পোৱা বস্তু। অচিনাকি পৰিবেশ আৰু আচহুৱা শব্দ ভাণ্ডাৰৰ মেৰঘৰৰ পৰা ওলাই কবিতাই আপোনজনৰ ভাষাৰে পাঠকৰ লগত কথা পাতিলে। এই নতুনত্বই হল ৰমন্যাসিক কবিতাৰ প্ৰাণবস্তু। ৰমন্যাসবাদৰ স্বৰূপ বুজিবলৈ হলে ধ্ৰুববাদৰ লগত ইয়াৰ তুলনামূলক আলোচনা এটা আহি পৰে। প্ৰথমেই কব পাৰি ধ্ৰুপদী শিল্পই সসীমকেই চিত্ৰিত কৰে। ৰমন্যাসিক শিল্পই অসীমকো ব্যঞ্জিত কৰে। আৰু ৰমন্যাসবাদ হল যি কোনো সময়ৰ সমকালীন শিল্প ধ্ৰুববাদ হল বিগত দিনৰ শিল্প। এই কথা স্পষ্ট যে ৰমন্যাসবাদে এনে কিছুমান লক্ষণ বহন কৰে যিবোৰ ধ্ৰুপদী সাহিত্যৰ কল্পনাৰ চাৰিসীমাৰো ওচৰ নাচাপে। সেযেহে সমালোচকসকলে নানান সংজ্ঞাৰে বান্ধিও যেন ৰমন্যাসবাদৰ বৰ্ণপটো একেবাৰে বুজাবলৈ টান পায়। ডাণ্টনে ইয়াক বুলিছে বিস্ময়ৰ পুনৰ্জাগৰণ। ভিক্টৰ হিউগৰ মতে ই হল সাহিত্যত উদাৰতাবাদ। এবাৰক্ৰম্বিৰ মতে ৰমন্যাসবাদ হল বাহিৰৰ অভিজ্ঞতাৰ পৰা আঁতৰি অভ্যন্তৰীণ অভিজ্ঞতাত মনোনিবেশ কৰা। ৰমন্যাসবাদৰ সংজ্ঞা দি হাৰফোৰ্ডে কৈছে কল্পনা শক্তিৰ অনন্য সাধাৰণ বিকাশেই হল ৰমন্যাসবাদ। এই প্ৰতিটো সংজ্ঞাই ৰমন্যাসবাদৰ একাংশহে পোহৰলৈ আনে গতিকে উচিত ভাবেই যেন কাজামিয়াঁ নামৰ সাহিত্য সমালোচকজনে কৈছে— ৰমন্যাসবাদ সংজ্ঞাৰ অতীত।

সংজ্ঞাৰ বান্ধোনত সোমাব নোখোজা স্বভাবটোৱেই ইংগিত দিয়ে ৰমন্যাসবাদৰ সামগ্ৰিক প্ৰকৃতিৰ। ই যেন মানব প্ৰাণৰ চিৰন্তন মুক্তিৰ হেঁপাঁহ অন্তহীন আনন্দৰ সন্ধান অলৌকিক বিস্ময়ৰ অনুভব। ইয়াৰ প্ৰথমটো লক্ষণ হল মন্ময়ধৰ্মীতা। কোনো এক বস্তু অথবা বিষয়ক চিত্ৰবৎ বৰ্ণনা দিয়াতকৈ কবিৰ হৃদয় জোঁকাৰি যোৱা তাৰ প্ৰভাৱেহে ইয়াত ঘাইকৈ ঠাই পায়। কবিৰ হৃদয়ৰ একান্ত আপোন অনুভূতিয়ে যেতিয়া যি কোনো এটি বিষয় সুষমাৰে ভৰাই আনৰ আগত দাঙি ধৰে তেতিয়াই এটি কবিতাৰ সৃষ্টি হয়। ইয়াত থাকিব পাৰে সকলোৰে নিজৰ যেন লগা কবিৰ প্ৰাণৰ খবৰ। সুখ দুখ বিস্ময় অভিমান আদি একান্ত বাস্তৱসুলভ অনুভূতিবোৰেই কবি মানসৰ কষটি শিলত ঘঁহনি খাই সোণৰ দৰে জিলিকি উঠে।

ৰমন্যাসিক কবিতাৰ অন্যতম এটি লক্ষণ হ ল গভীৰ বিস্ময় অন ভৱ। কবিসকলৰ বাবে স সাৰৰ সকলোবেই স ন্দৰ। এই সকলো স ন্দৰতাই ভৰাই তোলা হৃদয় তেওঁলোকৰ বি ময়ত অভিভূত হৈ পৰে। সেই বিস্ময়ৰ সমাধান তেওঁলোকে নিবিচাৰে। বিস্ময়ত ব ৰ দি থকাৰ মাজতে তেওঁলোকে পায় অসীম আনন্দ। বিশ্ব সংসাৰ ৰ প সাগৰত ব ৰ দি অন্তহীন আৰু ব্যাখ্যাহীন আনন্দ তেওঁলোকে এইদৰেই ব টলি লয়।

ৰমন্যাসিক কবিসকলে সদায়েই অতীতলৈ ঘ ৰি চাই ভাল পায়। পাৰ হৈ যোৱা দিনবোৰৰ মাজত স্বদেশ আৰ স্বজাতিৰ অলেখ গৌৰৱপ ৰ্ণ দিনৰ স্বাক্ষৰ ৰমন্যাসিক কবিসকলে বিচাৰি চায়। এট কুৰা সৰ শিলক আশ্ৰয় কৰিয়েই হয়তো তেওঁলোকৰ কল্পনাৰ পাখি মেলি যায় কোনোবা এটি বীৰত্বপ ণ কাহিনীৰ ফালে। এই কল্পনাৰ ভিত্তি হ ল দেশৰ প্ৰতি থকা সীমাহীন প্ৰীতি। তাৰ লগতে য ক্ত হৈ থাকে কবি সকলৰ কল্পনাশক্তিৰ বিস্তৃতি। বহ তো কথা ভাবি নেদেখাখিনি নিজে কল্পনা কৰি লৈ এক মনোৰম কল্প জগতত তেওঁলোক সোমাই থাকে। অৰ্থাৎ ক বলৈ পাৰি তেও লোকৰ মনৰ চকু বেছি প্ৰখৰ। সেই চকুৰে সামান্য এটি বস্তুৰ আলমতে তেওঁলোকে আনে নেদেখা বহ তো কিবাকিবি দেখা পায়।

ৰমন্যাসবাদৰ এটি মনোৰম বিস্তৃতি হ ল প্ৰকৃতি প্ৰীতি। এই প্ৰকৃতি ধ্ৰ পদী সাহিত্যৰ প্ৰাণহীন প্ৰকৃতি নহয়। এই প্ৰকৃতি প্ৰাণৰ পৰশেৰে উমাল। গতান গতিকতাই তিক্ত বিৰক্ত কৰি তোলা আৰু জীৱনব খলা বমাই অ হৰ কৰি তোলা মান হৰ বাবে ধ্ৰ পদী সাহিত্যই শান্তিৰ সমল একো দিব পৰা নাছিল। ৰমন্যাসিক প্ৰাণে শা ত বিচাৰি প্ৰকৃতিৰ ব কুলৈ যাবলৈ শিকিলে। প্ৰকৃতিৰ মাজত অনন্ত শক্তিৰ সন্ধেদ বিচাৰি পোৱা কবিসকলৰ মনৰ কথা কৈছে কবি ৱৰ্ডছবৰ্থে প্ৰকৃতি হ ল মান হৰ অন্তৰৰ অভিভাবিকা পৰিচালিকা আৰু পবিত্ৰ ভাব দিওঁতা। ধ্ৰ পদী কবিতাত প্ৰকৃতি আছিল কাহিনীৰ পটভূমি মাত্ৰ। কিন্তু ৰমন্যাসিক কবিতাত প্ৰকৃতি হৈ পৰিল মানব প্ৰাণৰ সঞ্জীবনী স্বৰ প। দ বৰি বনৰ নিয়ৰ টোপালৰ মাজতো কবিয়ে বিচাৰি পালে সৌন্দৰ্যৰ মহাসম দ্ৰৰ আভাস। এই সৌন্দৰ্য আৰ মহিমাৰ আধাৰ প্ৰকৃতিৰ মাজত পৰমশক্তিৰ অস্তিত্ব অন ভৱ ৰমন্যাসিক কবি সকলৰ অন্যতম উপলব্ধি।

এই উপলব্ধিৰ মূলতে আছে ঘাইকৈ জাৰ্মান দাৰ্শনিক সকলৰ সৰ্বেশ্বৰ বাদী চিন্তাধাৰাৰ প্ৰভাব।

প্ৰকৃতিৰ বিশাল ৰূপ উৰ্মিল থকা মানুহৰ জীৱনৰ সহজ সৰল ৰূপটোৰ মাজতো ৰমন্যাসিক কবিসকলে এক সৌন্দৰ্য বিচাৰি পাইছিল। প্ৰকৃতিৰ ৰূপত মানুহ বেছি স্বাভাৱিক। সেযে চহা জীৱনৰো আকৰ্ষণ কবিসকলৰ বাবে বেছি। প্ৰকৃততে মানুহৰ সকলো ৰূপৰ বৰ্ণনাৰেই এই সকল কবিৰ কলম উচ্ছ্বসিত। তেওঁলোকে মানুহৰ মাজত বিশাল শক্তি দেখা পায়। ভগবান আৰু ৰাজপুৰুষৰ বন্দনাত মগ্ন হৈ থকা প্ৰাচীন ধ্ৰুপদী কবি সকলৰ পথৰ পৰা আঁতৰি আহি এওঁলোকে সাধাৰণ মানুহৰ কথাৰে কবিতা লিখিবলৈ লয়। সাধাৰণ মানুহৰ প্ৰেম প্ৰীতি আনন্দ বিষাদৰ অন্তৰ পৰশা বৰ্ণনাৰে এইবোৰ কবিতা ভৰপূৰ।

ৰমন্যাসিক কবিতাৰ অন্যতম এক বৈশিষ্ট্য হ'ল ইয়াৰ মাজত বিৰিঙি উঠা এখন অলৌকিক জগতৰ আভাস। কবিসকলে এইখন জগতৰ মাজতে অন্য এখন জগত দেখা পাইছিল। সেই জগতৰ জলকুঁৱৰী বনকুঁৱৰী অপেশ্বৰী আৰু নানা অশৰীৰী প্ৰাণীক যেন তেওঁলোকে মানস চকুৰে দেখাহে পাইছিল। সেইখন জগত ৰহস্যৰ অপাৰ্থিব কুঁৱলীৰে ভৰা। কুঁৱলীৰ সিপাৰে থকা কল্প জগতৰ প্ৰাণীসকলক লৈ ৰমন্যাসিক কবিৰ কল্পনাৰ অন্ত নাই।

ব্যক্তিগত বিষাদৰ হুমুনিয়াহে বহুতো ৰমন্যাসিক কবিতা সেমেকাই থৈছে। এই বিষাদ ব্যৰ্থ প্ৰেমৰো হ'ব পাৰে অথবা হ'ব পাৰে অসীম ৰহস্যৰ আগত মানবৰ ক্ষুদ্ৰতাৰ বিষাদ। ৰমন্যাসিক ভাবৰ এনেবোৰ কবিতাত সৰ্বপ্ৰকাৰ মানৱীয় অনুভূতিৰ নিটোল ৰূপায়ণ দেখা যায়।

ৰমন্যাসবাদৰ বীজ বহন কৰা এই কবিতাসমূহে ছন্দৰ ক্ষেত্ৰতো নতুনত্ব আনিলে। ধ্ৰুপদী কবিসকলে ব্যবহাৰ কৰা একমাত্ৰ ছন্দসজ্জা হিৰয়িক কাপলেট আঁতৰাই থৈ নতুন নতুন ছন্দৰে এওঁলোকে কবিতাক সজাবলৈ ধৰিলে। এইবোৰ ছন্দত পুৰণি ছন্দৰ দৰে শব্দ আৰু আখৰৰ দঢ় বন্ধনৰ চাৰিসীমা নাথাকে। ইয়াত চাৰিওফালে মুকলি মুকলি ভাব। ছন্দৰ মাজত মুকলিমূৰীয়া নিজৰাৰ গতি। এই কবি সকলে অমিত্ৰাক্ষৰ ছন্দক সম্মানৰ আসন দিলে চহাজীৱনৰ পৰা বুটলি আনিলে লোকগীত মালিতাৰ সুৰ। ভাষাৰ ক্ষেত্ৰতো ৰমন্যাসিক কবি সকলৰ ৰচনাত এটি মনোমোহা পৰিবৰ্তন চকুত পৰে। ধ্ৰুপদী কবিতাৰ

অলংকাৰপূৰ্ণ গুৰু গম্ভীৰ ভাষাৰ ঠাইত এইবোৰ কবিতাৰ ভাষা হ'ল ঘৰুৱা জীৱনৰ স্বাভাৱিক মাত কথাৰ লাৱণ্যময় প্ৰকাশভংগি। উপমাৰে ক'বলৈ গলে ধ্ৰুপদী কবিতাৰ ভাষা হ'ল সালংকৃতা সুন্দৰী আৰু ৰমন্যাসিক কবিতাৰ ভাষা হ'ল স্বাভাৱিক লাৱণ্যৰে মনোৰমা এজনী চিনাকি ছোৱালী।

ৰমন্যাসবাদৰ চমু চিনাকি এইখিনিয়েই। এইখিনি লক্ষণ কবি সকলৰ ৰচনাত কবি বিশেষে বেলেগ বেলেগ মহিমাৰে প্ৰকাশ পাইছে। সামগ্ৰিকভাবে ৰমন্যাসবাদ হ'ল সুন্দৰতা আৰু কোমলতাৰ মিশ্ৰণ। ৰমন্যাসিক কবিসকলৰ কল্পনাবিলাসী স্বভাব আৰু আদৰ্শবাদী অথচ বাস্তৱমুখী চিন্তাধাৰাৰ বাবে কোনো কোনোৱে ৰমন্যাসবাদক পলায়নবাদৰ নামান্তৰ বুলিও ক'বলৈ বিচাৰে। তথাপিও কবিতা ৰূপে কবিতাক দাঙি ধৰা বাবেই ৰমন্যাসবাদৰ কাষত পাঠকসমাজ কৃতজ্ঞ হোৱা উচিত।*

## ৪ ৩ কান্তিবাদ

কবিতাৰ শৰীৰ আৰু মনৰ বাতৰি বিচাৰি কবি আৰু সমালোচক সকলে যিমানবোৰ মতবাদৰ অৱতাৰণা কৰিছে কান্তিবাদ তাৰ ভিতৰত অন্যতম। এই মতবাদে নিৰূপণ কৰিবলৈ বিচাৰে যে সৌন্দৰ্যই হ'ল কবিতাৰ শেষ কথা।

উনবিংশ শতিকাৰ চল্লিশৰ দশকত ইংলেণ্ডত কান্তিবাদৰ লক্ষণ ফুটি উঠে। ১৮৩১ খৃষ্টাব্দত টেনিছনৰ কবিতাৰ সমালোচনা প্ৰসংগত হালামে মত প্ৰকাশ কৰিছিল যে কবিয়ে আন সকলো জাগতিক আৰু নৈতিক আদৰ্শ পাহৰি ইন্দ্ৰিয়গ্ৰাহ্য সৌন্দৰ্যৰ প্ৰতিহে সদায় চকু ৰাখিব লাগে। কলা সৃষ্টিৰ সময়ত কলাকাৰৰ মনত থকা উচিত কেৱল সৌন্দৰ্য সৃষ্টিৰ আদৰ্শ। সেই সময়ত যদি তেওঁ শিক্ষাদান সত্য প্ৰকাশ আদিৰ দৰে অন্য আদৰ্শ প্ৰচাৰ কৰাৰ কথা মনত সজীৱ কৰি ৰাখে তেন্তে সেই কলাই প্ৰকৃত কলাৰ মহত্ত্ব হেৰুৱাব। এডগাৰ এলান পো বোডলেয়াৰ আৰু চুইনবাৰ্নেও প্ৰায় অনুৰূপ কথাই কৈছিল। কবিতাই যি সৌন্দৰ্য

---

সৌজন্য স্বীকাৰ—ড° মহেন্দ্ৰ বৰা ৰমন্যাসবাদ।

সৃষ্টি কৰিব লাগে সি বাহ্যিক ৰূপৰ নে অভ্যান্তৰীণ অনুভৱৰ সেই কথাতো কবিসকলে মতামত আগবঢ়াইছে। চুইনবাৰ্নৰ মতে বাহ্যৰঙৰ সৌন্দয্যই হ'ল ঘাই কথা। নীতিবাদী ৰাস্কিনৰ মতে কিন্তু ভাব প্ৰকাশৰ আদৰ্শ হ'ল কলাকৌশলৰ আকৰ্ষণতকৈ বহু ওপৰত। ভাবধাৰাৰ সৌন্দৰ্যইহে কবিতাৰ প্ৰকৃত সৌন্দয্য।

Defence of poetry নামৰ গ্ৰন্থত শ্যেলীয়ে কবিতাৰ মাজত যিবোৰ লক্ষণ থকাৰ কথা কৈছে সেইবোৰেও কবিতাৰ লগত থকা সৌন্দৰ্যৰ নিবিড় সম্পৰ্কৰ ইংগিত দিয়ে। তেওঁৰ মতে কবিতাই সুন্দৰ বস্তুৰ সৌন্দয্য বঢ়ায় আৰু কুৰূপ বস্তুও সৌন্দৰ্যমণ্ডিত কৰি তোলে।

এডগাৰ এলান পোৰ মতে সৎ আদৰ্শ নাইবা সত্যৰ লগত কবিৰ কোনো সম্পৰ্ক নাই। কবিৰ সম্পৰ্ক হ'ল সৌন্দৰ্যৰ লগত। কাবৰ অন্তৰত থকা সৌন্দয্য পিপাসাৰ বিষয়ে তেওঁ কৈছে ই যেন ই যেন পতংগৰ তাৰকাৰ প্ৰতি থকা আসক্তি। (শ্যেলীৰ কবিতাৰ Desire of a moth to the star কথাষাৰৰে ই প্ৰতিধ্বনি) মানুহৰ মনত সৌন্দৰ্য ভালপোৱা চিৰন্তন মন এটি শক্তি থাকে। বিশ্বজগতৰ অপাৰ সৌন্দয্যৰ বাহিৰেও এক স্বৰ্গীয় সৌন্দৰ্যৰ অপূৰণ তৃষাই মানুহক আমনি কৰে। কবিতা আৰু সংগীতৰ মাজত সেই সৌন্দয্যৰ একোটি কণিকা বিৰিঙি উঠে যিটিয়ে মানুহক কিছু সময়ৰ বাবে হ'লেও অন্য এখন দেশলৈ লৈ যাব পাৰে। পোৰ মতে কবিতা হ'ল লয়যুক্ত সৌন্দৰ্যৰ সৃষ্টি। কবিসকল হ'ল সচেতন কলাকাৰ। উপযুক্ত শব্দ সুষমা আৰু সংগীতৰ মাধুৰ্যৰে কবিতাত সৌন্দৰ্য সৃষ্টি কৰাই তেওঁলোকৰ কাম।

১৯০২ চনত বেনেদেটো ক্ৰোচেৰ Aesthetics নামৰ পুথিখন ছপা হৈ ওলায়। ভাববাদী দাৰ্শনিক ক্ৰোচেৰ এই পুথিখনত ৰুচি বিজ্ঞানৰ জৰিয়তে কলা সমালোচনাৰ পথ মুকলি কৰা হৈছে। কবিতাক তেওঁ বাকীবোৰ কলাৰ লগত একেলগে সামৰি মত প্ৰকাশ কৰিছে কলাৰ কোনো নিৰ্দিষ্ট বিষয় বস্তু নাথাকে আৰু ই আদৰ্শ অথবা নৈতিকতাৰ প্ৰভাৱৰ পৰা মুক্ত। কলাৰ বাবে কলা এই মতবাদৰে এটি প্ৰতিফলন দেখা যায় ক্ৰোচেৰ ৰচনাত। বিশুদ্ধ কলা আৰু ই সৃষ্টি কৰিব পৰা নন্দনতাত্ত্বিক অনুভূতিৰ কথা আলোচনা কৰিছে ইমানুৱেল কাণ্ট। কাণ্টৰ মতে কলাই দিব পৰা সৌন্দৰ্য একোৰে লগত তুলনীয় নহয় আৰু ই অৱশেষত মিলিত হয়গৈ এক বিশিষ্ট মানসিক অৱস্থাত। কাণ্টৰ

প্ৰভাৱত ফৰাচী দেশত আৰু কেইবাজনো সমালোচকে একে ধৰণৰ মত প্ৰকাশ কৰিছিল। গ্যেটেই কৈছিল যে কলাকৌশলৰ পূৰ্ণতাৰ বাহিৰে আন কোনো আদৰ্শ কবিৰ আগত থকা উচিত নহয়। অৰ্থাৎ ৰূপৰ সৌন্দৰ্যবৰ্ধনেই হোবা উচিত কবিতাৰ প্ৰধান লক্ষ্য।

অস্কাৰ ওবাইল্ড হ'ল কাব্যতবাদৰ অন্যতম এজন প্ৰবক্তা। তেওঁৰ মতে কলাৰ লগত তিনিটা বস্তুৰ সম্পৰ্ক থকা অনুচিত। সেইকেইটা হ'ল বাস্তববাদ নৈতিকতাবাদ আৰু আত্মপ্ৰকাশ। কলাই কেৱল নিজকে প্ৰকাশ কৰে অন্য একো নহয়। কবিতাৰ ক্ষেত্ৰত অনুভূতিৰ গাঢতাতকৈও কলা কৌশলৰ মূল্য বেছি। সত্যতকৈ সৌন্দৰ্যৰ লগতহে ইয়াৰ সম্বন্ধ বেছি।

কাবতাৰ মাজত যি সৌন্দযৰ স্ফুৰণ বিচৰা হয় তাৰ স্বৰূপ আলোচনাৰ যোগ্য। ব্ৰেডলিৰ মতে যিটো বস্তুৱে আমাক নন্দনতাত্ত্বিক আনন্দ দিব পাৰে সিয়েই সুন্দৰ। তেওঁ সৌন্দৰ্যৰ পাচোঁটা প্ৰকাৰ দেখুৱাইছে। সেই কেইটা হ'ল উদাত্ততা চমৎকাৰিত্ব সৌন্দৰ্য মাধুৰ্য আৰু শোভন (Sublime grand beautiful graceful & pretty)।[৩] বেছিভাগ কাব্যতবাদীয়ে বিশ্বাস কৰে যে সৌন্দয হ'ল এবিধ অনুভূতিৰে নামান্তৰ। যি বস্তুৱে কাৰো মনত আনন্দৰ অনুভূতি জগাই তুলিব নোবাৰে অথবা যি বস্তুৰ সৌন্দযৰ প্ৰতি মানুহে উদাসীন মনোভাৱ অবলম্বন কৰে সেই সৌন্দযৰ অস্তিত্ব নাই বুলিয়েই কব পাৰি। সৌন্দযৰ এটা নিজস্ব মূল্য আছে আৰু এই মূল্যটো হৈছে আনন্দ। গতিকে আনন্দৰ গোটৰূপৰ প্ৰকাশেই হ'ল সৌন্দৰ্য। ই বাস্তৱৰূপ গ্ৰহণ কৰা আনন্দ।[৪]

কবিতাই কেৱল আনন্দ আৰু সৌন্দৰ্যৰ সৃষ্টি কৰিলেও শিক্ষা অথবা জ্ঞান যে একেবাৰেই দিব নোবাৰিব এনেও নহয়। সকলো মহৎ কলাতে আনন্দ আৰু উপদেশৰ দ্বৈত ভূমিকা থাকিব পাৰে। গতিকে কবিতাই যদি কিবা বিশেষ উপদেশ দিবলৈ বিচাৰে তাক সৌন্দৰ্যমণ্ডিত কৰি দাঙি ধৰিলে কান্তিবাদী সকলে আপত্তি নকৰে। এই সৌন্দয কবিতাৰ ভিতৰৰ নে বাহিৰৰ সম্পদ সেয়াও আলোচনাৰ বিষয়। অষ্টাদশ

৩। নন্দনতত্ত্ব প্ৰাচ্য আ পাশ্চাত্য পৃঃ ২৬২

৪। B ty tit t d by th bj t fi tio f plea It plea bje t fi d—Th of be ty উদ্ধৃত নন্দনতত্ত্ব পৃঃ ২৬৭

শতিকাৰ সমালোচক সকলে মত প্ৰকাশ কৰিছিল যে কবিতাত ভাষা হ'ল ভাবৰ আভৰণ ( the dress of thought )। ইয়াৰ দ্বাৰা তেওঁলোকে ৰ জাবলৈ বিচাৰিছিল যে কবিতাত বিষয়বস্তু বা অনুভূতিহে প্ৰধান কথা। কিন্তু কান্তিবাদৰ চূড়ান্ত অনুগামীসকলে কয় যে ভাষা বা গঠন ( form ) হে হ'ল কবিতাৰ ঘাই আকৰ্ষণ।

এটি কবিতা পঢ়িলে যেতিয়া মনত আনন্দানুভূতি জাগে তেতিয়া তাৰ সোবাদ মাত্ৰ একেটাই। ভাব ভাষা প্ৰতীক চিত্ৰকল্প আদিৰ স কীয়া সোবাদ তাত আৰ অনুভূতি নহয়। গতিকে প্ৰকৃততে ভাব আৰু ভাষা কোনোটোবেই উপেক্ষণীয় নহয় আৰু কোনোটোবেই অধিক গুৰুত্বপূৰ্ণ নহয়। কবিতাৰ সামগ্ৰিক আবেদনটোহে ঘাই কথা। এই আবেদন ঘাইকৈ কলা কলাৰ বাবে ধ্বনিৰ লগত মিলে যদিও কলা জীবনৰ বাবে ধ্বনিকো ই সম্পূৰ্ণ ভাবে আঁতৰাই নথয়। কান্তিবাদে জীবনক এখন মনোৰম ছবিৰ দৰে চায় স গ্ৰামক্ষেত্ৰ ৰূপে নহয়। জীৱন সুন্দৰ কৰাৰ আৰু জীৱনক সুন্দৰৰূপে চোৱাৰ প্ৰবণতা কান্তিবাদীসকলৰ মাজত দেখা যায়। যিবোৰ বস্তু অথবা অনুভূতি সাধাৰণতে সুন্দৰ বুলি স্বীকৃত নহয় কান্তিবাদীয়ে তাৰ মাজতো আবিষ্কাৰ কৰিবলৈ বিচাৰে মহৎ সৌন্দৰ্য।

## ৪ ৪ ৰহস্যবাদ

কবিতাৰ বিভিন্ন ধাৰাসমূহৰ ভিতৰত ভাৰতীয় মনে সহজে চিনি পোৱা এটি ধাৰা হ'ল ৰহস্যবাদ। পৃথিবীৰ সকলো ভাষাতে কম বেছি পৰিমাণে ৰহস্যবাদৰ বোল সনা সাহিত্য পোৱা যায়। ৰহস্যবাদ সাহিত্যৰ সম্পদ যদিও তাৰ ঘাই স পৰ্ক আধ্যাত্মিক জগতখনৰ লগতহে। ধৰ্ম আৰু দৰ্শনৰ কঠিন তথা আপাতদৃষ্টিত ৰসহীন ব্যাখ্যাৰে ৰহস্যবাদৰ পৰিচয় দাঙি ধৰিব পাৰি। কিন্তু সাহিত্যত বিশেষকৈ কবিতাত ৰহস্যবাদৰ ৰূপ ধৰ্ম আৰু দৰ্শনৰ ৰহস্যবাদতকৈ কমনীয়।

ৰহস্যবাদৰ ইংৰাজী প্ৰতিশব্দ mysticism গ্ৰীক ভাষাৰ শব্দ muco ৰ পৰা আহিছে বুলি ভবা হয়। এই শব্দৰ অৰ্থ হ'ল joining together the edges of a wound অৰ্থাৎ এটি ক্ষতৰ দুটি

৫। A sthet m p 20

দাঁতিৰ একত্ৰীকৰণ। অন্য এটি গ্ৰীক শব্দ musterea ই বুজায় মানুহৰ সাধাৰণ অনুভূতিয়ে ঢাকি নোপোৱা গোপন ৰীতি আৰু ধৰ্মীয় বিশ্বাসৰ ৰহস্যৰ কথা। এই দুযোটা শব্দৰে আঁৰত আছে সৰ্বশক্তিমানৰে সৈতে একীভূত হুবৰ বাবে থকা মানুহৰ অসীম বাসনাৰ কথা। এই বাসনাই কিন্তু সকলো মানুহৰে মনত ধৰা নিদিয়ে। বাস্তব জগতৰ মাজত কোনো অসীমৰ স্পৰ্শ অনুভব নকৰা অধিকাংশ লোকৰ মনতে সীমাৰ সিপাৰৰ ৰহস্যৰ প্ৰতি অনুসন্ধিৎসা নাজাগে। আনহাতে ভাবুক আৰু কল্পনাপ্ৰৱণ সকলে আবিষ্কাৰ কৰে প্ৰতিটো সত্যৰ আঁৰত একোটি ৰহস্য। বৰণীয় চিন্তাবিদসকলৰ অনুভৱত ধৰা দিয়ে সকলো সত্তা আৰু সমস্ত কাৰ্যৰ অন্তৰালত থকা শক্তিৰ অস্তিত্ব। এই বিশেষ শক্তিয়ে আপোন ইচ্ছাত নিয়ন্ত্ৰণ কৰে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো গতিবিধি। এই পৰম শৰ্শ্বটিক ধৰ্মই ভগবান বুলি মানে দৰ্শনে তাৰ স্বৰূপ বুজিবলৈ ব্যাকুল হয় আৰু বিজ্ঞানে যুক্তিৰে বিচাৰ কৰে তাৰ অস্তিত্বৰ সম্ভাব্যতা। সন্ধানৰ পথ বেলেগ হুলেও ধৰ্ম দৰ্শন আৰু বিজ্ঞানে মূলতে একোটি ৰহস্যময় শক্তিকে বিচাৰি যায়। আইনষ্টাইনৰ দৰে প্ৰসিদ্ধ বিজ্ঞানীৰো যুক্তিৰ জগতৰ আঁৰে আঁৰে আছিল এখনি আধ্যাত্মিক জগত। তেওঁৰ সকলোবোৰ যুগমীয়া সিদ্ধান্তৰ অন্তৰালত থকা আধ্যাত্মিক চিন্তাৰ দীপ্ত অনুপ্ৰেৰণাৰ কথা আইনষ্টাইনে নিজেই স্বীকাৰ কৰি গৈছে। তেওঁৰ মতে সকলো বিজ্ঞান ভিত্তিক গবেষণাৰ মূলতে এক আধ্যাত্মিক প্ৰেৰণাৰ পৰম প্ৰয়োজন।

পাশ্চাত্য জগতৰ দাৰ্শনিক চিন্তাধাৰাৰ মাজত ৰহস্যবাদৰ উৎস বিচাৰি গলে প্ৰথমে মনলৈ আহে Benedictus de Spinoza ৰ নাম। এইজন চিন্তাবিদৰ নিৰাকাৰ ভগৱানৰ অস্তিত্ব আৰু ভগৱানৰ লগত বিশ্ব ব্ৰহ্মাণ্ডৰ সম্পৰ্ক সম্বন্ধে তত্ত্বটিৰ মাজত ৰহস্যবাদী ভক্তিৰ বীজ নিহিত হৈ থকা দেখা যায়। ব্ৰহ্মাণ্ডৰ ৰহস্য সম্পৰ্কে ৰচনা কৰা পোন প্ৰথমটি সাহিত্যকৰ্মৰ ৰচক হুল Johun Wolfgang Von Goethe। স্পিনোজাৰ দ্বাৰা প্ৰচাৰিত মতবাদৰ এটি পূৰ্ণতম ৰূপ পোৱা যায় এওঁৰ মতবাদত। অদ্বৈতবাদী চিন্তধাৰাৰ প্ৰকাশ গ্যেটেৰ ৰচনাৰ এক বৈশিষ্ট্য। এই দুজন ঘাই পথ প্ৰদৰ্শক আৰু তেওঁলোকৰ অনুগামী সকলৰ চিন্তা চৰ্চাৰ দ্বাৰা সংসাৰ সৃষ্টি সম্পৰ্কে নিতে নতুন তথ্য আৱিষ্কাৰ হুবলৈ ধৰাত সকলোশ্ৰেণীৰ মানুহৰ মনতে ৰহস্য অনুসন্ধানৰ

পন্থা বাঢ়িবলৈ ধৰিলে। গির্জা ঘৰৰ ধর্মীয় বিশ্বাসৰ বান্ধোনত এচাম ধর্মভীৰু লোকে বিবনিয়ন্তাৰ সন্ধান কৰাৰ দৰে বিজ্ঞানৰ প্রচ্ছায়াতো অন্য এচামে অনুসন্ধিৎসাৰ বন্তি জলাবলৈ লয়। ১৯২৯ চনত প্রকাশ হয় প্রসিদ্ধ দার্শনিক Bertrand Russel ৰ Mysticism and Logic বোলা গ্রন্থখনি। প্রায় এই সময়তে প্রকাশ পায় বিজ্ঞানী Pierre Teilbard de Chardin অৰ The Phenomenon of men নামৰ গ্রন্থখনি। দুয়োখনিৰ আলোচনাৰ ৰীতি আৰু ৰচনাৰ উদ্দেশ্য সম্পূর্ণ বেলেগ যদিও এটি বিষয়ত দুয়োখনিৰ সাদৃশ্য চকুত পৰে। এই সাদৃশ্য প্রকাশ পাইছে পৰম শক্তিৰ সৈতে একীভূত হোবাৰ বাবে থকা মানবৰ ৰহস্যময় বাসনাৰ মাজত। পৰম শক্তিৰ ব্যাখ্যাও দুয়োজন চিন্তাবিদৰ নিজা ধাৰণাৰে পুষ্ট।

বিজ্ঞানী বা দার্শনিক সকলতকৈও সাহিত্যিকসকলহে হৃদয় পৰশা প্রকাশ ঘটোবা দেখা যায়। ৰাহস্যিক উপলব্ধি আৰু সাহিত্যিক অনুপ্রেৰণাৰ সোণসুবগাৰ মিলন স্বৰূপে বিশ্ব সাহিত্যত নানান মূল্যবান ৰচনাৰ সৃষ্টি হৈছে। প্রাচ্য আৰু পাশ্চাত্য উভয় জগতৰে সাহিত্যত ৰহস্যবাদ এটি প্রধান ধাৰা। প্রাচীন গ্রীচ আৰু জার্মানীৰ শ্রেষ্ঠ সাহিত্যসম্ভাৰ সমূহৰ মাজত ৰহস্যবাদৰ নিমজ প্রকাশ এটি চকুত পৰে। বাইবেলৰ Old Testament খণ্ডটিত দেখা যায় এনে এক প্রকাশৰে অন্য এটি পৰিমার্জিত ৰূপ। সাহিত্যৰ বিভিন্ন বিভাগসমূহৰ ভিতৰত ঘাইকৈ কবিতাই হ'ল ৰহস্যবাদৰ শ্রেষ্ঠ বাহন। ইংৰাজী সাহিত্যত পোন প্রথমে কবি উইলিয়াম ব্লেকৰ কবিতাত গতানুগতিকতাৰ পৰা আঁতৰি ৰহস্যবাদৰ অভিনৱ সুৰ ধ্বনিত হোৱা শুনা যায়। এওঁৰে সমসাময়িক জার্মান কবি J C F Holderlin অৰ কবিতাত খ্রীষ্টীয় ৰহস্যবাদৰ লগত মিশ্রিত হৈছে প্রাচীন গ্রীক কবিতাৰ সুন্দৰ চিত্রসমূহ।

এই সময়ৰে পৰা কবিতা জগতত ৰহস্যবাদৰ স্পন্দন ভালদৰে অনুভূত হ'বলৈ ধৰে। পার্থিব জগতৰ সীমাৰ সিপাৰে থকা ধূৰ লিকুব লি সৌন্দর্যৰ মায়াভৰা প্রকাশে কবিতা ৰসিকক অভিনৱ আনন্দলোকৰ সন্ধান দিলে। ভগবানৰ সন্ধান কৰোঁতা কবিৰ সন্ধানৰ ৰীতি বেলেগ। তেওঁলোকৰ আকুলতাত ধর্মৰ বান্ধোন নাথাকে—থাকে একপ্রকাৰ কলা সুলভ সৌন্দর্যস্পৃহা। Stephane Mallarme Paul Valery আৰু Edgar Allen Poe ৰ কবিতাত এনে সোৱাদ পোৱা যায়।

ৰহস্যবাদ তত্ত্বটিৰ দুজন ঘাই আলোচক Evelyr Underhill আৰু Hegel যে ঘাইকৈ ধৰ্মীয় পৰম্পৰা মানিযেই তেওঁলোকৰ আলোচনা আগবঢ়াইছে যদিও সাহিত্যিক দৃষ্টিকোণো তেওঁলোকে বৰ্জন কৰা নাই। তেওঁলোকৰ মতে ধৰ্ম আৰু সাহিত্যই একেটি লক্ষ্যলৈকে গতি কৰে কিন্তু গতিপথৰ বৈসাদৃশ্য হেতুকে দুযো ঠাইতে ৰহস্যবাদৰ দুটি ভিন্ন ৰূপ দেখা যেন লাগে। এই কথাও তেওঁলোকে কৈ গৈছে যে কবিতাৰ মাজত প্ৰকাশ পোৱা ৰহস্যবাদে পাঠকৰ হৃদয় সহজে আলোড়িত কৰিব পাৰে কিন্তু ধৰ্মীয় ৰহস্যবাদৰ এই মোহিনী গুণ নাই। ৰহস্যবাদৰ অন্য এক বিশ্লেষণ পোৱা যায় নিউ প্লেটোনিক সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা প্লটিনাছৰ ৰচনাত। এইজন চিন্তাবিদে আধ্যাত্মিক অনুভূতিৰে পৰমব্ৰহ্মৰ লগত মিলিত হোৱা বুলি অনুভৱ কৰিছিল আৰু তেনেবোৰ ক্ষণত লাভ কৰিছিল ব্যাখ্যাতীত আনন্দ। প্লটিনাছে নিৰাকাৰ ব্ৰহ্মক সকলো সুন্দৰ বস্তুৰ মূল বুলি উল্লেখ কৰিছে। এই নিৰাকাৰৰ পৰা নিগৰি ওলায় সৌন্দৰ্য। এওঁৰ মতে কলাৰ অভিজ্ঞতা হ'ল একপ্ৰকাৰ আধ্যাত্মিক অভিজ্ঞতা। যেতিয়া আত্মাই সৌন্দৰ্যৰ চিন্তা কৰে তেতিয়া ই সকলো পাৰ্থিব বাসনাৰ ওপৰলৈ উঠি বেলেগ এক জগতত বাস কৰে। ফলত এক ৰহস্যময় অনুভূতিযে তেতিয়া সন্ধানী আত্মাৰ ওপৰত ক্ৰিয়া কৰি তাত অলৌকিক আনন্দ প্ৰদান কৰে। হেগেলেও কলাক অতি উচ্চ স্থান দিছে। তেওঁৰ মতে ধৰ্ম আৰু দৰ্শনৰ দৰে কলাও পৰম ব্ৰহ্মৰে এটা দিশ। উচ্চতম কলা হ'ল সংগীত আৰু কবিতা। সংগীত ইন্দ্ৰিয়গ্ৰাহ্য অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল কিন্তু কাব্যত ইন্দ্ৰিয়াতীত অভিজ্ঞতাৰ দ্বাৰা পৰমব্ৰহ্মৰ আনন্দময় ৰস আস্বাদনৰ সুযোগ পোৱা যায়। হেগেলৰ মতে শব্দ বা ধ্বনি কাব্যৰ মুখ্য আকৰ্ষণ নহয় ইয়াৰ আকৰ্ষণ হ'ল ভিতৰত নিহিত হৈ থকা আধ্যাত্মিক অনুভূতি। ৰহস্যবাদী চিন্তা ধাৰাৰ প্ৰতি সদায়ে আকৃষ্ট হৈ থকা হেগেলে কবিতাত এনে আধ্যাত্মিক চিন্তাধাৰাৰ প্ৰয়োজনৰ ওপৰত গুৰুত্ব দিছিল।

ৰহস্যবাদৰ এটি বিশিষ্ট ধাৰা হ'ল ছুফীবাদ। ছুফীবাদে পাৰ্থিৱ প্ৰেমৰ মাজেদি পৰম প্ৰেমৰ সন্ধান কৰে। ছুফীসকল আছিল খ্ৰীষ্টীয় অষ্টম শতিকাত পাৰস্য দেশত আত্মপ্ৰকাশ কৰা একশ্ৰেণীৰ সাধক সম্প্ৰদায়। প্ৰথম অবস্থাত এওঁলোক কেৱল ধৰ্মীয় নীতিসম্পৰ্কীয় আলোচনাত আবদ্ধ আছিল। পিছলৈ ইয়াত নীতিতকৈ কবিতাৰ ভূমিকা

বেছি হ'ব বুলি ধৰিলে। ত্ৰয়োদশ শতিকাত তিনিজন প্ৰখ্যাত ছুফী কবিৰ আবিৰ্ভাবে এই ধাৰাটোক অধিক সৌন্দৰ্য প্ৰদান কৰি ছুফীবাদক এক বিশিষ্ট ধাৰালৈ ৰূপান্তৰিত কৰিলে। এই কবিসকল হ'ল আত্তৰ জালালুদ্দীন ৰুমী আৰু ছাদী। এওঁলোকৰ কবিতাৰ মাজত এক পৰম মঙ্গলময় আৰু পৰম সুন্দৰ শক্তিৰ সন্ধানৰ প্ৰচেষ্টা দেখা যায়। একেশ্বৰবাদত বিশ্বাস কৰিলেও ছুফীসকলৰ ভগবান আৰু ৰক্ষণশীল মুছলমানসকলৰ ভগবান একে নহয়। ছুফীসকলৰ মতে জগতৰ সকলো সুন্দৰতা আৰু কোমলতা এক পৰম সুন্দৰৰ অংশ মাথোন। পাৰ্থিব প্ৰেমৰ যোগেদিও এই পৰম প্ৰেমময়ৰ কাষ চাপিব পাৰি। এওঁলোকৰ মতে ভগবান প্ৰেমিকা আৰু ভক্ত হ'ল প্ৰেমিক। প্ৰেমিকাৰ সান্নিধ্য লাভৰ বাবে প্ৰেমিক যিদৰে আকুল আৰু উন্মাদপ্ৰায় হৈ পৰে এওঁলোকে সেইদৰে আকুল হৈ পৰে চিৰসুন্দৰৰ সান্নিধ্য লাভৰ বাসনাত। ছুফীসকলৰ ধাৰণাত প্ৰেমে বিশিষ্ট স্থান লাভ কৰে। প্ৰেমৰ উদ্দীপক হ'ল মদিৰা। যি সুন্দৰীয়ে এই মদিৰা পান কৰায়—তেওঁ হ'ল ছাকী। ছুফীসকলৰ মতে মদিৰা হ'ল ভগবৎ প্ৰেম আৰু ছাকী হ'ল ভগবান বা গুৰু। জগতৰ অনিত্যতা অনুভৱ কৰা আৰু বহুতৰ মাজত একৰ প্ৰকাশ দেখা ছুফীবাদৰ বৈশিষ্ট্য। মানৱ আৰু পৰমাত্মাৰ মাজত থকা অসংখ্য আৱৰণ ভেদ কৰি ছুফী সাধকসকলে আকাংক্ষিতক পাবলৈ যাত্ৰা কৰে। যাত্ৰাৰ শেষত যেতিয়া প্ৰেমিক আৰু প্ৰেমিকাৰ মিলন হয় তেতিয়াই সাধকে লাভ কৰে ব্যাখ্যাতীত আনন্দ। ছুফী কবিতাৰ মাজত প্ৰেম প্ৰেমিকা সুৰা যাত্ৰা আদি প্ৰতীকি শব্দৰ বহুল প্ৰয়োগ দেখা যায়। হাফিজ ওমৰ খৈয়াম দুজন প্ৰখ্যাত ছুফীবাদী কবি। কবিতাৰ মাজত প্ৰতীকি ভাষাৰে আত্মা পৰমাত্মাৰ মিলন দেখুওৱা শ্ৰেষ্ঠ কবিজন হ'ল জালালুদ্দীন ৰুমী। এওঁৰ এটি কবিতাত ভগবৎপ্ৰেমৰ একীভূত আনন্দ এনেদৰে ফুটি উঠিছে—

> এজন প্ৰেমিকে প্ৰেমিকাৰ দুৱাৰত শব্দ কৰাত ভিতৰৰ পৰা প্ৰশ্ন হ'ল— সেয়া কোন? উত্তৰত প্ৰেমিকে ক'লে মই। ভিতৰৰ কণ্ঠস্বৰে ক'লে গুচি যোৱা। ইয়াত দুজনৰ বাবে ঠাই নাই। দ্বিতীয়বাৰ আকৌ গৈ দুৱাৰত শব্দ কৰাত পুনৰ প্ৰশ্ন হ'ল— কোন? উত্তৰত প্ৰেমিকে ক'লে তুমি। এইবাৰ ভিতৰৰ কণ্ঠস্বৰে ক'লে সোমাই আহাঁ। মই ইয়াতে আছোঁ।

এই আত্মবিলুপ্তি হ'ল ভগবৎপ্ৰেমৰ মূল লক্ষণ। তেওঁ লোকে অধ্যয়ন শব্দ জ্ঞানতকৈ নিকা অন্তৰৰ অভিজ্ঞতা আৰু স্বাৰ্থহীন প্ৰেমক ভগৱান প্ৰাপ্তিৰ দৃঢ় সোপান বুলি মত প্ৰকাশ কৰে। তেওঁলোকে দেখা পায় সকলো অণু পৰমাণুতে বিয়পি থকা চিৰসুন্দৰৰ ৰূপৰ জিলিকনি। জামী নামৰ ছুফী কবিজনে কৈছে—

যতেই দেখিবা এখন পৰ্দা বা আবৰণ
তাৰ আঁৰতেই তেওঁ লুকাই থাকে।

ভক্ত কবি সাধক বা ৰহস্যবাদীসকলৰ বাবে আকাংক্ষিতৰ ৰূপ বেলেগ। ছুফী সাধকসকলে প্ৰিয়াৰূপে তেওঁক কামনা কৰাৰ দৰে ভাৰতীয় বৈষ্ণৱ সাধকসকলে তেওঁক বিচাৰে কেতিয়াবা প্ৰিয় ৰূপত আৰু কেতিয়াবা স্বামীৰ ৰূপত। প্ৰাচীন কালৰে পৰা ভাৰতবাসীৰ মন ৰহস্যবাদী চিন্তাধাৰাৰে পুষ্ট। উপনিষদৰ ৰহস্যবাদ আছিল দাৰ্শনিক ৰহস্যবাদ। বিশ্ব ব্ৰহ্মাণ্ডৰ উৎপত্তি তথা স্থিতিৰ কাৰণ বিচাৰি আৰু সৃষ্টিৰ মূল শক্তিটোৰ স্বৰূপ জানিবলৈ প্ৰয়াস কৰি প্ৰাচীন ঋষি মুনিসকলে নিজা নিজা মতবাদ আগবঢ়াই ঘাইকৈ ছয়বিধ দৰ্শনৰ পাতনি মেলিছিল। এই বিলাক হ'ল সাংখ্য দৰ্শন, যোগ দৰ্শন, মীমাংসা দৰ্শন, ন্যায় দৰ্শন, বৈশেষিক দৰ্শন আৰু বেদান্ত দৰ্শন। দৰ্শনৰ জটিলতাৰ মাজত মনীষীসকলৰ অধ্যয়নপুষ্ট জ্ঞান আৰু অগাধ চিন্তা শক্তিৰ পৰিচয় পোৱা গলেও এইবোৰ আছিল সৰ্বসাধাৰণৰ অনুভৱৰ পৰা কিছু আঁতৰত। কিন্তু মধ্যযুগৰ ভাৰতৰ যি ভক্তিমূলক ৰহস্যবাদ সেয়া আছিল সকলোৰে গ্ৰহণযোগ্য আৰু বুদ্ধিৰে চুকি নাপালেও হৃদয়েৰে ছুব পৰা বস্তু।

খ্ৰীষ্টীয় ষষ্ঠ শতিকাত তামিল দেশত আবিৰ্ভূত হোৱা শৈৱসাধক নায়নমাৰ আৰু সপ্তম নবম শতিকাত তাতেই ভক্তিধৰ্ম প্ৰচাৰ কৰোঁতা আলবাৰ সকলৰ ভক্তিমূলক গীতসমূহৰ মাজত পোন প্ৰথমে ৰহস্যবাদৰ বীজ দেখা যায়। এই বীজে পূৰ্ণতা লাভ কৰে কবিৰদাস আদি পিছৰ কালৰ ভক্ত কবিৰ হাতত। চৰাচৰ মূল শক্তিটিক নিজৰ পৰমপ্ৰিয় বুলি কল্পনা কৰি কবিৰদাসে এটি গীতত কৈছে— মোৰ প্ৰিয়তমাৰ লালিমা মই যি পিনেই চাওঁ সেই পিনেই দেখোঁ। সেই লালিমা যেতিয়া চাবলৈ গলো তেতিয়া মযো লালিমাত পৰিণত হলোঁ। এয়ে হৈছে ৰহস্যবাদী কবিৰ প্ৰকৃত অনুভৱ। এই অনুভৱৰে এটি পূৰ্ণতম বিকশিত ৰূপ

দেখা যায় কবি চণ্ডীদাসৰ ৰচনাত। প্ৰিয়াৰ মাজত নেদেখা নশুনা সৌন্দৰ্য্যৰ সন্ধেদ ৰহস্যৰ বতৰা পোৱা এইজনা সাধক কবিয়ে সীমাৰ মাজতে অসীমক বিচাৰি পাইছিল। প্ৰিয়াৰ প্ৰতি তেওঁৰ বিখ্যাত উক্তি—

তুমি ৰজকিনী আমাৰ ৰমণী
তুমি হও পিতৃ মাতৃ
ত্ৰিস ধ্যা ভজন তোমাৰি যাজন
তুমি বেদ মাতা গায়ত্ৰী

তেওঁৰ অনুৰক্তি বিয়পি পৰিছে শৰীৰী প্ৰিয়াৰ পৰা পৰম সত্তালৈ। আকাঙ্ক্ষিতৰ প্ৰতি তীব্ৰ প্ৰেমৰ বাবে পাযো হেৰুৱাৰ আতঙ্ক আৰু উৎকণ্ঠা প্ৰতিক্ষণতে উদ্বেল হৈ উঠা সান্নিধ্যলাভৰ আকাংক্ষা—মৰমীয়া বাদৰ এইবোৰ লক্ষণেৰে পুষ্ট চণ্ডীদাসৰ কবিতা ভাৰতীয় ৰহস্যবাদৰ সুকোমল নিদৰ্শন। কোনোবা এঠাইত পৰম আনন্দময় বিশ্ব নিয়ন্তা আছে জীবাত্মা তেওঁৰে অংশ মাথোন। কিন্তু পৰমাত্মা আৰু জীৱাত্মাৰ কোনখিনিত মিলন হয় কেতিয়া কেনেকৈ এই মিলনে ঠাই লয়—সেয়াই এক অন্তহীন ৰহস্য। জোৱাৰৰ পানীয়ে ধুবাই থকা উপকূলৰ কোনটি প্ৰান্তত সাগৰ আৰু তীৰভূমি মিলি পৰিছে চিনাৰ উপায় নোহোৱাৰ দৰে প্ৰেম অনুৰক্তিয়ে ওপচাই পেলোৱা হৃদয়ৰ জনাৰ উপায় নাথাকে কোনটো বাটেৰে কেতিয়া আহি পৰমপ্ৰিয় তেওঁৰ বুকুত সোমাই পৰেহি। ভাৰতীয় ভক্তকবিৰ ৰহস্যবাদ সেই বাবেই ছাঁ পোহৰৰ খেলাৰ দৰে বুজা নবুজাৰ ভাবেৰে ভৰা। বেদান্ত দৰ্শনৰ দেশ ভাৰতবৰ্ষত সমস্ত সৃষ্টিৰ মূলতে এটি মাত্ৰ সত্তাক ব্ৰহ্মৰূপে স্বীকাৰ কৰা হয়। অথচ এই দৰ্শনত বিশ্বাসী ভক্তজন যেতিয়া কবিলৈ পৰিবৰ্তিত হয় তেতিয়া চিৰ সত্য ব্ৰহ্মও যেন ঢাক খাই পৰে ৰহস্যৰ অসীম কুঁৱলীৰ মাজত। ভজন পূজনৰ মাজেৰে যাৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰি নিভাজ প্ৰীতিৰ মাজেৰেহে যাৰ সম্যক ধাৰণা পোৱা সম্ভৱপৰ—সেইজন বিশাল অৰূপ অচিন্তনীয়ৰ পৰ কথা অসমৰ মহাপুৰুষ মাধবদেৱে কৈছে—

অব্যক্ত ঈশ্বৰ হৰি কেনমতে চিন্তিবাহা
ব্যাপকত কিবা বিসৰ্জন।
এতাৰন্ত মূৰ্ত্তিশূন্য কিমতে পূজিবা তাংক
ৰাম বুলি শুদ্ধ কৰা মন॥

ভক্তকবি মাধৱদেৱৰ নামঘোষা পুথিত ভক্তিৰ পোনপটীয়া প্ৰকাশৰ আঁৰে আৰে ৰহস্যবাদৰ উজ্জ্বল জিলিকনি লক্ষ্য কৰা যায়।

ৰহস্যবাদ বিশ্বসাহিত্যৰ সুপ্ৰাচীন ধাৰা হ'লেও ইয়াৰ মহত্ত্ব আজিও ক্ষুণ্ণ হোৱা নাই। আধুনিক যুগতো এচাম কবিৰ হাতত এই ধাৰাটো সযত্নে পালিত হোৱা দেখা যায়। অসীমৰ ৰহস্য জনাৰ প্ৰতি যুগে যুগে সঞ্চিত হৈ থকা চিৰকলীয়া স্পৃহাৰ বাবেই আধুনিক মানবৰ মনৰ মাজতো এটি আদিম সত্তা শুই থাকে। এই সত্যটিৰ উৎকণ্ঠা আৰু অনুসন্ধিৎসাৰ নিৰসনৰ বাবে কবিতাক যি সকলে আশ্ৰয় কৰে তেওঁলোকৰ বাবে ৰহস্যবাদেই প্ৰকৃষ্ট পথ। ক্ষুদ্ৰ মানবৰ অসীমলৈ যাত্ৰাৰ সংঘাতপূৰ্ণ কালৰ বিচিত্ৰ বিবৰণেই হ'ল ৰহস্যবাদৰ চমু পৰিচয়।

## ৪.৫ প্ৰতীকবাদ

কবিতাৰ জগতত প্ৰতীক হ'ল এটা জনপ্ৰিয় আৰু চিনাকি শব্দ। প্ৰতীকে কবিতাৰ ভাষা ব্যঞ্জনাময় কৰি তোলে। একোটা প্ৰতীকৰ আঁৰত কবিৰ বক্তব্যৰ এটা বা অধিক কথাই নিজকে লুকুৱাই থয় মাথোন গ্ৰাহীসকলেহে সেই কথা বিচাৰি উলিয়াব জানে। গতিকে প্ৰতীক যে সকলো সময়তে সকলো শ্ৰেণীৰ পাঠকৰ বাবে সমাদৃত তেনে নহয়। প্ৰতীকৰ প্ৰয়োগে বিস্তাৰিত পেলোৱা কাব্য পাঠকো সকলো দেশৰ সকলো সাহিত্যতে পোৱা যায়। তথাপিও সূক্ষ্ম বিচাৰত চাবলৈ গলে প্ৰতীকবাদ এটি সবল ধাৰণা আৰু তাৰ প্ৰকৃতি অধ্যয়ন কৰাটোও এটি আনন্দদায়ক প্ৰচেষ্টা।

১৯ শতিকাৰ শেষৰ ফালে প্ৰতীকবাদে ব্যাপক স্বীকৃতি লাভ কৰে। এই মতবাদৰ মূল হোতা কেইজন হ'ল ফৰাচী কবি সাহিত্যিক মালামে ভালে আৰু ৰিম্বা।

প্ৰতীকবাদৰ মূল বক্তব্য হ'ল দৃশ্যমান জগতখন প্ৰকৃততে বাস্তৱ নহয়। যি দেখা যায় সেয়া হ'ল এক অদৃশ্য সৰ্বশক্তিমানৰ প্ৰতীকি প্ৰকাশ। গতিকে সাহিত্যত এই জগতৰ যি কথা প্ৰকাশ কৰা হয় সেইবোৰ প্ৰত্যক্ষ বা স্পষ্টৰূপে প্ৰকাশ কৰা সম্ভৱ নহয় আৰু কৰা উচিতো নহয়। কলা হ'ল একপ্ৰকাৰ অনুকৰণ। লগতে ই প্ৰতীকধৰ্মীও। জগতৰ কলাসন্মত উপস্থাপন কেৱল উকা অনুকৰণ হ'লেই নহ'ব। ই হ'ব

লাগিব প্ৰতীকি বৰ্ণন। কবিতাই কিছুমান সাৰ্বজনীন সত্য প্ৰকাশ কৰে। এই প্ৰকাশ যথাযথ আৰু পোনপটীয়া হোৱাতকৈ কিছু আওপকীয়া হোৱা উচিত। ইয়াৰ বাবে কবিয়ে প্ৰতীকৰ সহায় লয়। প্ৰতীকৰ দ্বাৰা কবি আৰু কলাকাৰে নিজৰ ভাবানুভূতি ব্যঞ্জনাময় কৰি প্ৰকাশ কৰে। কবিৰ কল্পনা জগতৰ দৃশ্যসমূহ প্ৰতীকৰ দ্বাৰা সুচাৰু ভাবে প্ৰকাশিত হয়। গতিকে প্ৰতীকবাদ হ'ল কলাকাৰৰ ধাৰণা ( Idea ) আৰু অনুভূতিৰ এক বিশিষ্ট প্ৰকাশ। যত প্ৰত্যক্ষ ব্যাখ্যাৰে বা তুলনামূলকভাৱে গাইগুটীয়া চিত্ৰৰ আলোচনাৰে বক্তব্য স্পষ্ট কৰা নহয়। এই ধাৰণা আৰু অনুভূতিৰ এক আভাসমাত্ৰ পাঠকক দিবলৈ বিচৰা হয় পাঠকৰ মনৰ মাজত কিছুমান প্ৰতীকৰ সহায়ত সেইবোৰৰ নতুনকৈ সৃষ্টি কৰি। এই প্ৰতীকসমূহো ব্যাখ্যা কৰি বুজোৱা নহয়। উপস্থাপনৰ কৌশলতে প্ৰতীকসমূহ পাঠকে বুজি পাব লাগে।

গতিকে প্ৰতীকবাদৰ মাজত দুটা প্ৰকৃতি দেখা যায়। এটা হ'ল যাক কোৱা হয় transcendental symbolism। ইয়াত চিত্ৰসমূহ ব্যৱহাৰ কৰা হয় কোনো কবিৰ নিৰ্দিষ্ট ভাব অনুভূতিৰ প্ৰতীকৰূপে নহয় এখন বিশাল আৰু আদৰ্শাত্মক জগতৰ প্ৰতীকৰূপেহে। দৃশ্যমান জগতখন এই জগতৰে অসম্পূৰ্ণ প্ৰতিৰূপ। দ্বিতীয়টো প্ৰকৃতি হ'ল কবিৰ ব্যক্তিগত অনুভূতিক প্ৰতীকৰূপেৰে দাঙি ধৰাৰ প্ৰবৃত্তি। এই দ্বিতীয় লক্ষণটোহে সাহিত্য ৰসিকৰ জগতত বেছি জনপ্ৰিয়।

ষ্টেফাণ মালামে আছিল প্ৰতীকবাদী কবিসকলৰ অন্যতম। এইচাম কবিয়ে কবিতাত বৰ্ণনা দিয়াতকৈ ব্যঞ্জনাময় প্ৰকাশভংগিহে ভাল পাইছিল। মালামেৰ্ৰ কবিতাত আছিল শব্দৰ সংগীতময় মূৰ্চ্ছনা। তেওঁ আৰু তেওঁৰ সমসাময়িক কবিসকলে এটা সময়ত সংগীতময়তাৰ প্ৰতি ভাল দৰেই মনোযোগ দিছিল। কাৰণ প্ৰতীকবাদীসকলে সদায়েই যি ইংগিতময় লক্ষণেৰে ভৰপূৰ শব্দ প্ৰতীক বিচাৰি ফুৰে তাৰ প্ৰকাশ সংগীতৰ মাজত হয় বেছি স্বচ্ছন্দ। প্ৰতীকবাদীসকলে তেওঁলোকৰ কবিতাত

৬। Symbol m c th fo b d fy g th t f p e g d s d m t o t by d b g th m d ctly o by defy g th m through o r mp so w h t m g b t by gg t g wh t th dea d mot o by t g them th m d of th d r th o gh th of xplain d ymbols—Symbol sm p 2

নতুন নতুন সোবাদ দি পাঠকক চমৎকৃত কৰিছিল ফৰাচী কবি ৰ্যাবোঁৱে নতুন ছন্দৰ পৰীক্ষা কৰাৰ লগে লগে কিছুমান অভূতপূৰ্ব প্ৰতীকৰ অৱতাৰণা কৰিছিল।[৭] পল ভার্লেৰ কবিতাতো প্ৰতীকৰ প্ৰয়োগ দেখা যায়। আৰু লক্ষ্য কৰা যায় সা গীতিক শব্দ চয়নৰ প্ৰাধান্য।

প্ৰতীকবাদৰ লগত সহজেই মিলি পৰে imagist সকলে ব্যৱহাৰ কৰা ৰূপক আৰু উপমাৰ প্ৰয়োগৰ ৰীতি। প্ৰকৃততে কিন্তু দুযোটা বেলেগ বস্তু। Imagist সকলে ব্যৱহাৰ কৰা উপমাৰ মাজত মৌলিকত্ব থাকিলেও আৰু এইবোৰ হৃদয় পৰশা হলেও ইয়াত ভিতৰৰ কোনো ধাৰণা অথবা অনুভূতিৰ নিহিতাৰ্থ নাথাকে। গতিকে তেওঁলোকৰ ৰচনা হল প্ৰতীকবাদৰ প্ৰায় বিপৰীত দিশৰ এটা বস্তু। অৱশ্যে Imagist গোষ্ঠীৰে টি এছ ইলিয়টৰ কথা অলপ বেলেগ। তেওঁৰ কিছুমান পংক্তিত শব্দৰ প্ৰতীকি প্ৰয়োগ লক্ষণীয়। তেওঁ লিখিছিল the yellow fog that rules its back upon the window panes আৰু the burnt out ends of smoky days ৰ দৰে শাৰী যিবোৰৰ শব্দ সম্ভাৰ গভীৰ ব্যঞ্জনাময়। নিজৰ বৰ্ণনীয় বিষয় বেছি শক্তিশালী কৰিবৰ বাবেই তেওঁ এইবোৰ প্ৰয়োগ কৰা াছিল ইয়াৰ দ্বাৰা তেওঁ সৃষ্টি কৰিছিল বিশেষ এক আমেজ। তেওঁৰ দৰেই আৰু কেইজনমান কবিৰ হাতত এই আমেজ সৃষ্টিৰ উদ্দেশ্যেৰে শব্দ সম্ভাৰৰ প্ৰতীকি প্ৰয়োগ লক্ষণীয় হৈ উঠিছিল।

প্ৰতীকবাদী সকলে সাহিত্যৰ অনুকৰণমূলক তত্ত্ব (mimetic theory) প্ৰত্যাখ্যান কৰি ইয়াক শিল্পকলা আৰু সংগীতৰ ওচৰ চপাই আনিবলৈ বিচাৰিছিল। এজন কবিৰ মনৰ জগতখনৰ অভিজ্ঞতাসমূহ যিহেতু সাধাৰণ ভাষাৰে প্ৰকাশ কৰা অসম্ভৱ গতিকে প্ৰতীকৰ সহায়ত কবিতাৰ প্ৰকৃত অৰ্থৰ আভাস এটাহে দিয়াৰ প্ৰয়াস কৰা হৈছিল। ভাষাৰ অৰ্থ প্ৰকাশ কৰিব পৰা ক্ষমতাৰ গুৰুত্ব কমাই দি প্ৰতীকবাদী সকলে সাহিত্যক অধিক আত্মবাদী কৰিছিল।

প্ৰতীকবাদী সকলে ছন্দ সম্বন্ধে স্বাধীনতা গ্ৰহণ কৰিছিল আৰু নিজৰ ৰচনাৰ মাজত আনৰ ৰচনাৰ উল্লেখ আৰু উদ্ধৃতি ব্যৱহাৰ

৭। সাহিত্যৰ বাদ-বৈচিত্ৰ্য পৃঃ ৭২
৮। সাহিত্যৰ বাদ বৈচিত্ৰ্য পৃ ৪১

কৰিছিল। ফলত পাঠকৰ অধ্যয়ন লব্ধ জ্ঞানৰ প্ৰয়োজনীয়তাও বাঢ়ি আহিল।

১৮৯০ চনত আৰ্থাৰ চিমনচৰ The symbolist Movement in Literature নামৰ ৰচনাত প্ৰতীকবাদী আন্দোলনৰ সবিশেষ প্ৰকাশ কৰা হয়। ইংৰাজ কবিসকলে প্ৰথমতে এই আন্দোলনৰ প্ৰতি সহাৰি জনোৱা নাছিল। ফ্ৰান্সতহে ইয়াৰ পূৰ্ণ প্ৰয়োগ ঘটিছিল। বোদলেয়াৰৰ বিতৃষ্ণ জীৱনবোধৰ প্ৰতীকবোৰ আছিল বাস্তৱৰ পৰা গ্ৰহণ কৰা। যেনে গহ্বৰ সমুদ্ৰ জাহাজ মাস্তুল শব কফিন কবৰ ইত্যাদি। কিছু পিছৰ কালত ইয়েট্‌ছ আদি কবিসকলে অনুভৱ কৰিছিল যে "কাব্য হোৱা উচিত এটি গূঢ় ধৰ্মৰ দৰে দীক্ষিত সকলৰ বাহিৰে আনে যেন তাৰ অৰ্থ বুজি নাপায়।[১] গতিকে তেওঁলোকে কিংবদন্তি ধৰ্মীয় গাথা আৰু অলৌকিকতাৰ পৰশ থকা প্ৰতীক কিছুমান প্ৰয়োগ কৰিছিল। প্ৰতীকবাদী কবিসকলে এনে শব্দ সম্ভাৰ নিৰ্বাচন কৰি উলিয়াইছিল যিবোৰে বাস্তৱক অতিক্ৰম কৰি অতি বাস্তৱ স্তৰত পাঠকক উপস্থিত কৰায়। তেওঁলোকে কবিতাত সম্পূৰ্ণ চিত্ৰখন ৰচনা কৰি নিদিয়ে পাঠকৰ হাতৰ কাষতে গোটাই দিয়ে কবিতাৰ শব্দ ভাব আৰু চিত্ৰকল্প —যাতে গোটেইবোৰৰ সমাবেশত কবিতাৰ প্ৰকৃত চিত্ৰখন পাঠকে নিজেই আঁকি লব পাৰে। বস্তুতঃ তাতকৈ বৈদগ্ধকহে এওঁলোকে বেছি গুৰুত্ব দিছিল।

## ৪ ৬ চিত্ৰকল্পবাদ

কবিতাৰ জগতত চিত্ৰকল্প এক চিনাকি নাম। কবিৰ মনে শব্দৰ তুলিকাৰে ব্যঞ্জনাৰ ৰহণ বুলাই যি ছবি আঁকে পাঠকে তাৰ মাজত বিচাৰি লব পাৰে সৰল কবিতাই দিব নোৱাৰা অনন্য এক তৃপ্তি। চিত্ৰকল্প উপমাতকৈ কিছু বেলেগ। উপমাই কোনো এটি ৰূপ অনুভূতিৰ গাঢ়তা বঢ়াই তোলে কিন্তু চিত্ৰকল্পই কবিয়ে নোকোৱা কথাখিনিৰো ছবি এখন আনি পাঠকৰ মনৰ চকুত দাঙি ধৰে। উপমাত কিবা এটি সাদৃশ্য কল্পিত হয় চিত্ৰকল্পত সাদৃশ্যৰ উপৰিও থাকে সাধাৰণ মনে ঢুকি নোপোৱা অতিৰিক্ত এটি কল্পনাৰ ৰেখাচিত্ৰ।

১। আধুনিক বাংলা কাব্য-পৰিচয় পৃঃ ২৯

চিত্ৰকল্পবাদী আন্দোলনৰ জন্ম হৈছিল কুৰি শতিকাৰ প্ৰথমৰ ফালে। ১৯০৯ চনৰ পৰা প্ৰায় দহবছৰকাল এই আন্দোলনে ব্যাপক বিস্তৃতি লাভ কৰিছিল। আমেৰিকাৰ কবি এজৰা পাউণ্ডে এই আন্দোলনৰ গুৰি ধৰিছিল। তেওঁৰ লগত আছিল টি ই হিউম এমি লাৱেল হিল্ট ডুলিটল জেমচ জযেচ আদি বিশিষ্ট কবিসকল। এই কবিগোষ্ঠীয়ে মত প্ৰকাশ কৰিছিল যে কবিতাৰ ৰীতিত ৰমন্যাসিক উচ্ছ্বাস আৰু আলংকাৰিক ভাষা এৰিবৰ হ'ল। কবিতাৰ ভাষা হোৱা উচিত সাধাৰণৰ ভাষা। অস্পষ্ট শব্দ প্ৰয়োগৰ পৰা কবিসকল আঁতৰি থকা উচিত। সংগীতৰ লযৰ দৰে আলসুৱা ছন্দৰ ঠাইত তেওঁলোকে বিচাৰিছিল দৃঢ় বক্তব্যৰ উপযুক্ত প্ৰকাশৰ বাবে খাপ খোৱা ছন্দৰীতি। তাৰ ফলস্বৰূপে এই কবিসকলে মুক্তক ছন্দৰ উৎকৰ্ষ সাধন কৰিবলৈ যত্ন কৰিছিল আৰু তাত অভিনবত্ব অনাত সফলো হৈছিল।

টি ই হিউম আৰু টি এছ ইলিযটৰ দুটামান কবিতা চিত্ৰকল্পবাদী কবিতাৰ আহিৰ্স্বৰূপে মনা হয। হিউমৰ কবিতাত জোনটোক বোলা হৈছে ৰঙামুৱা খেতিযক আৰু তৰাবোৰক বোলা হৈছে শেতা মুখৰ নগৰীযা লৰা ছোবালী। ইলিযটৰ কবিতাত সন্ধ্যাটো হৈ পৰিছে অপাৰেছন টেবুলত শুৱাই থোৱা অবসন্ন ৰোগীৰ দৰে। দেখাতেই এইবোৰ ৰমন্যাসিক কবিতাৰ বহু আঁতৰৰ লক্ষণ। এওঁলোকৰ কবিতাই এনে এটি ধাৰণা দিযে যে ৰসহীন বৈচিত্ৰ্যহীন আৰু আবেগবিহীন বিষয আৰু কঠোৰ কল্পনাৰ সমাবেশত কবিতা ৰচনা কৰাৰ সময আহি পৰিল। ৰমন্যাসিক সকলৰ দৰে সুন্দৰতাৰ সমাহাৰ অথবা প্ৰতীকবাদী সকলৰ দৰে ব্যক্তিগত অনুভূতিৰ প্ৰতীকি প্ৰকাশ এওঁলোকে বিচৰা নাছিল। এওঁলোকৰ হাতত আছিল কঠোৰ সত্যক কবিতালৈ পৰিণত কৰাৰ অভিনব আহিলা। সেই আহিলা হ'ল চিত্ৰকল্পৰ প্ৰযোগ। কেতিযাবা একোটি চিত্ৰকল্পেৰে কেতিযাবা এটাৰ পিছত এটাকৈ জাপি দিয়া চিত্ৰকল্পৰে এওঁলোকে কবিতাৰ শৰীৰ গঠন কৰিছিল। সেই শৰীৰৰ আঁৰত লুকাই থকা কবিতাৰ মনটো চিত্ৰকল্পবোৰে নিজে নিজে পাঠকৰ বুকুলৈ কঢিযাই আনিছিল।

কবিতাত চিত্ৰকল্পৰ প্ৰয়োগৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে পাউণ্ডে কৈছে যে চিত্ৰকল্প কবিতাৰ অলংকাৰ নহয় বৰং ই হ'ল কবিতাৰ বাণী।

হিউমেও কৈছে যে কবিতাৰ ৰহণ চৰাবৰ বাবে চিত্ৰকল্পৰ প্ৰয়োগ কৰা নহয় কৰা হয় বক্তব্যৰ সাৰভাগ দাঙি ধৰিবৰ বাবেহে।[১০]

স্কেলটন ফাৰ্লং আৰু মেকলিছ প্ৰমুখ্যে যুৰোপীয় সমালোচক সকলৰ মতে চিত্ৰৰ প বহু প্ৰকাৰৰ হ ব পাৰে। তাৰে কেইবিধমান হ ল দৰ্পণ চিত্ৰকল্প ( mirror image ) উত্তৰ চিত্ৰকল্প ( after image ) স্মৃতি চিত্ৰকল্প ( memory image ) আদি। আৰ্চিবল্ড মেকলিছৰ মতে চিত্ৰকল্পৰ ব ত্তি হ ল মূঠতে তিনিটা স কেত উপমা আৰু উৎপ্ৰেক্ষা।

এইবোৰ হ ল পিছৰ কালৰ বিশ্লেষণ। তাৰ আগতেই চিত্ৰকল্পবাদে এটি স স গঠিত আন্দোলন ৰূপে বিস্তৃতি লাভ কৰিছিল। উনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত উদ্ভৱ হোৱা প্ৰতীকবাদী আন্দোলনৰ লগত এই আন্দোলনে কেতিয়াবা যে প্ৰেৰণা গ্ৰহণ কৰা নাছিল এনেও নহয়। এই দুয়োবিধ আন্দোলনৰে এটি লক্ষ্য আছিল ৰমন্যাসিক অনুভূতিৰ কোমলতা আৰু ফুলকুমলীয়া ভাষা শৈলীৰ পৰা মুক্তি। কিন্তু আনটো লক্ষ্য আছিল সম্পূৰ্ণ ভাৱে ভিন্ন। প্ৰতীকবাদীসকলে বাস্তববাদী চিন্তাধাৰাক অস্বীকাৰ কৰিছিল আৰু ৰহস্যময় প্ৰকাশ ভংগিৰে নিজৰ বক্তব্য প্ৰকাশ কৰিছিল। তেওঁলোকে ব্যঞ্জনা বিচাৰিছিল সংগীতৰ লয়লাসৰ মাজত। কিন্তু চিত্ৰকল্পবাদীসকলে সংগীতৰ ধৱলী কুবলী প্ৰকাশ ভংগিতকৈ ভাস্কৰ্য বা চিত্ৰৰ নিটোল ৰেখা কন বেছি ভাল পাইছিল। তেওঁলোকে পৰিষ্কাৰভাৱে বক্তব্যখিনি ফুটাই তুলিবলৈ বিচাৰে। এজন চিত্ৰকাৰে তুলিকা বুলাই ৰহণৰ পিছত ৰহণ সানি এসময়ত এখনি পৰিণত ছবি অংকন কৰাৰ দৰে এইসকল কবিয়ে শব্দ আৰু ব্যঞ্জনা নানাভাৱে সজাই একোটি চিত্ৰকল্প নিৰ্মাণ কৰে।

চিত্ৰকল্পবাদী কবিসকলে কাব্যৰ ৰূপ গঠনৰ বাবে ছয় প্ৰকাৰ সূত্ৰ প্ৰস্তুত কৰিছিল। সেইকেইটা হ ল (১) সাধাৰণ কথিত ভাষা ব্যৱহাৰ কৰিব লাগিব (২) নতুন ভাবধাৰাৰ প্ৰকাশৰ বাবে নতুন ছন্দ প দ

---

১০। S th b g g of b d w t g w t h d mag s o m t Th po t of Im g m th t t doe ot s m g s o m nts Th m ge t lf th p ch E Po d

Im ge n se a ot m ly d co t o b t th e y s e of t t v l g g T E H m উদ্ধৃত সাহিত্যৰ বাদ বৈচিত্ৰ্য।

১১। দ্ৰষ্টব্য সাহিত্য উপক্ৰমণিকা পৃঃ ২৫ ২৬

সৃষ্টি কৰিব লাগিব (৩) যি কোনো বিষযেই কবিতাৰ বিষয হ ব পাৰিব। (৪) চিত্ৰকল্পৰ ব্যবহাৰ থাকিব লাগিব (৫) কবিতা নিটোল আৰু পৰিচ্ছন্ন হ ব লাগিব ধ ব লী কুব লী বা অস্পষ্ট হ ব নালাগিব (৬) স হতিযেই হ ব লাগিব ইযাৰ একমাত্ৰ প্ৰকাশ। সংহতি মানে ভাবৰ লগত ভাষাৰ ভাষাৰ লগত শব্দৰ আৰ গঠনৰ স হতিক ব জোৰা হৈছে।

গতিকে দেখা যায যে চিত্ৰকল্পবাদীসকলৰ কবিতা প্ৰতীকবাদীসকলৰ দৰে কেবল কাঠিন্য আৰ সা কেতিকতাৰ মিশ্ৰণ নহয। এওঁলোকৰ বাবে কবিতা কঠিনৰ ব কুতে স ষ্ট হোৱা সৌন্দৰ্যময কলা।

## ৪ ৭ অন্যান্য মতবাদসমূহ এটি আভাস

কবিতাৰ লগতেই কেবল নহয সাহিত্যৰ সমগ্ৰ ৰ পৰ লগত নানা প্ৰকাৰ মতবাদ জডিত হৈ আছে। প থিবীৰ বিভিন্ন ঠাইৰ চিন্তানাযক সকলৰ বিচিত্ৰ চি তা আৰ ন তুন নতুন আদৰ্শ গ্ৰহণ তথা প্ৰচাৰৰ ফলত সমযে সমযে একোটি ন তুন মতবাদে গা কৰি উঠে। কেতিযাবা এইবোৰে আন্দোলন গঢি তোলে যিবোৰ আন্দোলন কিছু দিন ধৰি সক্ৰিয হৈ থাকি আকৌ নিৰব হৈ পৰে। তাৰ ঠাই লয অন্য এক মতবাদৰ আন্দোলনে। নতুনত্বৰ প্ৰতি থকা মান হৰ চিৰ তন হেপাহেই হ ল ইযাৰ কাৰণ।

প্ৰতীতিবাদ ( impressionism ) আছিল ঘাইকৈ চিত্ৰ শিল্পৰ স পদ। পিছত ক্ৰমে ক্ৰমে ই সাহিত্যৰ জগততো সোমাই পৰে। চিত্ৰ শিল্পীসকলে বিবিধ ৰহণৰ কৌশলপ ণ প্ৰযোগেৰে এখন ছবি স্বীৱন্ত কৰি তোলাৰ দৰে কথাশিল্পীযেও শব্দৰ বিচিত্ৰ প্ৰযোগেৰে বক্তব্য প ট কৰি তুলিবলৈ ধৰে। উনৈশ শতিকাৰ শেষৰ ফালে ডেভিড হিউমৰ এ ট্ৰিটিজ অন হিউমেন নেচাৰ নামৰ গ্ৰন্থখন প্ৰকাশ হয। এইখনতে প্ৰতীতিবাদৰ প্ৰথম সাহিত্যিক ধাৰণাৰ আভাস ফ টি উঠে। হিউমৰ মতে মানুহৰ সমস্ত ধাৰণা মাথোন দ টা ধৰণত ফ টি উঠে। সেই কেইটা হ ল অন ভব আৰ ভাব ( All perceptions of the human mind resolve themselves into two distinct kinds which I shall call impression and idea যি কৌশলেৰে কবিতাত প্ৰতীতিবাদ প্ৰয়োগ কৰা হয সি স ক্ষ্ম দ ষ্টিতহে স্বযং এটি প থক মতবাদ। বহল আৰ উপৰুৱা দ ঢত ইযাক বহুক্ষেত্ৰতে প্ৰতীকবাদ

আৰু চিত্ৰকল্পবাদৰ লগত মিলাই পেলোৱা যায়। গতিকে ৰ্যাবোঁ ভাৰ্লেঁ মালামে ডলেৰী হপকিনচ ইলিয়ট জয়েচ আদিক এই আন্দোলনৰ বাহক হিচাপে গণ্য কৰা হয়। আনহাতে প্ৰতীকবাদী আৰু চিত্ৰকল্পবাদী আন্দোলনৰ লগতো এওঁলোকৰ নাম জড়িত। এই প্ৰসংগতে প্ৰি-ৰাফেলাইট কবিগোষ্ঠীৰ কথা স্মৰণযোগ্য। ১৮৪৮ চনত আত্ম প্ৰকাশ কৰা এই সকল কবিৰ বেছিভাগেই আছিল চিত্ৰশিল্পী। গতিকে ৰং আৰু ৰেখাৰ সহায়ত ছবি এখন ফুটাই তোলাৰ দৰেই এওঁলোকে শব্দৰ বিচিত্ৰ ব্যৱহাৰৰ দ্বাৰা কবিতাত ছবি আঁকিছিল। প্ৰতীতিবাদী কবিসকলৰ ভিতৰত অন্যতম কেইজনমান হ'ল মৰিচ ৰছেটি চুইনবাৰ্ন আদি।

সাহিত্য জগতৰ অন্যতম এটি মতবাদ হ'ল প্ৰকৃতিবাদ (Naturalism)। প্ৰকৃতিবাদৰ জন্ম হ'ল ফ্ৰান্সত। প্ৰকৃতিবাদৰ লগত তথাকথিত প্ৰকৃতি জগতৰ সম্বন্ধ নাই। যি দৰে মানুহৰ স্বাভাৱিক অংগ সঞ্চালন উত্তাপ আদিৰ একোটা কাৰণ থাকে সেইদৰে আশা আকাংক্ষা শক্তি আদিৰো একোটা কাৰণ থাকে। বিশ্বব্ৰহ্মাণ্ডও নিজৰ প্ৰকৃতিৰ বলতে বৰ্তি থাকে। সংসাৰ মানুহ আৰু সমস্ত প্ৰাণীও নিজৰ প্ৰকৃতি অনুসৰি নিজ নিজ বৃত্তত পালিত হয়। গতিকে অস্বাভাৱিক দৈৱিক বা স্বৰ্গীয় বুলি কোনো কথা নাই। প্ৰথমতে এইবোৰেই প্ৰকৃতিবাদৰ আভিধানিক অৰ্থ আছিল আৰু দৰ্শন অথবা ধৰ্মতত্ত্বৰূপেহে ইয়াক বিচাৰ কৰা হৈছিল। প্ৰকৃতিবাদক বাস্তৱবাদৰ লগতো মিলাই পেলোৱা হয়। কিন্তু বাস্তৱবাদ হ'ল সাধাৰণ জীৱনৰ যথাযথ ছবি আৰু সাধাৰণতে কঠোৰ আৰু যন্ত্ৰণাময় জীৱনৰ প্ৰতিৰূপ। কিন্তু প্ৰকৃতিবাদত তাতোকৈও অতিৰিক্ত কিছু বস্তু থাকে। ই হ'ল ভবাৰ চোৱাৰ প্ৰতিফলিত কৰাৰ অধ্যয়ন কৰাৰ পৰীক্ষা নিৰীক্ষা কৰাৰ আৰু জানিবৰ বাবে বিশ্লেষণ কৰাৰ উপায় মাথোন।[১২] সাধাৰণতে উপন্যাস সাহিত্যত প্ৰকৃতিবাদৰ বিশিষ্ট প্ৰকাশ ঘটিছিল যদিও কবিতাতো ই একেবাৰে বাদ পৰা নাছিল। ৱৰ্ডছৱৰ্থ শ্যেলী বায়ৰন আৰু স্কটক প্ৰকৃতিবাদী কবি বোলা হয়। জাৰ্মানীত গ্যেটেৰ গীতি কবিতাসমূহকো কেতিয়াবা প্ৰকৃতিবাদী আখ্যা দিয়া হয়।

১২। A w y of th k g f e i g of fl t g of t dy g of mak g p m ts a e d to analyse o der to k ow ather th a p t cular styl of w iting
—Paul Aleries Natural sm P 9

অভিব্যক্তিবাদ ( expressionism ) মূলতে হ'ল চিত্ৰকলাৰ সম্পদ কিন্তু সাহিত্যৰো বিবিধ দিশলৈ ই বাগৰি আহিছে। ইয়াত প্ৰকাশ পায় মানুহৰ মনৰ জগত। মনৰ মাজত লুকাই থকা উদ্বেগ আতঙ্ক আনন্দ আৰু বেজাৰৰ ভাব। এই প্ৰকাশ কিন্তু যথাযথ নহয়। কিছু অবাস্তব আৰু অতিৰঞ্জিত যেন লগা ভংগিৰে বাস্তবক ইয়াক দাঙি ধৰা হয়। অভিব্যক্তিবাদী কবিসকলৰ ভিতৰত সমাজৰ কদৰ্য ৰূপ আৰু অসৎ প্ৰকৃতি ফুটাই তোলাৰ প্ৰৱণতা এটা লক্ষ্য কৰা হৈছিল। জাৰ্মানীতেই অভিব্যক্তিবাদৰ বিকাশ হৈছিল বেছি।

কবিতাৰ জগতত মাৰ্ক্সবাদ এটা চিনাকি নাম। ঊনবিংশ শতিকাৰ দুই প্ৰতিভাবান ব্যক্তি কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডৰিখ এংগেলচে বিভিন্ন উপলক্ষত সাহিত্য আৰু কলাৰ বিষয়ে কিছুমান মূল্যবান পৰামৰ্শ আগবঢ়াইছিল। মূলতে এওঁলোক আছিল বৈজ্ঞানিক সমাজবাদৰ তত্ত্বৰ প্ৰতিষ্ঠাতা। পিছে সাহিত্য সম্পৰ্কে এওঁলোকৰ চিন্তাধাৰাক ভিত্তি কৰি পৰবৰ্তী কালত লেনিন প্লেখানভ লুনাচাৰস্কি গৰ্কি আদি চিন্তানায়ক সকলে মাৰ্ক্সীয় সাহিত্যতত্ত্বৰ প্ৰতিষ্ঠা কৰে। এই তত্ত্ব অনুসৰি সাহিত্য এক স্বকীয়া জগতৰ বস্তু নহয়। সমাজৰ বিভিন্ন ৰূপৰ চিত্ৰণ আৰু প্ৰতিফলনেৰে সাহিত্য হ'ল সমাজৰ লগত নিবিড়ভাৱে জড়িত। সমাজৰ ভিতৰুৱা নানা পৰিবৰ্তনৰ ফলতে সাহিত্যৰো যুগে যুগে ৰূপ সলনি হয়। মাৰ্ক্সৰ মতে মানুহৰ কাব্যিক প্ৰতিভা দৈবিক নহয়। ই হ'ল মানুহৰ সমূহ মানবীয় গুণৰ মাজৰে অন্যতম এটি। সাধনা অনুশীলন আৰু অভিজ্ঞতাৰ মিশ্ৰণত মানুহে সাহিত্য সৃষ্টি কৰে। সাহিত্যৰ কলাসৰ্বস্বতাক মাৰ্ক্সবাদে স্বীকাৰ নকৰে। এই মতবাদৰ মতে সাহিত্য হ'ল দায়বদ্ধ ব্যক্তিসমষ্টি অথবা সমাজৰ প্ৰতি। সেইবুলি উকা আদৰ্শ প্ৰচাৰ অথবা উপদেশক সাহিত্য বুলিব নোৱাৰি। কিছু পৰিমাণে কলাসুলভতা নাথাকিলে সাহিত্যৰ মূল্য হ্ৰাস পায়। সমগ্ৰ বিশ্বৰে কাব্য সাহিত্যত মাৰ্ক্সবাদ এটি জনপ্ৰিয় মাধ্যমৰূপে স্বীকৃত। মাৰ্ক্সবাদী কবিতাত দুখী আৰু নিপীড়িতৰ প্ৰতি সহানুভূতি আৰু বিদ্ৰোহী মনোভাৱেৰে আদৰ্শ সমাজ গঢ়াৰ সুৰ এটি প্ৰায়েই ধ্বনিত হয়।

# 05.00 ছন্দ  কবিতাৰ পুৰণি বান্ধৱী

কবিতা বুলিলেই তাত ছন্দৰ নূপুৰ ধ্বনি বাজি উঠা যেন লাগে। কবিতাৰ সুকুমাৰ অংগত যিমানবোৰ বৈশিষ্ট্য আছে ছন্দ তাৰ ভিতৰত অন্যতম। জন্ম লগনৰ পৰা ছন্দই কবিতাৰ লগ এৰা নাই। নিত্য নতুন পৰীক্ষাৰ ফলত দিনে দিনে নতুন ৰূপ লোৱা কবিতাৰ শৰীৰত সদায় নতুন নতুন শোভা দেখা যায়। ছন্দযো নানাৰূপে সেইদৰে কবিতাক বেলেগ বেলেগ সৌন্দৰ্যৰে ভৰাই তোলে। পুৰণিকলীয়া ছন্দৰ বান্ধোন এৰি তাক নতুনকৈ সজাই লোৱাটো কবিসকলৰ চিৰকলীয়া ইচ্ছা। আনহে নালাগে ছন্দক বৰ্জন কৰিবলৈও নতুন কবি প্ৰস্তুত। পিছে ছন্দইহে ইমান সোনকালে কবিতাক নেৰে। প্ৰত্যক্ষ নিটোল ৰূপত নহলেও কিবা এটি প্ৰচ্ছন্ন ৰূপত আৰু ছন্দ পন্দৰ দেখ নেদেখ বিচৰণৰ মাজত ছন্দই সদায় কবিতাৰ পিছ লয়। ই যেন এৰাওঁ এৰাওঁ বুলি এৰাব নোৱৰা ধনৰ কুমলীয়া হাত।

কবিতাৰ মাজতেই যদিও ছন্দৰ স্বীকৃতি ছন্দ আছে জীৱ জগত আৰু প্ৰকৃতি জগতৰ বিশাল অংশ জুৰি। ঘৰ বা কথা কোৱা ধৰণটোত দেখা যায় যুতে আবেগ আহি পৰে তাতে এটি লয় অথবা ছন্দস্পন্দ অনুভূত হয়। কেতিয়াবা মূলতে অস্তিত্ব নোহোৱা ছন্দ একোটাও মানুহে কল্পনা কৰি তাক কাণেৰে শুনা যেন পায়। যেনে ঘড়ীৰ টিক টিক শব্দটো। এইটো শব্দ একেধৰণেই যান্ত্ৰিকভাবে বাজি থাকে কিন্তু কাণে শুনে টিক টিক। টিক টিক এনেধৰণে নিৰ্দিষ্ট ছন্দত বাজি থকা এটি সুৰীয়া ধ্বনি। সেইদৰে শাৰীৰিক কাম কিছু মানতো এটি ছন্দ অজানিত ভাবে মানি চলা হয়। কোৰ মৰা কুঠাৰেৰে খৰি ফলা আদি নিত্য ত অকাব্যিক কামৰ মাজতো মন কৰিলে দেখা যায় অজানিতে ফুটি উঠা এটি ছন্দ। ভাগৰ কমিবলৈ বা কৰি ভাল লাগিবলৈ কিছুমান কামত নিজেই ছন্দ প্ৰযোগ কৰা হয়। যেনে—সৈন্যবাহিনীৰ খোজ কাটলত। যত বৈ যোৱা গতিৰ মাজত নিৰ্দিষ্ট নিয়মেৰে নিৰ্দিষ্ট সময়ত বিৰতি দিয়া হয় তাতে ফুটি উঠে ছন্দ। কাব্যিক দৃষ্টিৰে চালে নিজৰাৰ গতিবেগত ছন্দতো আছেই বিৰিখৰ শাখা প্ৰশাখাৰ মাজতো আছে ছন্দ। কাৰণ দুযোটাতে আগবাঢ়ি যাব খোজা ভংগিমা একোটা নিয়ম মানিহে মাজে মাজে থমকি ৰৈছে। এয়ে হ'ল ছন্দৰ সুষমা।

কবিতাত ছন্দৰ প্ৰয়োজনীযতা আছে নে নাই সেই সম্পৰ্কে আধ্‌ুনিক পাঠকৰ মতদ্বৈধতা লক্ষ্য কৰা যায়। প'ৰণি কবিতাৰ সেই জ খি জ'খি দিযা খোজৰ ছন্দসজ্জা ইতিমধ্যেই আঁতৰি গৈছে। নতুন কবিতাৰ লয়লাস ভৰা খোজৰ ঠাইত কথাছ দৰ সৰল পদক্ষেপো আহি পাইছে। তথাপিও কবিতাৰ স ষমা নিয গ্ৰণ কৰাৰ ক্ষেত্ৰত ছ'ন্দৰ বিশিষ্ট ভূমিকাৰ কথা মানি লোবা হয। কবিতা হ'ল কবিৰ মনৰ ভাব পাঠকৰ ব'কুলৈ নিক্ষেপ কৰাৰ মাধ্যম। সৰল আৰু পোন অথবা ঠৰঙা শব্দ বিন্যাসে সেই নিক্ষেপণ সহজ নকৰে। গতিকে তাত ছন্দৰ আলফ'ল পৰশৰে প্ৰয়োজন। ছ দত য ক পন আছে সি পাঠকৰ হৃদযতো কম্পন তুলিব পাৰে। ফলত কথাবোৰ মনত লগা হৈ ব'কুত সহজে সোমাই পৰিব পাৰে। এইখিনি কথাকে ৰবী দ্ৰনাথ ঠাকুৰে এইদৰে কৈছে— এইজন্যই কবিবা ভাষাব সঙ্গে সঙ্গে একটি স গীত নিয ক্ত কবিযা দেন। সে আপন মাযাস্পৰ্শে হৃদযেব দ্বাবা ম ক্ত কবিযা দেয। ছন্দে এব ধ্বনিতে যখন হৃদয স্বত ই বিচলিত হইযা উঠে তখন ভাষাব কায অনেক সহজ হইযা আছে।

ছন্দ শব্দটোৰ ব্যৎপত্তিগত অথ ই স চায যে ই মনোৰঞ্জনৰ উপকৰণ। পাণিনিৰ মতে যিটো ব তুবে নচুবাই তোলে আনন্দৰ যোগান ধৰে আৰু পোহৰাই দিযে—সেযেই ছন্দ। আদি কবি বাল্মীকিযে হঠাৎ ৰচনা কৰা প্ৰথম শ্লোকটোৰ সন্দৰ্ভত আচৰিত হৈ নিজেই সেই স জ্ঞাটো দিছিল— শোকত আতুৰ হৈ পাদবন্ধ অক্ষৰসমষ্টি আৰু বীণৰ তাঁৰৰ ক'পনিত সমান গতিৰ লয থকা এই বস্তুটো যে স'ষ্টি কৰিলোঁ এযা নি চয শ্লোক—অন্য একো নহয।[২] ছন্দৰ স জ্ঞা হিচাপে ই অত্যন্ত নিটোল। ইযাত ছন্দৰ ঘাই বস্তু বান্ধোন আৰু ক'পনি দ যোটাৰে ই'গিত আছে। পা চাত্যৰ কবিসকলেও কয যে কবিতাই মনত আনন্দ ওপজাই হৃদযক অন্য এখন জগতৰ তুৰীযলোকলৈ লৈ যাব পাৰিব লাগে।[৩] এই আনন্দদানৰ অন্যতম উপাদান হ'ল কবিতাৰ ছন্দ।

ছন্দ হ'ল এবিধ ধ্বনিশিল্প। স গীতৰ দৰে ইযাৰ আবেদনে কাণৰ

---

১ ৰবীন্দ্ৰনাথেৰ সাহিত্যাদৰ্শ ও অন্যান্য প্ৰসংগ প ৪

২ উদ্ধৃত অসমীয়া ছন্দৰ শিল্পতত্ত্ব প ৭

৩ Wo d w th P t y d Po t D t P 20

মাজেদি গৈ মৰম পৰশে। ছন্দক কবিতাৰ অলংকাৰ বুলিও কেতিয়াবা ক বলৈ বিচৰা হয়।[৪] ছন্দক কাব্যৰ শব্দাৰ্থ শৰীৰৰ অলংকাৰ বোলাত তত্ত্বত একো বাধা নাই। অন্ত্যানুপ্ৰাসৰ ( Rhyme ) অলংকাৰত স্বীকৃতিয়েই ছন্দৰ অল কাৰধৰ্মত্বৰ প্ৰমাণ কৰিছে। অন্য এটি মতেদি "আমাৰ দৈনন্দিন ভাষাৰে শিল্পৰূপ হ ল ছন্দ। সি আৰ্ট ৰ ক্ষেত্ৰত প্ৰয়োজনীয় মনস্তাত্ত্বিক দূৰত্ব আনি দি পাঠকৰ মন ৰস উপলব্ধি কৰিবৰ বাবে প্ৰস্তুত কৰি তোলে। এইফালৰ পৰা চালে কবিতাৰ ছন্দ অলংকাৰ শাস্ত্ৰৰেই এটা অঙ্গ। দৰাচলতে ৰহস্যৰ অৰ্থত ছন্দ হ ল উদ্দীপন বিভাব।[৫]

কবিতাত ছন্দৰ বিচাৰ কৰিব খুজিলে ধ্বনি সম্পৰ্কেও কিছু কথা জানি লোবাৰ প্ৰয়োজন। ছন্দ সদায় ধ্বনিৰ পৰত নিৰ্ভৰশীল। এই ধ্বনি অমিল অথবা সমিল যি কোনো প্ৰকাৰৰ হ ব পাৰে। ধ্বনিৰ কিছুমান নিজা বৈশিষ্ট্য আছে। সেইবোৰৰ আধাৰত ধ্বনিৰ চাৰিবিধ গুণ পোৱা যায়—তীব্ৰতা গাম্ভীৰ্য দৈৰ্ঘ্য আৰু উপ বনতা। গতিকে ধ্বনি তীব্ৰ গহীন দ্ৰুত মধুৰ আৰু উচ্ছ্বল মিঠা ইত্যাদি নানা প্ৰকাৰৰ হ ব পাৰে। ধ্বনিৰ কম্পনৰ ওপৰত নিভ ৰ কৰে তাৰ তীব্ৰতা। অবশ্যে কবিতাতকৈ সঙ্গীতৰ ক্ষেত্ৰত মূল্য বেছি ধ্বনিৰ দৈৰ্ঘ্য বোলা গুণটোৰ বাকী কেইটাৰ মূল্যও অবশ্যে উলাই কৰিব পৰা বিধৰ নহয়। কবিতা আৰু সংগীত দুযোটাৰ ক্ষেত্ৰতে ধ্বনিৰ এই কেইটা গুণৰ যি কোনো এটাৰ ভিত্তিতে তাৰ ছন্দৰ প্ৰাথমিক ৰূপটো পোৱা যায়। ধ্বনিৰ যিবোৰ সূক্ষ্মতম কাৰুকায সেইবোৰ কবিতাতকৈ সংগীতত বেছি ফুটি উঠে। কবিতাত দুবিধ বা তিনিবিধ অমিল ধ্বনিৰ পৰাই ছন্দৰ ঢেউ তোলা গতি লাভ কৰা যায়। এই ধ্বনি শেহতীয়াভাৱে ছান্দসিকৰ জগতত দল ৰূপে স্বীকৃত হৈছে। থোৰতে ক বলৈ হ লে বাকযন্ত্ৰৰ একেটা প্ৰয়াসতে উচ্চাৰিত ধ্বনিয়েই দল। ধ্বনি একান্তভাৱে শ্ৰৱণৰ বস্তু। অসমীয়া ভাষাত উচ্চাৰিত দলৰ দুটা প্ৰকাৰ মুক্তদল আৰু ৰুদ্ধ দল। যি কোনো স্বৰান্ত ধ্বনিৰ্বিশিষ্ট দলকে মুক্তদল আখ্যা দিয়া হয়। কাৰণ ইয়াত পৰিস্থিতি সাপেক্ষে আৰু এটা ধ্বনি সামৰি লোবাৰ বাট

৪ সাহিত্য—বিদ্যা—পৰ্বি ক্ৰমা প ৭৬

৫ অসমীয়া ছন্দশি পৰ ভূমিকা প ৩

মকলি হৈ থাকে। অযুগ্ম ধ্বনি বা মুক্তধ্বনি শব্দৰেও মুক্তদলক বুজোৱা হয়। যি ধ্বনি উচ্চাৰণৰ সময়ত বাকতন্ত্ৰী বন্ধ হৈ যায় সিয়েই হ'ল ৰুদ্ধদল বা ৰুদ্ধ ধ্বনি নাইবা যুগ্মধ্বনি। ইয়াৰ ক্ষেত্ৰত কণ্ঠস্বৰ আন এটা ধ্বনিলৈ পিছলাই নিয়াৰ পথ ৰুদ্ধ হৈ থাকে।

দেখা গ'ল যে ধ্বনিৰ আধাৰ হ'ল ছন্দ। ছন্দৰ ক্ষেত্ৰত অপৰিহাৰ্য এক উপাদান হ'ল যতি। বহুল অৰ্থত বিৰতি মানেই হ'ল যতি। ছন্দৰ ক্ষেত্ৰত কথাটো এনেকৈ ক'ব পাৰি যতিৰ কাৰণ হ'ল তিনিবিধ —

ক কথা কৈ থাকোঁতে উশাহে যিমানদূৰ টানিব পাৰে সিমানদূৰ টানিব পাৰি এৰি দিয়ে ফলত যি যতিৰ সৃষ্টি হয় সি হ'ল শ্বাসযতি।

খ ভাব প্ৰবাহৰ অন্ত পৰিলে যি যতি পৰে আৰু যাৰ দ্বাৰা বক্তব্য বিষয়ৰ অৰ্থ পৰিষ্কাৰ হয় সেয়া হ'ল ভাব যতি।

গ অনুভূতিয়ে যাক পৰিচালনা কৰে কিন্তু নিৰ্দিষ্ট নিয়ম মানিহে যি যতি পৰে তাকে বোলা হয় ছন্দোযতি।

উপৰুৰা দৃষ্টিত চালে কবিতাৰ ছন্দত তিনিওবিধেই দেখা যায়। ভাব যতি আৰু ছন্দোযতিৰ সহাবস্থানো প্ৰায়ভাগ কবিতাতে দেখা যায়। অৱশ্যে এই সহাবস্থান অপৰিহাৰ্য নহয় ই নিজেহে কেতিয়াবা মিলি পৰে। ছন্দবিজ্ঞানত ছন্দোযতিক কেৱল যতি আৰু ভাব যতিক ছেদ বুলি ল'লে আলোচনাৰ বাবে সহজ হয়। কবিতাৰ ছন্দোশৰীৰ গঠনত ছেদ আৰু যতিয়ে বুজাবুজিৰ মাজেৰে হাতত হাত দি আগবাঢ়ে।

ছন্দ প্ৰবাহৰ একোটা তৰঙ্গ নিৰ্ণয় কৰে যতিয়ে। সমগ্ৰ প্ৰবাহটো য'ত ৰৈ যায় তাতে পৰে পূৰ্ণ যতি এটি উদাহৰণ—

যতি যতি পূৰ্ণযতি

চোবাচোন সখী। মোক কেনে দেখি। ৰূপহী হৈছোঁনে মই।

ফুলেৰেই সাজিছোঁ। কি ৰূপ ধৰিছোঁ। দেখিলে থাবানে ভয়।

যতিয়ে বিভক্ত কৰা ধ্বনি প্ৰবাহবোৰক বোলা হয় পৰ্ব। পূৰ্ণযতিয়ে সমাপ্তি ঘটোৱা হিল্লোলৰ সামগ্ৰিক নাম হ'ল চৰণ। গতিকে দেখা যায় যে একোটা চৰণ কেইবাটাও পৰ্বৰ সমষ্টি হ'ব পাৰে।

ছন্দশিল্প বুজিবলৈ অত্যন্ত প্ৰয়োজনীয় এবিধ উপাদানৰ কথা জানিব লাগে। সি হ'ল মাত্ৰা। একোটা ধ্বনি উচ্চাৰণ কৰোঁতে যিখিনি সময় লাগে বা যিখিনি সময় খৰছ নকৰাকৈ নোৱাৰি সেইখিনি জোখেই হ'ল মাত্ৰা। ধ্বনি স্বাভাৱিকতে মাত্ৰাযুক্ত। মাত্ৰা শব্দৰ এটা অৰ্থ

হূল পৰিমাপক। ইযাৰ দ্বাৰা পৰিমাণ জ খি উলিওবা হয। সেই জোখা কামটোৰো কিছুমান নিজস্ব নীতি নিযম আছে। উচ্চাৰণৰ প্রকৃতি অনুসৰি কোনটো ধ্বনিত কিমান মাত্রা হ ব তাক নিণ য কৰা হয। কেতিয়াবা একেটা শব্দই ভিন ভিন কবিতাত ভিন ভিন মাত্রা লাভ কৰে। মাত্রা ধ্বনি আৰু স্বৰ এই তিনিওটাৰ আলমতে অসমীযা কবিতাত ঘাইকৈ তিনিবিধ ছন্দৰীতিৰ উৎপত্তি হৈছে। সেই কেইটা হৈছে মাত্রাবৃত্ত যৌগিক আৰু স্বৰবৃত্ত ৰীতি।

সামগ্রিকভাবে অসমীযা কাব্য সাহিত্য ছন্দৰ ক্ষেত্রত চহকী। চৰ্যাপদৰ দিনৰে পৰা নাইবা মিশ অসমীযা প থিৰ ৰচনা কালৰে পৰা অসমীযা কবিতাৰ ছন্দ সম্ভাৰৰ উমান ল বলৈ পাৰি যদিও তাৰ আচল অসমীযা অসমীযা লগা মাধ-য ৰ সম্ভেদ পোবা যায মাধব কন্দলিৰ দিনৰ পৰা। কন্দলি কবিৰ ৰামাযণত ক তো উজ টি নোখোবা ছন্দসজ্জাৰ শোভা দেখা যায। ছবি ছন্দৰ উদাহৰণ—

অনেক সুন্দৰী সবে ৰাজাৰ গাবত ধৰি
শ িলেক আত মনৰ গে।
ডাঙৰ ব ক্ষক যেন নানা ভাবে বেঢ়ি আছে
কোমল মাধবীলতা স গে॥

প্রাক শ কৰী য গৰ কবিসকলৰ হাতত যৌগিক ৰীতিৰ প্রতিষ্ঠিত ৰ প এটা ফুটি উঠা যেন লাগে। পিছে অসমীযা ছন্দশিল্পৰ সোণালী যুগ সৃষ্টি হৈছিল মহাপুৰুষ শ কৰদেবৰ ৰচনাত। মহাপ ৰুষৰ আগত পযাৰ দুলড়ী ছবি আৰু কম পৰিমাণে দ ই এবিধ বেলেগ ছন্দসজ্জাৰ আহি আছিল কি তু অতিশয সফল এজন ছন্দশিল্পীৰূপে তেওঁ নিজেও কেইটামান স প ৰ্ণ নতুন ছ দসজ্জা আবিষ্কাৰ কৰিছিল। এইবোৰৰ ম ল ৰ প স কৃতৰ পৰা লোবাও নহয আৰু প ব স ৰীযে এৰি থৈ যোবাও নহয। তেওঁ ৰ কল্পনা প্রতিভা আৰু দক্ষতাৰ সংমিশ্রণতেই এইবোৰৰ জ ম হৈছিল। এই প্রস গতে মনলৈ আহে কুস মমালা ছ দৰ কথা। দ টা পৰ্বত বিভক্ত ষডমাত্রাৰ এই এখ দ আযতনৰ ছন্দসজ্জাটো মহাপুৰুষৰ অভিনব স ি ট। সি এনেধৰণৰ

তুমি নিৰঞ্জন / পাতক ভঞ্জন
দানব গঞ্জন / গোপিকা ৰঞ্জন

হংসমালা নামৰ আৰু এবিধ ছন্দসজ্জাৰ কথা সত্যনাথ বৰাই লিখিছে[৬] যিটো আছে এটি মাথোন শংকৰদেৱৰ বৰগীতত। পাঞ্চালী আৰু ঝমক নামে দুবিধ ছন্দসজ্জাও শংকৰদেৱৰ অৱদান। ঝমকত দ্ৰুতলয়ৰ আমেজ এটা পোৱা যায় যিটো যুদ্ধৰ বৰ্ণনাৰ বাবে বৰ উপযোগী। যেনে

হেন শুনি জাম্ববন্ত।
ধাইল মহা বলবন্ত ॥
নিচিনি স্বামীক পাছে।
ধৰিলন্ত যুদ্ধ কাছে ॥

এইদৰেই প্ৰাচীন অসমীয়া ছন্দৰীতি যাইকৈ শংকৰদেৱৰ অৱদানেৰেই উপচি আছিল। পদ দুলড়ী ছবি লেচাৰি ঝুনা কুসুমমালা চতিহা আদি কেইবিধমান পুৰণি ছন্দৰ নাম। সেইবিষয়ে বিজ্ঞজনে ইতিমধ্যে আলোচনা কৰিছে।[৭]

## ৫ ১  মাত্ৰাবৃত্ত ছন্দ

অসমীয়া কবিতাৰ মাজত নানাবিধ ছন্দসজ্জাৰ প্ৰচলন দেখা গলেও বোধকৰো সবাতোকৈ জনপ্ৰিয় মাত্ৰাবৃত্ত ছন্দৰীতিটো। কাৰণ এই ৰীতিৰ গীতিময়তা বেছি। তদুপৰি ছন্দৰীতিৰ বিশ্লেষণৰ বাবেও ই যথেষ্ট সহজ। অন্যান্য ছন্দৰীতিত ধ্বনি পৰ্বসমূহ উচ্চাৰণৰ কাল অনুসৰি গণনা কৰা হয়। কিন্তু এই ৰীতিত ছন্দৰ প্ৰয়োজন অনুসৰি উচ্চাৰণৰ তাৰতম্য ঘটাই লোৱাৰ অৱকাশ থাকে। ফলত ইয়াৰ প্ৰতিটো দলৰ বিস্তৃতি একোটি নিৰ্দিষ্ট জোখৰে হৈ থাকে। এই ছন্দৰীতিত একোটা পৰ্বৰ ভিতৰত থকা দলসমূহৰ মাজত কতো অলপো শূন্যতা নাথাকে। ইয়াত প্ৰতিটো দলেই গাইগুটীয়া নিটোল স্বচ্ছ উচ্চাৰণযুক্ত আৰু শুনাত শুৱলা। মাত্ৰাবৃত্ত ৰীতিৰ যি জনপ্ৰিয়তাৰ কথা কোৱা হৈছে সি আচলতে শ্ৰোতাৰ বাবেহে। এই ৰীতিৰ কবিতা শুনি ভাল লাগে আৰু

৬। উদ্ধৃত অসমীয়া ছন্দৰ শিল্পতত্ত্ব পৃঃ ২০৬
৭। তীৰ্থনাথ শৰ্মা সাহিত্য বিদ্যা পৰিক্ৰমা
নৱকান্ত বৰুৱা অসমীয়া ছন্দশিল্পৰ ভূমিকা
মহেন্দ্ৰ বৰা অসমীয়া কবিতাৰ ছন্দ
অসমীয়া ছন্দৰ শিল্পতত্ত্ব

মনত ৰৈ যায়। কিন্তু ইয়াৰ অনুশীলন কৰা সকলো কবিৰ বাবে সহজ সাধ্য নহয়।

মাত্ৰাবৃত্ত ছন্দৰীতি কিছু পৰিমাণে সংস্কৃত ছন্দৰীতিৰ ওচৰ চপা। কাৰণ ইয়াত সংস্কৃত ছন্দৰ নিচিনাকৈ কোনটো দলক কিমান সময় দিয়া হ'ব তাক আগতেই ঠিক কৰি লোৱা হয়। সংস্কৃত গুৰু ধ্বনিবোৰক হ্ৰস্বধ্বনিৰ দ্বিগুণ সময় দিয়া হয়। সেইদৰে মাত্ৰাবৃত্ত ৰীতিত ৰুদ্ধ দলবোৰক মুক্ত দলবোৰৰ দুগুণ সময় দিয়া হয়। সেই দৰে লঘুধ্বনি আৰু গুৰুধ্বনিৰ সংঘাতৰ ফলতেই ইয়াত ছন্দ স্পন্দৰ সৃষ্টি হয়। যিহেতু ইয়াত পৰ্বসমূহৰ উচ্চাৰিত কাল জুখি জুখি কথা কোৱা বিধৰ গতিকে এই ছন্দৰীতিত কাব্যিক আবেগৰ পাৰ বাগৰা ঢল দেখা নাযায়। ইয়াত থাকে আবেগৰ মাৰ্জিত প্ৰকাশ। এই সীমিত আৰু মাৰ্জিত প্ৰকাশৰ বাবে এই ছন্দৰীতিৰ কবিতা আবৃত্তি কৰোঁতে উচ্চাৰিত ধ্বনিৰ এটা ঢৌ খেলোৱা প্ৰকৃতি অনুভূত হয়। অৰ্থাৎ প্ৰতিটো দল ইটোৰ লগত সিটো লাগি থাকে কঁপি থাকে কিন্তু এৰাই নাযায়। সেয়েহে ইয়াৰ গীতিময়তা অতি বেছি। মাত্ৰাবৃত্ত ৰীতিৰ ছন্দত ধ্বনিৰ প্ৰবাহৰ একোটা আঁজলিৰূপ কপৌ চৰাইৰ কুৰুলিটোৰ লেখীয়াহে— কুলী চৰাইৰ সুহুৰিটোৰ লেখীয়া নহয়। গতিকে বৰবৃত্ত আৰু যৌগিক ৰীতিতকৈ মাত্ৰাবৃত্ত ৰীতিৰ ছন্দ স্পন্দ যথেষ্ট বেলেগ। ছন্দ ৰীতিত প্ৰতিটো পৰ্বতে সমমাত্ৰিক অৰ্থাৎ দুটা দুটাকৈ অসমমাত্ৰিক অৰ্থাৎ তিনিটা তিনিটাকৈ আৰু বিষমমাত্ৰিক অৰ্থাৎ দুটা তিনিটাকৈ পাব পাৰি। ইয়াত যিবোৰ উপপৰ্ব থাকে তাক নিয়ন্ত্ৰণ কৰে ধ্বনি প্ৰবাহৰ যতিয়ে। ইয়াত পৰ্ব যতিৰ অৱস্থান সদায় অতি স্পষ্ট। যুগ্মপৰ্বৰ ব্যৱহাৰ এই ৰীতিত অতি কমেইহে দেখা যায়। ইয়াত বেছি ব্যৱহাৰ দেখা যায় মৌন মাত্ৰাৰ। কাৰণ এই ৰীতিত কোনোটো দলকে তাৰ নিৰ্ধাৰিত সময়তকৈ অলপো বঢ়াব নোৱাৰি মাথোন কেনেবাকৈ যদি অকলশৰীয়া এটি শব্দই মুক্ত দলৰ সৃষ্টি কৰে তেতে মৌনমাত্ৰা প্ৰয়োগ কৰি তাক সামান্য বহলাই লব পাৰি।

মাত্ৰাবৃত্ত ছন্দৰীতিত নানা ধৰণৰ পৰ্ববন্ধ ব্যৱহাৰ কৰিব পাৰি। অসমীয়া কবিতাৰ ছন্দত দ্বিমাত্ৰিক আৰু ত্ৰিমাত্ৰিক পৰ্ববন্ধ সম্ভৱ নহয়।

---

৮। অসমীয়া কবিতাৰ ছন্দ প

কাৰণ দুটা মাত্ৰাত কোনো পৰিপূৰ্ণ স্পন্দন পোৱা নাযায়। তিনি মাত্ৰাৰ সমাবেশতো ছন্দ সজ্জাটো সাজু হয় মাত্ৰ বিকশিত নহয়। গতিকে চতুৰ্মাত্ৰিক ৰূপটোবেই অসমীয়া কবিতাৰ ক্ষুদ্ৰতম পৰ্ববন্ধ। মাত্ৰাবৃত্ত ৰীতিত চতুৰ্মাত্ৰিক পৰ্ববন্ধ যৌগিকৰ দৰে অনায়াসে বৈ যোৱা বিধৰ নহয়। ই যেন স্বচ্ছন্দ হ'লেও থমকি থমকি দিয়া খোজ। ইয়াত চতুৰ্মাত্ৰাৰ ভিতৰত সোমাই থকা দ্বি মাত্ৰা জিলিকি উঠিব খোজে। উদাহৰণ

॥ ॥ ॥ ॥
যৌৱন / হিল্লোল

॥ ॥ ॥ ॥
সিন্ধুৰ / হিন্দোল

দেখা যায় যে এই ছন্দসজ্জা কতো উজুটি নোখোৱা বিধৰ। ইয়াত মন কৰিবলগীয়া বৈশিষ্ট্য হ'ল দুটা মুক্ত দল ইয়াত প্ৰসাৰিত। কাৰণ ইয়াত অকলশৰীয়া হৈ থকা মুক্তদল দীৰ্ঘ ধ্বনিৰ ৰূপত গৃহীত হয় নহ'লে উচ্চাৰণৰ সুষমাৰ মানদণ্ড ৰক্ষিত নহয়। চতুৰ্মাত্ৰিক পৰ্ববন্ধ আটাইতকৈ বেছি উপযোগী ধেমেলীয়া কবিতাৰ কাৰণে। উদাহৰণ স্বৰূপে—

যাযাবৰ / ধূমকেতু / নাগাচাকি / খুমটাই
হাৰাকিৰি / পাণিপথ / বন্দী হাতেম তাই।
স্বপ্ন লাটুম ঘূৰ্ণি বেহেলাৰ ভঙ্গা
কিন্তু তথাপি যদি হাতীপটি বঙ্গা
শোকসভা ঘৰিয়াল তামোলৰ পাখি নাই
সহকাৰী মৈনাক ফুটনোট কোন হ্যায় ?

মাত্ৰাবৃত্ত ৰীতিৰ এই ছন্দসজ্জাত সমমাত্ৰিক ধ্বনি এটা মানি চলা হৈছে।

পঞ্চমাত্ৰিক পৰ্ববন্ধ সাধাৰণতে বেছিকৈ পোৱা নাযায়। দেৱকান্ত বৰুৱাৰ পূজা উছব আৰু ৰত্নকান্ত বৰকাকতীৰ উন্মনা এনে কবিতাৰ দুটা উদাহৰণ। পঞ্চমাত্ৰিক পৰ্বত গতি আৰু স্থিতি দুইটাৰেই সহাৱস্থান লক্ষ্য কৰিব পাৰি। সাধাৰণতে এনে সজ্জা সহজসাধ্য নহয় বাবে আৰু মনৰ স্বচ্ছন্দ অনুভূতিক এনে সজ্জাত সজাবলৈ টান বাবেই কবিসকলে এই ৰীতিক সাৱধানে এৰি থৈ গৈছে।

মাত্ৰাবৃত্ত ছন্দৰীতিৰ লগত সবাতকৈ খাপ খাই পৰে ষড়মাত্ৰিক পৰ্ববন্ধ। এই ছন্দসজ্জা অত্যন্ত গীতিময় আৰু শুৱলা। সবাতোকৈ

আলফুলীয়া ছন্দস্পন্দ আৰু পৰ্বতীয়া জুৰিৰ দৰে লয়লাস গতি এই ৰীতিৰ কবিতাত পোৱা যায়। উদাহৰণ দেৱকান্ত বৰুৱাৰ দৃষ্টি সৃষ্টি নামৰ কবিতাটি।

মন কৰিবলগীয়া যে যদিও কেৱল কোমলতা গীতিময়তা আদি গুণৰ কথা এই প্ৰসঙ্গত কোৱা হৈছে কিন্তু এইটো ছন্দৰীতিক দুলড়ী ছন্দ সজ্জাত খাপ খুৱাব পাৰিলে অৰ্থাৎ ৬+৬+৮ ৰূপে সজাব জানিলে ইয়াত খং ক্ষোভ বিদ্ৰোহ আদি নানান কঠিন ভাবো ফুটাই তুলিব পাৰি। ইয়াৰ শ্ৰেষ্ঠতম উদাহৰণ ৰায়চৌধুৰীৰ অগ্নিবীণাৰ তান কবিতাটি

এইটো নহয় হাঁহি তামাচাৰ ভাগৰ জুৰোৱা গান
ই যে জীৱন মৰণ একাকাৰ কৰা অগ্নি-বীণাৰ তান।

কৱিতাটোত ৩+৩ আৰু ২+৪ এই দুই ধৰণৰ ৰূপকল্প ব্যৱহাৰ কৰা কাৰণে ছন্দৰ গুণ তীব্ৰ আৰু উদ্দীপ্ত হৈ উঠিছে। কেতিয়াবা ষডমাত্ৰিক পৰ্বৰন্ধত অসমমাত্ৰিক উপপৰ্ব গাঁথি ললে ছন্দত সুগভীৰ প্ৰশান্তিৰ সুৰ এটি ফুটি উঠা দেখা যায়। মুঠতে ষডমাত্ৰিক পৰ্ব নানা সম্ভাবনাৰে ভৰপুৰ।

সপ্তমাত্ৰিক পৰ্বৰন্ধ কাব্যজগতত প্ৰায় অপ্ৰচলিত। নতুন কবিৰ কবিতাত তাৰ উদাহৰণ বিচাৰি চাব পাৰি নবকান্ত বৰুৱাৰ মনৰ চিনাকি নামৰ কবিতাটোত—

প্ৰাণৰ বাটে বাটে / কতনা ধুলিকণা।
মনৰ ঘাটে ঘাটে / কিমান ধল
আকাশ বৰণীয়া / কত সপোন মায়া।
তোমাক ঘেৰি ধৰি / উজ্জ্বল হল

দেখা যায় যে এনে পৰ্বৰ ধত ছন্দৰ গতি অলস আৰু ধীৰ স্থিৰ। এনে পৰ্বৰন্ধত নানা ধৰণৰ ৰূপকল্প প্ৰয়োগ কৰিব পাৰি। তাৰ বাবে মাথোন কবিৰ দক্ষতাৰ প্ৰয়োজন।

গতিকে দেখা গল যে অসমীয়া ছন্দৰ পৰ্বৰন্ধত চাৰি মাত্ৰাৰ পৰা সাত মাত্ৰাৰ প্ৰচলন বেছি। তাতকৈ দীঘলীয়া পৰ্বৰন্ধ মাত্ৰাবৃত্ত ছন্দত অসম্ভৱ। এই ছন্দৰীতিত যুগ্ম পৰ্ব নাথাকে। মাত্ৰাবৃত্ত ছন্দৰীতিৰ কথা আলোচনা কৰোঁতে মনত ৰখা উচিত যে প্ৰাচীন কাব্যতো প্ৰায়ে মাত্ৰা বৃত্তৰ নিচিনাই কিছুমান ৰীতি আছিল। ৰীতি বোলাতকৈ তাক উপৰীতি বোলাহে উচিত। শংকৰদেৱৰ বৰগীত—

"ঠাট প্ৰকট পট কোটি কোটি কপি
গিৰি গৰগৰ পদ ঘাৱে।
বাৰিধি তীৰ তৰি কৰে গুৰুতৰ গিৰি
ধৰি ধৰি সমৰক ধাবে॥

আৰু মাধবদেবৰ গুৰু ভটিমাটো মাত্ৰাবৃত্ত উপৰীতিৰ ভিতৰুৱা বুলি চিহ্নিত কৰিব পাৰি। এই পৰাণি ধৰণৰ মাত্ৰাবৃত্তৰ কিছু প্ৰভাৱ নতুন যুগৰ কিছু কবিতাতো নপৰাকৈ থকা নাই।

## ৫ ২ যৌগিক ছন্দৰীতি

অসমীয়া কবিতাৰ এক বহুজন অংশ যৌগিক ছন্দৰীতিত ৰচিত। কবিৰ মনৰ সীমাহীন ভাব অনুভূতিযে এই ৰীতিৰ মাজত বিস্তৃত পাৰসৰত নিজকে প্ৰকাশ কৰিব পাৰে। অৱশ্যে এই ছন্দৰীতিৰ অনুশীলন সহজসাধ্য নহয়। কাৰণ ইয়াত খোজে খোজে নানা নীতি নিয়মৰ হেঙাৰ। বিশেষকৈ ইয়াৰ ভিতৰৰ দলসমূহৰ মাত্ৰা সংস্থাপন ৰীতি সকলো ক্ষেত্ৰতে একে নহয় বাবে কবি সদায় সতৰ্ক হৈ থাকিব লাগে। ৰুদ্ধ দলসমূহ কেতিয়াবা একমাত্ৰাৰ হয় আৰু কেতিয়াবা দুই মাত্ৰাৰ হয়। তাৰ কাৰণ নিৰ্ভৰ কৰে সেই দলটোৰ অৱস্থিতিত আৰু কিছুমান ধ্বনিতাত্ত্বিক আৰু ভাষাতাত্ত্বিক কাৰণত। মাত্ৰাবৃত্ত ছন্দত ৰুদ্ধ দল সদায় একমাত্ৰিক আৰু বৰ্ণবৃত্ত ছন্দত দ্বিমাত্ৰিক। এই দুই ৰীতিৰ সংমিশ্ৰিত ৰূপ বাবেই আলোচ্য ছন্দৰীতিটোক যৌগিক বোলা হয়। এই জটিল ছন্দৰীতিটো প্ৰকৃততে অসমীয়া মানুহৰ ঘৰুৱা কথা কোৱা ৰীতিৰ লগত কিছু কথাত বৰ মিলে। অসমীয়া মানুহৰ কথাৰ ধ্বনি নিক্ষেপণ অজানিতে কৰা মাত্ৰা সংস্থাপন আদি প্ৰকৃতি ইয়াত যেন গোপনে সোমাই আছে। ফলত অসমীয়া কবিয়ে অনুভূতি প্ৰকাশৰ বাট বিচাৰোঁতে এই ৰীতিতে সহজে মনৰ ভাব প্ৰকাশ কৰিব পাৰে। এই ৰীতিত ধ্বনিতকৈ শব্দৰ গুৰুত্ব বেছি।

যৌগিক ৰীতিত যিহেতু ধ্বনিতকৈ শব্দৰ ভূমিকা বেছি আৰু শব্দও যিহেতু কবিৰ ভাবৰ অনুৰূপ হৈ খাজে খাপে খাই ওলাই আহে গতিকে এই ৰীতিত এটি বৈশিষ্ট্য পৰিলক্ষিত হয়। সি হ'ল প্ৰতিটো পৰ্বৰ আঁৰত একেটি ভাবখণ্ডৰ সংগোপন অথচ অবাধ বিস্তৃতি। ধ্বনিয়ে

ইয়াত ভাব প্ৰৱাহৰ পিছ লৈ এটা পৰ্বৰ পৰা আন এটা পৰ্বলৈ যাওঁতে সহজে থমকি ৰ'ব নোখোজে। ফলত একোটা পৰ্ব ইয়াত দশ মাত্ৰা পৰ্যন্ত বিয়পি থাকিব পাৰে। এই ধ্বনিৰ গতি ধীৰ স্থিৰ কিন্তু অবিৰাম প্ৰবাহিত। মাত্ৰাবৃত্ত ছন্দৰ ঢৌ খেলোৱা গতি ইয়াত নাই। যৌগিক ৰীতিত শব্দ অথবা কথা প্ৰৱাহৰ য'ত ছেদ পৰে তাতে ধ্বনি প্ৰবাহৰ যতিও প্ৰকাশ কৰা হয়। ছান্দসিকে ইয়াৰ নাম দিছে চাৰ যতি (diacresis)। এই ৰীতিৰ অন্যতম এক বৈশিষ্ট্য হ'ল ইয়াত মুক্তদলবোৰ ৰুদ্ধদললৈ ৰূপান্তৰ কৰা সম্ভৱ। স্বৰবৃত্ত ৰীতিত কদাচিত সফল হ'লেও মাত্ৰাবৃত্ত ৰীতিত কিন্তু এই কথা একেবাৰেই অসম্ভৱ।

যৌগিক ৰীতিক ভুলক্ৰমে অক্ষৰবৃত্ত বুলিও কোৱা হৈছিল। কাৰণ ভবা হৈছিল যে সংস্কৃত ছন্দৰীতিৰ দৰে ইয়াতো পৰ্বসমূহৰ আখৰ গণনা কৰিয়েই ধ্বনি সাম্যৰ উমান পাব পাৰি। কথাষাৰ পিছে সঁচা নহয়। কাৰণ অসমীয়াত আখৰৰ লিপিবদ্ধ ৰূপৰ লগত উচ্চাৰিত ৰূপ অবিকল একে সকলো ক্ষেত্ৰতে নহয়। গতিকে লিখিত ৰূপ চায়েই কোনো আখৰৰ ধ্বনিৰূপ আৰু মাত্ৰা সংস্থাপন কেনে হ'ব সেই কথা কৈ পেলাব নোৱাৰি। এই কথা বহলাই বুজাবৰ বাবে মহেন্দ্ৰ বৰাই এম ইব্ৰাহিম আলিৰ আহোম-কোঁৱৰ নামৰ কবিতাটোৰ এডোখৰ ভাঙি দেখুৱাইছে—

॥
ৰংঘৰ হওক। ধূলিত বিলীন।
গড়গাঁও হওক। বাঘৰ বাহ
।
সেইবুলি জানো। সিংহৰ পোৱালি।
॥
মাংস তিয়াগি। চোবাব ঘাঁহ

ইয়াত তিনিটা একে ধৰণৰ অনুস্বৰান্ত ৰুদ্ধদল আছে অথচ তিনিওটাৰে মাত্ৰা সংস্থাপন একে নহয়। দুটাত হৈছে দুই মাত্ৰা আৰু এটাত হৈছে এক মাত্ৰা। গতিকে দেখা গ'ল যে চকুৰে দেখা আখৰ চাই যৌগিক ৰীতিক বুজা নাযায় বুজা যায় কাণত পৰা আখৰৰ ধ্বনিগত ৰূপেৰেহে।

১ অসমীয়া ছন্দৰ শিল্পতত্ত্ব পৃ ৮১

যৌগিক ছন্দৰীতিৰ লক্ষণীয় বৈশিষ্ট্য হ'ল ইয়াৰ ৰুদ্ধদলসমূহৰ মাত্ৰা স্থাপনৰ স্থিতি স্থাপকতা। মাত্ৰাবৃত্ত ছন্দৰীতিত দলবোৰ কিমান মাত্ৰাৰ হ'ব সেই কথা যেন আগতেই ঠিক কৰি থোৱা থাকে। যৌগিক ৰীতিত কিন্তু আগৰে পৰা একোৱে নিৰ্ধাৰিত নাথাকে। ইয়াত শব্দদেহত অৱস্থান অনুসৰি একেবোৰ ৰুদ্ধদলেই ভিন ভিন মাত্ৰাৰ অধিকাৰী হয়। কেতিযাবা দ্ৰুতলয়ত উচ্চাৰিত মুক্তদলেও ৰুদ্ধদলৰ সমান মাত্ৰা লাভ কৰে। আচলতে ভিতৰি ভিতৰি ই হ'ল কথা কোবাৰ স্বাভাৱিক প্ৰতিক্ৰিয়াৰে এটি লক্ষণ।

যৌগিক ৰীতিৰ কেইটিমান নীতি হ'ল শব্দদেহৰ যি কোনো ঠাইতে থকা মুক্তদল এক মাত্ৰাৰ হয়। সেইদৰে শব্দৰ অন্তিম ৰুদ্ধদল হয় দুই মাত্ৰাৰ। এটা মাত্ৰ দলেৰে গঠিত যি বোৰ ৰুদ্ধদল—তাক শব্দৰ অন্তিম ৰুদ্ধদল বুলিয়েই মানি লোৱা হয়। যিবোৰ ৰুদ্ধদল মাজত থাকে সেইবোৰ সচৰাচৰ একমাত্ৰাৰ হয়। এই দুটা সূত্ৰ এইদৰে ফুটি উঠা চাব পাৰি

।  ।  ।  ।  ।  ।  ।   ।   ।  ।  ॥  ।॥।<br>
কোন তুমি কোনি আছা। কুতেবা লুকাই

।  ।  ।  ।  ।  ।  ।  ।   ।  ।  ॥<br>
মাজে মাজে মাৰিছো। ভুমুকি?

।  ।  ।  ।  ।  ।  ।  ।  ।   ।  ।  ।  ।  ।  ॥<br>
নেদেখি দোখছো যেন। নশুনি শুনিছো

।  ।  ।  ।  ।  ।  ।  ।   ।  ॥<br>
তোমাৰেই দীঘলীয়া। উঁকি।

আৰু

।  ।  ।  ।  ॥  ।  ।  ।   ।  ॥  ।  ।  ।  ॥<br>
যি ছাটি জোনাক দেহি। আজিও পোৱাহি নাই।

।  ।  ॥  ।  ।  ।  ।  ॥<br>
ধৰণীৰ ধূলিৰ পৰশ

।  ।  ॥  ।  ।  ।   ।  ।  ।  ।  ।  ।  ।  ।<br>
তুমি সেই আনন্দৰ। আগমনী অনুভূতি

।  ।  ॥  ।  ॥  ।  ॥<br>
যৌৱনৰ প্ৰকাশ হৰষ

সাধাৰণতে তৎসমশ্ৰেণীৰ ৰুদ্ধ দলসমূহৰ মাত্ৰা সংকুচিত হয় যদিও

অন্য শ্ৰেণীত ই নহ'বও পাৰে। তদ্ভৱ শব্দৰ ক্ষেত্ৰত দেখা যায় যে এইবোৰৰ মাত্ৰা অলপ প্ৰসাৰিত হয়। গতিকে শব্দদেহৰ মাজত অৱস্থান কৰিলেও ইহঁতে দুই মাত্ৰা লাভ কৰে। যেনে—

পথাৰৰ লখিমীয়ে / বতাহত হালে জা'ল।
পদ্‌বাৰ নিয়ৰে দিয়ে / আঁৰ ওৰণিৰ

॥

সোণোৱালী শইচৰ / দুপৰীয়া হাঁহিটিত
চেৰে চেৰে নাচি উঠে / হিয়া দাউনীৰ

এইবিধ ছন্দৰীতিত যতে মাত্ৰাৰ জোখ কম হোৱা যেন লাগে তাতে কবিৰ কল্পনা ছন্দই তাৰ ওচৰৰ ৰূদ্ধদল এটাৰ মাত্ৰা অলপ বঢ়াই লৈ ঠিক যি দৰে হোৱা উচিত সেইদৰে সজাই লয়। গতিকে ধ্বনিৰ বিচাৰো তাত সেই অনুপাতেই কৰা হয়। অৰ্থাৎ এই ছন্দৰীতিত কবিয়ে সুবিধা অনুসৰি অক্ষৰৰ মাত্ৰা আৰু ধ্বনিৰ ছন্দপতন নোহোৱাকৈ সেইবোৰক ইফাল সিফাল কৰি সজাব পাৰে। অৱশ্যে শব্দৰ প্ৰান্তত থকা ৰুদ্ধদলৰ মাত্ৰা সদায় একে থাকে তাক ইফাল সিফাল কৰিব নোৱাৰি। কৰিলেই কবিতাৰ ছন্দপতন ঘটাৰ আশংকা।

এই ৰীতিত মাত্ৰা নিৰূপণ আচলতে কৰা হয় শব্দসমূহৰ সুষম আৰু অনাবিল গতিৰ ওপৰত লক্ষ্য ৰাখি। প্ৰতিটো শব্দই উচ্চাৰিত হ'বলৈ কিমান সময় লব শব্দসমূহৰ সংঘবদ্ধ নিক্ষেপণে শ্ৰৱণক তৃপ্তি দিব পাৰিছেনে নাই তাৰ ওপৰতে নিভৰ কৰে এই ৰীতিৰ মাত্ৰাসমূহৰ স্থিতিস্থাপকতা। মনত ৰখা উচিত যে কেৱল তদ্ভৱ অথবা বিদেশী ভাষাৰ আলহী শব্দৰ ক্ষেত্ৰতহে অপ্ৰান্তিক ৰুদ্ধদলৰ এই স্থিতিস্থাপকতা পৰিলক্ষিত হয়। ইহঁত সাধাৰণতে প্ৰসাৰিত ৰূপৰ দ্বিমাত্ৰিক। কিন্তু প্ৰয়োজন অনুসৰি সংকুচিত হৈ একমাত্ৰিকো হ'ব পাৰে।

যৌগিক ৰীতিটো মূলতে মাত্ৰাবৃত্ত ৰীতিৰেই এটি প্ৰকাৰভেদ। গাতকে মাত্ৰাবৃত্ত ৰীতিত যিমান ধৰণে পৰ্বসমূহ সজাব পাৰি ইয়াতো পাৰি। চতুৰ্মাত্ৰিকৰ পৰা সপ্তমাত্ৰিকলৈকে যিমানবোৰ পৰ্ববন্ধ সেইবোৰৰ অৱশ্যে যৌগিক ছন্দৰ প্ৰকৃত লয়লাস বৰ ভালকৈ ফুটি নুঠে। এই ছন্দৰীতিৰ আচল শোভা হ'ল দীঘলীয়া পদক্ষেপত আগবঢ়া মাত্ৰাৰ সৌন্দৰ্য। অষ্টমাত্ৰিক আৰু কেতিয়াবা ছয়মাত্ৰিক ছন্দত এই শোভা দেখা যায়।

## ৩৫ ৩ স্বৰবৃত্ত ছন্দৰীতি

মৌখিক গীতৰ মাজত এই ছন্দৰীতিৰ প্ৰথম বীজ বিচাৰি পোৱা যায়। কিছুমান গৰখীয়া নাম নিচুকনি গীত আদিৰ মাজত এই ৰীতি স্পন্দিত হয়। কালক্ৰমত আধুনিক কবিৰ কবিতাৰ মাজতো ই সোমাই পৰে। এই ৰীতিত ধ্বনিসাম্য ৰক্ষিত হয় দলসমূহৰ সংখ্যাগত পৰিমাণৰ ওপৰত। অৰ্থাৎ যিমানটা ব্যৱহৃত দল সিমানটাই কাণেৰে শুনা তাৰ ধ্বনি। ইয়াত মুক্তদল আৰু ৰুদ্ধদলৰ সমান মূল্য। উভয় দলতে মাথোন একেটাই স্বৰ আশ্ৰয় ধ্বনিৰূপ থাকিবই লাগিব। গতিকে স্বৰে প্ৰাধান্য পোৱা এই ৰীতিৰ নাম হ'ল স্বৰবৃত্ত।

কিছুমান ভিতৰুৱা বৈসাদৃশ্যৰ বাবে এই ৰীতিত ছন্দস্পন্দ জিলিকি উঠে। সেইবোৰ হ'ল দলসমূহৰ পাৰস্পৰিক গুণগত বৈশিষ্ট্য আৰু কেতিয়াবা প্ৰয়োজন অনুসৰি উচ্চাৰণবোৰৰ বেছিপৰ ধ্বনিত হৈ থকা প্ৰকৃতি। স্বৰবৃত্ত ছন্দৰীতি লক্ষণৰ ফালৰ পৰা মাত্ৰাবৃত্ত আৰু যৌগিক ৰীতিতকৈ বহুত বেছি বেলেগ। ইয়াত ছন্দস্পন্দৰ অনন্য সাধাৰণ বৈচিত্ৰ্য দেখা যায়। প্ৰধান ছন্দস্পন্দৰ উপৰিও কেতিয়াবা বেলেগ কাৰণত সৃষ্টি হোৱা দ্বিতীয় এবিধ ছন্দ স্পন্দযো ইয়াত সৌন্দৰ্যৰ সৃষ্টি কৰে।

এই ৰীতিত কিন্তু পৰ্ববন্ধ যথেষ্ট সীমাবদ্ধ। ইয়াত চাৰিটা দলৰ আধাৰত ৰচিত চতুস্বৰ পৰ্বই একমাত্ৰ পৰ আৰু সমবৃত্ত ছন্দই একমাত্ৰ পৰ আৰু সমবৃত্ত ছন্দই একমাত্ৰ ছন্দ। চাৰিমাত্ৰাৰ মূৰে মূৰে সম মাত্ৰিক পূৰ্ণতা অহাৰ লগে লগে যতি পৰাৰ ফলত এই ছন্দ তীব্ৰগতি স্পন্দন। চতুস্বৰ পৰ্বৰ স্বৰবৃত্ত ছন্দৰ উদাহৰণ হ'ল—

। । । ।   । । । ।   । । । ।   ॥<br>
ইমান মৰম। বকুত লগাই। কোন আহিলি। সোণ

। । । । ।   । । । ।   । । । ।   ॥<br>
তোৰ চেনেহৰ। মুখনি যেন। নাচে কাঁচি। জোন

। । । ।   । । । ।   । । । ।   ॥<br>
কাঁচি জোনৰ। নাওখনি বাই। নীল আকাশৰ। পাল

। । । ।   । । । ।   । । । । ।   ॥<br>
শূইন সাগৰত। নাও মেলি দে। বোলাই মৰম। জাল

ইয়াৰ অন্তিম পৰ্বত এটা মাত্ৰ দলৰ বিপৰীতে দুটা মাত্ৰা স্থাপন কৰা

হৈছে। কাৰণ এই অপূৰ্ণ পৰ্বটোতো এটি ছন্দস্পন্দ অনুভূত হয়। গতিকে ইয়াৰ শেষৰ দলটো স্বৰবৃত্ত ছন্দৰ পৰশত দুটি মাত্ৰাৰ গৰাকী হৈ পৰে।

স্বৰবৃত্ত ছন্দত কেতিয়াবা ত্ৰিস্বৰ পৰ্ব একোটাও যে চতুস্বৰ্ৰ পৰ্ব সমূহৰ মাজত সোমাই নপৰে এনে নহয়। আকৌ কেতিয়াবা খুব কম হলেও দ্বিস্বৰ পৰ্ব বন্ধও পোৱা যায় মৌখিক গীতৰ মাজত। যেনে—

॥ ॥ । । । ।
হুৰ হুৰ। বটা। চৰাই

॥ ॥ । । । ॥ ॥ ॥ । । । ।
মোৰ ধান। নাখাবি। তোক দিম। গোটে কৰাই

। । ॥ । ॥ ॥
ধানো খাম। চাউলো খাম

। । । । । । । । । । ॥ ॥
চম্পাৱতীক। বিয়া কৰি। ঘৰলই। যাম

চতুস্বৰ পৰ্বত মুক্তদল আৰু ৰুদ্ধদলৰ সকলো বিধৰ সংমিশ্ৰণ সম্ভৱপৰ। অৰ্থাৎ চাৰিটা স্বৰৰ ভিতৰত সিহঁতৰ সংখ্যানুপাত যি কোনো ধৰণৰ হব পাৰে।

স্বৰবৃত্ত ৰীতিত ধ্বনিসাম্য আৰু কালসাম্য একে সময়তে ৰক্ষা কৰাটো আচলতে সহজ নহয়। কাৰণ ইয়াৰ দলসমূহ কালসাম্যৰ প্ৰতি মন নকৰাকৈ নিজৰ সুবিধামতে প্ৰস্ফুটিত হয়। যদি প্ৰতিটো পৰ্বত কেৱল চাৰিটা মুক্তদল সমাবেশ কৰিব পাৰি তেতিয়া অৱশ্যে ধ্বনিসাম্যৰ লগত কালসাম্যৰ মিল এটা পোৱা যায়। স্বৰবৃত্ত ছন্দৰ পৰ্বসমূহত প্ৰকৃততে মাত্ৰাগত কাল দৈৰ্ঘ্য এটা প্ৰচ্ছন্ন হৈ থাকে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত এইবিধ ছন্দত প্ৰতিটো পৰ্বৰ লেখটো চাৰিৰ আৰু জোখটো ছয়ৰ।[১০]

যদিও ৰুদ্ধদল আৰু মুক্তদলৰ সকলো ধৰণৰ সমাৱেশেই স্বৰবৃত্ত ছন্দত সম্ভৱপৰ এই ছন্দৰীতিৰ আচল সুষমা কিন্তু ফুটি উঠে সেই ৰীতিতহে—যত সমাৱেশ ঘটে দুটা ৰুদ্ধদল আৰু দুটা মুক্তদলৰ। ইয়াত প্ৰচ্ছন্ন হৈ থকা ষড়মাত্ৰিক ৰূপটো পাবৰ বাবে কেতিয়াবা এটা বা দুটা মৌন মাত্ৰাৰ প্ৰয়োজনো মানি লবলগীয়া হয়।

১০ উদ্ধৃত অসমীয়া ছন্দ শিল্পতত্ত্ব পৃ ১১৪

গতিকে দেখা যায যে স্বৰবৃত্ত ছন্দত সচৰাচৰ চাৰিটাকৈ দল থাকে আৰু তাৰ অন্তৰালত থাকে ছয মাত্ৰাৰ এটি জোখ। চাৰিটা দলৰ ভিতৰত যদি ৰুদ্ধদল থাকে তেন্তে এটা মৌন মাত্ৰা থাকিব পাৰে কিন্তু যদি এটাও ৰুদ্ধদল নাথাকে তেন্তে মৌনমাত্ৰা দুটাও থাকিব পাৰে। মৌনমাত্ৰা সচৰাচৰ অন্তিম দলৰ পাচত থাকে আৰু কেতিযাবা থাকে দ্বিতীয দলৰ পাচত। যদি দুটা মৌনমাত্ৰা থাকে তাৰে এটা থাকিব দ্বিতীয দলৰ পাচত আৰু আনটো থাকিব চতুৰ্থ দলৰ পাচত।

যি বোৰ স্বৰবৃত্ত ছন্দৰ কবিতাত ত্ৰিস্বৰ পৰ্বৰ প্ৰাধান্য দেখা যায তাৰে কিছুমানত কেতিযাবা মাজৰ মুক্তদলটো প্ৰস্বনিত উচ্চাৰণেৰে দীৰ্ঘত্বৰে কৰি লোৱা হয। সেইদৰে দ্বিস্বৰ পৰ্বও চতুঃস্বৰ পৰ্বলৈ দীৰ্ঘায়িত কৰি লব পাৰি। আনহাতে দ্ৰুতলযৰ কিছুমান কবিতাত পৰ্ববন্ধ সংকুচিত হৈ পৰাও দেখা যায়। কেতিয়াবা ছয সাত অথবা আঠমাত্ৰাৰ একোটি ৰূপো চতুস্বৰযুক্ত পৰ্বৰ মাজতে সোমাই পৰে। ইযাৰ পৰাই ফুটি উঠে এই ৰীতিৰ পৰ্ববন্ধৰ বিস্তাৰ আৰু সংকোচনৰ ৰূপ। সংকোচনৰ এটি উদাহৰণ হ'ল—

ৰঙ্কু বহল  পেটটি সৰু। ফিন্দাই ফিন্দাই। ফুৰে
বাহিৰত কি। ঘৰত কি। গাৰ চোলা। নেৰে

অফিচত সি। পিন্ধে ঠেঙা। মূৰত মখমল টুপী
বাটে পথে। ছাতা এৰি। নলয বৰ। জাপি

ইযাত চাৰিটা ৰুদ্ধদলেৰে সৈতে আঠমাত্ৰা পৰিমাণৰ এটি পৰ্ববন্ধ পোৱা যায। কিন্তু পঢি যাওঁতে নিজে নিজে যি লয ৰক্ষিত হয তাৰ মাজত কতো কোনো বিসংগতি চকুত নপৰে। কেতিয়াবা দলৰ সংখ্যাও চাৰি পাৰ হৈ যোৱাৰ আৰু মাত্ৰাৰ পৰিমাণো ছয পাৰ হৈ যোৱাৰ অথচ স্বৰবৃত্তৰ সৌন্দৰ্যও ক্ষুণ্ণ নোহোৱাৰ উদাহৰণ পোৱা যায়। তাৰে এটি উদাহৰণ—

আম পাতে। চাম খায
কঠাল পাতে। সুহুৰিযায

কি কি চৰাইৰ। কি কি নাও

◡— ◡◡—
সোণৰ চৰাইৰ। কথা কওঁ
এনে উদাহৰণ নতুন কবিতাতো প্ৰচুৰ পোৱা যায়।

মাত্ৰাবৃত্ত আৰু যৌগিক ৰীতিত অনুভূত নোহোৱা প্ৰস্বনৰ ভূমিকা স্বৰবৃত্ত ৰীতিত মন কৰিবলগীয়া। ধ্বনিৰ তীব্ৰতা আৰু গাম্ভীৰ্যই প্ৰস্বনৰ সৃষ্টি কৰে। স্বৰবৃত্তত দলসমূহৰ ভিতৰত কোনোবা এটি দল তীব্ৰতা নাইবা গাম্ভীৰ্যৰ ফালৰ পৰা বাকীবোৰ দলতকৈ জিলিকি উঠে সেয়ে হ'ল প্ৰস্বনৰ মহিমা। কেতিয়াবা একেটা পৰ্বৰ ভিতৰত এটা বা দুটা প্ৰস্বনিত দলৰ সমাবেশত যি এক সুৰীয়া তানৰ সৃষ্টি হয় সি হ'ল স্বৰবৃত্ত ৰীতিৰ স্বকীয়া বৈশিষ্ট্য।

স্বৰবৃত্ত ৰীতিৰ এটি মিশ্ৰ উপৰীতি আছে। ইয়াৰ নাম থোৱা হৈছে অৰ্ধ স্বৰবৃত্ত উপৰীতি। প্ৰকৃততে ই যৌগিক আৰু স্বৰবৃত্তৰ দোমোজাৰ বস্তু। ইয়াত দলৰ সংখ্যা আৰু মাত্ৰাৰ জোখ মিলি থাকে গতিকে কোনো প্ৰচ্ছন্ন মাত্ৰা ইয়াত অনুভূত নহয়। তদুপৰি স্বৰবৃত্তৰ ঘাই বৈশিষ্ট্য সুৰীয়া তানটোও ইয়াত অনুপস্থিত।

## ৫৪ অমিতাক্ষৰ ছন্দ

কিছু ছন্দসজ্জাত ভাব প্ৰবাহে ছন্দৰ আধাৰত উপচি উঠি পাৰ বাগৰি এনেদৰে বৈ যায় যেন এখন গুৰু-গম্ভীৰ বোঁৱতী নদীহে। এই প্ৰবহমান ছন্দসজ্জাত ভাব প্ৰবাহ বৈ যায় এটা চৰণৰ পৰা আন এটা চৰণলৈ। যতি আৰু ছেদক ইয়াত সতৰ্ক প্ৰহৰীৰ দৰে বৈ থকা দেখা নাযায়। কেতিয়াবা ভাবৰ লগতে যেন ছন্দ প্ৰবাহো উটি গৈ বহু দূৰতহে থমকি ৰয়। এনে প্ৰকৃতিৰে এবিধ ছন্দসজ্জা হ'ল অমিতাক্ষৰ ছন্দ।

অমিতাক্ষৰ ছন্দৰ বৈশিষ্ট্য হ'ল প্ৰবহমানতা আৰু তাৰ ফলত গঢ় লৈ উঠা অসমান দৈৰ্ঘ্যৰ পৰ্বসমূহ। পয়াৰৰ আহিৰ্তে এই ৰীতিয়ে কিছু দূৰ গঢ় লৈ উঠিছে। পয়াৰৰ চৰণবন্ধই যতে ততে যদি মানি লোৱাৰ দৰে অমিতাক্ষৰ ছন্দযো তাৰ প্ৰবহমান গতিৰ মাজত যি কোনো ঠাইতে যতিক আদৰিব লব পাৰে। ইয়াত প্ৰকৃত ছন্দ প্ৰবাহ নিয়ন্ত্ৰণ কৰে ভাব পৰ্বসমূহেহে। ভাব যি দৰে বৈ যায় তাত বিৰতিৰ অৱকাশ আনে ছেদে। যদি ইয়াত বহুত দূৰে দূৰেও পৰিব পাৰে কিন্তু ছেদে নিজৰ

কৰ্তব্য পালন কৰি ভাব পৰ্বসমূহৰ বিভাজন কৰে। মধ্যযতি আৰু পূৰ্ণযতি কেতিয়াবা ইয়াত পৃষ্ঠভূমিলৈ হুঁহকি যায়। এটা পৰ্বৰ পৰা আন এটালৈ আৰু এটা চৰণৰ পৰা আন এটা চৰণলৈ অনায়াসে পিছলি যায় ভাবৰ গতি। যেনে—

> নিস্তব্ধ বাসব সভা। সভাতলে আজি
> বসিছে ত্রিদিব বাসী। ত্রিদিবেশ সহ
> বিমৰ্ষে নীৰৱ হুয়া। নাহি বাক্য মুখে
> কাষ্ঠপুত্তলিকাগণ। বাক্যহীন যথা।

অমিতাক্ষৰ ছন্দত ছেদৰে যে কেৱল শ্ৰেষ্ঠ ভূমিকা যতি যে ইয়াত প্ৰাধান্যহীন—সেই কথা সঁচা নহয়। যতিয়েও ইয়াত নিজৰ ভূমিকা নিষ্ঠাৰে পালন কৰে। য'তে ছেদৰ অৱস্থিতি বহু দূৰে দূৰে দেখা যায় তাতে যতিয়ে হস্তক্ষেপ কৰি ছন্দসজ্জাটো সুষম কৰি তোলে। ইয়াত ছন্দই পৰ আৰু চৰণৰ দৃঢ় বান্ধোনৰ পৰা মুক্তি বিচাৰে। ইয়াত আছে ছন্দবন্ধৰ মুক্তিসন্ধানী বিচিত্ৰ গতিপ্ৰবাহ আৰু অনিৰ্বচনীয় ছন্দ সংগীতৰ প্ৰতীতি।

অমিতাক্ষৰ ৰীতিৰ অন্যতম এটি বৈশিষ্ট্য হ'ল ইয়াৰ ছন্দৰ প্ৰবহমানতা কেৱল চৰণৰ পৰা চৰণান্তৰলৈয়েই নহয় অনুচ্ছেদৰ পৰা অনুচ্ছেদলৈকো বৈ যাব পাৰে। গতিকে দীঘলীয়া বিষয় বস্তুৰ কাব্যৰ বাবে ই অতি উপযোগী। মাইকেল মধুসূদনৰ মেঘনাদ বধ বা ৰমাকান্ত চৌধুৰীৰ অভিমন্যু বধত ভাব আৰু ভাষা যি ধৰণে খাপ খাই পৰিছে তাৰ মূলতে আছে অমিতাক্ষৰ ছন্দৰ প্ৰভাব। এই ৰীতিত যতি প্ৰয়োগৰ বিশিষ্টতা মন কৰিবলগীয়া। সাধাৰণতে যতি প্ৰান্তিক পয়াৰ সমহৃত যতি সদায় একে ঠাইতে পৰে। মধ্যযতি পৰে অষ্টম মাত্ৰাৰ অন্তত আৰু পূৰ্ণযতি পৰে চতুৰ্দশ মাত্ৰাৰ সীমাত। কিন্তু মাইকেল মধুসূদনে কোৱা মতে অমিতাক্ষৰ ছন্দত যতি অষ্টম মাত্ৰাত আৱদ্ধ হৈ থকাৰ সলনি স্বাভাৱিকৰূপেই ২য় ৩য় ৪ৰ্থ ৬ষ্ঠ ৭ম ১০ম ১১শ আৰু ১২শ মাত্ৰাৰ অন্ততো উৰ্পা হ'ত হয়হি।[১১] এই ছন্দত যতি যিহেতু চলমান পূৰ্ণযতি সাধাৰণতে কিছু ম্লান হৈ থাকে। আনহাতে পূৰ্ণছেদৰ প্ৰভাৱত মধ্যযতিও কেতিয়াবা ৰূপান্তৰিত হয় পূৰ্ণযতিলৈ।

১১ উদ্ধৃত অসমীয়া ছন্দৰ শিল্পতত্ত্ব পৃঃ ১৫৭

এই ছন্দৰীতি অতিশয় লযলাসযুক্ত। ইয়াত যতি আৰু পৰ্বৰ যি দৰে নিৰ্দিষ্ট সীমাৰেখা নাই ছন্দ পন্দৰো নাই কোনো ধৰা বন্ধা ৰূপ। নানাভাবে নিজৰ মতে ঢেউ তুলি আগবাঢ়ি যোৱা এখন নদীৰ দৰেই ইয়াৰ বিচিত্ৰ লযলাস।

অমিতাক্ষৰ ছন্দসঞ্জাত অন্ত্যমিল নাই বুলি সাধাৰণ ভাবে মানি লোৱা হয়। পিছে সমিল অমিতাক্ষৰো ইয়াৰ এটি জনপ্ৰিয় ৰূপ। এই বিধ অমিতাক্ষৰতো ছন্দপ্ৰবাহ অবাধে বৈ যায় পিছে সেই উচ্ছৃংলতাই এটা নিৰ্দিষ্ট নিয়ম মানিব লাগে। ইয়াৰ আঁৰত থকা পযাৰৰ ৰূপবন্ধত যি চৰণান্তিক মিল থাকে সি এই বিধ অমিতাক্ষৰতো দেখা দিয়ে। ফলত ইয়াৰ ছন্দপ্ৰবাহৰ মাজত এটি সুষমত গাম্ভীৰ্যৰ সুৰো ফুটি উঠে। এটি উদাহৰণ—

শুভ সম্ভাষণ মোৰ। নব জলধৰ
প্ৰিয়া বিৰহ কাতৰ। কুবেৰানুচৰ
যক্ষ আমি। হায় কিনো দুসহ বেদনা
বন্ধু তুমি। সাধু তুমি। তোমাৰ কৰুণা
মাগোঁ আজি। বিৰহিণী প্ৰিয়া
মোৰ। আছে অলকাত। যদি আনি দিয়া
কুশল বাৰতা। হায় প্ৰিয়া অশ্ৰুজল
পূৰ্ণ কিবা। অলকাৰ মণি হৰ্ম্যতল।

(সি হৃদত্ত দেব অধিকাৰী মেঘদূত)

ইয়াত আছে অসমান পৰ্ব বিন্যাস গতি প্ৰবাহৰ স্বচ্ছন্দ ৰূপ আৰু চৰণান্তিক মিলৰ মনোৰম সমাৱেশ।

প্ৰবহমান ছন্দৰে অন্য এটি প্ৰকাৰ হ'ল দীৰ্ঘ অমিতাক্ষৰ। ইয়াৰো মিলিতান্ত আৰু অমিলিতান্ত বুলি দুটা প্ৰকাৰ আছে। ইয়াৰ আধাৰত থাকে দীৰ্ঘ পযাৰৰ ৮ ৪ ৬ ৰূপকল্পৰ চৰণবন্ধ। ইয়াৰ মিলিতান্ত ৰূপটোত বহু দূৰে দূৰে হ'লেও অন্ত্যমিল এটি চকুত পৰে। অথচ সুদীৰ্ঘ পদক্ষেপ হোৱা বাবেই এই মিল লগে লগে কাণত নাবাজে। নতুন কালৰ কবিতাত এনে ছন্দৰীতিৰ চানেকি এইটি কবিতা—

স্বৰাজৰ সুৰ্বাদ সোৱাদ প্ৰভু। তেৰাৰ কৃপাত ক
এই অধমেও পালে॥ নিন্দুকক কেৰেপ নকৰি খ

কওঁ। এই বজাৰতো নিষ্ঠাবানে পায় টিঙ পাত ক
পাৰ হ'ব জানে যদি। বলধৰ নেগুৰত ধৰি খ
ৰঙাফিটা ফাইল আৰু। পাৰ্মিটৰ ভব বৈতৰণী॥

দীঘ অমিতাক্ষৰৰ ছন্দ চুটি অমিতাক্ষৰ ছন্দৰে অনুৰূপ। নতুন কবিতাৰ এনে ছন্দ শিথিল পৰ্ববিন্যাস অসমান ৰূপকল্প আৰু পাৰ বাগৰা ভাব প্ৰবাহৰ প্ৰাচুৰ্যত অনভ্যস্ত কাণে সহজেই মুক্তক বুলি ভুল কৰিব পাৰে।

## ৫ ৫ মুক্তক ছন্দ

মুক্তক ছন্দ বুলি ক'লেই কবিতাৰ জগতলৈ নতুনত্ব অহা যেন লাগে। মুক্তক মানেই যেন মুক্তিৰ বাতৰি। সকলো ধৰণৰ বান্ধোনৰ পৰা মুক্ত হৈ কবিতাৰ ছন্দই যেন ইয়াত মুকলি মনেৰে যেনি তেনি যাবলৈ বিচাৰে। কিন্তু মুক্তকো ছন্দহে। ছন্দই কিবা এটা নিয়ম মানিহে ছন্দ নাম পায়। গতিকে ছন্দও সম্পূৰ্ণ মুক্ত নহয়। এই ছন্দ অমিতাক্ষৰৰ দৰে প্ৰবহমানতাৰ ওপৰত ভিত্তি কৰিয়েই গঢ় লৈ উঠে। অমিতাক্ষৰ ছন্দ যৌগিক ৰীতিৰ আধাৰত সৃষ্টি হয়। তাৰ অসম চৰণ ব্যৱহাৰৰ পৰা যি ছিন্ন অমিতাক্ষৰ ছন্দৰ জন্ম হ'ল সিয়ে হ'ল মুক্তক ছন্দৰ আদিৰূপ।

অমিতাক্ষৰ ছন্দই তাৰ মুকলিমুৰীয়া প্ৰকৃতি কেৱল যৌগিক ৰীতিতহে প্ৰকাশ কৰিব পাৰে। কিন্তু মুক্তক ছন্দই নিজস্ব প্ৰকৃতিৰ স্বতন্ত্ৰতা ফুটাই তোলে মাত্ৰাবৃত্ত আৰু স্বৰবৃত্ত ছন্দত। আপাত দৃষ্টিত মুক্তকক পৰ্ব চৰণৰ কোনো শিকলি নিপিন্ধা যেন লাগে। ইয়াৰ চৰণবোৰ অসমান। ভাবৰ আবেগে ধ্বনি প্ৰবাহ চলাই নি থাকে। সেই মতে ছেদ আৰু যতিও ভাবৰ বিৰতিৰ লগে লগে অসমান ভাবে নিৰ্ণিত হয়। ইয়াৰ পৰ্বসমূহৰ আযতনো সমান নহয় কোনোটো দীৰ্ঘ কোনোটো হ্ৰস্ব। কেতিয়াবা সিহঁতৰ বিন্যাস ওচৰা উচৰিকৈও হয়।—

স্নায়ুৰে নাষৰে মোৰ বাজি
কত মৰা সভ্যতাৰ
ক'কালৰ
হাড়ৰ।
কড়্ড়ৎ।

মৰি যোৱা শতাব্দীৰ দেহ—
উঠি আছে।
সময়ৰ কবৰৰ পৰা
ভিৰৰ মাজত মই ডুবি যাওঁ। ডুবি যাওঁ।
ভাঙি ছিঙি শেষ হৈ যাওঁ
মই নাই। মই আৰ নাই।

এই অপ্ৰযাস গতিছন্দই হল মুক্তকৰ সৌন্দয। মানো নে নামানোকৈ মুক্তকে নিয়ম মানে। আচলতে নিয়ম মানে বাবেই ই কথা অথবা গদ্যত পৰিণত হোৱা নাই। টি এছ ইলিয়টে কৈছিল যি কামটো ভালকৈ কৰিব খোজে তেওঁৰ কাৰণে কোনো ছন্দই অবাধ মুক্তি নহয়।[১২] প্ৰকৃততে সকলো কলাৰ ক্ষেত্ৰতে কথাষাৰ সত্য ছন্দশিল্পৰ ক্ষেত্ৰতো। মুক্তক ছন্দত ছন্দৰ ধৰা কঠোৰ নিয়ম মানি চলা নহয় যদিও ছন্দস্পন্দক ই এৰি নিদিয়ে। ছন্দস্পন্দ হল প্ৰতিবিধ কবিতাৰে প্ৰাণ। ইয়াৰ অবিহনে কবিতা নিৰস কথা কোবাৰ ভংগীলৈ পৰিবৰ্তিত হব বাকী আটাইবোৰ উপাদান থকা সত্ত্বেও। ছন্দস্পন্দ পৰ্ব চৰণ আৰু স্তৱক বান্ধোনত একোটা কবিতাৰ শৰীৰ গঠিত হয়। বিভিন্ন ছন্দৰীতি আৰু ছন্দসজ্জাত ইহতৰ প্ৰযোগ কিছু পৰিমাণে বেলেগ বেলেগ। চনেটত এই গঠন আটাইতকৈ দৃঢ আৰু নিকপকপীয়া। তাৰ বিপৰীতে মুক্তক ছন্দত এই গঠন আটাইতকৈ শিথিল।

ফহিযাই চালে দেখা যায যে মুক্তক ছন্দ কেতিযাবা পযাৰ দুলড়ী ছবি আদি ছন্দৰ আধাৰত গঢ লৈ উঠে। কেতিযাবা একোটি মুক্তক ছন্দৰ কবিতাতে দুটি প্ৰাচীন ছন্দসজ্জাৰ সাদৃশ্য ফুটি উঠে। মুক্তকে হুবহুকৈ কাকোবেই অনুকৰণ নকৰে মাথোন প্ৰযোজন বুলি ভবাখিনি কোনোবা ছন্দসজ্জাৰ পৰা ধাৰ কৰি তাক নিজা বৈশিষ্ট্যৰ লগত মিলাই মাধুৰিমামযকৰি তোলে।

মুক্তক সমিল হব পাৰে অমিল হব পাৰে আৰু আংশিক মিলযুক্তও হব পাৰে। শেষৰ বিধৰ এটি উদাহৰণ নৰকান্ত বৰুবাই এইদৰে দিছে।[১৩]

---

১২ উদ্ধৃত অসমীয়া ছন্দৰ শিল্পতত্ত্ব।
১৩ অসমীয়া ছন্দশিল্পৰ ভূমিকা পৃ ৫৮

পোৱা নাই দেখা হয়। সাক্ষাতে তোমাক
চকুৰে এদিন
ধৰিছা কি শোভা দ'ৰ। অভ্ৰভেদী।
দিগন্ত বিলীন
মাত্ৰ মই। ব'জিছো ইমানে।
তাজ তুমি ৰঙা তেজ।
বিৰহীৰ অন্তৰৰ। গোট মাৰি শিলা হোবা।
মৰ্মভেদী ব্যথা
লেখা নাই আখৰেৰে
পাথৰেৰে ৰচি থোবা
এটি নবয গমীযা
ব হৃৎ কবিতা

( ৰত্নকান্ত বৰকাকতী তাজমহল )

ম'স্তক ছন্দৰ কবিতাৰ মাজত যিটো আকষণে চু বকৰ দৰে আকৰ্ষণ কৰে সি হ'ল হঠাৎ দিযা একোটা বৈচিত্ৰ্যপৰ্ণ চমক। বাকীবোৰ ছন্দসজ্জাত কেতিযা যতি পৰিব কেতিযা ছেদ আহিব আগতেই জানি থোবা যায বাবে কোনো চমকৰ অবকাশ তাত নাথাকে। ম'স্তক ছন্দত "হঠাৎ উ ভাসিত সৌষম্যৰ পৰ অমেয সৌন্দয প্ৰবাহৰ এটি উদাহৰণ—

তাৰ চেহেৰাটো মই ধৰিব পৰা নাছিলো
দেখিছিলোঁ মাথোন এখন ম খ
ক লা ঠোঁট দ'টাৰ মাজৰ ৰঙা শন্যতাত
দেখিছিলোঁ বিশ্বৰ'প
ম'খ
ম খৰ ভিতৰত ম'খ
ম'খ ম খ ম'খ আৰ ম'খ

( নবকান্ত বৰ'ৱা আলিৰ দাঁতিৰ
কাউবী পোবালি )

অথবা একেজন কবিৰে—

এখন দলং আছে—এখন দলং আছে
এখন দলং আছে যাৰে

সিও হেনো পাৰ হ ব পাৰে
তাক ঘেৰি থকা সেই নিৰালম্ব নিৰ্বাক সাগৰ
অন্ধকাৰ অপৰিচয়ৰ।

এযে মস্তক ছন্দ য ত আগৰে পৰা সাম্ভাৱ্য ৰূপৰ কোনো উমান পোৱা নাযায়। মস্তক ছন্দৰ বৈচিত্র্য নানা প্ৰকাৰৰ। অভ্যন্তৰীণ পৰ্ণযতিৰ ব্যৱহাৰো তাৰ ভিতৰত এটা। তেনে এবিধ উদাহৰণ—

জীৱন সাঁকোত। ক ৰেনো নাবিকে। মৃকুতা বিচাৰি পাই।
চৰ্মকি থৰ্মকি ৰ ল॥ কোনো নাই নাই। সাৰে আছে মাথোঁ॥
হেজাৰ প্ৰিয়াৰ। চকুৰ লোতক। গোট মাৰি হোবা॥
আকাশৰ চে চা জোন॥ কত বাটৰ বা। এই বাটে গ ল।
কতবাৰ আহি। প জা সাজি ৰ ল। তোমাৰ মৰমী ছাঁত।
স্বীমা জানো। আছে তাৰ॥
চাকিৰ শিখাত জানো। চগাৰ হিচাপ। লিখা থাকে॥

এইদৰে মস্তক ছন্দই কবিতাৰ জগতত নতুন আনন্দৰ স ষ্টি কৰিলে। মস্তক ছ দৰ সাৰ্থক কবিতা অসমীয়া ভাষাত যথেষ্ট আছে। শেহতীয়াকৈ মস্তক ছন্দৰ পিছে পিছে ওলাই আহিছে কথা ছন্দৰ কবিতা। আমাৰ ভাষাত কথা কবিতা অচিনাকি নহয়। ছন্দস্পন্দযুক্ত ভাষাত গদ্যত ৰচিত কবিতা এইবোৰ। তাৰো আগতে ভট্টদেৱৰ ৰচনাত স্পন্দিত গদ্যৰ এটি ৰূপ দেখা গৈছিল। কথা ছন্দৰ কবিতাত কথাবোৰ ছন্দৰ পৰশত ক পি থাকে। ছেদ আৰু যতিয়ে তাক পদ্যৰ দৰে পব চৰণত বিভক্ত নকৰে যদিও ছন্দ পন্দৰ স কোমল হাত ব লনিয়ে গদ্যৰ পৰাও তাক বেলেগাই থয়। কথা আৰু কবিতাৰ মিশ্ৰণতে কথাছন্দৰ কবিতাৰ স ষ্টি।

# ০৬ ০০ কবিতাৰ দেহ আৰু মনৰ বাতৰি

## ৬ ১ কবিতা আৰু অলংকাৰ

কবিতাৰ লগত ছাঁৰ দৰে থাকে অলংকাৰ। কথাষাৰ অত্যুক্তি যেন লাগিব পাৰে। পিছে গভীৰভাবে বিচাৰ কৰি চালে দেখা যাব যে স চা অল কাৰ কবিতাত থাকেই। কেতিযাবা জিলিকি থাকে দবৈৰ পৰা দেখাকৈ আৰু কেতিযাবা মিলি থাকে সেউজীযা পাতত সেউজীয়া পখিলা মিলি থকাৰ দৰে। প্ৰাচীন ভাৰতীয আল কাৰিকসকলে কাব্যৰ সৌন্দৰ্যৰ কাৰণ নিৰ্ণয কৰিবলৈ গৈ নানা উপাদানৰ মাজত অল কাৰকো বিচাৰি পাইছে আৰু সেই সম্পৰ্কত বিস্তৃত আলোচনা কৰিছে।

অল কাৰ কি আৰু অলংকাৰৰ প্ৰযোগ কিয কৰা হয ইত্যাদি প্ৰশ্নৰ উত্তৰ দীঘলীযা আৰু তৰ্কসাপেক্ষ। এই আটাইবোৰ বিস্তৃত কথাৰ সাৰমৰ্ম সামৰি অল কাৰৰ সংজ্ঞা থোৰতে স ন্দৰকৈ দিছে কবি আৰু কবিতা বিজ্ঞানী নবকান্ত বৰ বাই। তেওঁৰ মতে কবিবিলাক ভাষাৰ শিল্পী। গতিকে ভাষাৰ নান্দনিক সম্ভাবনাখিনি তেওঁলোকে উন্ঘাটন নকৰাকৈযো ব্যবহাৰ কৰে। কবিযে ব্যবহাৰ কৰা এনে কৌশলবোৰৰেই নাম থোৱা হৈছে অলংকাৰ। এইখিনি কথাৰ অৰ্থ বহ দ ৰ বিযপা। অল কাৰ কবিতাৰ সম্পদ অথচ ঘৰ ৱা মাত কথাতো অলংকাৰ ব্যবহৃত হয। অল কাৰ কবিযে নিপ ণতাৰে প্ৰযোগ কৰে। সকলো মান হ কবি নহয কিন্তু সকলো মান হেই অল কাৰ ব্যবহাৰ কৰে। গতিকে দেখা গ ল যে কেৱল সৌন্দয বঢাবৰ বাবেই অল কাৰৰ প্ৰযোগ নহয। প্ৰযোজন প ৰাবৰ বাবেও অলংকাৰ ব্যবহৃত হয। মান হৰ অ তৰত প্ৰকাশৰ বাবে অজস্ৰ কথাই বাট বিচাৰে। সেই কথাবোৰ মনৰ জোখাৰে কৈ উলিওৱা সহজ নহয। যেনেকৈ ক বলৈ বিচৰা যায ঠিক সেইদৰে কৈ উলিযাবৰ বাবে কেতিযাবা অলপ জোৰ দিব লগা হয কেতিয়াবা হয়তো কিহবাৰ লগত তুলনা কৰিব লগা হয। আৱেগৰ আতিশয্য অন ভূতিৰ গভীৰতা আদি নানা কাৰণতো বাক্যবোৰ বিশিষ্ট শব্দ প্ৰযোগেৰে বিচিত্ৰ হৈ উঠে। এনে বিচিত্ৰ বাক্যতে সোমাই থাকে অলংকাৰ।

---

১ কবিতাৰ দেহ বিচাৰ প ২

অজানিতভাৱে অলংকাৰ প্ৰয়োগৰ সুন্দৰ উদাহৰণ দিছে তীৰ্থনাথ শৰ্মাই।[২] মৰিল এই শব্দটো মানুহে শ্ৰদ্ধা আন্তৰিকতা আৰু অনুভূতি ভেদে নানা ধৰণে প্ৰকাশ কৰে। ঢুকাল মৰিল চলিল পৰলোক প্ৰাপ্ত হ'ল পঞ্চত্ব প্ৰাপ্ত হ'ল নশ্বৰধাম ত্যাগ কৰিলে স্বৰ্গী হ'ল দেহাবসান ঘটিল পৰমায়ু শেষ হ'ল মানবলীলা সম্বৰণ কৰিলে তিৰোভাৱ ঘটিল মৃত্যু হ'ল আদি সমাৰ্থক শব্দ। একেটি অৰ্থৰে ইমানবোৰ শব্দ-প্ৰয়োগৰ মূলতে আছে মানুহৰ মনৰ কথা স্পষ্টকৈ দাঙি ধৰাৰ বাসনা। তাৰ লগতে জড়িত আছে অংলকাৰৰ উৎপত্তিৰ কাহিনী। অলম শব্দৰ প্ৰকৃত অথ পৰ্য্যাপ্ত। যি ধৰণে কথা ক'লে যথেষ্ট হ'ল ভাবটো মনলৈ আহে সেই ধৰণে কোৱাৰ ভঙ্গীযেই হ'ল অলংকাৰ।

অলংকাৰবাদৰ আলোচকসকলৰ ভিতৰত প্ৰথমে নাম লব পাৰি ভামহৰ। তেওঁৰ পুথি কাব্যালংকাৰ সপ্তম শতাব্দীত ৰচিত হৈছিল। অলংকাৰ তত্ত্বৰ আৰু কেইবাজনো আলোচকৰ নাম এই প্ৰসংগতে উল্লেখযোগ্য যদিও এই ক্ষেত্ৰত ভামহৰ আলোচনাৰ বিশেষ মূল্য আছে। ভামহে কৈছে যে বক্ৰাভিধেয়া শব্দোক্তিষ্টি বাচামলংকৃতি । অৰ্থাৎ কবিয়ে নিজৰ বক্তব্য মনৰ জোখাৰে কবৰ বাবে যি বক্ৰতাপূৰ্ণ শব্দ-কৌশল ব্যৱহাৰ কৰে সেয়েই হৈছে কাব্যৰ সৌন্দয বা অলংকাৰ। এই খিনি কথাকে বিশ্বনাথ কবিৰাজৰ সাহিত্য দৰ্পণত এনেদৰে আছে কাব্যৰ অতিশয সৌন্দৰ্যবৰ্ধক ৰস আদিৰ উপকাৰক শব্দ আৰু অৰ্থৰ অস্থিৰ ধমই ( মানৱ শৰীৰৰ ) কেয়ূৰ আদি অলংকাৰৰ দৰে কাব্যৰ অলংকাৰ । এই মতবাদৰ মতে অলংকাৰ কাব্যৰ শোভাবৰ্ধক কিন্তু অপৰিহায নহয়।

কাব্যৰ সম্প্ৰদানৰ ক্ষেত্ৰত ভামহে কৈছে যে শব্দ আৰু অৰ্থৰ মিলনেই হ'ল কাব্য। দুয়োটাকে তেওঁ সমানে গুৰুত্ব দিছে। কাব্য বেদৰ দৰে শাস্ত্ৰ নহয কাৰণ ইয়াত কেৱল শব্দৰ ওপৰতেই গুৰুত্ব দিয়া নহয়। কাব্য ইতিহাসো নহয—য'ত কেৱল অৰ্থতহে গুৰুত্ব থাকে। শব্দ আৰু অৰ্থ দুয়োটাতে সমানে গুৰুত্ব দিয়ে বাবে কাব্যত এই দুয়োটাই ৰমণীয় হোৱা উচিত। এই ৰমণীয়তা সম্পাদনৰ বাবে প্ৰয়োজন বক্ৰতাপূৰ্ণ বাক্য কৌশলৰ। এই কৌশলেই হ'ল অলংকাৰ। অলংকাৰহীন বাক্য

২ সাহিত্য বিদ্যা পৰিক্ৰমা পৃ ৪৩

ভংগীযে কাব্যৰ মৰ্যাদা কমাই ইযাক সাধাৰণ কথা কোৱা শ্ৰেণীলৈ অবনমিত কৰিব।

আচাৰ্য বামনে মত প্ৰকাশ কৰিছে যে কাব্য গ্ৰাহ্যমলংকাৰাৎ সৌন্দৰ্যমলংকাৰ। অৰ্থাৎ অলংকাৰৰ দ্বাৰা কাব্য উপাদেয হয আৰু সৌন্দৰ্যই হ'ল অলংকাৰ। আচাৰ্য দণ্ডীযেও কৈছে কাব্য শোভাকৰান ধৰ্মানলংকাৰান প্ৰচক্ষতে। কাব্যৰ শৰীৰ হ'ল শব্দ আৰু অৰ্থৰ যুগল ৰূপ। সেই ৰূপৰ শোভা বঢ়োৱা উক্তি-বৈচিত্ৰ্যসমূহেই হ'ল অলংকাৰ।

গতিকে দেখা গ'ল যে কাব্যৰ সৌন্দৰ্য বঢ়াবৰ বাবেই অলংকাৰ প্ৰযোগ কৰা হয বুলি সাধাৰণভাবে ধৰি লোৱা হৈছে। কিন্তু বহল দৃষ্টিভংগীৰে চাবলৈ গ'লে অলংকাৰৰ কাম ইমান সংক্ষিপ্ত নহয। ইযাৰ দাযিত্ব হ'ল তিনিটা। প্ৰথমতে বক্তব্যবিষযক শক্তিশালী কৰা দ্বিতীযতে সেই বিষয পষ্টৰূপত দাঙি ধৰা আৰু তৃতীযতে কোৱা কথাখিনি অন্তৰ চুই যোৱাকৈ মনোৰম ভাবে প্ৰকাশ কৰা। তিনিওটা উদ্দেশ্য মিলি একেটাই হোৱা যেন আপাতদৃষ্টিত লাগিলেও সূক্ষ্মদৃষ্টিত এই বিভাজনকেইটিও অস্পষ্ট নহয।

আচাৰ্য ৰাজানক কুন্তকে বক্ৰোক্তিকে কাব্য-জীবন বুলি কৈছে। বক্ৰোক্তি তেওঁৰ মতে কাব্যৰ সবাতোকৈ প্ৰযোজনীয সম্পদ। ভামহেও বক্ৰোক্তিকে অলংকাৰ বুলি কৈছে। পিছে উকা বক্ৰোক্তি কেতিযাও অলংকাৰ হ'ব নোৱাৰে। নানা কাৰণত মানুহে আওপাকে কথা কয কেতিযাবা তাত নানা তুলনামূলক শব্দৰো প্ৰযোগ কৰে। সেই প্ৰযোগত যদি মনোহাৰিত্ব নাথাকে তেন্তে সেইবোৰ অলংকাৰ নহয। উদাহৰণ স্বৰূপে মীনা দেখাত বীণাৰ দৰে ধুনীযা —কথাষাৰত তুলনা থাকিলেও চমৎকাৰিত্ব বা আহ্লাদদাযক গুণ নাই। কিন্তু মীনা যেন এপাহ আধাফুলা ফুলহে ইয়াত অলংকাৰ আছে। কাৰণ মনলৈ এক মনোৰম চিত্ৰ নমাই আনে। গতিকে অলংকাৰৰ ঘাই কাম হ'ল কাব্যক সুন্দৰ কৰা।

কাব্যত অলংকাৰৰ প্ৰযোজন সম্পৰ্কে নানা দিশৰ পৰা বিচাৰ কৰিব পাৰি। এগৰাকী যুবতীৰ শৰীৰ যি দৰে অলংকাৰে শুৱাই তোলে সেইদৰে কাব্যৰ শৰীৰো জিলিকাই তোলে অলংকাৰে। কিন্তু স্বভাৱতে ৰূপহী যুবতীৰ জানো অলংকাৰৰ প্ৰযোজন আছে? নিজৰ ৰূপত

তেওঁ নিজেই ভৰপূৰ। কিছুমান কবিতাও সেইদৰে নিজৰ ভাব মধুৰতাৰে সুন্দৰ। সেইবোৰত অলংকাৰ একোটা অতিৰিক্ত বোজা মাথোন। পূৰণি অসমীয়া সাহিত্যত মাধৱ কন্দলিৰ ৰামায়ণখনি অতিৰিক্ত অলংকাৰ প্ৰযোগৰ এক নিদৰ্শন। প্ৰযোগৰ ফালৰ পৰা কন্দলিৰ শৈলী নিপুণ আৰু সূক্ষ্ম। কিন্তু কবিত্বৰসৰ ক্ষেত্ৰত এইবোৰ কেতিযাবা অপ্ৰয়োজনীয যেন লাগে। তাৰ তুলনাত শংকৰদেৱৰ অলংকাৰ প্ৰযোগ সংযম আৰু সীমিত। অলংকাৰ প্ৰযোগৰ ক্ষেত্ৰত এক ৰুচিবোধৰ প্ৰশ্ন সদাযে আছে। এগৰাকী বন্ধা নাৰীক জাক জমক অলংকাৰে নশুৱায়। সেইদৰে হাতৰ অলংকাৰ কাণত কাণৰ অলংকাৰ খোপাত আৰু খোপাৰ অলংকাৰ ডিঙিত আঁৰিলে পিন্ধোতাৰ মানসিক স্হিৰতাৰ প্ৰশ্ন উঠিব। কবিতাৰ ক্ষেত্ৰতো একে কথা। যিখিনিত লাগে আৰু যিমানখিনি লাগে সেই অনুক্ৰমেহে অলংকাৰ প্ৰযোগ কৰা উচিত। গতিকে কবিসকলৰ ৰুচিবোধৰ ওপৰত কবিতাৰ অলংকাৰ প্ৰযোগৰ সফলতা নিৰ্ভৰ কৰে।

স্বভাৱসুন্দৰ কবিতাত অলংকাৰৰ প্ৰযোজন নাই বুলি কলেও এনেবোৰ কবিতাত কেতিযাবা স্বভাবোক্তি অলংকাৰ আছে বুলি কোবা হয। বহুতো অলংকাৰবিহীন ৰচনাৰ মাজত এক ৰমণীয গুণ থাকে। যেনে—

সাগৰ দেখিছা ? দেখা নাই কেতিযাও ?

আছে দূৰ দিগন্ত বিযপি

ইযাত অৰ্থালংকাৰ শব্দালংকাৰ একোকে বিচাৰি পোৱা নাযায। অথচ কবিতাফাকি সৌন্দৰ্যপূৰ্ণ আৰু হৃদয পৰশা। এই সৌন্দয ৰূপহী গাভৰুৰ দৰে স্বাভাবিক। এই স্বাভাবিক সৌন্দৰ্যকে কবিতাৰ জগতত বোলা হৈছে স্বভাবোক্তি অলংকাৰ। কবিতাৰ অলংকাৰ শব্দ বা অৰ্থক আশ্ৰয কৰি বৰ্তি থাকে বুলি কৰা মন্তব্যৰ ই এক প্ৰত্যাহ্বান স্বৰূপ। কাৰণ শব্দ আৰু অৰ্থ পাৰ হৈ ভিতৰৰ কিবা এক নিবিড় আবেদনেহে এই অলংকাৰ সৃষ্টি কৰে। গতিকে কবিতা সেই নাৰী—যাৰ শৰীৰ নানা ভূষণেৰে শোভিত হলেও দেহ ৰূপেৰে ভৰা হলেও হৃদযতো থাকিব লাগিব আনৰ হৃদয় শাঁত কৰিব পৰা কিবা এক মোহিনী শক্তি। সেই শক্তি অবিহনে সুসজ্জিতা সুন্দৰীও আকৰ্ষণীযা হৈ নুঠে।

কবিতাত অলংকাৰ প্ৰয়োগৰ আলোচনা কৰিলে এনে লাগে যেন প্ৰাচীন কবিতাৰহে অলংকাৰৰ লগত সম্পৰ্ক। পিছে নহয়। নতুন কবিতাও ভাঙি চালে দেখা যাব তাতো একেই অলংকাৰৰ বৈচিত্ৰ্য। উপস্থাপনৰ বৈচিত্ৰ্যৰ বাবে নতুন কবিতাত অলংকাৰবোৰ পুৰণিকলীয়া চকুৰে চিনা নাযায়। আলংকাৰিকে যেতিয়া দেখুৱাই দিয়ে[৩] যে মাধৱ কন্দলিৰ—

যেন মেৰু মন্দৰ খুজন্ত একতৰ॥
হৰি শঙ্কৰৰ যেন মিলিল সমৰ।
গ্ৰহযুদ্ধ ভেল যেন মঙ্গল বুধৰ॥
বলি বাসবৰ যেন লাগিল সমৰ।
বালী সুগ্ৰীবৰ যুদ্ধ সেহি পটন্তৰ।

আৰু মহেন্দ্ৰ বৰাৰ—

দেখা পালোঁ আকাশৰ দুৱাৰডলিত পূৰ্ণিমা ৰাতিৰ
ঘূৰণীয়া জোন
ঠিক যেন এইমাত্ৰ বাথৰুমৰ পৰা ওলাই অহা
এজনী ছোৱালী

একেই উৎপ্ৰেক্ষা অলংকাৰৰ ভিতৰুৱা তেতিয়াহে নতুন কবিতাত অলংকাৰৰ প্ৰয়োগ সম্পৰ্কে মনবোৰ সচেতন হয়। সেইদৰে প্ৰাচীন অলংকাৰ অনুপ্ৰাসেও নতুন কবিতাৰ বুকু শুৱাই আছে। হীৰেন ভট্টাচাৰ্যৰ—

চেতনা থৰথৰ অন্ধকাৰৰ প্ৰহৰ ভাঙি
তোমাৰ গানেৰে কৰোঁ জ্যোতিস্নান।

আদি কিছুমান ধ্বনীয়া স্তবকৰ মাজত অনুপ্ৰাস সহজেই বিচাৰি পাব পাৰি। আচলতে বিচাৰি পাব পাৰি প্ৰতিবিধ অলংকাৰেই। কিন্তু সাধাৰণ অভ্যাসমতে পুৰণি কবিতাৰ মাজত অলংকাৰৰ উদাহৰণ বিচৰাটো আমাৰ এটা ৰীতিতেই পৰিণত হৈছে।

অলংকাৰৰ প্ৰকাৰ অসংখ্য। নাট্যশিল্পৰ আলোচক ভৰতে চাৰিটা মাথোন অলংকাৰৰ উল্লেখ কৰিছিল। কিন্তু অলংকাৰৰ সংখ্যা দিনে দিনে বাঢ়ি গৈ থাকিল আৰু ষোড়শ শতিকাৰ আলোচক অপ্পয় দীক্ষিতৰ দিনত ইয়াৰ সংখ্যা হ'ল এশ পঁচিশ।[৪] এটা সময়ত যেতিয়া

৩ কবিতাৰ দেহবিচাৰ পৃ ৫৪
৪ নন্দনতত্ত্ব পৃ ৪১৯

আলংকাৰিকসকলে অলঙ্কাৰৰ ওপৰত অসীম গুৰুত্ব আৰোপ কৰিছিল তেতিয়া নিতে নতুন নতুন অলঙ্কাৰ আৱিষ্কৃত হৈছিল। কিন্তু ৰস ধ্বনি আদি বেলেগ বেলেগ তত্ত্বই অলংকাৰবাদক নিষ্প্ৰভ কৰি পেলোৱাত এই প্ৰবণতা কিছু কমিল। অৱশ্যে কবিতাত অলংকাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে প্ৰচলিত যি ধাৰণা তাৰ গুৰুত্ব মানুহৰ মনত প্ৰায় একেই থাকিল।

ৰুদ্ৰটে কৈছে যে হৃদয়ত আহ্লাদ জন্মাব পৰা যিমানবোৰ অৰ্থ হ'ব পাৰে অলংকাৰৰ সংখ্যাও সিমানেই। অৰ্থাৎ ই অগণিত। কবিয়ে দক্ষতা অনুসৰি নতুন নতুন অলঙ্কাৰ সৃষ্টি কৰি ল'ব পাৰে। পিছে বিজ্ঞ আলঙ্কাৰিকৰ বাবে তাৰে কিছুমান ইটোৰ লগত সিটো জাহ যাব পৰা বিধৰো হ'ব পাৰে অথবা অলঙ্কাৰ নামৰ যোগ্য নহ'বও পাৰে। কোনটো অলঙ্কাৰ হয় আৰু কোনটো নহয় সেই সম্পৰ্কে কবি আৰু আলঙ্কাৰিকৰ শীতল যুদ্ধখন এটা চিৰকলীয়া বস্তু।

অলঙ্কাৰৰ শ্ৰেণীবিভাগ সম্পৰ্কত দেখা যায় যে অলঙ্কাৰ সৰ্বস্ব নামৰ গ্ৰন্থত ৰাজানক ৰুয্যকে অলঙ্কাৰবোৰক সাত ভাগত ভগাইছে। সেইবোৰ হ'ল সাদৃশ্য গৰ্ভ বিৰোধ গৰ্ভ শৃংখলাবদ্ধ তৰ্কন্যায়মূলক লোকন্যায়মূলক আৰু গূঢ়াৰ্থপ্ৰতীতিমূলক। পিছে ইমানবোৰ বিভাজনলৈ নগৈ বেছি ভাগ আলঙ্কাৰিকেই অলঙ্কাৰক দুটা ঘাই ভাগত ভাগ কৰিছে। সেইকেইটা হ'ল শব্দালঙ্কাৰ আৰু অৰ্থালংকাৰ। ইয়াৰ উপৰিও উভয়ালঙ্কাৰ বুলি এটা বিভাগো কেতিয়াবা কৰা হয়। অৱশ্যে অলঙ্কাৰশাস্ত্ৰত এই বিভাগ বিশেষ জনপ্ৰিয় নহয়।

যি অলঙ্কাৰ সম্পূৰ্ণভাবে শব্দৰ ওপৰত নিৰ্ভৰশীল সেয়ে হ'ল শব্দালংকাৰ। এনে অলঙ্কাৰৰ সকলো মনোহাৰিত্ব নিৰ্ভৰ কৰে শব্দৰ ওপৰত। এইবোৰৰ এটা শব্দ উঠাই নি আন এটা শব্দ তাৰ ঠাইত দিলে সৌন্দৰ্য হানি হয় আৰু স্থাপন কৰিব খোজা অলঙ্কাৰৰ মহিমা নোহোৱা হৈ পৰে। শব্দালংকাৰত ধ্বনিৰ প্ৰাধান্য বেছি। সেইবুলি অৰ্থৰো যে ইয়াত একেবাৰে মূল্য নাই এনে নহয়। অৰ্থহীন কিন্তু শুনাত আনন্দদায়ক শব্দ সমষ্টিৰেও অলংকাৰ নহয়। "দৰাচলতে কেবল শব্দালংকাৰ ( figures based on sound ) সম্ভৱপৰ নহয়। কেবল ধ্বনিয়ে ( sound ) লয় সৃষ্টি কৰিলেও অলংকাৰ সৃষ্টি কৰিব

নোৱাৰে। উদাহৰণ তবলাৰ বোল। তাত ধ্বনি আছে অৰ্থ নাই। [৫]

আন কিছুমান অলংকাৰ আছে যিবোৰ একান্তভাৱে অৰ্থনিৰ্ভৰ। তেনেবোৰ অলংকাৰত শব্দ একোটা সলাই দিলেও অৰ্থ সলনি নহয় আৰু অলংকাৰো একেই থাকে। এনেবোৰ অলংকাৰক বোলা হয় অৰ্থালংকাৰ।

কিছুমান অলংকাৰ আছে যিবোৰ প্ৰথম দৃষ্টিত শব্দালংকাৰ নে অৰ্থালংকাৰ ধৰা টান অথবা দুয়োবিধতে সোমাব পৰা লক্ষণ ইহঁতৰ গাত বিদ্যমান। এইবোৰকে বোলা হয় উভয়ালংকাৰ। অৱশ্যে সাধাৰণতে অলংকাৰ বিচাৰ কৰোঁতে ইহঁতক গুৰুত্ব দিয়া নহয়।

উপমা লুপ্তোপমা মালোপমা স্মৰণোপমা উৎপ্ৰেক্ষা দীপক ব্যতিৰেক অপহ্নুতি আদি অসংখ্য অলংকাৰে প্ৰাচীন কালৰ পৰা কবিতাৰ বৰ্কু শৰাই আহিছে। নতুন কবিতাতো যে ইহঁতৰ সংগোপন বিচৰণ ঘটে সেই কথা অলপ আগতে কোৱা হৈছে। পিছে নতুন কবিতাৰো কিছুমান নতুন অলংকাৰ আছে। যেনে চিত্ৰকল্প। চিত্ৰকল্পই শব্দৰ ছবি আঁকে আৰু কবিৰ অনুভূতিৰ একোটি ক্ষণক স্পষ্ট ৰং ৰহণেৰে মনৰ চকুত দাঙি ধৰে। এইদৰেই অলংকাৰে সকলো সময়তে কবিতাৰ সহচৰীৰ কাম কৰি আহিছে।

## ৬.২ কবিৰ নিজা জগতখনৰ কথা—কবি প্ৰসিদ্ধি

জনা কথা যে কবিসকলে এখন বিশেষ জগতত বাস কৰে। তেওঁলোকৰ চিন্তা অনুভৱ আৰু বিচাৰ ধাৰা সাধাৰণ লোকৰ দৰে নহয়। কিন্তু এইখন জগতৰো কিছুমান অলিখিত ৰীতি আছে। কবিসকল সাধাৰণতেই কল্পনা প্ৰৱণ। তেওঁলোকৰ কল্পনাৰ সীমাৰেখা নাই। প্ৰাচীন কালত কবিসকলে এই পাখিমেলা কল্পনাক একোটা নিৰ্দিষ্ট ৰূপৰ মাজত ৰাখিবলৈ যত্ন কৰিছিল। তাৰ ফলতেই সৃষ্টি হৈছিল কবিপ্ৰসিদ্ধিৰ।

অসত্যত সত্যৰ প্ৰতীতি ঘটোৱাটো কেৱল বেদান্ত দৰ্শনৰ মায়াৰে

৫ কবিতাৰ দেহবিচাৰ পৃ ৮

কৰ্ম নহয়। কবি মনৰ অবাস্তৱ কল্পনায়ো এনে কাৰ্য কৰে। লৌকিক অস্তিত্ব নথকা অথবা লোক প্ৰসিদ্ধি নথকা বহুতো কথাও কবিৰ জগতত সত্য আৰু স্বাভাৱিকৰূপে গৃহীত হয়। কবিৰ বিশ্বাসত পদুমফুল সূৰ্যৰ আৰু ভেট ফুল চন্দ্ৰৰ প্ৰেমিকা। গতিকে পদুমে পাপৰি মেলে সূৰ্যোদয়ৰ লগে লগে আৰু জাপ যায় সূৰ্যাস্তৰ লগে লগে। সেইদৰে জোন নুঠিলে বোলে বিৰহ কাতৰা ভেটফুলেও পাহি নেমেলে। কবিৰ মতে চাতকে কেৱল বৰষুণৰ পানীহে পান কৰে। এনে আৰু অসংখ্য কল্পচিত্ৰ আছে যিবোৰ পৰম্পৰাগতভাৱে কবিতাৰ জগতত ব্যৱহাৰ কৰি অহা হৈছে। এইবোৰ শুনাত মনোৰম। হৃদয় মথিত কৰিব পৰাকৈ সঁচা সঁচা লগা। কিন্তু গভীৰভাৱে চিন্তা কৰি চালে দেখা যাব যে ইহঁতে প্ৰতিটোৱেই চূড়ান্তভাবে কল্পনা নিৰ্ভৰ এটাৰো বাস্তৱত সত্যতা নাই।

কবিতাত থকা অলংকাৰবোৰৰ প্ৰকৃত সোৱাদ পাবলৈ বিচাৰিলে কবি প্ৰসিদ্ধিৰ জ্ঞান থকা উচিত। নহ'লে বহু সময়ত অলংকাৰৰ সৌন্দৰ্য উপভোগ কৰা নাযায়। কবি প্ৰসিদ্ধি মূলতে সংস্কৃত সাহিত্যৰ সম্পদ। কিন্তু নানা প্ৰাদেশিক ভাষালৈ সি বিয়পি পৰিছিল। পূৰণি সাহিত্যত কবি প্ৰসিদ্ধিৰ প্ৰয়োগ বেছি কিন্তু আধুনিক সাহিত্যতো ই নোহোৱা নহয়। কবি প্ৰসিদ্ধিবোৰৰ সোৱাদেই বেলেগ। যি সকলে ধ্ৰুপদী সাহিত্য পঢ়ি ভাল পায় তেওঁলোকেহে জানে এইবোৰৰ সৌন্দৰ্য কিমান আকৰ্ষণীয়।

মেঘদূত কাব্যত কৈলাশ পৰ্বতক তুলনা কৰা হৈছে শিৱৰ অট্টহাস্যৰ লগত। কবি প্ৰসিদ্ধিৰ লগত পৰিচয় নাথাকিলে সেই অলংকাৰপূৰ্ণ কবিতাফাকিৰ কোনো অৰ্থই বিচাৰি পোৱা নাযায়। কবিৰ জগতত হাঁহিৰো ৰং আছে সেই ৰং বগা। গতিকে শুভ্ৰ বিশাল কৈলাশ পৰ্বতক শিৱৰ অট্টহাস্যৰ পুঞ্জীভূত ৰূপ বুলি ক'লে খাপ খাই পৰে। বিশ্বনাথ কবিৰাজৰ সাহিত্য দৰ্পণৰ মতে কবিসময় প্ৰসিদ্ধি তিনিটা পৰ্যায়ত বিভক্ত (১) অস্তিত্ববিহীন বিষয় বস্তুৰ বৰ্ণনা (২) থকা বস্তুৰ বৰ্ণনা নকৰা আৰু (৩) কোন বস্তুৰ কেনে বৰ্ণনা হ'ব তাৰ নিয়ম। এই একে গ্ৰন্থতে আছে[৬] কবিসময় প্ৰসিদ্ধিৰ কিছুমান নিৰ্দিষ্ট ৰূপৰ তালিকা। সেইবোৰ হ'ল—

---

৬ সাহিত্য-দৰ্পণ পৃ ৪২৯

আকাশ আৰু পাপত মালিন্য (কৃষ্ণবৰ্ণতা) যশস্যা হাঁহি আৰু কীৰ্ত্তিত ধ্ৰুবলতা ক্ৰোধ আৰু অনুৰাগত ৰক্তিমা বৰ্ণনা কৰিব লাগে। সৰোবৰ জলাশয আদিত শ্বেতপদ্ম নীলোৎপল আদিৰ অস্তিত্ব সকলো জলাশযতে ৰাজহাঁহ আদি পক্ষীকুলৰ অৱস্থান চকোৰৰ জ্যোৎস্না পান বৰ্ষাকালত হংসকুলৰ মানসসৰোবৰ অভিমুখে প্ৰব্ৰজন ৰমণীৰ পদাঘাতত অশোকৰ আৰু মুখৰ মদিৰাত বকুলৰ পুষ্পবিকাশ যুৱক যুৱতীৰ অঙ্গত হাৰ আৰু বিৰহৰ তাপত হৃদয বিদাৰণ বৰ্ণনীয়। কামদেৱৰ ধনু ফুলৰ ধনুৰ গুণ ভোমোৰাৰ আৰু শৰবোৰো ফুলৰ কামদেবৰ শৰত আৰু যুবতীৰ কটাক্ষত যুৱকৰ হৃদয় বিদীৰ্ণ হোৱা দিনত পদুম ফুল ফুলা আৰু ৰাতি ভেট ফুল ফুলা শুক্লপক্ষত চন্দ্ৰৰ শুভ্ৰ জ্যোৎস্না মেঘ গৰ্জনত ময়ুৰৰ নৃত্য অশোক গছত গুটি নলগা জাতি ফুল বসন্তকালত নুফুলা সাৰভাগত গোন্ধ থকা চন্দন আদি গছত ফল ফুল একো নলগা আৰু এইদৰেই অন্যান্য বিষযো শ্ৰেষ্ঠ কবিৰ ৰচনাৰ পৰা কবিসময প্ৰসিদ্ধিৰূপে আহৰণ কৰিব লাগে।

সংস্কৃত সাহিত্যত কবি প্ৰসিদ্ধি প্ৰয়োগৰ অজস্ৰ উদাহৰণ আছে। প্ৰাচীন অসমীযা কবিতাতো এনে উদাহৰণ প্ৰচুৰ। এটি বৰগীতত আছে—

নাচেৰ মাধুৰী গোপী মোহন মদন ফান্দেৰে।
যশোমতী নন্দ নযন চকোৰ শ্যাম সুন্দৰ চান্দেৰে॥

ইযাত নৃত্যৰত কানাইৰ সুন্দৰ মুখ আৰু নন্দ যশোদাৰ মুগ্ধ নযনক জোনাক-পানত মগ্ন হৈ থকা চকোৰৰ লগত তুলনা কৰা হৈছে। আধুনিক কবিযেও কবি প্ৰসিদ্ধিৰ প্ৰযোগ এৰিব পৰা নাই। শৈলধৰ ৰাজখোৱাৰ পুখুৰীৰ প্ৰতি চকোৱা কবিতাত আছে—

পুখুৰী তই নিৰ্মল শীতল
বহুতো চৰায়ে কৈছে মোক
পিযাহত মই যদিও মৰোঁ
নোৱাৰো তথাপি পিব যে তোক।

ইয়াত প্ৰয়োগ কৰা হৈছে চাতকে কেৱল বৰষুণৰ পানী হে পান কৰাৰ কবি প্ৰসিদ্ধি। সেই একে কবি প্ৰসিদ্ধিৰে ৰচনা কৰা বৰকাকতীৰ এফাকি কবিতা—

যদি তুমি হোৱা হ লে চাতক পখিটি
মই যদি জলদৰ শ্যামল মূৰ্তি
উৰি ফ ৰি আকাশত ঢালি ধাৰাসাৰ—
কৰালোহে তেন পান প্ৰেম পাৰাবাৰ।

সাম্প্ৰতিক কবিতাত বিচাৰিলে ওলায একোটা কবিপ্ৰসি ধ। অৱশ্যে আংগিকৰ কৌশলত সি ঢাক খাই থাকে। এটা উদাহৰণ—

ওৰে ৰাতি সাৰে ৰ লো
জোনাকেৰে দ গাল তিযাই
তুমি তৰাৰ মাজত জিলিকি আছিলা
ডাৱৰবোৰৰ অব জ আমনিত
ক পি উঠিছিল
স গন্ধী বতাহ
প বা তুমি গ চি যোবাৰ পিছত
ম দ খাই পঁৰা নযনেৰে
মই আকৌ তোমাৰে সপোন দেখিছো।
মোৰ চাৰিওফালে পানী
শীতল
নীলা
গভীৰ।

ইযাত প্ৰচ্ছন্ন হৈ আছে প্ৰেমা পদ চন্দ্ৰ আৰু প্ৰেমিকা চন্দ্ৰমল্লিকাৰ কবিযে ভাবি লোবা সম্পৰ ৰ কথা।

এইদ ৰই দেখা যায যে কবিতাৰ লগত অলংকাৰৰ আৰু অলংকাৰৰ লগত কবি প্ৰসিদ্ধিৰ নিবিড় স পৰ্ক আছে।

## ৬ ৩ কবিতাত ৰস

কবিতাৰ প্ৰধান কাম ৰস সৃ টি কৰা। এই ৰস খ ব সংক্ষিপ্তভাবে ক বলৈ গলে আনন্দৰে অন্য এটি নাম। কথাষাৰ বহলাই ব্যাখ্যা কৰাৰ প্ৰযোজন কিন্তু তাৰ আগতে ৰসৰ বিষয়ে কিছু অভিমত ভালদৰে জানি লোৱা উচিত।

কাব্য প্ৰসাদ নামৰ গ্ৰন্থত আলংকাৰিক মম্মটভট্টই কৈছে যে কাব্যৰ

পৰা কবিৰ যশস্যালাভ হয় পঢ়োঁতাই সাংসাৰিক জীৱনৰ লাগতিয়াল কৰ্তব্যৰ সন্ধেদ পায় অমংগল নাশ হয় বিমল আনন্দৰ উদ্ভৱ হয় আৰু প্ৰিয়তমাৰ পত্নীৰ মধুৰ বচনৰ উপদেশৰ দৰে তত্ত্বজ্ঞান লাভ হয়। সাহিত্যৰ সকলোবোৰ দিশতে এই কথা প্ৰযোজ্য। কিন্তু যিবোৰ গ্ৰন্থ কেৱল ধৰ্মশাস্ত্ৰ অথবা তত্ত্বালোচনাহে সেইবোৰতো ইয়াৰে কেইটিমান লক্ষণ থাকিব পাৰে। ধৰ্মশাস্ত্ৰ আদিতকৈ কাব্যৰ প্ৰকৃতি যে বেলেগ তাক সূচিত কৰে কাব্যৰ বিমল আনন্দ দিয়াৰ ক্ষমতাই।

কবিতাই জ্ঞান দিব পাৰে উপদেশ দিব পাৰে নীতিবচন শুনাবও পাৰে। কিন্তু সফল কবিয়ে তাৰ লগে লগে দিয়ে অলৌকিক আনন্দ। এই আনন্দ সৃষ্টিৰ দ্বাৰাই তেওঁ ৰসসৃষ্টি কৰে। গতিকে ৰস অবিহনে কাব্য হ'ব নোৱাৰে। বিশ্বনাথ কবিৰাজে সাহিত্য দৰ্পণত কৈছে যে ৰসাত্মক বাক্যই হ'ল কাব্য। ৰসহীন কাব্যত অলংকাৰ শোভাহীন আৰু অৰ্থহীন।

সাধাৰণ অৰ্থত ৰস মানে জুলীয়া পদাৰ্থ সোৱাদ পাতল আনন্দ আদি বুজায়। অলংকাৰ শাস্ত্ৰৰ ৰসে বুজায় তৈত্তিৰীয় উপনিষদত থকাৰ দৰে এক মহা আনন্দ। ৰস হ'ল সৌন্দৰ্যবোধৰ পৰা ওপজা মনৰ এটি অতি জাগতিক আনন্দময় অৱস্থা। এই অৱস্থালৈ যেতিয়া পাঠক অথবা শ্ৰোতাক তুলি নিব পাৰে তেতিয়াহে কাব্যই নিজকে সফল বুলি দাবী কৰিব পাৰে। কাব্যানন্দ হ'ল ব্ৰহ্মানন্দৰ সহোদৰ। অৰ্থাৎ এই আনন্দৰ তুলনা কোনো পাৰ্থিব বস্তুৰে কৰিব নোৱাৰি। যেতিয়া কোনো ব্যক্তিয়ে ধ্যান বা একান্ত উপাসনাৰ অন্তত পৰম ব্ৰহ্মৰ স্বৰূপ উপলব্ধি কৰিব পাৰে তেতিয়া তেওঁ মোক্ষ লাভ ক'ৰে। মোক্ষলাভৰ অৱস্থা চৰম আনন্দময়। ইয়াকে বোলা হয় ব্ৰহ্মানন্দ। কাব্যপাঠৰ আনন্দও ইমানেই ওপৰ খাপৰ যে ইয়াক কেৱল ব্ৰহ্মানন্দৰ লগতহে তুলনা কৰিব পাৰি। এই আনন্দই যেতিয়া হৃদয় স্পৰ্শ কৰে তেতিয়া শোক দুখ ক্ষুধা তৃষ্ণা আদি সকলো জাগতিক অনুভূতি লুপ্ত হৈ পৰে। থাকে মাথোন এক সীমাহীন আনন্দৰ অনুভূতি। চৰাচৰ হৈ পৰে আনন্দময়।

কবিতাত এই ৰসসৃষ্টি হ'বৰ বাবে তাৰ আধাৰৰূপে কিছুমান ভাব থাকিব লাগে। মানুহৰ মনত চিৰকালে থকা এই ভাববোৰকে বোলা হয় স্থায়ীভাব। স্থায়ী ভাব ঘাইকৈ ন বিধ বুলি ধৰা হয়। সেইকেইটা

হ’ল—ৰতি হাস শোক ক্ৰোধ উৎসাহ ভয় জুগুপ্সা আৰু শম। এইবোৰ সদায়ে মনত থকা ভাবৰ লগতে লজ্জা উৎকণ্ঠা ত্ৰাস আদি কিছুমান সৰ’সুৰা ভাবো মানুহৰ মনত অহা যোৱা কৰি থাকে। এইবোৰেই হ’ল সঞ্চাৰী বা ব্যাভিচাৰী ভাব। ন টা স্হায়ীভাবৰ আধাৰত গঢ লৈ উঠে ন বিধ ৰস। সেইবোৰ হ’ল যথাক্ৰমে শৃংগাৰ হাস্য কৰুণ ৰৌদ্ৰ বীৰ ভয়ানক বিভৎস অদ্ভুত শান্ত। কেতিয়াবা বৎসল ভাবৰ আধাৰত বাৎসল্য ৰসকো স্বীকৃতি দিয়া হয়।

কাব্যত ৰস উৎপত্তিৰ ক্ষেত্ৰত বিভাব আৰু অনুভাবৰ কথাও ধৰা হয়। দিঠকৰ যিবোৰ কথাই আমাক মুগ্ধ নকৰে কাব্যত সেইবোৰেই এক মায়াভৰা আকৰ্ষণেৰে আমাক বান্ধি ৰাখে। ডেকা-গাভৰুৰ মুকলি দৈহিক প্ৰেম আমাৰ সমাজত এতিয়াও অস্পৃশ্য অথচ কলংপাৰত মাৰ্জনিশা আমাৰ প্ৰিয় কবিতা। কাৰো ব্যক্তিগত বিৰহৰ পেনপেননি আমি বেছি সময় শুনিবলৈ নিবিচাৰোঁ। অথচ দুবৰা কবিৰ বনফুলৰ বেছিভাগ কবিতাই আমাৰ মুখস্থ। গতিকে দেখা যায় যে দিঠকৰ নিতান্ত সাধাৰণ একোটি বিষয়ো কাব্যৰ মাজত ৰমণীয় হৈ উঠে। সহৃদয় পাঠকৰ মনৰ মাজত শুই থকা কিছুমান অনুভৱে কাব্যৰ মাজত বেলেগৰ যোগেদি বৰ্ণিত হৈ ৰসৰ সৃষ্টি কৰে। এইদৰে বাস্তৱ জগতৰ কিছুমান অনুভূতি কাব্য বা ৰংগমঞ্চত বৰ্ণিত হ’লে তাক বিভাব বোলা হয়। বিভাব দুই প্ৰকাৰ আলম্বন আৰু উদ্দীপন। যাক আলম লৈ ৰসানুভূতি জাগ্ৰত হয় সেয়ে হ’ল আলম্বন বিভাব আৰু সেই অনুভূতি যাৰ সহায়ত জাগ্ৰত হয় সেয়ে হ’ল উদ্দীপন বিভাব।

স্হায়ীভাববোৰ বাস্তৱত প্ৰকাশিত হয় কিছুমান কাৰ্য বা বিকৃতিৰ দ্বাৰা। যেনে খং উঠিলে চকু ৰঙা পৰে ভয় লাগিলে শৰীৰ কঁপে। এই স্বাভাৱিক কাযবোৰ মঞ্চত বা কাব্যত যেতিয়া অভিনয় কৰি অথবা বৰ্ণনা কৰি বুজোৱা হয় তেতিয়া সেইবোৰক বোলে অনুভাব।

নববিধ ৰসৰ ভিতৰত কোনোটোকে ঘাই ৰস বুলি কব নোৱাৰি। নিজৰ নিজৰ ৰস্তুত প্ৰতিটোৱেই উজ্জ্বল। অৱশ্যে এনে আলোচকো আছে যি কেৱল একোটা ৰসকহে মূল্য দিয়ে। কবি ভৱভূতিৰ মতে কৰুণ ৰস হ’ল ঘাই ৰস। তেওঁৰ উত্তৰৰামচৰিত ত থকা এটা শ্লোকৰ মতে কৰুণ ৰসেহে হ’ল একমাত্ৰ ৰস। বাকীবোৰ ৰস ইয়াৰে বিবিধ কাৰণত হোৱা ৰূপান্তৰ মাথোন যি দৰে পানীৰ বুৰবুৰণি চাকনৈয়া আদি

প্ৰকৃততে পানীৰ বাহিৰে অন্য একো নহয় সেইদৰে বাকীবোৰ ৰসো প্ৰকৃততে কৰুণ ৰসৰ বাহিৰে একো নহয। অন্য এজন আলংকাৰিকে বিশেষভাবে গুৰুত্ব দিছে শৃংগাৰ ৰসৰ ওপৰত। এওঁ হ'ল শৃংগাৰ প্ৰকাশ নামৰ গ্ৰন্থৰ ৰচযিতা ভোজৰাজ। ভোজৰাজৰ মতে যিটোৱে অহংকাৰক বিশিষ্টতা দান কৰে সেইটোৱেই হ'ল শৃংগাৰ আৰু ইয়াৰ কাৰণেই ৰতি আদি বিভিন্ন ভাববোৰ প্ৰমাতাৰ অন্তৰত জাগ্ৰত হয আৰু ই সম্পূৰ্ণৰূপে বিকশিত প্ৰোজ্জ্বলিত নতুবা অচেতন ৰাজ্যৰ পৰা চেতন ৰাজ্যলৈ আনিত হ'লে সেইসকল লোকে যি সকল লোকৰ এই ভাবটো আছে ৰসাস্বাদন কৰে। ভোজৰ মতে শৃংগাৰ হ'ল মনৰ এটি বিশিষ্ট অবস্থা। তেওঁৰ মতে শৃংগাৰ মানে বিশুদ্ধ প্ৰেম মনোধৰ্মী প্ৰেম প্ৰেমাস্পদ নোহোৱা প্ৰেম।

সাহিত্য দৰ্পণৰ ৰচযিতা বিশ্বনাথ কবিৰাজে তেওঁৰ পিতামহ নাৰাযণৰ এটি শ্লোক উধৃত কৰি দেখুৱাইছে যে নাৰাযণৰ মতে সকলো ৰসৰ আস্বাদনৰ সময়তে মনত চমৎকাৰিত্ব অনুভূত হয। গতিকে চমৎকাৰিত্ব নাইবা বিস্মযেই হ'ল ৰসৰ প্ৰধান উপাদান। সেইবাবে নাৰাযণৰ মতে অদ্ভুতেই হ'ল একমাত্ৰ ৰস।

নিৰপেক্ষ বিচাৰত কৰুণ শৃংগাৰ বা অদ্ভুত এটাকো প্ৰধান ৰস বুলি ক'ব নোৱাৰি। নিজৰ নিজৰ ক্ষেত্ৰত প্ৰত্যেকৰে বিশিষ্ট মূল্য আছে। বহুক্ষেত্ৰত ইটোৰ লগত সিটো সম্পৰ্কযুক্ত ৰসে যদি চৰম আনন্দ দিযে বুলি ধৰা হয তেন্তে কৰুণ ৰসে কেনেকৈ আনন্দ দিব পাৰে এইটোও এটা প্ৰশ্ন। কাৰণ কৰুণ বস্তুৱে সদায দুখহে লগায। পিছে কাব্যৰ মাজত আনৰ অনুভূতিৰ কাৰণ্যই সহৃদযজনৰো যেতিযা চকুপানী উলিযাব পাৰে তেতিযা চকুপানীৰো নতুন অৰ্থ বিচাৰি পোৱা যায। সেই চকুপানীযে মনক আনন্দ দিযে তৃপ্তি দিযে। কাৰণ চকুপানী লৌকিক কাৰণত ওলোৱা নাই ই ওলাইছে অন্য এখন জগতৰ অপাৰ্থিৱ অনুভৱৰ পৰা। গতিকে কৰুণেই হওক শৃংগাৰেই হওক বা বিস্মযেই হওক— ৰসে কাব্যৰসিকক কিছু সমযৰ বাবে এখন বেলেগ জগতলৈ লৈ যাব পাৰে। এই জগতৰ তুলনাহীন উপলব্ধিযেই হ'ল ৰসৰ শ্ৰেষ্ঠতম অৱদান।

কাব্যৰ সবাতোকৈ মূল্যবান উপাদান স্বৰূপ এই ৰসৰ বিষয়ে বিশ্বনাথ কবিৰাজে সুন্দৰকৈ কৈছে[৭] যে ৰসক অতীন্দ্ৰিয় বা ইন্দ্ৰিয়গ্ৰাহ্য একো

৭। নন্দনতত্ত্ব পৃঃ ১৮৩

বুলি ক’ব নোৱাৰি। ৰস সাক্ষাৎ অনুভৱৰূপে প্ৰতীত হয় গতিকে অতীন্দ্ৰিয় হ’ব নোৱাৰে। আকৌ ৰস অলৌকিক শব্দ জ্ঞান গতিকে অপৰোক্ষও নহয় অৰ্থাৎ ইন্দ্ৰিয়গ্ৰাহ্যও নহয়। ৰসৰ প্ৰকৃত অস্তিত্ব কেৱল সহৃদয় সকলেহে সত্যৰূপে অনুভৱ কৰিব পাৰে।

ৰসৰ উপলব্ধি কোনে কৰে সেইটোও এটা প্ৰশ্ন। এটি কবিতা পাঠ কৰিলে পাঠকে ৰস পায় পিছে কবিতা ৰচোঁতা কবিজনে ৰস আস্বাদন কৰে নে নকৰে। কবি যদি ৰসাপ্লুত হৈ পৰে তেতিয়া কাব্য ৰচনা কৰা সম্ভৱ হয়নে। শ্যেলীয়ে এঠাইত কৈছিল যে কবিয়ে কবিতা লিখে কিবা এক প্ৰেৰণাৰ ফলত। তেওঁ মনত উদ্দীপনা লাভ কৰে। কিন্তু যেতিয়া কাগজ কলম লৈ লিখিবলৈ বহে তেতিয়া অলৌকিক জগতৰ পৰা লৌকিক জগতলৈ তেওঁ নামি আহে। ফলত কবিতা লিখিবলৈ বহিলে দেখা যায় যে প্ৰেৰণা আতৰি যোৱাৰ উপক্ৰম হৈছে এই কথা বোধকৰো সকলো কবিৰ ক্ষেত্ৰতে সঁচা। গতিকে যি জনে ৰস সৃষ্টি কৰে তেওঁ সৃষ্টিৰ আনন্দ হয়তো পায় আৰু পায় নিজকে প্ৰকাশ কৰাৰ এক ভিন্নস্বাদী আনন্দ। কিন্তু তেওঁ যি প্ৰকাশ কৰিলে তাৰ ৰসত শ্ৰোতা বা পাঠকহে বেছি ৰসাপ্লুত হয়।

প্ৰথমতেই কোৱা হৈছে যে ৰস যেন আনন্দৰে অন্য এটি নাম। কবিতাই আমাক চিৰকালেই আনন্দ দি আহিছে। আজিও দিয়ে। হাস্য কৰুণ আদি নানা ভাগত ভগালেও মূলতে কেৱল ৰস শব্দৰ দ্বাৰা সকলো প্ৰকাৰ ৰসকে বুজোৱা হয়। কবিতাৰ সৌন্দৰ্য নিৰূপণত ৰসৰ বিশিষ্ট মূল্য আছে। ধ্ৰুপদী কবিতাৰ অনুপম আকৰ্ষণ হ’ল বিবিধ ৰসৰ আড়ম্বৰপূৰ্ণ প্ৰকাশ। ভাৰতীয় কবিতাত শৃংগাৰ ৰসে প্ৰায়ে মুখ্য ভূমিকা গ্ৰহণ কৰা দেখা যায়। মহাকবি কালিদাসৰ কাব্যসমূহত শৃংগাৰ ৰসে অপাৰ্থিব ভূমিকা গ্ৰহণ কৰি যুগে যুগে পাঠকৰ মন জয় কৰি আহিছে। প্ৰাচীন অসমীয়া কাব্যতো শৃংগাৰ ৰসৰ বহুল প্ৰয়োগ দেখা যায়। সম্ভোগ আৰু বিপ্ৰলম্ভ শৃংগাৰৰ বৰ্ণনা দিবলৈ কবিসকল সদায়ে আগ্ৰহান্বিত আছিল। বিপ্ৰলম্ভ শৃংগাৰ পূৰ্ব্বৰাগ মান প্ৰবাস আৰু কৰুণাত্মক এই চাৰিভাগত বিভক্ত। দেহৰ বৰ্ণনা এই ৰসৰ এবিধ ঘাই উপকৰণ। মাধৱ কন্দলিৰ ৰামায়ণত ৰামৰ প্ৰণয়াসক্ত ৰচনাত সীতাৰ দেহৰ বৰ্ণনা এনে

> হৰ কোপবহ্নি পীড়ে খুজি নপাই জুৰ।
> নাভি সৰোবৰে কামদেৱে দিলা বুৰ॥

নিজ পুৰ পশি কামে মুদিল দুবাৰ।
উদৰত লোমপান্তি ধূম ভৈল তাৰ ॥
ডম্বৰুৰ মধ্যদেশ সদৃশ কুকাল।
কাঞ্চি য ৰঞ্জিত অতি নিতম্ব বিশাল ॥
অমৃতৰ কূপ সম মন্মথৰ পুৰ।
সৰস জঘন তোৰ প্ৰকাশে প্ৰচুৰ ॥

আধুনিক যুগতো প্ৰেমিক কবিয়ে প্ৰিয়াৰ দেহৰ ছবি আঁকোঁতে তাত একে ৰসেই ফুটি উঠিছে। ৰায়চৌধুৰীৰ তুমি ৰ বৰ্ণনা—

তুমি নিটোল নিতম্বখনি
খোজে প্ৰতি উঠা কঁপি কঁপি

হাস্যৰসো কবিতাৰ সৰস উপাদান। প্ৰাচীন কাব্যত হাস্যৰসৰ অজস্ৰ প্ৰয়োগ দেখা যায়। শঙ্কৰদেব বা মাধব কন্দলি অথবা দুৰ্গাবৰ মনকৰ—সকলোৰে কাব্যত হাস্যৰস আছেই। আধুনিক কবিতাত হাস্যৰস অবশ্যে বৰ্ণনা নিৰ্ভৰ নহয়। বুদ্ধি আৰু ৰুচিবোধক কিছু সুৰসুৰাই দি এইবোৰত হাস্যৰসৰ সৃষ্টি কৰা হয়। অসমীয়া সাহিত্যত বলীনাৰায়ণ বৰা বেজবৰুৱা আদিৰ কবিতাত হাস্যৰসৰ নিৰ্মল প্ৰকাশ দেখা যায়। বেজবৰুৱাৰ কবিতাত আছে বিচিত্ৰ শব্দ ভাণ্ডাৰৰ দ্বাৰা সৃষ্ট হাস্যৰস। যেনে—

হব পাৰা ভালৰ জীয়াৰী হব পাৰা গধুৰ
But why abuse our Radha ?
What is her কচুৰ ?
হাক দিলেও ক লাই বাঁহী বজাবলৈ নেৰে।
Awful naughty that boy
ৰাধাক বলিয়া কৰে।

আধুনিক কবিতাত হাস্যৰসৰ উদাহৰণ বোধকৰো লিমাৰিক বোৰতেই ভালদৰে পোৱা যায়। অসমীয়া সাহিত্যত লিমাৰিক কম। লিমাৰিকৰ এটি উদাহৰণ মহেন্দ্ৰ বৰাৰ এইটি ৰচনা—

ভুল কৰি কাশীধাম নামি দেখে নৈনী
হাওৰাত থাকি গ ল সৰু জনী ঘৈণী
মচি উঠি জ্বৰ ঘাম
ল লে তেওঁ ৰাম নাম
মুটিয়াই সুধিলেহি লাগে নেকি খৈনী।

কবিতাত কৰুণ ৰসৰ সমাদৰ চিৰকালেই আছে। হৃদয় মন্থন কৰা বেদনাই অনন্য আনন্দৰো সন্ধান দিব পাৰে। হাঁহি হুল চকুলোৰে ইপিঠি। বোধকৰো সেয়েহে প্ৰাচীন কাব্যত কৰুণ ৰস নিপুণভাৱে ফুটাই তুলিবলৈ কবিসকলে ইমান যত্ন কৰিছিল। সুকবি নাৰায়ণদেবৰ পাচালী গীতত কালীনাগৰ বিলাপ বৰ্ণনাই আজিও আধুনিক পাঠকৰ হৃদয় সেমেকাই তোলে। আধুনিক কালৰ কবিতাত এসময়ত ৰমন্যাসিক বিষাদে জনপ্ৰিয় স্থান অধিকাৰ কৰিছিল। গণেশ গগৈৰ কবিতাত আছিল সেই যাদুকৰী কাৰুণ্য—

> পদুম ফুলৰ পাপৰি নহয়
> পাপৰি প্ৰাণৰ মোৰ
> সুখৰ নহয় দুখৰ নহয়
> ব্যথা ভৰা চকুলোৰ।

দুৰ্গাৰ কবিতাৰো মায়াভৰা আকৰ্ষণ আছিল একেই ব্যক্তিগত কাৰুণ্য। নতুন কবিতাত থকা কৰুণ ৰসক ৰস বুলি চিনা নাযায়। কিন্তু ঢাক খাই থাকিলেও সি নিজৰ গুণ হেৰুবাব নোৱাৰে। তেনে কবিতাৰে মাজৰ এটি হুল হেম বৰুবাৰ মমতাৰ চিঠি। সহজ সৰল বাক্যৰ মাজত কৰুণ এটি ৰস কেনেকৈ বিৰিঙি উঠিব পাৰে তাৰ শ্ৰেষ্ঠতম নিদৰ্শন এই কবিতাটি। তাৰে দুফাকিমান

> আৰু কি লিখিম। বিশেষ একো নাই। মোৰে
> শপত তুমি যিদিনা উলটি আহিবা মোক
> আগতীয়াকৈ জনাবা দেই। মই ভোগদৈয়েদি
> ভটিয়াই গৈ বুঢ়া লুইতৰ বুকুৰ পৰা তোমাক
> বিঙিয়াই মাতিম—তুমি যিদিনা উলটি আহিবা।
> মোক আগতীয়াকৈ জনাবলৈ নেপাহৰিবা
> দেই। মৰম লবা। ইতি—
> তোমাৰ
> মমতা

গোটেই কবিতাটোৰেই সৃষ্টি কৰিছে এক কৰুণ গধূৰ পৰিবেশৰ।

সাম্প্ৰতিক কালৰ কবিয়ে সুখ আৰু দুখৰ ভিন্ন স্বাদৰ অনুভূতি মিলাই এক কৰি পেলায়। তাত কাৰুণ্যয়ো এক ধৰণৰ তৃপ্তিৰ সৃষ্টি কৰে। দুখৰ জলত নিমগ্ন কবি হীৰেন ভট্টাচাৰ্যৰ কবিতাত আছে—

মোৰ দুখবোৰ আচলতে
প্ৰতিটো স্বৰেৰে স্বচ্ছন্দে উঠা-নমা কৰা গানৰ দৰে
সহজ আৰু সহ্য কৰিব নোৱাৰাকৈ তীব্ৰ।
এক অদৃশ্য দুখৰ অনুপম গভীৰত
মই আকণ্ঠ নিমজ্জিত।

কবিতাৰ জগতত বীৰ ৰস প্ৰাচীন কাব্যৰে সম্পদ যেন লাগে। যুদ্ধৰ বৰ্ণনাযুক্ত খণ্ডবিলাকেৰে কীৰ্তন পুথিৰ বীৰৰসপ্ৰধান কবিতাসমূহ সহজতে মনত ৰৈ যোবা বিধৰ স্যমন্তক হৰণত আছে—

দুয়ো হুয়া মহাক্ৰুদ্ধ।
লগাইলেক ঘোৰ যুদ্ধ॥
মা সব কাৰণে যেন।
যুজন্ত দুগোটা শেন॥
দুয়ো মাত গৰ লীলা।
বৰিষে পৰ্ব্বত শীলা॥

নতুন কবিতাত আশাবাদৰ প্ৰতীকি প্ৰকাশেৰে বীৰ ৰসৰ বিচিত্ৰ এক প্ৰকাশ চকুত পৰে। উদাহৰণ হীৰেন ভট্টাচাৰ্যৰ এটি কবিতা—

কমৰেড বুকুখন বিষাইছে বন্দুকটো উম দি
বুকুতে থাকক আঁতৰাই নিনিবা লাগিলে
তৰ্জনি আঙুলিটো মোৰ ট্ৰিগাৰতে থোৱা
বন্দুকৰ নলেৰে জ্বলক অবিৰাম বিজুলী
ৰাতিটো পাৰ হৈ গ'লে আমাৰ আৰু ভয়
কি? নলেগলে লগ লাগি পামগৈ ফৰকাল
বেলতলাৰ পথাৰ।

প্ৰাচীন কাব্যত জনপ্ৰিয় হৈ পৰা প্ৰায়বোৰ ৰসকে এইদৰে আধুনিক কবিতাৰ মাজত বিচাৰি পাব পাৰি। ৰসন্যাসিক সাহিত্যৰ মাজত বিস্ময় এক প্ৰধান ভাব হৈ জিলিকি আছিল। তাৰে আধাৰত অদ্ভুত ৰস এই সময়ৰ কবিতাৰ নানা অংগত দেখা যায়। এই বিস্ময় অৱশ্যে সৌন্দৰ্যৰ চমকনি লগা বিস্ময়। গতিকে প্ৰাচীন কাব্যৰ অদ্ভুত ৰসে যি এক নোহোৱা নোপজা দৃশ্য অথবা ঘটনাৰ কথা বৰ্ণনা কৰে আধুনিক কালৰ কবিতাত তেনে নহয়। ৰৌদ্ৰৰসতো একেই কথা। আধুনিক কালৰ কবি সংযত আৰু মাৰ্জিত। তীব্ৰ খং বা ক্ৰোধো তেওঁলোকে কম কথাতে

ইংগিতেৰে প্ৰকাশ কৰে ( উদাহৰণ— মোৰ হাতৰ কাঁচিখনলৈ চালেই গম পাবা। কাৰ ডিঙিৰ জোখেৰে গঢ়িছো। )।

প্ৰাচীন ভাৰতীয কবিতাত ভক্তিও কেতিযাবা এটা ৰস বুলি স্বীকৃত হয। এই ৰস উপলব্ধিৰ পাঁচোটা স্তৰ আছে। সেই কেইটা হ'ল শান্ত প্ৰীতি নাইবা দাস্য প্ৰেয বা সখ্য বৎসল আৰু মধুৰ বা উজ্জ্বল। প্ৰাচীন অসমীয়া কবিতাত ভক্তিৰস ঘাই ৰস বুলি স্বীকৃত হৈছিল শংকৰদেৱৰ প্ৰভাব পুষ্ট সাহিত্যসমূহত। বিশেষকৈ মাধৱদেৱৰ নামঘোষাৰ শান্ত ভক্তিৰস আৰু তেওঁৰে বৰগীতৰ মাজত ফুটি উঠা বাৎসল্য ভক্তিৰসৰ সোৱাদ যিসকলে পাইছে সেইসকলেহে বুজিব পাৰে ৰস হিচাপে ভক্তিৰ স্থান কিমান ওপৰত। সেইদৰে মধুৰ ভক্তিৰসে কেনে মধুৰ কবিতা সৃষ্টি কৰিব পাৰে তাৰ মনোমোহা উদাহৰণ হ'ল বাংলা সাহিত্যৰ কীৰ্তন গীতসমূহ। চণ্ডীদাসৰ পদাবলী আৰু অন্যান্য বৈষ্ণব কবিৰ গীতৰ মাজত ৰাধা কৃষ্ণৰ প্ৰীতিৰ মনোৰম ৰূপ ফুটি উঠে। তাৰে এটুকুৰা—

সখী কাল বৰণ সখী কাল বৰণ
মুছাযে দেহ সখী নযন অঞ্জন
সে যে সখী কাল আছে
আসিতে দিযোনা কাছে
দেখিলে উদিবে পাছে বিৰহ তপন।

অন্য এটি—

আমি প্ৰতি ঘৰে ঘৰে মথুৰা নগৰে
যাইব যোগিনী সেজে
যদি মিলাযে বিধি মম গুণনিধি
আনিব অঞ্চলে বেধে।

কবিতাৰূপেও এইবোৰ খণ্ড পৰম সুন্দৰ।

আধুনিক কবিতাত ধৰ্মীয ভাবধাৰা যিহেতু প্ৰায অচল গতিকে এইবোৰত ভক্তিৰসৰ কথা নাহে। অবশ্যে ৰহস্যবাদী কবিতাত আৰু দাৰ্শনিক ভাবসম্পন্ন কবিতাত ভক্তিৰসৰ একোটি ৰেঙণি নোলোৱা নহয। কিন্তু য'তে ভক্তিযে প্ৰাধান্য পায আধুনিক দৃষ্টিত তাতে কবিতাৰ কবিতাত্ব কমে।

প্ৰাচীন কাব্যত সাধাৰণতেই কবি হয নেপথ্যৰ ব্যক্তি। তেওঁ পাত্ৰ-

পাত্ৰীৰ মনোভাব বা জীৱন-কাহিনী ব্যক্ত কৰাৰ সুযোগত বিবিধ ৰসৰ প্ৰয়োগ কৰে। প্ৰথম পুৰুষত নিজৰ কথা কোৱা কবিতাত বিবিধ ৰস প্ৰকাশৰ সুযোগ কম। নতুন কালৰ কবিতা আপেক্ষিকভাৱে কম পৰিসৰৰ। তদুপৰি এইবোৰ অত্যাধুনিক অলংকাৰেৰে সজ্জিত। গতিকে নতুন কবিতাত প্ৰাচীন আৰ্হিৰ ৰসৰ প্ৰকাশ নিবিচৰাই ভাল। তথাপিও মানুহৰ মনত চিৰন্তনভাৱে থকা স্থায়ীভাবসমূহৰ আলমত এনে কবিতাতো নিজৰ নিয়মে ৰসৰ সঞ্চাৰ হয়।

## ৬.৪ কবিতাৰ ধ্বনি

ধ্বনি শব্দটো কবিতাৰ জগতত গভীৰ তাৎপৰ্যপূৰ্ণ। ই হ'ল কবিতাৰ সমগ্ৰ সৌন্দৰ্য ভাণ্ডাৰৰ সুচাৰকাঠি। ধ্বনি বুলি ক'লে সাধাৰণ পাঠকে বুজে শব্দৰ কথা যেনে সুৰধ্বনি ৰণধ্বনি ইত্যাদি। জয়জয়কাৰো বুজায়। কিন্তু কবিতাত ধ্বনি মানে সাধাৰণভাৱে বুজা শব্দ নহয়। ই হ'ল কবিতাৰ দেহ মনৰ মাজৰ কুৰবাত লুকাই থকা এবিধ অনন্য উপাদান।

কবিতাত ৰসসৃষ্টিৰ দ্বাৰা আনন্দৰ যোগান ধৰা হয়। এই ৰস কোনখিনিত সোমাই থাকে বুজা নাযায়। অথচ একোটি শব্দৰ আঁৰত থকা অৰ্থসমূহ যেতিয়া উপলব্ধি হয় তেতিয়া বিমল ৰসানুভূতিয়ে মনক চমৎকৃত কৰে। সৰল অৰ্থতকৈ অতিৰিক্ত যি বোধে এই চমৎকাৰিত্বৰ সৃষ্টি কৰে সেয়ে হৈছে ধ্বনি। একোটা শব্দ আমি শুনো অৰ্থও বুজি পাওঁ। কিন্তু বহু পিছলৈকে মনত অনুৰণন তুলি থাকে সেই শব্দ কেইটাৰ অৰ্থৰ অতীত এক চমৎকাৰ অনুভৱে যেন মন্দিৰৰ ঘণ্টাধ্বনি এবাৰ শুনাৰ পিছত বহু সময়লৈকে সি মনৰ মাজত বৈ বৈ বাজি থাকে। হৃদয়ৰ মাজত অনুৰণিত হৈ থকা এই অনুভৱেই হ'ল ধ্বনি।

যুত শব্দ বা অৰ্থই আন এটা ধ্বনি অৰ্থৰ কাৰণে নিজ অৰ্থক তল পেলায় সেই ব্যঞ্জিত কাব্যবিশেষক পণ্ডিতসকলে ধ্বনি বুলি কয়।[৮]

ব্যংগাৰ্থ বাচ্যাৰ্থতকৈ অধিক চমৎকাৰজনক হ'লে ধ্বনি কাব্য হয় ধ্বনিকাব্যই উত্তম কাব্য।[৯]

---

৮ সাহিত্য বিদ্যা পৰিক্ৰমা পৃ ১৬৭

৯ সাহিত্য দৰ্পণ পৃ ১৫৮

ধ্বনি যেন ৰূপহী গাভৰুৰ সেই লাৱণ্য যিটো বয়সৰ স্বাভাৱিক সৌন্দর্য অলংকাৰৰ উপচাৰ নাইবা দৈহিক ৰূপৰ সূক্ষম বিতৰণৰ উপৰিও কেৱল উপলব্ধিৰ জৰিয়তে অনুভব কৰিব পাৰি। দেখাত শৰীৰ বয়স অথবা কেৱল অলংকাৰ শোভাৰ মাজত সেই লাৱণ্য নাই। আছে চকুৰে নেদেখা কিন্তু মনেৰে অনুভৱ কৰিব পৰা ৰূপবাত। কবিতাৰ ধ্বনিত সেইদৰে হৃদয়েৰেহে অনুভৱ কৰিব পাৰি। উদাহৰণ স্বৰূপে—

কদলী কদলী কৰভ কৰভ কৰিৰাজকৰ কৰিৰাজকৰ
ভুৱনৈত্ৰিতয়েঽপি ৱিভৰ্ত্তি তুলামিদমূৰুযুগং ন চমূৰুদৃশঃ।

অৰ্থাৎ কলগছ কলগছেই কৰভ কৰভেই হাতীৰ শুৰ হাতীৰ শুৰেই সেই হৰিণাক্ষীৰ উৰুযুগলৰ তুলনা হব পাৰে এনে একোৱেই ত্ৰিভুবনত নাই (কৰভ মানে হ'ল হাতৰ গাঁথিৰ পৰা কেঞা আঙুলিৰ আগলৈকে ইষৎ বক্ৰ হস্ত ভাগ)। ইয়াৰ অৰ্থ পোনে পোনে ওলাই আছে। লগে লগে বুজা গৈছে যে যিহেতু কলগছ চেচা কৰভ হ্ৰস্ব আৰু হাতীৰ শুৰ কৰ্কশ ইহঁত এটাও সুন্দৰীৰ উৰুৰ লগত তুলনীয় নহয়। কাৰণ তেওঁৰ উৰুযুগল কবোষ্ণ বৃহৎ আৰু মসৃণ। এই অতিৰিক্ত কথাখিনি শব্দাৰ্থতকৈ অতিৰিক্ত যিটি গুণে বুজালে সেয়ে ধ্বনি। এই একে গুণ পোৱা যায় বহুতো আধুনিক কালৰ কবিতাত। দুৰ্বৰাৰ কবিতাৰ এফাকি—

নাৱৰীয়া তলমূৰ কৰি
উটি যায় সোঁতৰ মুখত
কোনে জানে কেতিয়া চাপিব
নাও তাৰ জিৰণি ঘাটত।

এই পোনপটীয়া কথাৰ আঁৰত সময়ৰ সোঁতত পাৰি দিয়া আশাহত কবিৰ বেদনাৰ ভাষা সহজেই বুজা যায়। বুজোৱাৰ কামটো যিয়ে কৰিলে সেয়ে হ'ল ধ্বনি। ধ্বনিৰ উদাহৰণৰ ক্ষেত্ৰত কাব্য ৰসিকৰ প্ৰিয় অংশ হ'ল কুমাৰসম্ভৱৰ সেই শ্লোকটি যিটিৰ মাজত আছে পাৰ্বতীৰ লীলাকমলৰ পাহিবোৰ গণনা কৰা কাৰ্য। নাৰদে পাৰ্বতীৰ পিতৃৰ আগত শিৱৰ লগত পাৰ্বতীৰ বিবাহৰ প্ৰস্তাৱ দিছে। ওচৰতে থকা অধোমুখী পাৰ্বতীয়ে মনৰ আনন্দ আৰু লাজ ঢাকিবলৈ কিবা কামত ব্যস্ত থকাৰ দৰে পদুমৰ পাহিবোৰ গণিবলৈ ধৰিছে। সেইখিনি কথা এই শ্লোকত ফুটি উঠিছে— নাৰদে এইদৰে কৈ থাকোঁতে পিতৃৰ সমুখত

পাৰ্বতীয়ে তলমূৰকৈ হাতৰ পদমটোৰ পাহিবোৰ গণিবলৈ ধৰিলে। এই সংক্ষিপ্ত কবিতা কেইফাকিয়ে মনেৰে ভাবি লব পৰা আৰু বহুতো মধুৰ কথাৰ ইংগিত দিয়ে।

ধ্বনি দুই প্ৰকাৰ। লক্ষণামূলক ধ্বনি আৰু অভিধামূলক ধ্বনি। সেইদৰে ধ্বনিবাদীসকলৰ দৃষ্টিত কাব্যও দুই প্ৰকাৰ ধ্বনিকাব্য আৰু গুণীভূতব্যংগ কাব্য। ধ্বনিকাব্যত ওপৰৰ কথাৰ আঁৰত বেছি মনোৰম ভাব লুকাই থাকে। উদাহৰণ কুমাৰ সম্ভৱৰ ওপৰত দিয়া কবিতা ফাকি। গুণীভূতব্যংগ কাব্যত বাচ্যাৰ্থও মনোৰম। অৰ্থাৎ কবিৰ উকা বক্তব্যখিনিও সৌন্দৰ্যেৰে ভৰা। তাৰ সিপাৰে অতিৰিক্ত যি অৰ্থ থাকে সি ওপৰৰ কথা খিনিৰহে ৰহণ চৰায়। অৰ্থাৎ ব্যংগাৰ্থ ইয়াত গৌণ। এই কথাকে বিশ্বনাথ কবিৰাজে কৈছে— ব্যংগ অৰ্থ বাচ্যাৰ্থতকৈ উত্তম নহ'লে তেনে কাব্যক গুণীভূত ব্যংগ বোলা হয়।[১০] তাৰে এটি উদাহৰণ আনন্দচন্দ্ৰ বৰুৱাৰ

সোঁটি বেকা বাটৰ মূৰত সোণটিহঁতৰ ঘৰ
তাৰে দুবাৰমুখত বহি থাকে সোণটি মৰমৰ।
সন্ধ্যা দেখো সোণটিহঁতৰ চোতাল আগৰ জুই
তত্‌যাই জ্বলি থাকে মোৰে মৰম ছুই।

অথবা পাৰ্বতিপ্ৰসাদ বৰুৱাৰ

জোনাক জোনাক শীতল জোনাক
চাই মোৰ চকুলো সৰে
অন্তৰ মোৰ উগুল থুগুল
উদাস আকুল কৰে।

এইবোৰ কবিতাত বাচ্যাৰ্থটোবেই মোহনীয়। ব্যংগাৰ্থ ইয়াতো আছে কিন্তু প্ৰধানভাৱে নহয়। একে ধৰণৰ মনোৰম গুণীভূত ব্যংগৰ উদাহৰণ প্ৰাচীন কাব্যত অজস্ৰ আছে। মাধৱদেৱৰ এটি বৰগীতৰ এফাকি—

কানাইৰ ৰূপৰ উপমাৰ কিবা ক্ষেম।
একপুঞ্জ হুয়া আছে গোপিনীৰ প্ৰেম॥

ইয়াত ব্যংগাৰ্থই বাচ্যাৰ্থক প্ৰভূতভাৱে সহায় কৰিছে। গোপীসকলৰ আন্তৰিক প্ৰীতিয়ে থুপ খাই কৃষ্ণৰ মোহন ৰূপৰ সৃষ্টি কৰিছে কথাষাৰ শুনাত যিমান শুৱলা অনুভৱ কৰাতো সিমানেই সুন্দৰ।

১০/ সাহিত্য-দৰ্পণ পৃঃ ১৮৫

ধ্বনিক তিনিভাগত ভগোৱা হয ধ্বনিত অৰ্থৰ বৈশিষ্ট্য অনুসাৰে। সেই তিনিটা ভাগ হ'ল বস্তুধ্বনি অলংকাৰধ্বনি আৰু ৰস ধ্বনি। যেতিয়া কোনো বস্তুৰ মধুৰ অৰ্থৰ প্ৰতীতি মাত্ৰ হয় তেতিয়া তাক বোলা হয় বস্তুধ্বনি। যেনে তলত দিয়া দেবকান্ত বৰুৱাৰ কবিতাফাকি—

দুহোটি আঙুলি চপাঁ কলি যেন
পদুমৰ ঠাৰি দুখনি হাত
ছুই দোৰপতি থৰক বৰক
তৎ নাইকিযা মাকোৰ গাত।

প্ৰতীযমান অৰ্থ যেতিয়া এটা অলংকাৰত পৰ্যবসিত হয তেতিয়া তাক বোলা হয অলংকাৰ ধ্বনি। ইযাত ধ্বনিটো হৈ পৰে এবিধ অলংকাৰ। দেৱকান্ত বৰুৱাৰে কবিতাত ইযাৰ উদাহৰণ—

আগ বাৰিষাৰ বাৰিব ৰিব
বাহিৰ দুৰে তোমাৰ হাঁহি
উলাহতে তাৰ নাচিছে কলং
বিহু মেটেকাই মেলিছে পাহি।

ইযাত ব্যংগাৰ্থ হ'ল যৌৱনমতী প্ৰিযাৰ স্মৰণত নাচি উঠা কবিৰ প্ৰেম আৰু কামনাৰ অনুভূতি। কিন্তু তুলনাৰ দ্বাৰা ইযাত প্ৰযোগ কৰা হৈছে উৎপ্ৰেক্ষা অলংকাৰ।

ৰস ধ্বনিৰ পৰিসৰ ব্যাপক। ওপৰত উল্লেখ কৰা দুযো প্ৰকাৰ ধ্বনি শেষত গৈ ৰস ধ্বনিতে মিলি পৰে। এই ৰসৰ ধ্বনি এটা শ্লোকতে হ'ব পাৰে বা এখন পূৰ্ণ কাব্যৰ নিৰন্তৰ ব্যাপি অখণ্ডতাৰ মাজতো হ'ব পাৰে। [১] ৰসধ্বনিযে প্ৰাধান্য পোৱা এখন কবিতা পুথি হ'ল মহাপুৰুষ মাধবদেৱৰ নাম ঘোষা। ইয়াত অভিধা অৰ্থই ভক্তিৰসৰ প্ৰতীতি ঘটাইছে।

ধ্বনিৰ এইবোৰ সূক্ষ্ম বিভাজনলৈ নগৈও ক'ব পৰা যায যে ধ্বনি কবিতাৰ এক গুৰুত্বপূৰ্ণ অংগ। আধুনিক পাঠকে কবিতা পঢ়ি যাওঁতে মন নকৰে কিহৰ বাবে এটি কবিতা ভাল লাগিল। শব্দ আৰু অলংকাৰৰ হেতা ওপৰাৰ মাজত কবিতাৰ ধ্বনিযেহে যে তেওঁৰ মন ভৰাই তোলে, সেই কথা সচেতন উপলব্ধিৰ আঁৰতে থাকি যায।

১১। সাহিত্য বিদ্যা পৰিক্ৰমা পৃঃ ১৭১

## ৩৬ ৫ বক্রোক্তি

কবিতাৰ ৰূপ সৌন্দৰ্যৰ মূল বিচাৰি বিচাৰি আলংকাৰিকসকলে এবাৰ ৰসত এবাৰ অলংকাৰত এবাৰ ধ্বনিত গুৰুত্ব দিয়াৰ দৰে এসময়ত বিচাৰি পাইছিল বক্রোক্তি নামৰ এবিধ উপাদান। বক্রোক্তি মানে বেঁকাকৈ কোৱা কথা। ঘৰুৱা জীৱনতো মানুহে আওপাকে কথা কয়। মানুহৰ স্বভাৱত অকণমান ৰসবোধ কৰবাত সোমাই থাকে থাকে ৰুচিসম্মতভাৱে কথা প্ৰকাশ কৰাৰ এটি বাসনা। তাৰ বাবেই মানুহে কথা কোৱাৰ সাধাৰণ ভাষাতো বক্রোক্তি প্ৰয়োগ কৰে। তেওঁ কথা কোৱাৰ কৌশলটো জানিব লাগিব নহলে তেওঁৰ প্ৰয়োগ সফল নহবও পাৰে। বেকা সুৰত কলে মহাপণ্ডিত শব্দটোৰে মূৰ্খ হে বুজাব ৰূপৰ বাকী নাই বুলি কলে মুঠেই ৰূপ নাই হে বুজাব। কবলৈ জানিলে কথাকেইটাই আনন্দ দিব কবলৈ নাজানিলে পিছে আমনিদায়কহে হৈ পৰিব। এই বক্রোক্তিকে কবিতাত যেতিয়া ব্যৱহাৰ কৰা হয় তেতিয়া সৌন্দৰ্য সৃষ্টিৰ কথা মনত ৰাখিহে কৰা হয়।

আচাৰ্য কুন্তক হল বক্রোক্তিবাদৰ প্ৰতিষ্ঠাতা। কিন্তু তেওঁৰ আগতেও বক্রোক্তি সম্পৰ্কে এটি ধাৰণা সুধীসমাজত প্ৰচলিত হৈ আছিল বুলি অনুমান কৰিব পাৰি। ভামহে কাব্যালংকাৰ নামৰ পুথিত মত প্ৰকাশ কৰিছে যে[১২] কাব্যৰ কাৰণে বক্রোক্তি একপ্ৰকাৰ অপৰিহাৰ্য উপাদান আৰু এনে আবেদনক্ষম ৰচনাৰীতিৰ অবিহনে কোনো কাব্যই কাব্য নামৰ উপযুক্ত নহয়। ভামহে বাৰ্তা আৰু বক্রোক্তিক দুটা সম্পূৰ্ণ বেলেগ বস্তু বুলি কৈছে। বাৰ্তা হল পোনপটীয়া খবৰ। বেলি ওলালে বুলি কলে বাৰ্তা। কিন্তু আন্ধাৰ আঁতৰি গল বুলি কলে বক্রোক্তি। দ্বিতীয় বাক্যটোৱেও বেলি ওলোৱা অৰ্থকে বুজাইছে কিন্তু আওপকীয়াকৈহে। সকলো কাব্যতে এনে আওপকীয়া কৌশলেহে সৌন্দৰ্য সৃষ্টি কৰে বুলি ভামহে ভাবে। সকলো অলংকাৰৰ ভেটিও হল বক্রোক্তি। তেওঁৰ মতে বস্তুৰ স্বভাৱ বৰ্ণনা আৱেদনক্ষম প্ৰকাশ ভংগী আৰু ৰস সঞ্চাৰ কৰিব পৰা গুণেই হল বক্রোক্তিৰ স্বভাৱ।

বক্রোক্তিক সবাতোকৈ সন্মান দিছে আচাৰ্য কুন্তকে। তেওঁৰ মতে

---

১২। নন্দনতত্ত্ব পৃ ৫২৬

বক্ৰোক্তি কাব্যজীবিতম্‌ বক্ৰোক্তিয়েই কাব্যৰ জীৱন স্বৰূপ। পোন কথা ৰমণীয় নহয়। বক্ৰোক্তি কিন্তু ৰমণীয়। ইয়াৰ দ্বাৰা ইপ্সিত অৰ্থবোধ স্পষ্ট হৈ পৰে। প্ৰাচীন কাব্যত[১৩] থকা নায়িকাৰ অভিমানৰ ভাষা—

> ধূৰ্ত্ত! তুমি গছৰ ফুল পাতৰ কণাভৰণেৰে মোক সজোৱাৰ আৰু কি প্ৰয়োজন? সকলোৰে জনাজাত তোমাৰ কুকীৰ্ত্তিৰেই মোৰ দুখন কাণ সদায় ভৰি আছে।

আধুনিক কালৰ কবিতাত বক্ৰোক্তিয়ে বিশেষ ৰসৰ সৃষ্টি কৰে। বেজবৰুৱাৰ কবিতাৰ প্ৰিয়াৰ ৰূপ—

> কাঁইট নথকা ৰূপহ গোলাপ
> বোলে পৃথিবীত নাই
> একোকে নামাতি প্ৰিয়াৰ দুগাল
> থাকিব ধৰিলো চাই।

অৱশ্যে মনত ৰখা উচিত এই বক্ৰোক্তি বক্ৰোক্তি নামৰ অলংকাৰবিধৰ লগত একে নহয়।

আচাৰ্য দণ্ডীয়ে কাব্যিক প্ৰকাশভংগীক দুটা ভাগত বিভক্ত কৰিছে স্বভাৱোক্তি আৰু বক্ৰোক্তি। স্বভাৱোক্তিৰ আৱেদন ক্ষম শক্তি আছে। কিন্তু অলংকাৰপূৰ্ণ ভাষাৰ তুলনাত তাৰ মহত্ত্ব কম। ভামহে কিন্তু এনে বিভাজন কৰা নাই। তেওঁ বক্ৰোক্তিৰ মাজতে স্বভাৱোক্তিকো সামৰি লৈছে যেন লাগে। যিবোৰ বাক্যৰীতিৰ মাজত বক্ৰতাপূৰ্ণ কৌশল নাই সেইবোৰ বাক্যৰ সৌন্দৰ্যও নাই। সেয়ে সেইবোৰ কাব্যগুণসম্পন্ন নহয়। দণ্ডী আৰু আনন্দবৰ্ধনে গুৰুত্ব আৰোপ কৰিছে অতিশয়োক্তিৰ ওপৰত। ক বলৈ বিচৰা কথাখিনিক অধিক গুৰুত্ব সহকাৰে বুজাবৰ বাবে কেতিয়াবা অতিশয়োক্তিৰ ব্যৱহাৰ কৰা হয়। অতিশয়োক্তিত প্ৰিয়াৰ মুখ দ্বিতীয় চন্দ্ৰ বুলি কল্পনা কৰা হয় অথবা উপমেয়ৰ সৈতে উপমানৰ অভেদত্ব কল্পনা কৰা হয়। এটি উদাহৰণ—

> এইটো কেনেকৈ হ'ব পাৰে যে মুৰত ময়ূৰৰ পাখিয়ে শোভা কৰিছে তাৰ তলত অষ্টমীৰ খণ্ডজোনে বিৰাজ কৰিছে তাৰ তলত আকৌ চঞ্চল দুটি নীলোৎপল। তাৰ তলত তিলফুল আৰু তাৰো তলত এটুকুৰা প্ৰবাল মণি।

---

১৩ উদ্ধৃত সাহিত্য-দৰ্পণ পৃ ৮৬

সুন্দৰীৰ ৰূপ বৰ্ণনাৰ এই অংশটি অতিশয়োক্তি অলংকাৰযুক্ত। ভামহে বক্রোক্তিৰ ক্ষেত্রত যি দৰে তাক সকলো অলংকাৰৰ মূল বুলি কৈছে দণ্ডী আৰু আনন্দবৰ্ধনেও সেইদৰে অতিশয়োক্তিতে সকলো অলংকাৰৰ বীজ নিহিত থাকে বুলি মত প্ৰকাশ কৰিছে।

আলংকাৰিক ৰুদ্রট আৰু বামনে কিন্তু বক্রোক্তিক ইমান মহত্ত্ব দিয়া নাই। তেওঁলোকৰ মতে বক্রোক্তি হ'ল এবিধ অলংকাৰ মাথোন। বামনৰ মতে ই হ'ল উপমা আৰু ৰূপক আদিৰ দৰে একপ্রকাৰৰ অৰ্থালংকাৰ। ৰুদ্রটৰ মতে কিন্তু ই এবিধ শব্দালংকাৰ আৰু শ্লেষ বা কাকুৰ ওপৰত প্ৰতিষ্ঠিত। কাকু মানে হ'ল স্বৰবিকৃতি। মম্মট হেমচন্দ্র অপ্পয় দীক্ষিত প্ৰভৃতি আলংকাৰিকসকলে বক্রোক্তিক শব্দালংকাৰৰ শাৰীতে থৈছে।

কুন্তকে বক্রোক্তিবাদত শব্দ আৰু অৰ্থ দুয়োটাৰে ওপৰত সমানে গুৰুত্ব আৰোপ কৰিছে। তেওঁৰ মতে শব্দ আৰু অৰ্থৰ সংযোগত যি সাহিত্যৰ সৃষ্টি হয় সি এক বিশেষত্বৰ ওপৰত প্ৰতিষ্ঠিত। এই বিশেষত্ব নিভৰ কৰে কবিয়ে ব্যৱহাৰ কৰা একপ্রকাৰ বক্ৰতাৰ ওপৰত। বক্রোক্তি এনে একপ্রকাৰ প্রকাশভংগী যাৰ মাজত কবি কল্পনাৰ দক্ষতাৰ বলত একপ্রকাৰ মাধুৰ্য ফুটি উঠে। কবিতাৰ মূলতে থাকে কবি কল্পনা। এই কবি কল্পনাৰ কথা কুন্তকে তেওঁৰ বক্রোক্তিজীবিত গ্ৰন্থত নানা ঠাইত আলোচনা কৰিছে। কাব্যৰ বক্রতা আৰু সাধাৰণতে কোৱা কথাৰ বক্রতা একে নহয়। কাব্যৰ ভাষাত বক্রতা সৃষ্টি কৰিবৰ বাবে উৎকৃষ্ট কবি কল্পনাৰ প্ৰয়োজন। কুন্তকৰ দৃষ্টিত বক্রোক্তিৰ পৰিসৰ বহল। বক্রোক্তিয়ে তেওঁৰ মতে কেৱল শীতল আনন্দৰে সৃষ্টি নকৰে। ই সৃষ্টি কৰে চমৎকাৰী আনন্দ। কাব্যৰ সকলোবিধৰ সৌন্দয প্ৰকৃততে বক্রোক্তিৰ ভিতৰুৱা বুলি কুন্তকে কবলৈ বিচাৰে। অৰ্থালংকাৰৰ ওপৰত তেওঁ বেছি গুৰুত্ব দিছিল কাৰণ তেওঁ সঘনাই কৈছিল বাক্য বক্রতাৰ কথা।

কুন্তকৰ মতে বক্রোক্তি হ'ল কবিকল্পনাই ৰূপ দিয়া একপ্রকাৰ অসাধাৰণ অভিব্যঞ্জনা। গতিকে ই কবি প্ৰতিভাৰ ওপৰত নিভৰশীল। তেওঁ কাব্যৰ সংজ্ঞা দিওঁতে বক্রোক্তিক তাৰ অপৰিহাৰ্য অংগ বুলি প্ৰতীয়মান কৰিছে— শব্দাৰ্থ মিলিত হৈ কাব্যজ্ঞসকলৰ আনন্দজনক বক্রতাময় কবি কৌশলেৰে ৰচনাবন্ধ হ'লে কাব্য হয়।

বক্ৰোক্তিয়ে সৃষ্টি কৰা অলংকাৰবোৰৰ ভিতৰত অপ্ৰস্তুত প্ৰশংসাৰ উদাহৰণটো মনোমোহাকৈ দিছে তীৰ্থনাথ শৰ্মাই। এফাকি মুখ বাগৰা গীত—

কেলেই ফুলিলি ৰূপহী মদাৰ ঐ
কেলেই পেলালি কলি
গুৰুতো নালাগে ভকতত নালাগে
থাক তলেভৰি সৰি।

ইয়াত মদাৰক ৰূপহী বুলি উল্লেখ কৰি পিতৃৰ গৃহত হৈ থকা কোনোবা ৰূপহী গাভৰুৰ প্ৰতিহে কটাক্ষ কৰা হৈছে। বিহুগীত বোৰৰ মাজত এনে উদাহৰণ আৰু বহুতো পোৱা যায়।

নতুন কবিতাৰ মাজত বক্ৰোক্তিৰ প্ৰয়োগ বহুলভাবে ঘটিছে। নতুন কবিতাই পোনে পোনে কোনো কথা নকয়। কেতিয়াবা কয় এটা আৰু ভাবি চালে অৰ্থ ওলায় অন্য এটা। প্ৰতীক চিত্ৰকল্প আদি আধুনিক অলঙ্কাৰে ঢাকি ৰখা কবিতাত প্ৰকৃত অৰ্থ প্ৰায়ে আওপকীয়াকৈ ফুটাই তোলা হয়। তাতে থাকে বক্ৰোক্তিৰ এটি অবদান।

## ৬.৬ কবিতাৰ ৰীতি আৰু গুণ

কবিতাৰ শৰীৰৰ বাতৰি বিচাৰি অলঙ্কাৰ ধ্বনি আদিৰ সন্ধান পোৱাৰ দৰে আত্মাৰ বাতৰি বিচাৰি পোৱা গ'ল দুটা বস্তু গুণ আৰু ৰীতি। সকলো সহৃদয় ব্যক্তিয়েই স্বীকাৰ কৰিব যে কবিতাৰ ভিতৰুৱা আকৰ্ষণখিনি কেবল ৰস বা কেৱল অলংকাৰ নহয়। উকা ধ্বনিও কবিতা নহয় সকলো বক্ৰোক্তিও কবিতা নহয়। কাব্যৰ ভিতৰৰ স্বৰূপ প্ৰকাশ কৰিবলৈ ইহঁতৰ এটাও সক্ষম নহয়। যিহে এই স্বৰূপ প্ৰকাশ কৰে সিয়ে হৈছে গুণ।

বিশ্বনাথ কবিৰাজৰ মতে—যি দৰে প্ৰাণীৰ শৰীৰৰ সাৰবস্তু আত্মা সেই আত্মাৰ ধৰ্ম শৌৰ্য বীৰ্য ঔদাৰ্য আদিক গুণ বোলা হয় সেইদৰে কাব্যৰ শৰীৰৰ সাৰবস্তু ৰসতত্ত্ব সেই ৰসৰ ধৰ্ম মাধুৰ্য ওজ আদিক গুণ বোলা হয়।

কাব্যালংকাৰসূত্ৰ নামৰ পুথিৰে বামনে গুণ ৰীতিক[১৪] প্ৰতিষ্ঠা

১৪ সাহিত্য দৰ্পণ পৃ ৪৪৪

কৰে। তেওঁৰ মতে অলংকাৰ থাকিলেহে কাব্য কাব্যৰূপে গ্ৰহণযোগ্য হ'ব পাৰে। তেওঁ ভাঙি কৈছে যে গুণ আৰু অলংকাৰযুক্ত শব্দ আৰু অৰ্থৰ সংযোগতেই কাব্যৰ সৃষ্টি হয়। কাব্যৰ প্ৰধান বৈশিষ্ট্যবোৰ পৰিস্ফুট কৰিবৰ বাবে কিছুমান নিৰ্দিষ্ট পথ বা উপায় থকাৰ কথা বামনে ঘোষণা কৰিছে। এইবোৰকে বোলা হয় ৰীতি।

গুণ আৰু ৰীতি এই দুয়োবিধৰে কবিতাত বিশিষ্ট ভূমিকা আছে বুলি বামন আদি আলংকাৰিকসকলে মত প্ৰকাশ কৰিছিল। প্ৰথমতে গুণৰ স্বৰূপ বুজি ললে কথাষাৰ আলোচনাৰ বাবে সহজ হ'ব। গুণ কাব্যৰ নিত্য ধৰ্ম। অৰ্থাৎ অলংকাৰ নাথাকিলেও কাব্যৰ মহিমা থাকিব পাৰে কিন্তু গুণ নাথাকিলে নোৱাৰে। যুৱতীৰ শৰীৰত যৌবন যি দৰে এক স্বাভাৱিক ধৰ্ম সেইদৰে কাব্যৰ শৰীৰস্বৰূপ শব্দাৰ্থৰো গুণ এক স্বাভাৱিক ধৰ্ম। গুণৰ প্ৰকাৰভেদ দণ্ডীৰ মতে দহোবিধ আৰু বামনৰ মতে কুৰিবিধ। দণ্ডীৰ মতে এই দহোটাৰ ভিতৰতে শব্দ আৰু অৰ্থ দুয়োটাৰে গুণ আছে। বামনে শব্দৰ দহটা আৰু অৰ্থৰ দহটা গুণৰ উদাহৰণ দিছে। দণ্ডীৰ মতে দহবিধ হ'ল—

১ শ্লেষ—শব্দবোৰ দৃঢ়ভাৱে বন্ধনত থকা যাতে উচ্চাৰণত অসুবিধা নহয়।

২ প্ৰসাদ—শব্দবোৰ শুনিলেই তাৰ অৰ্থ মনলৈ অহা গুণ।

৩ সমতা—বাক্যৰ আদিৰ আৰু অন্তৰ গাঁথনিৰ ভাৰসাম্য ৰক্ষিত হোৱা গুণ।

৪ মাধুৰ্য—শুনাত শুৱলা মধুৰ ভাব যি মনলৈ আনে।

৫ সুকুমাৰতা—য'ত কোমল বৰ্ণৰ প্ৰয়োগ বেছি। যি ৰচনাত কোনো কৰ্কশতা নাই।

৬ অৰ্থব্যক্তি—কবিৰ বক্তব্য য'ত পৰিষ্কাৰ আৰু স্পষ্ট য'ত কোনো নথকা শব্দ জোৰাই অৰ্থ উলিয়াব লগা নহয়।

৭ উদাৰতা—য'ত কাব্যৰ মাজত চমৎকাৰ সৃষ্টি কৰিব পৰা লক্ষণ থাকে।

৮ ওজ—সমাসবহুল তেজপূৰ্ণ বাক্যত ওজ গুণ থাকে।

৯ কান্তি—সাধাৰণ লৌকিক বৰ্ণনাৰেই মান হৰ মনোৰঞ্জন কৰিব পৰা গুণকে কান্তি বোলে।

১০ সমাধি—এটা বস্তুৰ বৰ্ণনাই যেতিয়া আন এটা বস্তুত মনটো লগাই দিয়ে

বামনে দহোটা গুণক শব্দৰ ফালৰ পৰা আৰু অৰ্থৰ ফালৰ পৰা দুবাৰকৈ বিচাৰ কৰি কুৰিটাৰ ৰূপ দিছে।[১৫] গুণ অলংকাৰৰ পৰা বেলেগ। কাৰণ গুণে পোনপটীয়াকৈ কাব্য সৌন্দৰ্যৰ সৃষ্টি কৰে কিন্তু অলংকাৰে অকলে সৌন্দৰ্য সৃষ্টি কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে কান্তি গুণযুক্ত এফাকি কবিতা চোৱা যাওক—

তোৰ মাত শুনি জীয়বি ছোৱালী
ব বলৈ এৰে তাত
হাতৰ মাকোটি হাততে থাকে
মুখেৰে নোলায় মাত।

ইয়াত কোনো অলংকাৰ নাই। অথচ মনত আনন্দ দিব পৰা কাব্যিক আবেদন আছে। সেই আবেদন সৃষ্টি কৰিছে গুণে। সেইদৰে ৰায়চৌধুৰীৰ—

এইটো নহয় হাঁহি তামাচাৰ ভাগৰ জুৰোৱা গান
ই যে জীৱন মৰণ একাকাৰ কৰা অগ্নি বীণাৰ তান।
ই যে শত অপমান লাঞ্ছনা হানি উজৰা অসীম তাপ
ই যে ৰুদ্ধ আত্ম-বেদনা নিৰ্জাৰ ওলোৱা অনল ভাপ।

ইয়াতো অলংকাৰ গৌণ। মুখ্য আকৰ্ষণ হ'ল কবিতা ফাকিয়ে প্ৰকাশ কৰা ওজ গুণ। গতিকে কবিতাৰ সকলো প্ৰকাৰ আকৰ্ষণৰ গুৰিত গুণ থাকিবই লাগিব। অলংকাৰে তাৰ ৰূপ বিকশিত হৈ উঠাত সহায় কৰিব পাৰে যদিও গুণ যুক্ত নাই তাত অলংকাৰ নিৰৰ্থক—যিদৰে বিগত যৌবনাৰ গাত মুকুতাৰ হাৰ নিৰৰ্থক।

গুণৰ প্ৰকাৰভেদ লৈ বামনৰ পিছৰ আলংকাৰিকসকলে নানা আলোচনা কৰিছে। লগে লগে তেওঁলোকে চিন্তা কৰিছে গুণ জানো সঁচাকৈয়ে শব্দৰ অথবা অৰ্থৰ ধৰ্ম। কাৰণ কেৱল সাজ পাৰে বা অলংকাৰে বা কেবল আচাৰ ব্যৱহাৰে মানুহৰ পৰিচয় দাঙি নধৰে। সকলোবোৰ মিলি যি সম্মিলিত উপস্থাপন তাৰ দ্বাৰাহে এজন মানুহৰ ব্যক্তিত্ব নিৰূপিত হয়। গতিকে গুণ হ'ল অন্তঃকৰণৰ শক্তি। গতিকে এওঁলোকৰ মতে কাব্যৰৰ গুণো হ'ল কাব্যৰ আত্মাৰ ধৰ্ম। অৰ্থাৎ কাব্যৰ

১৫ দ্ৰষ্টব্য S h ikum D y H to y of Sa sk t Poet cs Vol ii

আত্মাস্বৰূপ ৰসৰ ধৰ্ম। গুণৰ সংখ্যা এওঁলোকৰ মতে দহোটা নহয়। তিনিটাহে। সেই তিনিটা হ'ল মাধুৰ্য ওজ আৰু প্ৰসাদ।

কাব্যৰ স্বৰূপ বা কাব্যব্যক্তিত্ব ৰসৰ ওপৰত বৰ্তি থাকে। ৰস নাথাকিলে কাব্যত গুণ থাকিব নোৱাৰে আৰু ৰস থাকিলে কাব্যত গুণ থাকিবই। ওপৰত উল্লেখ কৰা তিনিওটা গুণে কবিতাৰ প্ৰকৃত আকৰ্ষণৰ সৃষ্টি কৰে। কিছুমানত এটা কিছুমানত দুটা বা কিছুমান কবিতাত তিনিওটা গুণেই থাকিব পাৰে।

মাধুৰ্য—যি কবিতাত মাধুৰ্য গুণ থাকে সেইবোৰ কবিতা পঢ়িলে মনটো পমি যায়। গভীৰ তৃপ্তিত মন দ্ৰবীভূত হৈ পৰে। শৃংগাৰ কৰুণ আৰু শান্তৰসত এই গুণ থাকে। কিছুমান কবিতাৰ বৰ্ণনা শৃংগাৰ ৰসাত্মক বা কৰুণ ৰসাত্মক হ'লেও তাৰ বৰ্ণনাই মন চঞ্চল বা দুখী নকৰে। বৰং এক ধৰণৰ গভীৰ আনন্দ প্ৰদান কৰে। এই আনন্দ সুখৰ পৰা যি দৰে উদ্ভৱ হয় দুখৰ পৰাও সেইদৰে নিগৰি ওলায়। শকুন্তলা দুষ্মন্তৰ মিলনৰ বৰ্ণনাযুক্ত অংশখিনিয়ে যি দৰে আনন্দ দান কৰে শকুন্তলাৰ একান্ত দুখৰ বৰ্ণনাযো হৃদয় কোমলাই এক প্ৰকাৰ তৃপ্তি দান কৰে। নাম ঘোষা পুথিয়ে এক শান্ত সৌম্য অনুভৱেৰে হৃদয় ওপচাই পেলায়। কবি মাধৱদেৱৰ একান্ত ব্যক্তিগত ৰসানুভূতিয়ে শ্ৰোতা বা পাঠকৰ অন্তৰ গলাই পেলায়। এইটোৱেই হৈছে মাধুৰ্য গুণ। মাধুৰ্য গুণে কবিতাক কবিৰ প্ৰাণৰ পৰা পাঠকৰ প্ৰাণলৈ কঢ়িয়াই আনে।

ওজ —কবিতাৰ অন্য এক গুণ হ'ল ওজ। যি গুণৰ বাবে কাব্যপাঠ কৰোঁতে পাঠকৰ চিত্তৰ বিস্তৃতি ঘটে—সেই দীপ্তিমান বিস্তৃতিৰ সৃষ্টি কৰোঁতা গুণকে বোলা হয় ওজ। অৰ্থাৎ এই গুণসম্পন্ন কবিতা পঢ়িলে মনটো ফুলি ওফন্দি উঠে প্ৰাণত কিবা এছাটি পোহৰ পৰাৰ দৰে হয়। বীৰ ৰৌদ্ৰ আৰু বিভৎস ৰসত এই গুণ থাকে। প্ৰাচীন কাব্যত ওজঃ গুণৰ সঘন প্ৰকাশ দেখা যায়। মাধৱ কন্দলিৰ ৰামায়ণত ৰাৱণৰ আগত বন্দী হনুমানৰ উক্তি এই পৰ্যায়ৰ —

প্ৰভু ৰাঘৱৰ অংগীকাৰ ছন্ন
যিহেতু নকৰো মই
তাতেসে মোহোৰ হাতত ৰাৱণা
জীৱন্তে ৰাহিলি তই

তই আছ উত্তম সিংহাসনে বসি
মই আছো পৰি ভূমিত
এতিক্ষণে তোক নমাইবাক পাৰো
বাম হাতে ধৰি চুলিত ॥
যতেক ৰাক্ষসে মোক কোবাৱয
তোহোৰ ৰংগ বঢাৱে
তই আহি মোৰ পাবক মৰ্দ্দস
ধূতি হৌক মোৰ গাবে ॥

প্ৰসাদ—যি কবিতাত নিৰ্মলতা বা স্বচ্ছতা থাকে সেই কবিতাতে আমি প্ৰসাদ গুণ থকা বুলি কওঁ। এনেবোৰ কবিতা এবাৰ পঢিলে গোটেই মনত বিয়াপ যায়। মনত বৈ বৈ সেই কবিতাহে ধ্বনিত হয় হিয়াখন যেন সেইটো কবিতাতে সপি দিয়া হয়। নলিনীবালা দেৱীৰ

মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জনমৰ আদিম পুবাত
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিযাত

অথবা হীৰেন ভট্টাচাৰ্যৰ

ভঙা কলিজাত কোনে বিনাই
কবিতা মোৰ দুখৰ ঋতুৰ
এপাহ খৰিকা জাই

এইবোৰ স্তবক প্ৰসাদ গুণযুক্ত। প্ৰসাদ কোনো এক ৰসৰ বিশেষ গুণ নহয়। সকলো ৰসতে এই গুণ থাকে। গতিকে কবিতাৰ বাবে প্ৰসাদ গুণৰ প্ৰযোজন অত্যন্ত বেছি। সাহিত্য দৰ্পণত প্ৰসাদ গুণৰ উদাহৰণত যি ফাকি কবিতা দিয়া হৈছে সি সৌন্দৰ্যৰ ফালৰ পৰা অতি মনোমোহা—

"হেৰ মুক্তাহাৰ এবাৰ মাত্ৰ বেজিৰে বিন্ধাত ছিদ্ৰ হোৱাতে তই প্ৰিয়াৰ স্তনযুগলৰ মাজত লেটি লৈ পৰি থকাৰ সুবিধা পাইছ কিন্তু হৃদয শত শত বাৰ কামদেৱৰ শৰৰ আঘাতত থকা সৰকা হৈ পৰাতো মই সপোনতো তেওঁক দেখা নাপাওঁ কিয ?

গুণৰ ভিত্তিত কিছুমান ৰীতি নিৰ্ণয় কৰা হয়। অৰ্থাৎ গুণবোৰ হ'ল এবিধ কাব্যসৌন্দৰ্য জ্ঞাপক বস্তু যিবোৰে ৰীতিৰ বিশিষ্টতা নিৰ্ণয়

কৰে।[১৬] ৰীতিবাদৰ প্ৰতিষ্ঠাতা বামন যদিও তেওঁৰ আগতেও আচাৰ্য দণ্ডীয়ে মাৰ্গৰ কথা কৈছিল। মাৰ্গৰ অৰ্থও ৰীতিৰ দৰে একে। দণ্ডীয়ে কৈছিল দুটা মাৰ্গৰ কথা বৈদৰ্ভ আৰু গৌড়। বামনৰ মতে ৰীতি তিনিটা বৈদৰ্ভী গৌড়ী আৰু পাঞ্চালী। গৌড়ী ৰীতিত ওজ আৰু কান্তি গুণ থাকে। ওজোগুণ প্ৰকাশক বৰ্ণৰ সমাসবহুল আড়ম্বৰপূৰ্ণ ৰচনাৰ নাম গৌড়ী ৰীতি। আলংকাৰিক পুৰুষোত্তমৰ সমাসবহুল মহাপ্ৰাণ বৰ্ণ বেছিকৈ থকা অনুপ্ৰাস অলংকাৰৰ মহিমাৰে গাম্ভীৰ্যপূৰ্ণ বাক্যৰ সংখ্যা কম থকা ৰচনাই গৌড়ী ৰীতি।

পাঞ্চালী ৰীতিত থাকে মাধুৰ্য আৰু সৌকুমাৰ্য। ভোজৰাজৰ মতে—[১]

যুত পাঁচোটা বা ছটাতকৈ বেছি পদৰ সমস্ত পদ নাথাকে তেনেকুৱা ওজ আৰু কান্তি গুণসম্পন্ন মাধুৰ্যব্যঞ্জক বৰ্ণৰ সুললিত ৰচনাকে কবি সকলে পাঞ্চালী ৰীতি বোলে।

বিশ্বনাথেও কৈছে যে প্ৰসাদ গুণব্যঞ্জক বৰ্ণেৰে ৰচিত আৰু পাঁচোটা বা ছয়টা পদৰ সমাসতকৈ বেছি পদৰ সমাসবদ্ধ পদ নথকা ৰচনাই পাঞ্চালী ৰীতি। সাহিত্য দৰ্পণৰ উদাহৰণ—

> মধুৰয়া মধুবোধিতমাধবীমধুসমৃদ্ধিসমেধিতমেধয়া।
> মধুকৰাঙ্গনয়া মুহুৰুন্মদধ্বনিভৃতা নিভৃতাক্ষৰ॥
>
> (বসন্তকালত বিকশিত বাসন্তীলতাৰ মকৰন্দ সম্পদেৰে যাৰ স্বৰমাধুৰ্য বাঢ়ি উঠিছে তেনেকুৱা মদগুঞ্জনশালিনী মধুৰ কণ্ঠী মধুকৰ বধূৰে অব্যক্ত মধুৰ শব্দেৰে গুঞ্জন কৰি আছিল।)

বামনৰ মতে বৈদৰ্ভী ৰীতি শ্ৰেষ্ঠ। কাৰণ ই সমগ্ৰগুণা। অৰ্থাৎ ইয়াত সকলো গুণেই ফুটি উঠে। দণ্ডীয়েও কৈছে যে বৈদৰ্ভী ৰীতিত সকলো গুণৰ সমাবেশ ঘটে। আচাৰ্য ৰুদ্ৰটৰ মতে "সমাসহীন নাইবা অতি কম সমাস থকা পদ প্ৰয়োগ কৰা শ্লেষ আদি দহবিধ গুণযুক্ত

১৬ প্ৰাণী শৰীৰত অংগ সন্নিবেশৰ দৰে কাব্যত উপযুক্ত ঠাইত বিশেষ পদ-সন্নিবেশ বা যোজনাই ৰীতি এই ৰীতিয়ে ৰস উপকাৰ সাধন বা ৰসাভিব্যক্তিত সহায় কৰে।

বিশ্বনাথ কবিৰাজ সাহিত্য দৰ্পণ পৃ ৪৫৮

১৭ সাহিত্য দৰ্পণ পৃ ৪৮০

দ্বিতীয় বৰ্গৰ ( চ বৰ্গৰ ) বৰ্ণ বেছিকৈ থকা অল্পপ্ৰাণ বৰ্ণৰ যোগত ৰচিত মনোৰম ৰচনাই বৈদৰ্ভী ৰীতি। [১৮]

বিশ্বনাথ কবিৰাজে তেওঁৰ সাহিত্য দৰ্পণত[১৯] লাটীৰীতি নামে আৰু এবিধ ৰীতিৰ উল্লেখ কৰিছে। য ত বৈদৰ্ভী আৰু পাঞ্চালী দুয়োবিধ ৰীতি থাকে সেযে লাটী ৰীতি। ৰুদ্ৰটেও এই ৰীতিৰ কথা কৈছে। ভোজে আকৌ মাগধি আৰু আবন্তিকা নামে আৰু দুবিধ ৰীতিৰ উল্লেখ কৰিছে।

ৰীতিবাদীসকলে ৰসৰ কথা অস্বীকাৰ নকৰে। তেওঁলোকে ৰসক অৰ্থগুণ কান্তিৰ ভিতৰুৱা বুলি কয়। বামনৰ মতে তিনিও প্ৰকাৰ ৰীতিৰ মাজত অথ গুণ থাকিব পাৰে কিন্তু বৈদৰ্ভী ৰীতিত ইযাৰ উপস্হিতি অপৰিহায। দোষবিহীন কাব্যকে বামনে উত্তম কাব্য বুলিছে। দোষমুক্ত আৰু গুণযুক্ত কাব্যই সুন্দৰ। গুণ আৰু অলংকাৰ দুয়োটাৰে সহযোগত কাব্য সুন্দৰ হয। বামনে যদিও দুয়োটা বেলেগ বস্তু বুলি কৈছে প্ৰকৃততে কিন্তু ইহঁতৰ মাজত থকা পাৰ্থক্য তেনেই নগণ্য। কাব্যিক অনুভূতিত সকলো মিলি এক হৈ পৰে আৰু এক মুঠ উপলব্ধিদহে বিচাৰত ৰযগৈ। সেযেহে কুন্তকে কৈছে[২০]—যে কবিৰ অন্তদৃষ্টিৰ লগত যেতিযা গুণ ৰীতি আৰু অলংকাৰবোৰ সম্পৰ্কযুক্ত হয তেতিযাহে সেইবোৰ সাৰ্থক বোলা যায।

অলংকাৰ শাস্ত্ৰত কুন্তকৰ চিন্তাধাৰা বিশেষ বৈশিষ্ট্যযুক্ত। তেওঁৰ মনোভাব বহুক্ষেত্ৰত আধুনিক। অলংকাৰ শাস্ত্ৰৰ ৰস ধ্বনি গুণ ৰীতিৰ মাজত তেওঁ চিন্তা কৰিছিল কবিৰ কল্পনা শক্তি আৰু সৃষ্টি প্ৰতিভাৰ কথা। ৰীতি শব্দ বেছি সীমিত বুলি ধৰি লৈ তেওঁ মাগ শব্দ প্ৰযোগ কৰিছিল আৰু ভৌগোলিক অঞ্চলৰ নামেৰে এইবোৰ নামকৰণ কৰাৰ পদ্ধতি ত্যাগ কৰি নতুন নাম দিছিল। এইবোৰ হল সুকুমাৰ মাৰ্গ বিচিত্ৰ মাৰ্গ আৰু মধ্যম মাৰ্গ। প্ৰথম দুবিধৰ বাবে সৌভাগ্য আৰু ঔচিত্য নামে দুবিধ গুণৰ উল্লেখ কৰিছে।

ৰীতি শব্দটোৱে কোনো কোনো সময়ত আধুনিক ষ্টাইল বা বাণী ভংগীৰ কথা মনলৈ আনে। একো একো অঞ্চলৰ কবিৰ ৰচনাত যিবোৰ

---

১৮ সাহিত্য দৰ্পণ পৃ ৪৫৯

১৯ সাহিত্য-দৰ্পণ পৃ ৪৬০

২০ নন্দনতত্ত্ব পৃ ৪০৫

বৈশিষ্ট্য ধৰা পৰে সেইবোৰৰ ওপৰত ভিত্তি কৰিযেই একোটা ৰীতিৰ নাম দিযা হৈছিল। ষ্টাইলত কবিৰ আত্ম প্ৰকাশৰ পৰিসৰ বহল। তেওঁৰ মৌলিক প্ৰতিভাৰ ইয়াত স্বচ্ছন্দে বিকাশ ঘটিব পাৰে। ৰীতিত কিন্তু আগৰে পৰা চলি অহা কিছুমান ধৰা বন্ধা বান্ধোনে কবিৰ প্ৰতিভা সীমিত কৰি ৰাখে।

ৰীতিবাদ প্ৰাচীন কাব্য ৰসিকৰ মাজত বেছি জনপ্ৰিয নহ'ল। কাৰণ এই মতবাদৰ বহুতো ত্ৰুটি সহজেই চকুত পৰা বিধৰ। তথাপিও কবিতাৰ ৰূপবিচাৰত ৰীতিৰ মূল্য একেবাৰে নোহোৱা নহয়। পিছৰ কালৰ কবিয়ে ৰীতিৰ নিৰ্দিষ্ট নিযম মানি কবিতা ৰচনা কৰা নাছিল যদিও সকলো কবিতাতে মিলাই চালে একোটা ৰীতিৰ সাদৃশ্য চকুত পৰে। ৰীতিৰ বৈশিষ্ট্য সেইখিনিতেই। ধ্ৰুপদী ভংগীৰ কবিতাত ৰীতিৰ প্ৰতিফলন বেছি স্পষ্ট। উদাহৰণ স্বৰূপে ৰঘুনাথ চৌধাৰীৰ এই ফাকি কবিতা

মন্দ মন্দ তালে বাজে
মেঘমন্দ্ৰ ৰাগিণী
মধুমালতীৰ গন্ধে
মুগ্ধা মধুযামিনী।

ইযাত পাঞ্চালী ৰীতিৰ প্ৰকাশ চকুত লগা। সেইদৰে বৈদৰ্ভী ৰীতিৰ উদাহৰণ শৈলধৰ ৰাজখোৱাৰ ৰচনা পাষাণ প্ৰতিমা নামৰ কবিতাটি। তাৰে দুফাকি—

চিৰ অচেতন ফুলৰা চতলা পাষাণ প্ৰতিমা আপোন ভুলি
নিফুট সুৰেৰে নিজান থলত চিৰবিষাদৰ ৰাগিণী তুলি।

এইদৰেই ৰীতিৰ অদৃশ্য বান্ধোনত সকলো কবিতাই জ্ঞাতে বা অজ্ঞাতে সোমাই থাকে। আধুনিক কাব্য বিচাৰত অৱশ্যে ৰীতিক বিশেষ গুৰুত্ব দিয়া নহয।

# ০৭০০ যুগ-প্ৰবাহত কবিতা

## ৭ ১ কবিতা আৰু আধুনিক মন

কবিতাৰ ৰূপ বিচিত্ৰ। দিনে দিনে কবিতাই ৰূপ সলায়। তথাপিও আচৰিত ধৰণে পাঠক সমাজৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কে একেধৰণৰ আলোচনা দিনৰ পিছত দিন ধৰি চলি আহিছে। কবিতা আৰু আধুনিকতা—ইয়াৰ সংজ্ঞা বৰ বহল। আধুনিকতাৰ স্বৰূপ ফুটাই তুলিব পৰা একোটি সংজ্ঞা পাবলৈ নাই। তদুপৰি আধুনিকতা হ'ল এটি আপেক্ষিক শব্দ। এটা সময়ত যিটো আধুনিক আনসময়ত সেইটোৱেই হৈ পৰে প্ৰাচীন। গতিকে আধুনিকতাৰ ধাৰণা সদায়ে গতিশীল। কিন্তু এনে প্ৰবাহমান সময়ৰ মাজতো দুই এজন ব্যক্তি ওলায় যি সকলৰ ৰচনা কালজয়ী। সকলো ক্ষেত্ৰতে সকলো সময়তে সেই ৰচনা সময়ৰ লগত খাপ খোৱা। সেইখিনিযেই বোধকৰো প্ৰকৃততে আধুনিক বুলিব পৰা ৰচনা। কেতিয়াবা এনেও হয় একোজন ব্যক্তিয়ে হয়তো সমসাময়িক সমাজতকৈ মনেৰে বহুতো আগবাঢি নিজস্ব চিন্তাধাৰা সাহিত্যত প্ৰকাশ কৰে। কিন্তু সেই সময়ৰ সমাজে তেওঁৰ আধুনিক মনৰ বক্তব্য উপলব্ধি কৰিব নোৱাৰি তেওঁক প্ৰায় এঘৰীয়া কৰি থয়। বহুতো পিছৰ কালৰ এখন সাহিত্য সমাজেহে কেতিয়াবা তেওঁৰ ৰচনাৰ সঠিক মূল্যায়ন কৰে। গতিকে দেখা যায় যে আধুনিকতাৰ উপযুক্ত মূল্যায়ন সকলো সময়তে লগে লগে নহ'বও পাৰে।

নতুন যুগৰ চিন্তা আৰু চেতনা যি সাহিত্যত প্ৰতিবিম্বিত হৈ উঠে সেই সাহিত্যক সাধাৰণ অৰ্থত আধুনিক বুলি ক'ব পাৰি। কিন্তু ঠায়ে ঠায়ে এই চেতনাও বেলেগ বেলেগ সময়ত জাগৰিত হ'ব পাৰে। উনবিংশ শতিকাৰ প্ৰথম দুই দশকত ইংলেণ্ডত যি ৰমন্যাসিক সাহিত্যৰ বিকাশ ঘটিছিল ভাৰতত তাৰ বিকাশ ঘটে সেই শতাব্দীৰ একেবাৰে শেষৰ ফালেহে। গতিকে সেই সময়ৰ ভাৰতীয় মনৰ বাবে ইংলেণ্ডৰ সেই সাহিত্যিক জাগৰণ নিঃসন্দেহে আচহুৱা আৰু অবোধগম্য আছিল। অথচ এটা সময়ত স্বাভাৱিক গতিৰে সেই ভাবধাৰা আহি আপোনা আপুনি ভাৰতীয় সাহিত্যত সোমাই পৰিল। গতিকে দেখা যায় যে আধুনিকতাৰ এক নিৰ্দিষ্ট সময় আৰু নিৰ্দিষ্ট গতিপথ থাকে।

আধুনিকতাৰ বিষয়ে থকা সংজ্ঞাসমূহ হয় প্ৰশংসাসূচক নহয় নিন্দাসূচক। অৰ্থাৎ কোনো কোনো সমালোচকে যুগ মানসৰ যি বোৰ লক্ষণ ভাল পায় সেইবোৰকে আধুনিকতাৰ শ্ৰেণীভুক্ত অন্য কিছুমানে আকৌ সমাজ চেতনাৰ যিবোৰ অপ্ৰিয় লক্ষণ সেইবোৰকে আধুনিকতাৰ মাজত বিচাৰি পায়। কবিতাৰ ক্ষেত্ৰত আধুনিকতাৰ বিচাৰ কৰাটো আৰু কঠিন। কবিৰ মনৰ জগত আৰু কবিতা পাঠকৰ মনৰ জগতৰ মাজত যেতিয়া একে সময়তে নতুন চেতনাৰ সাঁকোৰে অনুভূতিৰ আদান প্ৰদান ঘটে তেতিয়াই কবিতাত আধুনিকতা স্বীকৃত হয়।

কেতিয়াবা সেইবোৰ লক্ষণকে আধুনিক বোলা হয় যি বোৰত মানব প্ৰগতি সভ্যতা সংস্কৃতি আদিৰ বিষয়ে প্ৰচলিত সকলো ধাৰণাকে মানি নোলোৱাৰ আৰু তাৰ বিপৰীত ধাৰণা এটাক মানি লোৱাৰ প্ৰৱণতাই দেখা দিয়ে। কবিতাই কেতিয়াবা সময়তকৈ কিছু আগবাঢি কবিৰ কিছুমান বিশেষ ধাৰণা প্ৰচাৰ কৰে। নানা সময়ত এই ধাৰণা নতুন নতুন যেন হৈ সময়ত আকৌ পুৰণি হৈ পৰে। গতিকে এসময়ৰ আধুনিক কবিতা অন্য এসময়ত পুৰণি হৈ পৰে। এসময়ৰ মগজু অৰ্জিত কৰা ভাবধাৰা অন্য এসময়ত সেমেকি পৰে।

কবিতাত আধুনিকতাই প্ৰথমেই দিয়ে একোটা বিস্ময়ৰ চমক। কবিৰ মানস চকুত ধৰা পৰা একো একোটি অনুভব বা উপলব্ধিয়ে পাঠকক সেই চমক প্ৰদান কৰে। কবি শ্ৰেণীয়ে যুগে যুগে ফুল তৰা ৰূপহীৰ মাজত সৌন্দৰ্য বিচাৰি এসময়ত যেতিয়া সেইবোৰত নতুনত্ব নোপোৱা হয়গৈ তেতিয়া তেওঁলোকে সন্ধান কৰে অন্য দৃষ্টিকোণৰ পৰা অন্য আকৰ্ষণৰ। দেহৰ পৰা মনলৈ গতি কৰা সৌন্দৰ্যৰ সেই সন্ধানত অনুভূতি আৰু চিন্তাধাৰাৰ যি বৈচিত্ৰ্য পৰিলক্ষিত হয় সেয়া কিন্তু আপাত দৃষ্টিত সকলো সময়তে সুন্দৰ নহবও পাৰে। কেতিয়াবা সকলো অসুন্দৰ আৰু অশুভৰ মাজতো কবিয়ে কবিতাৰ সমল বিচাৰি পায়। আধুনিক কবিতাৰ ই এটা প্ৰধান বৈশিষ্ট্য। দুখ আৰু পাপৰ সংমিশ্ৰণত উদ্ভৱ হোৱা অমঙ্গল (evil) বোধৰ চেতনা আধুনিক কবিতাৰ এক বিস্ময়কৰ উপাদান।

ফ্ৰান্সত কবি বোদলেয়াৰে অমঙ্গলবোধৰ প্ৰবল আঘাতেৰে কবিতা ৰাজ্যৰ ৰোমাণ্টিকতাৰ অবসান ঘটায়। বোদলেয়াৰৰ দৰে কবিসকলৰ প্ৰতি ৰবীন্দ্ৰনাথে কৈছিল একো একোজন জড় প্ৰকৃতিৰ লোক আছে

জগতৰ খুব কম বিষয়ৰ প্ৰতিহে যি সকলৰ হৃদয়ৰ ঔৎসুক্য তেওঁলোক জগতত জন্মগ্ৰহণ কৰিও অধিকাংশ জগতৰ পৰা বঞ্চিত। তেওঁলোকৰ হৃদয়ৰ গবাক্ষবোৰ সংখ্যাত অলপ আৰু বিস্তৃতিত সংকীৰ্ণ বাবে বিশ্বৰ মাজত তেওঁলোক প্ৰবাসী হৈ আছে। গতিকে কবিতাৰ জগতত স্পষ্ট ৰূপে দুটা শ্ৰেণী থাকে। এটা শ্ৰেণীয়ে সুখে দুখে ভৰা পৃথিবীক যথাযথ ভাৱে অথবা সৰসতাৰে কোমলাই গ্ৰহণ কৰে। আনটো শ্ৰেণীয়ে পৃথিৱীক চায় কেৱল বিদ্বেষ আৰু বিতৃষ্ণাৰে। কবি বোদলেযাৰে বিশ্ববিতৃষ্ণাৰ মনোভাবেৰে যিবোৰ কবিতা ৰচনা কৰিছিল সেইবোৰৰ মাজত আনন্দ আৰু উৎসাহৰ সুৰ কতো নাই। তেওঁৰ কবিসত্ত্বা যেন বাস কৰিছিল অন্ধকাৰ এক বন্ধ নিৰ্বাসিত কাৰাগাৰত। বোদলেযাৰৰ বিষয়ে কবি ইলিযটে কৈছিল যদিও বোদলেযাৰৰ পদ্যৰীতি আৰু শব্দবিন্যাস বৈপ্লৱিক ভাৱে নতুন জীৱনবোধত যি নতুনত্ব তেওঁ আনিছিলে,সি আৰু বেছি মৌলিক আৰু গুৰুত্বপূৰ্ণ। এই জীৱন বোধৰ প্ৰকৃতি বিচিত্ৰ। সংসাৰৰ কালিমাপূৰ্ণ দিশটো ইযাত বেছি প্ৰকট। ইয়াত প্ৰকৃতি আৰু নাৰীৰ মাজত নাই বিস্ময আৰু ৰহস্য আছে অফুৰন্ত ঘৃণা। মানুহৰ মাজত নাই কোনো ধৰণৰ শুভ শক্তি। বেছিভাগ মানুহেই যেন প্ৰহৃত হোৱাৰ যোগ্য ( most of humanity was created for the whip—Bodlaire )। এই নতুন ধৰণৰ চিন্তাধাৰাই কবিতাৰ জগতত আলোড়ন তুলিলে। এচাম কবিৰ হাতত অমঙ্গলবোধ হৈ পৰিল কবিতাৰ অন্যতম আহিলা।

খাবলৈ নোপোৱা মানুহ বঞ্চিত মানুহ শোষিত মানুহ বেমাৰী অথবা ভিক্ষাৰী এইবোৰৰ মাজত কবিতাৰ সমল বিচাৰি পোৱাটো আধুনিক মনৰ লক্ষণ। অৰ্থাৎ যিবোৰ উৎসত কবিতা নাই তাতে কবিতাৰ সৃষ্টি কৰাটো আধুনিক মনৰ প্ৰকৃতি। কামটো কিন্তু সহজ নহয যথেষ্ট জটিল। কবিতা বুলিলে সাধাৰণতে মনলৈ অহা কোমলতা আৰু সুন্দৰতাৰ পৰা মানুহৰ মন হঠাতে কঠিনতা আৰু কুৰূপতালৈ টানি অনাটো সকলো কবিৰ বাবে সম্ভব নহয। এনেবোৰ কবিতা গ্ৰহণ কৰাটোও সকলো মনৰ বাবে সম্ভৱ নহয। যথাৰ্থতেই যি সকল আধুনিক এইবোৰ কবিতা তেওঁলোকৰ বাবেহে।

---

১। আধুনিকতা ও ৰবীন্দ্ৰনাথ প ৫

আধ নিক সাহিত্যই মান হৰ একান্ত ব্যক্তিগত আৰ গোপনীয় বিষয সম হ লৈ যি ম কলি আলোচনাত প্ৰবত্ত হয সি বহ তো পাঠকক বিমোৰত পেলোবা বস্তুকেইটা হ ল সমাজৰ প্ৰচলিত ৰ পটোৰ প্ৰতি প্ৰবল অনীহা আৰ নিজৰ মনোভাবক সহজে আনে ন বজাকৈ ঢাকি থোবাৰ এক বি ময়কৰ প্ৰৱণতা। প্ৰথমটোবে কবিতাত দিছে এক অসন্তুষ্টিৰ মনোভাব। কবিতাক এক প্ৰতিবাদৰ হাতিযাৰ স্বৰ পে ইযাত গণ্য কৰা হয। দ্বিতীযটোবে দিছে দ বোধ্যতাৰ পৰশ। আধ নিক কবিতা কবিযে নিজে ব জি পায আৰ, ব জি পায় এম ঠি তেওঁৰ সতীৰ্থ কবি প্ৰকৃতিৰ পাঠকে—এযে প্ৰচলিত বিশ্বাস। অৱশ্যে এই বিশ্বাসৰ যথোচিত উত্তৰো আছে। কবিতাৰ ব্যঞ্জনাময ভাষাই আধ নিক কালত প্ৰতীকি ৰ প গ্ৰহণ কৰিছে। তদ পৰি আহি পৰিছে চিত্ৰকল্পৰ দৰে আধ নিক অলংকাৰ। গতিকে এইবোৰ ব জ পাবলৈ হ লে পাঠকৰো কাব্যিক সচেতনতা প্ৰযোজনীয।

আধ নিক কবিতা সকলোৰে বাবে নহয ব লি কোৱা হয যদিও এইবোৰ কবিতাক সাধাৰণ মান হৰ সামগ্ৰিক জীবনৰ পৰা কোনোমতেই বিচ্ছিন্ন কৰিব নোবাৰি। মান হৰ মন হ ল শিহৰণ আৰ সোঁৱৰণৰ যাদ ঘৰ। সাধাৰণ গ হিণী হত্যাকাৰী পানী পাইপৰ মি ত্ৰী স্কুলীযা ল ৰা—সকলোৰে মনত আছে নীলা বা ধ সৰ আঁকাশৰ প্ৰতি এটি ধাৰণা প্ৰেমহীনতা অথবা প্ৰেমৰ পৰশ আলোচনাৰ আদান প্ৰদান মহানগৰীৰ উত্তেজনা আৰ কুৰ পতা গ্ৰামাঞ্চলৰ সজীবতা আৰ স কীৰ্ণতা। সকলোৰে ৰসনাত যি দৰে মিঠা টেঙাৰ স্বাদ আছে মনতো আছে সেইদৰে ঘ ণা বিৰাগ অন ৰাগৰ অন ভূতি আছে অন্তৰ্দ্বন্দ্ব আৰ প্ৰকাশম খী ভাষা। কবিযে সেই অন্তৰ্দ্বন্দ্বৰ জ্বালা ব জি পায আৰ সহজে ব টলি ল ব পাৰে উপযোগী শব্দৰ আহিলা—যাৰ দ্বাৰা মানসিক পৰিশ্ৰমৰ অন্তত তেওঁ নিৰ্মাণ কৰে একোটি কবিতা। এই কবিতা একোজন কবিৰ ব্যক্তিগত স ষ্টি হ লেও ইযাত নিহিত হৈ থাকে একোটা য গৰ সকলো সাধাৰণ মান হৰ ঘাম আৰ চকুপানীৰ গো ধ আশা আৰ সপোনৰ ৰং। গতিকে আধ নিক কবিতা একান্তভাবে জীবন নিৰ্ভৰ। মান হৰ জীবনৰ বিচিত্ৰ প্ৰতিবিম্ব এইবোৰৰ ঘাই আকৰ্ষণ।[২]

২। Poet y d ommon l f P 10

মনবোৰ আধুনিক হৈ গলেই যে কেৱল চহৰৰ ধূলি ধোঁৱা কাৰখানাৰ শব্দহে চিনি পাব লাগিব এনে নহয়। এনে মনেও শুনে কুলিৰ মাত নদীৰ উচ্ছল সুৰ। এনেবোৰ মনো প্ৰেমত পৰে অথবা প্ৰেমৰ সপোন দেখে। গতিকে আধুনিক কবিতাত প্ৰেম আৰু প্ৰকৃতিও আছে। কিন্তু অনভ্যস্ত মনে সহজে চিনিহে নাপায় সেয়া যে প্ৰেমৰ কবিতা সেয়া যে প্ৰকৃতিৰ কবিতা। আধুনিক কবিতাৰ বৈশিষ্ট্য অথবা জটিলতা সেইখিনিতেই।

আধুনিক কবিতা ভাল নাপাওঁ নাইবা বুজি নাপাওঁ বুলি খোলা খুলিকৈ কৈ দিয়া এচাম মানুহৰ মাজতে কবিয়ে কাব্যিক প্ৰচেষ্টা অব্যাহত ৰাখিব লাগে। ই এক ডাঙৰ প্ৰত্যাহ্বানৰ দৰে। সাহিত্য কলাৰ অন্যান্য দিশৰ প্ৰতি মানুহৰ মন আধুনিক হৈ পৰিছে কিন্তু কবিতাৰ ক্ষেত্ৰত অন্ততঃ আমাৰ দেশত মানুহৰ মন আজিও বিৰূপ। আধুনিক কবিৰ প্ৰতি তেওঁলোকৰ অভিযোগৰ অন্ত নাই। অপ্ৰিয় হলেও সঁচা যে বহুতো বিদ্বেষ আৰু বিতৃষ্ণাৰ হেঁঙাৰ পাৰ হৈহে আজিৰ অসমীয়া কবিতাই বৰ্তমানৰ দৰে পাঠকৰ কিছু কাষ চাপিবলৈ সমৰ্থ হৈছে।

আধুনিক জগতত কবিতাই ৰাজনীতিৰ কথাও নোকোৱাকৈ নাথাকে। প্ৰাচীনপন্থীসকলৰ দৃষ্টিত কবিতা আৰু ৰাজনীতি দুটা বিপৰীতমুখী বস্তু। ইটোৰ লগত সিটোৰ আপাতদৃষ্টিত সম্বন্ধ নাথাকে বা নথকা উচিত। কিন্তু আধুনিক দৃষ্টিত ৰাজনীতি মানুহৰ সমাজ জীৱন আৰু ব্যক্তিগত জীৱনৰ সবাতোকৈ প্ৰভাবশালী শক্তি। আধুনিক কালত ৰাষ্ট্ৰৰ শক্তি ইমান বেছি যুদ্ধ আৰু শান্তিৰ সমস্যা আৰু মানৱৰ চাহিদা আৰু মানৱ মুক্তিৰ প্ৰশ্নটো ইমান প্ৰভাৱশালী যে একেবাৰে অক্ষম সকলেহে নিজকে ৰাজনীতিৰ ক্ৰিয়া প্ৰক্ৰিয়াৰ পৰা মুক্ত বুলি ভাবে। কবিতাত ৰাজনীতি থাকে কবিৰ কোনো আদৰ্শ স্থাপনৰ মনোভাব অথবা কোনো সংস্কাৰৰ মনোভাৱ নাইবা কোনো বিদ্ৰোহৰ মনোভাৱৰ ছদ্মবেশত। এইবোৰ মনোভাবে কেতিয়াবা উৎপত্তিৰ ক্ষেত্ৰ পাৰ হৈ দূৰ দূৰণিলৈ কবিৰ মনোভাৱ কঢ়িয়াই নিয়ে পাঠকৰ তেজ তপত কৰে হৃদয় উতলা কৰে। আন্তৰাষ্ট্ৰীয় ক্ষেত্ৰত সেইবোৰ কবিতাৰে লোকপ্ৰিয়তা বেছি যিবোৰে ৰাজনৈতিক চেতনাৰে মানৱ মুক্তিৰ বাণী বহন কৰে।

৩। Poet y and Commo L f p 80

আধুনিক কবিতাত যি সমাজ সচেতনতাৰ মনোভাৱ এক প্ৰধান বৈশিষ্ট্য বুলি পৰিগণিত হৈছে সি ঘাইকৈ মাক্সীয় দৰ্শনৰ ফল। শোষিতৰ প্ৰতি সহানুভূতি এই দৰ্শনৰ অন্যতম প্ৰকৃতি। এনে দৰ্শনৰ ভিত্তিত ৰচিত ভালেমান উৎকৃষ্ট কবিতা আধুনিক সাহিত্যৰ মূল্যবান সম্পদ। মাক্সৰ বাহিৰেও ফ্ৰয়েড হ'ল এটা গুৰুত্বপূৰ্ণ নাম—যি আধুনিক মানুহৰ চিন্তাধাৰাত নতুন চেতনা জগাবলৈ সমৰ্থ হ'ল। আধুনিক মনত নানাভাৱে ৰেখাপাত কৰা কেইবাজনো চিন্তাবিদে মনস্তাত্ত্বিক বিশ্লেষণ আৰু যুক্তিপূৰ্ণ তথ্য প্ৰদানৰ দ্বাৰা মানুহৰ উপলব্ধি আৰু অনুভূতিৰ ক্ষেত্ৰ বহল কৰি তুলিছে।

আধুনিক মানুহৰ মনবোৰ সাধাৰণতে ব্যস্ত বিশৃংখল উৰণীয়া। পাৰ হৈ যোৱা দিনৰ ক্ষয়িষ্ণু সোৱৰণ আৰু অনাগত দিনৰ সংশয় ভৰা প্ৰতীক্ষাৰে ভৰা এইবোৰ দিন। নতুন পুৰুষ সদায়ে দ্বিধান্বিত। তেওঁলোকে কি পালে সন্তুষ্ট হ'ব প্ৰথম অৱস্থাত নিজেও ভালদৰে নাজানে। সমুখৰ পথবোৰৰ ভিতৰত কোনটোত খোজ দিব সেয়াও চিন্তনীয়। এনে অস্থিৰ আৰু প্ৰত্যাশী মনৰ বাবে কবিতাই কি কৰিব পাৰে সি এক গুৰুত্বপূৰ্ণ প্ৰসংগ। নতুন পুৰুষ—পুৰণি পুৰুষ উভয়ৰে বাবেই কবিতা হ'ব পাৰে এক শান্তিৰ মাজুলী। ব্যস্ত চলমান ক্লান্ত জীৱনত কবিতা হ'ব পাৰে বিৰিখৰ নিবিড় ছায়া। কবিতাই মানুহক জগাই তুলিব ভবাই তুলিব আলোড়িত কৰিব। তাৰ লগে লগে ভৰাই তুলিব শান্তি আৰু আস্থাৰে। আধুনিক মনে বোধকৰো কবিতাক এনে হোৱাটোকে বিচাৰে।

## ৭.২ আধুনিক অসমীয়া কবিতা

আধুনিক অসমীয়া কবিতা ভাৰতীয় সাহিত্যৰ ভিতৰত এক প্ৰথম শ্ৰেণীৰ সাহিত্য। অন্যান্য ভাষাৰ কবিতাৰ দৰেই অসমীয়া কবিতাযো ধ্ৰুপদী কবিতাৰ সোণালী যুগ সগৌৰৱে পাৰ হৈ আহি ৰমন্যাসিকতাৰ জোনালী চোতালত কিছুপৰ বিশ্ৰাম কৰিলে। তাৰপিছতে আহি পৰিলে আধুনিকতাৰ যুগ সংশয় প্ৰত্যাশা আৰু অস্থিৰতাৰ যুগ। খেলি-মেলি যুগ মানসৰ প্ৰতিফলিত কবিতা হৈ পৰিল অস্বচ্ছ দাপোণৰ দৰে। কিছুমানে নতুন কবিতাক আদৰি ল'লে আৰু কিছুমানে অবাক

বিস্ময়ত মনৰ দুৱাৰ জপাই থলে। নতুন এই কবিতাৰ বিষয় নিৰ্বাচন শব্দ সম্ভাৰ আৰু দেহৰ গঠনে পাঠক সমাজত আলোড়ন তুলিলে। এচাম অনুশীলনৰত কবিৰ যত্নত নতুন কবিতা এতিয়া বহুখিনি স্থিৰ আৰু নিৰ্দিষ্ট। গতিকে পাঠকেও ইয়াৰ স্বৰূপ সম্বন্ধে আগৰ বৈৰাগ্য বহুখিনি আঁতৰাই থৈছে। দিনে দিনে ইয়াৰ অনুৰাগীও বাঢ়ি আহিছে।

আধুনিক অসমীয়া কবিতাত বিষয়বস্তুৰ অভিনবত্ব বিবিধ দৰ্শনৰ প্ৰভাব মনোবৈজ্ঞানিক চচ্চাৰ প্ৰভাব বিজ্ঞানৰ জয়যাত্ৰাৰ প্ৰভাব ঔদ্যোগিক বিকাশৰ প্ৰভাব প্ৰাচীন ঐতিহ্য আৰু মূল্যবোধৰ অপসাৰণ প্ৰেমৰ নতুন সংজ্ঞা নতুন ছন্দৰীতিৰ প্ৰযোগ চিত্ৰকল্পৰ প্ৰযোগ আদি লক্ষণেৰে ভৰপূৰ। এই সকলো লক্ষণেৰে ভৰা সাম্প্ৰতিক অসমীয়া কবিতাৰ বিচাৰ কৰিবলৈ কেইজনমান কবিক নিৰ্দিষ্টভাবে বাছি লব পাৰি। এওঁলোক হ'ল হেম বৰুৱা নবকান্ত বৰুৱা মহেন্দ্ৰ বৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য নীলমণি ফুকন অজিত বৰুৱা আৰু হীৰেন ভট্টাচাৰ্য।

হেম বৰুৱাৰ হাতত অসমীয়া কবিতাই এটি বৌদ্ধিক ৰূপ পায়। তেওঁৰ আগত আছিল দেবকান্ত বৰুৱাৰ নতুনৰ দুৱাৰ মুকলি কৰা কবিতাসমূহ। সমুখত আছিল দুটা পথ এটা হ'ল ৰমন্যাসিক কোমলতাৰ আৰু আনটো হ'ল প্ৰগতিশীল কঠিনতাৰ। অমূল্য বৰুৱাৰ কুকুৰ বেশ্যা আদি কবিতাক নতুনত্ব থকা সত্ত্বেও বহুতো পাঠকে আদৰি লবলৈ টান পোৱাটো তেওঁ লক্ষ্য কৰিছিল। গতিকে কবিতা ভালপোৱা অসমীয়া পাঠকলৈ তেওঁ আগবঢ়াইছিল কোমলে কঠিনে মিলি নতুন ৰূপ লোৱা তেওঁৰ কবিতাসমূহ। তেওঁৰ কবিতা পূবৰ মনৰ সৈতে পশ্চিমৰ মনৰ সংঘাতৰ অপূৰ্ব প্ৰতিলিপি। কবিতা লিখিবৰ বাবেও যে এটা অধ্যয়নপুষ্ট মন লাগে সেই কথা হেম বৰুৱাৰ কবিতাতে প্ৰথম বাৰলৈ প্ৰতীয়মান হ'ল।

হেম বৰুৱাৰ কবিতাত প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি অনাস্থা নতুন সমাজ গঢ়াৰ আশা সাধাৰণ মানুহৰ আশা নিৰাশাৰ প্ৰতিফলন প্ৰেমৰ লগত জড়িত হৈ থকা জীবন মমতা ৰোমাণ্টিক কাৰুণ্য স্পন্দিত গদ্যৰ দৰে ছন্দ-প্ৰযোগ মানস চিত্ৰৰ ব্যৱহাৰ আদি লক্ষণসমূহ দেখা যায়। এইবোৰ লক্ষণ নতুন আৰু আধুনিক কাব্য আন্দোলনৰ পথ নিৰ্দেশক। তেওঁৰ কবিতাত থকা প্ৰগতিবাদী চিন্তাৰ বীজ খং আৰু প্ৰতিবাদৰ মৃদু সুৰেৰে কৌতিয়াবা বিৰিঙি উঠে—

পোহৰতকৈ এন্ধাৰ ভাল।
জীৱনৰ অগ্ৰগতিত ৰামেশ্বৰৰ সেতুৰ বান্ধ।
শংকা কিহৰ ?
নতুন পুৰাৰ কে চা পোহৰত আশাৰ জুই।
আমাৰ চকুত তীখাৰ শাণ।

আন্ধাৰেই ভাল। কাৰণ পোহৰত জিলিকি উঠে সভ্য সমাজত পশুৰ দৰে সংগ্ৰাম কৰা মানুহৰ নিলজ্জ মুখ। সাধাৰণ মানুহ সকলোতে উপেক্ষিত। ৰজা ৰাজপুৰুষৰ ভোগৰ ক্ষেত্ৰভূমি এই পৃথিৱীত শোষিত মানুহে সেযে আন্ধাৰত মুখ লুকুৱাই বাট চায় নতুন দিন কেতিয়া আহিব।

হেম বৰুৱাৰ কবিতাত সমাজ সচেতন নতুন মন এটাৰ লগত প্ৰাচীন মূল্যবোধৰ সংমিশ্ৰণ ঘটিছে। ৰাজনীতি কৰা এই কবিজনে বিশ্বৰ ঘটনা প্ৰবাহৰ লগত মানসিকভাৱে জড়িত হৈও কিছুমান ঘৰুৱা পৰিবেশৰ চিত্ৰৰ মাজত দক্ষতা ফুটাই তুলিছিল।

কোৰিযাত বগা কাউৰী আৰু কুলা ভাত। মাজুলীৰ
সৰিযহ ফুলত নীলা জুই। (ভোৰতালে খাওঁ
খাওঁ কৰে)। পোহনীযা শালিকাৰ কণ্ঠত
মহাকাব্যৰ গান।
নামঘোষা। ৰামাযণ। আৰু কত কি ?
শকুন্তলা আমাৰ পথাৰ ৰমক জমক। ভৰ দুপৰীযা
ভদাইৰ আগচোতালত দোৰপাতি থৰক বৰক
মাকো সৰি সৰি পৰে।
(তোমালৈ চাওঁতে জপনা ডেওঁতে)।

সহজ সৰল বিবৰণৰ মাজত চমকপ্ৰদ চিত্ৰ এযে হেম বৰুৱাৰ বৈশিষ্ট্য। জাৰৰ দিনৰ সপোন নামৰ কবিতাটোত মানুহৰ মাজত থকা সীমাহীন সম্ভাৱনাৰ কথা ইংগিতময ভাষাৰে কোবা হৈছে। শুৱনি পৃথিৱী মৰমী পৃথিৱীৰ সাদৰী ৰূপ খাটি খোৱা শ্ৰেণীৰ বাবে যেন হেৰাই গৈছে। তেওঁলোকে মাথোন মনে বিচৰা এখন পৃথিৱীৰ সপোনহে দেখিব পাৰে। অথচ সপোন দেখাৰ অৱসৰেই বা কত! তেওঁলোকৰ চকুত আশাৰ নেজাল তৰা এই জনুলে এই মৰে। মৰা পৃথিৱীত খাটি সোণ ফুলোৱা কৃষকৰ মেহনতৰ ফল যায় পুঁজিপতিৰ ভঁৰাললৈ।

এটা টুনী আছে। দুটা টুনী আছে।
এটা ধান নিযে। দুটা ধান নিযে। ধানৰ দৰে মত
তেজপিয়াৰ ৰণ চালি।
তেজপিয়াৰ বংশ নাশলৈ কিমান দিন
বাকী? আৰু কিমান দিন?

কিন্তু এই প্ৰতাৰণা আৰু কিমান দিনৰ। নতুন যুগৰ মানুহে সাৰ পাইছে। তেওঁলোকৰ সন্মুখত বাসন্তী ক্ষণ ৰঙালী দিন। হাতত হাত মিলাই তেওঁলোকে নিজৰ পথাৰ নিজৰ মাটিত কৰ্ষণ কৰিব ভৱিষ্যতৰ অফুৰন্ত সম্ভাবনা।

হেম বৰুবাৰ কবিতাৰ আৰু এটি বৈশিষ্ট্য হ'ল ছন্দৰীতিৰ গদ্য গদ্য গোন্ধ। এটি উদাহৰণ—

সোণপাহী বহী। মোৰ কাষৰতে বহী।
চুলিৰ তোমাৰ আঁউসী এন্ধাৰে মোৰ
জীবন জ্বলাওক। কামনাৰ জুইকুৰা
ছাই হৈ যাওক। মোৰ বন্ধ কোঠাৰ তুমি
জ্বলি থকা মম। বাহিৰত জোনাকীৰ
ঢিমিক ঢামাক।
অস্পষ্ট এন্ধাৰ আৰু এৰুকু মৰম।

হেম বৰুৱাৰ কবিতাৰ বিষয়ে এইখিনিযেই মূল কথা। এইখিনি প্ৰকৃতিৰ আলমতে তেওঁৰ পিছৰ কবিসকলে দীপৰ পোহৰত বাট বুলাৰ দৰে পথৰ সন্ধান পাইছিল।

জীবনক গ্ৰহণ কৰাৰ দৰ্শনেই হ'ল নবকান্তৰ কাব্যৰ বিষয় বস্তু। হেম বৰুবাতকৈ নৱকান্ত বৰুবা আৰু বেছি আধুনিক বেছি ব্যঞ্জনাধৰ্মী। কিন্তু আগৰ আৰু পিছৰ কালৰ সকলো কবিতাকৈ বোধকৰো নৱকান্তই বেছি সফল কবি। নতুন কবিতাৰ প্ৰতি পাঠকৰ অনুৰাগ বঢ়োবাৰ ক্ষেত্ৰত তেওঁৰ চিত্ৰকল্পযুক্ত আৰু সুচাৰু অনুভৱযুক্ত কবিতাবোৰৰ অৱদান যথেষ্ট আছে। তেওঁৰ কবিতাত প্ৰেৰণা আৰু প্ৰযত্ন দুয়োটাৰে ছায়া দেখা যায়। নুবুজিলেও ভাল লগা গুণ এটা তেওঁৰ কবিতাত বৰ্তমান।

আকাশ ফুলৰ ইমান পাপৰি
উপনিষদৰ ইংগিত

বতাহ জোনাক ঢেউ আৰু তৰা
মৃত্যু শীতল সুপ্তিৰ নিচুকনি
টোপনিৰ হিম চকুৰ পাহিত কঁপে
ৰাতি তিৰবিৰ সপোন নিবিড়
মানিকতলাৰ খাল।
অলকানন্দা সপোন দেখিছা কাৰ?

এনেবোৰ স্তবকত এটা কাব্যিক আবেদন বৰ্তমান। ইলিয়টৰ প্ৰেৰণাত চিত্ৰকল্পৰ সাংকেতিক ভাষা আৰু ৰবীন্দ্ৰনাথৰ প্ৰেৰণাত কবিতাৰ কান্তি গুণ ৰক্ষাৰ স্পৃহা এই দুই লক্ষণৰ সুমিশ্ৰিত ৰূপ তেওঁৰ কবিতাত পোৱা যায়। আশাভৰা মন এটা কবিৰ ৰচনাৰ মাজত জিলিকি উঠে। পলস নামৰ কবিতাটিত অতীতৰ সাৰুৱা বুকুত ঠন ধৰি উঠা ভবিষ্যতৰ সপোন লক্ষ্য কৰা যায়। পাৰ হৈ যোৱা দিনবোৰ আৰু নাহে বহুতো সোণালী ক্ষণ বহুতো পুণ্য হুবলৈ খোজা সপোন কালৰ সোঁতত হেৰাই গ'ল। কুৰবাত কেনেবাকৈ হয়তো ৰৈ গৈছে মৰহা অতীতৰ দুটি এটি স্মৃতি। কবিৰ ভাষাত—

পলাশৰ জুই নুমাল এতিয়া। শাল আৰু চতিয়ন
বনত মানৰ দিনৰ অতীত বহাগৰ ধূম হাৰ
কিমান সপোন সৰি গ'ল তাৰ কোনে ৰাখে
খতিয়ন?
কলঙ কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়।

আজিৰ যি বৰ্তমান কালিলৈ সিয়েই অতীতত পৰিণত হ'ব। আজিৰ আশা নিৰাশা পোৱা নোপোৱাৰ দ্বন্দ্ব সময়ত হেৰাই যাব। তথাপিও কোনো কালে শেষ নহয় অতীতৰ লগত ভৱিষ্যতৰ যোগসূত্ৰ। কবিৰ আশা—

আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত
আমি সাৰ পাম।

কবিতাত ছন্দৰ মুকলি মূৰীয়া পদক্ষেপৰ লগে লগে এটি সুন্দৰৰ মিল কবিজনাৰ লক্ষণীয় বৈশিষ্ট্য। পলস কবিতাতে তাৰ উদাহৰণ আছে।

লখিমী নামৰ কবিতাত নৱকান্তৰ আধুনিক মনৰ স্বাক্ষৰতকৈও বেছি ফুটি উঠিছে কবিতাৰ জগতত চিৰাচৰিত এটি বক্তব্য—নিঃসংগতা

আৰু নাৰী। প্ৰকাশৰীতিৰ নতুনত্বৰ বাহিৰে এইটি কবিতাত ৰমন্যাসিক যুগৰে ছায়া পৰি আছে যেন লাগে। কবিজনাৰ এটি মনোৰম ৰচনা চকুপানী ফাগুন সুন্দৰ চিত্ৰকল্পৰে সমৃদ্ধ। ফাগুনো কবিতাৰ পুৰণি বিষয়। কিন্তু কবিৰ নিপুণ চিত্ৰ সমাবেশ আৰু স্বচ্ছন্দ মুক্তক ছন্দৰ সহযোগত ই এটি নতুন ফাগুনলৈ ৰূপান্তৰিত হৈছে। টুকুৰা টুকুৰা খণ্ড চিত্ৰৰ সংযোগত কবিতাটো জীৱন্ত হৈ উঠিছে—

চিনি জানো পোৱা মোক সুচাকৈয়ে?
মই যে ফাগুন। মই
কেৱল নিশ্বাস আৰু ধূলি আৰু ধোঁৱালি বেলিৰ
আৰু ৰঙচুৱা সন্ধ্যাৰ জোনৰ
অন্ধকাৰ।

প্ৰকৃতিৰ বুকুৰ পৰা বুটলি লোৱা চিত্ৰৰে তেওঁ কয়—

শৰতৰ বৰাগী মেঘত
হেমন্তৰ খোলা আকাশত
একেটি খবৰ সেই আদিতম প্ৰথম প্ৰেমৰ
বৰ্ষাৰ চকুৰ পানী হিম হোৱা কেইদিন হ'ল
শৰতৰ হাঁহি জানো উৰণীয়া কহুঁৱা ফুলৰ
আঁহে আঁহে এতিয়াও উৰি ফুৰা নাই?

তেওঁৰ চিত্ৰকল্পবোৰ কেতিয়াবা ৰং ৰূপ বাদ আদি ইন্দ্ৰিয়জ অনুভূতিৰ ওপৰত প্ৰতিষ্ঠিত যি কথাই মনত পেলায় জীৱনানন্দৰ চিত্ৰকল্পলৈ।

নৱকান্তৰ কবিতাই কোমল প্ৰকৃতিৰ বুকুত শান্তিৰ নীড় বান্ধিবলৈ বিচাৰিলেও মহানগৰৰ ক্ষয়িষ্ণু জীৱন আশাহত যুগৰ বেদনা অস্থিৰ বাতাবৰণৰ ব্যস্ততা—এই আটাইবোৰকে সামৰি লৈছে। বৌদ্ধিক স্তৰত তেওঁৰ কবিতাই পাঠকক ভবাই তোলে। সম্ৰাট কবিতাৰ মাজত থকা শতপুত্ৰৰ পিতৃ কিন্তু প্ৰজাৰ পিতা হ'ব নোৱৰা ধৃতৰাষ্ট্ৰৰ মনোবেদনাই বহুতো অলিখিত কথা পাঠকক কাণে কাণে কৈ যায়। কিন্তু আন বহুতো কবিৰ দৰে নৱকান্তই কেৱল বুদ্ধি আৰু চিন্তাৰ জগততে খেলা কৰা নাই হৃদয়কো তেওঁ স্থান দিছে। গতিকে সকলোশ্ৰেণীৰ পাঠকৰ বাবেই তেওঁৰ কবিতা আদৰণীয়। নতুন আংগিকৰ নিত্য নতুন পৰীক্ষাই তেওঁৰ মনৰ আৰু চিন্তাৰ পৰিধি বঢ়োৱাৰ লগতে কবিতাৰ জগততো নতুনত্বৰ সৃষ্টি কৰিছে।

আধুনিক কবিসকলৰ অন্যতম হ'ল মহেন্দ্ৰ বৰা। অধ্যয়নপূৰ্ণ মন আৰু স্বাভাৱিক কবি প্ৰতিভাৰে বৰাই কিছুমান সুন্দৰ কবিতা উপহাৰ দিছে। বিদেশৰ কবিসকলৰ প্ৰতীকি ভাষা চিত্ৰকল্প নিৰ্মাণ আৰু সংবেদনশীলতা তেওঁৰ কবিতাত ফুটি উঠাৰ লগতে ভাৰতীয় দৰ্শনৰ কিছু ধাৰণাযো চেগা চোৰোকাকৈ প্ৰকাশ লাভ কৰিছে। সাধাৰণতে তেওঁৰ ভাষা মসৃণ আৰু কোমল মধ্যবিত্ত শ্ৰেণীৰ আশা আৰু স্বপ্ন ভংগৰ ছবি ফুটি উঠিছে কেৰেণী শ্যেলীৰ চিঠি নামৰ কবিতাটিত। কেৰেণীৰ জীৱন—অৰ্থহীন ব্যস্ততা আৰু মোহভংগৰ জীৱন। কেতিযাবা অলপ মিঠা আশা মনোৰম অপেক্ষাৰ অনুভৱে তেওঁৰ জীৱনত বৈচিত্ৰ্য আনিব খোজে —

> বাহিৰত পাতল বৰষুণ
> শনিবাৰৰ এই মৰম লগা বিযলিটো
> কিমান ধুনীয়া হ'লহে তেন এখন চিঠিৰে।

কিন্তু বিচৰা চিঠিখন নাহিল।

> চিঠি আহে। হালধীয়া খাম হেজাৰ টন তেলৰ হিচাপ।
> তথাপি নাহিল চিঠি। তাৰ আপোনজনৰ চিঠি।

এইবোৰ মধ্যবিত্ত জীৱনত সপোনৰ দাম মাথো সপোন দেখাত। দিঠকৰ কঠোৰতাই ইযাত জীৱন বৃক্ষৰ ৰস শুহি নিযে। ৰুক্ষ কঠোৰ পৃথিৱীত প্ৰকৃত সত্য হ'ল —

> তাৰ ৰেশ্যন কাৰ্ড পে ে কলৰ জীৱনটো এটা ট্ৰেজেডীৰ বোবতী স াত।
> সোণৰ সপোন গুড়ি হৈ যায ৰেলৰ ইঞ্জিনৰ চেপাত নহয
> ফাইলৰ হে চাত।

কবিতাটোত আশাবাদী মনৰ স্বাক্ষৰ আছে। জীৱনত কেৱল হতাশা আৰু ব্যৰ্থতাই নাই। তাৰ লগে লগে আছে আস্থা আৰু শান্তিৰ নিবিড় হাতবাউলি। গতানুগতিক সেমেকা জীৱনত এই হাতবাউলিতে আছে জীয়াই থকাৰ প্ৰেৰণা।

মহেন্দ্ৰ বৰাৰ কবিতাত মোহময কথাৰ মাজেৰে যি মদিৰ ছবি জিলিকি উঠে সি কবিৰ ৰমন্যাসিক হৃদয় আধুনিক মন আৰু সন্ধিৎশীল প্ৰতিভাৰ যুগমীয়া ছবি দাঙি ধৰিব পাৰে —

> আজেৰাজে এহেজাৰ কথাৰ আকাশ ফেনেকি পাৰ হৈ
> মচলা বনৰ এচাটি নিচাৰ নিচিনাকৈ

যদি নামি আহে ঈশ্বৰ আৰু মৃত্যু
ইচকুলীয়া ছোৱালীৰ সৰু এটি প্ৰাৰ্থনাৰ দৰে
ধূপৰ ধোঁৱাৰ সতে মই যদি হঠাতে হেৰাই যাওঁ
অনশ্বৰ বিসৰ্গৰ ভিৰৰ মাজত।

মচলা বনৰ সুবাস ৰ লগত জীবনানন্দৰ দাৰুচিনি দ্বীপ ৰ কিবা এটি সাদৃশ্যাই যেন মনত খুন্দিয়াই যায়। প্ৰকৃততে জীবনানন্দৰ কাব্যৰ দৰে অপ্ৰত্যাশিত চিত্ৰকল্প নিৰ্মাণ আৰু তাৰ সৌন্দৰ্যৰ দ্বাৰা কবিতা বোৰৰ দূৰ লতা ঢাকি থোৱা আধুনিক অসমীয়া কবিতা এসময়ত এনে লক্ষণেৰে ভৰি আছিল। মহেন্দ্ৰ বৰাৰ কলমতো সজীৱ হৈ উঠিছে অভিনব চিত্ৰকল্প—

আকাশৰ মোহনাত চিকিমিকি ৰেখা হৈ দ্বিতীয়াৰ জোন
সহপাঠিনীৰ ফ্লেনেল ব্লাউজে ঢকা হাতৰ
ফাকেৰে জ্বলা
এগছি সোণৰ খাৰু।

প্ৰেম আৰু মৃত্যুৰ চেতনা এওঁৰ কবিতাত ফুটি উঠা দেখা যায়। প্ৰেম সম্পৰ্কে নতুন কবিৰ যি ধাৰণা সেই ক্ষণস্থায়িত্ব আৰু ভংগুৰতাৰ বিষয়েও তেওঁ একাধিক উক্তি কৰিছে—

শালবন জানা প্ৰেয়সীৰ মন উৰুৱাই ছাই শাখাই শাখাই জ্বলে
ৰঙা-জুই শিখা
চকুলোৰ সতে গলি শেষ হয় ভালপোৱা মাথো বৰফৰ চামনিত
আঙুলিৰ শিখা।

মৃত্যু তেওঁৰ বাবে এক গভীৰ নিবিড় শান্তি ভৰা ৰহস্যময় অনুভূতি। তেওঁৰ মনত পাশ্চাত্যৰ নতুন চিন্তাৰ লগে লগে ভাৰতীয় দৰ্শন আৰু উপনিষদীয় অধ্যয়নৰো প্ৰভাৱ পৰিছে। মৃত্যু সেইবাবে তেওঁৰ কাৰণে জীৱনৰ যৱনিকা নহয় এটা জীৱনৰ পৰা অন্য এটা জীৱনলৈ কৰা গতিপথৰ সূচনা মাথোন। এই মাত্ৰ কাৰামুক্ত কোনো এক দীৰ্ঘ মেয়াদৰ বন্দীৰ হৃদয়ৰ দৰে দেহচ্যুত আত্মাই ব্ৰহ্মাণ্ডত বিচৰণ কৰে। তাৰ পিছত পুনৰ জন্মগ্ৰহণ কৰে অন্ধকাৰৰ মাজেদি আলোক বিচাৰি। চিৰন্তন মানৱৰ নিজকে চিনি পোৱাৰ উপলব্ধি ফুটি উঠিছে জাতিস্মৰ কবিতাটিত

মই এমুঠি কুৰলী সত্তাৰ আপোন বাটেদি ঘূৰাঘূৰি কৰা
এমুঠি ছাঁয়া
বতাহত সোণৰ সূতাৰে ফুৰাওঁ ঘৰ জেউতিৰ মাকো
মোৰ বাবে ময়ে বওঁ নতুন দেহৰ নতুন কাপোৰ
মোৰ ক্লান্তি পথ নাই তথাপিতো সনাতন তীৰ্থযাত্ৰী মই
শুভ্ৰ নিখিলৰ চিৰন্তন অধিবাসী মোৰ পৰিচয়।

মহেন্দ্ৰ বৰাৰ কবিতা ভাৰতীয় মনৰ গভীৰতা পাশ্চাত্য চিন্তাৰ বুদ্ধি দীপ্ততা আৰু স্বাভাৱিক কবি প্ৰতিভাৰ কমনীয়তাৰে ভৰপূৰ।

এজন প্ৰসিদ্ধ গদ্যকাৰ হৈও কম সংখ্যক কবিতাৰ মাজত প্ৰতিভাৰ স্বাক্ষৰ হোৱা কবিজন হ'ল বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য। ভট্টাচাৰ্যৰ কবিতাৰ ভিতৰত বিষ্ণুৰাভা এতিয়া কিমান ৰাতি নিসন্দেহে শ্ৰেষ্ঠ কবিতাটিত বিয়াল্লিছৰ বিপ্লৱী চেতনাৰ সগোত্ৰীয় প্ৰেৰণা ফুটি উঠিছে। কবিতাটিৰ ভাব আৰু ভাষা বলিষ্ঠ। সহজ আৰু অনাড়ম্বৰ ভাষাৰ মাজত প্ৰাণ ছুই যোৱা প্ৰীতি আৰু স প্ৰীতিৰ সুৰ এটা ইয়াত ফুটি উঠিছে

বিহুৰ তলিত চিফুং বাঁহীৰ করুণ সুৰ
বড়ো গাভৰুৰ নাচোনৰ তাল ভাগে
জনতাৰ চকু চকুৰ পানীৰে পূৰ।
মাজনিশা কোনে ৰাজ আলিয়েদি
আক্ষেপ কৰি যায়
বিষ্ণু ৰাভা নাই।
নিজান চেলত তুমি সাৰে আছা
সাৰে আছে ক্লুৰ ইটাৰ দেবাল
বন্দী তোমাৰ কণ্ঠৰ সুৰ
নাচোনৰ লয়লাস।

কবিতাটোৰ মাজত কবিৰ প্ৰাণত থকা মাৰ্ক্সবাদী চিন্তাৰ উমান পোৱা যায়। জনতাৰ প্ৰতি তেওঁৰ অকৃত্ৰিম সহানুভূতি আছে। বিষ্ণুৰাভা তেওঁৰ বাবে জনতাৰ প্ৰাণৰ পুঞ্জীভূত আশা আৰু আস্থাৰ প্ৰতীক ৰূপ। তেওঁ বিচাৰে শোষিত জনৰ প্ৰাণৰ অকথিত ভাষাই জনতাৰ প্ৰাণৰ নেতা বিষ্ণুৰাভাৰ মাজতে প্ৰকাশ পাওক —

বিষ্ণুৰাভা আকৌ তুলিকা লোৱা
ইটাৰ দেৱালত আঁকি যোৱা সেই ছবি,

যি ছবিত ফুটে হেজাৰ শিল্পীৰ উত্থান
অখ্যাত জনৰ আশা আৱেগৰ বোল।

কাৰণ বিষ্ণুৰাভা এটা সময়ত কেৱল এজন ব্যক্তিয়েই নাছিল। তেওঁ আছিল শোষিত শ্ৰেণীৰ হকে কাম কৰা এক বিশাল প্ৰতিষ্ঠান। ৰূপে ৰসে সুৰে-ছন্দে ভৰা তেওঁৰ উদাৰ অন্তৰতে আছিল জনতাক জাগৰিত কৰাৰ সঞ্জীবনী মন্ত্ৰ।

এক আশাৰ সুৰ আৰু ৰক্তলোল পতাহীন পৃথিৱী ৰচাৰ সপোন ফুটি উঠিছে ভট্টাচাৰ্যৰ স্ৰুছো বন্ধ লৈ কবিতাটিত—

জেট বোমাৰুৰ প্ৰপেলাৰ হওক বন্ধ
কেৱল জ্বলক পজা ঘৰে ঘৰে
আশাৰ দীপিকা গছি

তেওঁৰ কবিতাত শুভ চিন্তা যিমান পৃষ্ট শৈলীৰ কাৰুকাৰ্য সিমান নিখুঁত নহয়। কিন্তু সৰ্বমুঠ বিচাৰত তেওঁৰ কবিতা সাৰ্থক তাৰ জনতাৰ ওচৰ চপাৰ প্ৰয়াসৰ বাবে।

বৰ্তমানৰ কবিসকলৰ ভিতৰত এজন বুদ্ধিদীপ্ত মনৰ কবি হ'ল অজিত বৰুৱা। বৰুৱাৰ কবিতাৰ দীঘ বাণি হৈছে আধুনিক জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত এক বৌদ্ধিক বিশ্বাসৰ তীক্ষ্ণ দৃষ্টিসম্পন্ন অন্বেষণ।[8] তেওঁৰ কবিতাত বিভিন্ন পৰ পৰ বিৰোধী সংঘাতে এক স্পন্দনৰ সৃষ্টি কৰে। এই সংঘাত হ'ল আধুনিক যুগৰে অস্থিৰ মনৰ প্ৰতিভূ। এওঁৰ কবিতা প্ৰতীকি শব্দ আৰু জটিল চিত্ৰৰে ভৰা। সেয়েহে সকলোসময়তে সহজবোধ্য নহয়। কিন্তু কেতিয়াবা এওঁৰ কবিতাৰ মাজত এনে এক অনুভৱ গুণগুণাই উঠে যে সেইবোৰ কবিতা সহজে ভাল লাগি যায়। মন কুঁৱলী সময়ত আছে স্মৃতি-ৰোমন্থনৰ মদু এটা মুহূৰ্ত মূৰ্ত হৈ উঠিছে ৰিক্ত নিসংগতাৰ এখনি ছবি —

সেই নীৰৱ গধূলি পথাৰৰ মাজত অকলে থিয় হোৱা
চাৰিওফালে পথাৰ পথাৰ
বকুত খামোচ
দূৰৰ গছৰ পৰা গুণগুণকৈ ধোঁৱা
উৰিছিল।

---

৪ আধুনিক অসমীয়া সাহিত্য পৃঃ ৮২

তেওঁৰ কবিতাৰ কাৰুকাৰ্যৰ আঁৰত যথেষ্ট মানসিক শ্ৰমৰ আভাস পোৱা যায়। বহুতো সাধনা আৰু সন্ধানৰ ফল তেওঁৰ শব্দসমূহ। সেইবোৰৰ যথাযোগ্য সংস্থাপনতো তেওঁ একাগ্ৰতাৰে মনোনিবেশ কৰে। কেতিয়াবা অভিনৱত্বৰ খাটিৰত তেওঁ ব্যৱহাৰ কৰা মিলবোৰে কবিতাত সৰলতাৰ সৃষ্টি কৰে—

সোৱণশিৰীৰ এটি পানীৰে আমাৰ নাৱৰ টিং ধুৱালোঁ

কেতিয়াবা পুনৰাবৃত্তিৰ দ্বাৰা তেওঁ কবিতাত বক্তব্য শক্তিশালী কৰি তোলে—

ডকা ফুটা গোন্ধ তৰা ফুলা গোন্ধ
ডকা ফুলা গোন্ধ টকা ফুটা গোন্ধ !!!

ঠিক যেন বুদ্ধদেব বসুৰ কঙ্কাবতীৰ—

আঁকাবাঁকা মেঘ আঁকা বাঁকা চাঁদ বাঁকাৰেখা
চাঁদ জলেৰ নিচে
আঁকাবাঁকা জল আঁকা বাঁকা চাঁদ আকাশ ফাঁকা।

এয়া হ'ল আধুনিক কাব্যৰ এটি লক্ষণ শব্দ বা চিত্ৰৰ পৌনঃপুনিক সম্মোহনৰ দ্বাৰা জাল বিস্তাৰ। পৃথিবীৰ প্ৰথম কবিতাৰ জন্ম হৈছিল এনে মেজিক বা মন্ত্ৰৰ যোগেদি আকৌ বিংশ শতাব্দীৰ পৰিবেশত কাব্যৰ পুনৰ্জন্মও যেন হ'ল তাৰেই পুনৰ আবিৰ্ভাবত।

খণ্ড চিত্ৰৰ সমাবেশত তেওঁ এক জটিল বিমূৰ্ত চিত্ৰকল্প সৃষ্টি কৰে। জটলগা চিন্তা আৰু বহুমুখী অনুভৱ একেলগে তেওঁৰ কবিতাত ফুটি উঠে। অৰুন্ধতী নগৰ ব্ৰোঞ্জৰ ঢেকীয়া আদি নাম কৰণৰ আঁৰত কবিৰ সেই মনোবৃত্তি ফুটি উঠা যেন লাগে যুক্ত কবিতাক মাথোন বুদ্ধিমত্তাৰ সম্পদ বুলি সংৰক্ষিত আসনত থোৱা হয়। চিনাকি শব্দৰ সমাবেশত সৃষ্টি কৰা অচিনাকি পৰিৱেশ তেওঁ এনেদৰে ফুটাই তোলে

নাৱৰ টিঙত শুই
তৰা আৰু বোকা একেলগে দেখি।
বাঘৰ গোজৰ মুহুৰ ঘুণ্টা জলকু ৰৰীৰ গীত
একেলগে বাজে বেসুৰা সুৰীয়াকৈ !!

৫ আধুনিক বাংলা কাব্য পৰিচয় পৃঃ ৮২

তেওঁৰ কবিতাৰ বিষয়ে ক'ব পাৰি — কবিতাৰ সংখ্যা কম কিন্তু মনন শীলতা বিভিন্ন মানসিক স্তৰৰ যুগপৎ ইংগিত আৰু প্ৰকাশবোধৰ বাবে আধুনিক অসমীয়া কবিতাত তেওঁৰ স্থান অনন্য। [৬]

নীলমণি ফুকনৰ কবিতা হ'ল আধুনিক পাঠকৰ বাবে এছাটি শীতল বতাহ। তেওঁৰ কবিতাৰ মাজত বিদেশী কাব্যৰীতি আৰু কাব্য প্ৰভাৱেৰে পুষ্ট। জাপানী হাইকুৰ আহিত তেওঁ কিছুমান ভাবঘন স্তবক ৰচনা কৰিছে। উদাহৰণ

গোটেই আহিনমহীয়া ৰাতিটো
ই দ্ৰমালতী ফুলবোৰে কান্দি আছিল
উঠি গৈ দেখিলোগে
গাঁৱৰ এটা গোধূলিৰ দৰে
তোমাৰ হাঁহিটো
তমাল জোপাত ওলমি আছে।

অথবা অন্য ৰচনাৰ প্ৰাণ পৰশা ছবি —
ন কৈ মেলা কলপাতখনৰ পৰা
নিযৰৰ দৰে টোপাটোপে
এ ধাৰবোৰ পৰিছিল।

চীনা ফৰাচী আৰু জাৰ্মান কবিতাৰ প্ৰভাৱ পৰা তেওঁৰ মনত ভাৰতীয় কবিৰ চিত্ৰ নিৰ্মাণৰ কিছু ৰীতিৰ প্ৰভাৱো দেখা যায়। এটি হৰিণা পোৱালি কবিতাত তেওঁ কৈছে —

শাল তাল হিজল আৰু মল্লিকা ফুলেৰে ভৰা
এই অৰণ্যত এতিয়া চম্পক ফুলৰ ৰাতি
মই আৰু এটি হৰিণা পোৱালি
ফুট কা ফুটকি

জীবনানন্দ যাৰ স্পৰ্শ পোৱা আছে তেনে পাঠকৰ বাবে নীলমণি ফুকনৰ কবিতাৰ কিছুমান মনোৰম চিত্ৰৰ ৰমণীয়তা চিনাকি গোন্ধেৰে ভৰা।

অসমীয়া কবিতাত সবাতোকৈ সৰহ সংখ্যক পাঠক সৃষ্টি কৰিলে যি জন কবিয়ে তেওঁ হ'ল হীৰেন ভট্টাচাৰ্য। সহজ কথা স্বচ্ছন্দ প্ৰৱাহ ঘৰুৱা সুৰৰ মাজতে তেওঁৰ কাব্যিক মায়াজাল। ভট্টাচাৰ্যৰ কবিতা

৬ কুৰি শতিকাৰ অসমীয়া কবিতা পৃ ২৩

সম্পৰ্কে সমালোচকসকলৰ দুটা মত দেখা যায়। এদলে তেওঁৰ সৰলতাক উপহাসৰ চকুৰে চায় অন্য এদলে তেওঁৰ আন্তৰিকতাৰ প্ৰশংসা কৰে। যি কি নহওক তেওঁৰ অনুৰাগী অলেখ। তেওঁক অনুসৰণ কৰি কবিতা লিখা নকবিও অলেখ। ভট্টাচাৰ্যৰ কবিতাত দেশপ্ৰেম প্ৰেম আৰু সমত বিদ্ৰোহৰ সুৰ ধ্বনিত হয়। তেওঁ ব্যবহাৰ কৰা চিত্ৰসমূহ অভিনৱ ব্যঞ্জনাৰে প্ৰাণ পৰশা

তুমিতো জানাই
এই কবিৰ আৰু একো নাই
এটাই মাথো কামিজ
তাৰো ছিগো ছিগো চিলাই
প্ৰেম চাগে এনেকুৱাই
আবৰণ খুলি হৃদয় জুৰাই

নতুন যৌবনৰ বাবে হীৰেন ভট্টাচাৰ্যৰ কবিতাসমূহ উন্মাদনা স্বৰূপ। বুদ্ধিৰ জগতত প্ৰবেশ নকৰাকৈ কেৱল হৃদয়ত তীব্ৰ আলোড়ন তুলি তেওঁ পাঠকক কবিতা পঢ়াৰ সুচা আমেজ দিব পাৰে।

হোমেন বৰগোহাঞি হৰি বৰকাকতী বীৰেশ্বৰ বৰুৱা হৰেকৃষ্ণ ডেকা আদি কবিসকলে আধুনিক কবিতাৰ জগতত বুদ্ধিদীপ্ত চিন্তাধাৰাৰ প্ৰকাশ ঘটাইছে। লগতে আছে আংগিকৰ নানাবিধৰ পৰীক্ষা। প্ৰগতিশীল যুগৰ লগত খাপ খোৱাকৈ দূৰ দুৰা তৰ ৰাজনীতি সমাজ নীতিৰ বতাহ এই কবিসকলে কবিতাৰ মাজত বোৱাই নিছিল। কেশৱ মহন্ত আৰু ৰামগগৈৰ দৰে কবিসকলে প্ৰগতিবাদী চিন্তাধাৰাৰ প্ৰকাশেৰে উপহাৰ দিছিল আঘোণৰ কুবলী আৰ পথাৰৰ দৰে যুগমীয়া কবিতা।

সাম্প্ৰতিক অসমীয়া তৰুণ কবিসকলে অগ্ৰজৰ পথেৰে আগবাঢ়ি কিছুমান সুন্দৰ কবিতাৰ সৃষ্টি কৰিছে। কঠিন বাস্তব নিৰ্দয় পৃথিৱী আশাহত মন স্বপ্ন দেখাৰ বাসনা সমাজ ভঙা আৰু গঢ়াৰ ইচ্ছা আৰু ব্যক্তিগত এধানি গোপন অনুভূতি—এয়ে সাম্প্ৰতিক কবিতাৰ লক্ষণ।

## ৮ ১ কবিতাৰ বিষয়ে দ্যুতিমান উক্তি

১ Poetry is metrical composition ড জনচন

২ It is the art of writing pleasure with truth by calling imagination to the helo of reason —ড জনচন

৩ Poetry is emotion recollected in tranquility — বৰ্ডছৱৰ্থ

৪ Poetry is spontaneous overflow of powerful feelings —ৱৰ্ডছৱৰ্থ

৫ Poetry is criticism of life—মেথিউ আৰ্নল্ড

৬ Poetry is the best words in the best order — কল ৰিজ

৭ Poetry is memorable speech —অডেন

৮ Poetry is musical thought —কালাইল

৯ কবিতা বস্তুটোবেই হ ল ভিতৰৰ এটা তাগিদা —ৰবীন্দ্ৰনাথ

১০ কেৱল ছন্দহে যে একান্তভাৱে কাব্য এনে নহয। কাব্যৰ মূল কথাটো আছে ৰসত ছন্দই আনুষঙ্গিক হৈ এই ৰসৰ পৰিচয দিয়ে। —ৰবীন্দ্ৰনাথ

১১ কবিৰ পক্ষে সমাজক বুজা দৰকাৰ কবিতাৰ অস্হিৰ ভিতৰত থাকিব ইতিহাসচেতনা আৰু মৰ্মত থাকিব পৰিচ্ছন্ন কালজ্ঞান। —জীবনানন্দ

১২ কাব্য সাহিত্যই দুই পাখি মেলি অনন্ত অসীমক আঁকোৱালি ধৰে। ই ভূমাক অৰ্থাৎ অলপৰ বিপৰীতক মুক্তিক সুন্দৰক আৰু শক্তিক আশ্ৰয কৰে। সেই দেখি কবিত্বৰ ঘাই কথা হৈছে সকলো সংকীৰ্ণতাৰ পৰা সৰ্বতোভাৱে মুক্ত হোৱাটো। —বেজবৰুৱা

১৩ কেতিয়াবা কাবৌকোকালি কৰি তাইক ( কবিতাক ) মাতি আনিলেও তাই ভুৰুং কৰে বালিমাহী চৰাইটি পলোৱাদি পলায় খেদা মাৰিলেও তাইক ধৰিব নোৱাৰি অথচ কেতিয়াবা ধৰোঁ ধৰোঁ ছোঁও ছোঁও যেন লাগে কিন্তু নোৱাৰোঁ ধৰিব নোৱাৰোঁ ছুব। আকৌ কেতিয়াবা মন গ ল যদি নিজেই এনেকৈ ধৰা দিয়ে যেন সজাৰ মইনাটিহে! —কৃপাবৰ বৰবৰুৱা

## গ্ৰন্থপঞ্জী


গগৈ লীলা ( সম্পাদনা ) আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়
ষ্টুডেন্টছ এম্পৰিয়াম
ডিব্ৰুগড় ১৯৯০

গোস্বামী ত্ৰৈলোক্যনাথ নন্দনতত্ত্ব প্ৰাচ্য আৰু পাশ্চাত্য
অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়
প্ৰথম প্ৰকাশ ১৯৮৫

বৰা মহেন্দ্ৰ অসমীয়া কবিতাৰ ছন্দ
বাণী মন্দিৰ ডিব্ৰুগড
প্ৰথম প্ৰকাশ ১৯৯০

অসমীয়া ছন্দৰ শিল্পতত্ত্ব
বনলতা ডিব্ৰুগড়
প্ৰথম প্ৰকাশ ১৯৯০

নতুন কবিতা
বনলতা ডিব্ৰুগড় ১৯৮৭

ৰমন্যাসবাদ
ষ্টুডেন্টছ এম্পৰিয়াম ডিব্ৰুগড়
দ্বিতীয় সংস্কৰণ ১৯৮৭

সাহিত্য উপক্ৰমণিকা
ষ্টুডেন্টছ ষ্টৰছ
বৰুৱা বামুণ গাঁও অসম

বৰুৱা নবকান্ত কবিতাৰ দেহ বিচাৰ
ষ্টুডেন্টছ ষ্টৰছ
গুৱাহাটী—১৯৮৮

ফুকন নীলমণি ( সম্পাদনা ) ঃ কুৰি শতিকাৰ অসমীয়া কবিতা
অসম প্ৰকাশন পৰিষদ গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৭৭

শইকীয়া নগেন (সম্পাদনা) সাহিত্যৰ বাদ বৈচিত্র্য
পাঠশালা ১৯৮৭

শৰ্মা তীৰ্থনাথ সাহিত্য বিদ্যা পৰিক্ৰমা
বাণী-প্ৰকাশ
পাঠশালা কামৰূপ
চতুৰ্থ সংস্কৰণ ১৯০৬

শাস্ত্ৰী বিশ্বনাৰায়ণ (অনুবাদ সম্পাদনা) সাহিত্য দৰ্পণ
অসম সাহিত্য সভা
যোৰহাট ১৯৬৪

Aristotle The Poetics
Doab House
1688 Nai Sarak Delhi 110006

Coombes H Literature and criticism
Penguin Books Ltd
Harmondsworth
Middlesex England
Reprinted 1974

Cladwick Charles Symbolism
The Critical Idiom
edited by John D Jump
Methuen and Co Limited
11 New Fetter Lane
London E C 4 1971

Drew Elizabeth Poetry A modern guide to its understanding and enjoyment
Dell Publishing Co I W C
750 Third Avenue
Newyork N Y 1007

Hudson William Henry   An introduction to the study of literature
Lyall Book Depot (Publication division ) Ludhiana 1963

Johnson R V   Aestheticism
The critical Idiom edited by John D Jump
Methuen and Co Ltd
11 New Fetter lane
London E C 4 1969

Macbeth George (edited)   Poetry 1900 to 1965
Longman English Series
London 1976

Rosenthal M L   Poetry and the common life
Newyork
Oxford University Press 1974

আইয়ুব আবু সয়ীদ ঃ   আধুনিকতা ও ৰবীন্দ্ৰনাথ
কলকতা ১৯৭৬

চক্ৰবৰ্তী নীৰেন্দ্ৰনাথ   কবিতাৰ কি ও কেন
দে জ পাব্লিছ
১৩ বঙ্কিম চাটাৰ্জি ষ্ট্ৰীট
কলিকতা
দ্বিতীয় প্ৰকাশ ১৯৮৫

চৌধুৰী প্ৰবাসজীবন   ৰবীন্দ্ৰনাথেৰ সাহিত্যাদৰ্শ ও অন্যান্য প্ৰসংগ
কলিকতা ১৯৮৮

দাস শচন্দ্ৰ   সাহিত্য সন্দৰ্শন
৫৬/১ আপাৰ চাৰ্কুলাৰ ৰোড
কলিকতা

| | |
|---|---|
| ত্রিপাঠি দীপ্তি | আধ নিক বাংলা কাব্য পৰিচয়<br>দে জ পাবলিছিং<br>১৩ বংকিম চাটাজী ষ্ট্রীট<br>কলিকতা<br>চতুথ প্রকাশ ১৯৮৮ |
| ভট্টাচার্য তপোধীৰ,<br>ভট্টাচার্য স্ব না | আধ্ নিকতা জীবনানন্দ ও পৰাবাস্তব<br>কলিকতা ১৯৭৬ |
| মান্না গ ণময | ৰবীন্দ্র কাব্যৰ পেৰ বিবর্তনৰেখা<br>মডার্ণ ব ক এজেন্সি প্রা লি<br>কলিকতা ১২ |
| মিত্র হৰপ্রসাদ | কবিতাৰ বিচিত্র কথা<br>১৫/২ শ্যামাচৰণ দে ষ্ট্রীট<br>কলিকতা ১২ |
| ৰায বাণি ক | কবিতা চিত্রিত ছায়া<br>৩৮ বিধান সৰণী<br>কলিকতা ৬ |